


শ্ৰীকিশোৰ কুমাৰ কলিতা
। পাঠমালা ।

# সূত্ৰধাৰ


তৃতীয় বছৰ সপ্তদশ সংখ্যা,
১৬-৩০ চেপ্টেম্বৰ, ১৯৯১
Vol. III, No. 17
16-30 September, 1991


## বিষয় সূচী



প্ৰতিবেদন

**মান আৰু বাংলাদেশৰ সহায়ত মুক্তিৰ স্বপ্ন? □ দুলাল বৰা ৫**

স্বাধীন অসমৰ স্বপ্ন চকুত সানি হিংসাৰ দাবানলেৰে লুইতৰ দুপাৰ তল-ওপৰ লগাই থকা 'আল্‌ফা'ৰ বাংলাদেশৰ সৈতে গোপন মিতিৰালিৰ তথ্যভিত্তিক প্ৰতিবেদন যুগুতাইছে দুলাল বৰাই।

প্ৰচ্ছদ নিবন্ধ

**ৰাজনৈতিক চাকনৈয়াত বিশ্ববিদ্যালয় ১৫**



দেশ আৰু জাতি সেৱাৰ লগতে সংস্কৃতিৰ কেন্দ্ৰস্থল নহৈ গুৱাহাটী বিশ্ববিদ্যালয় সম্প্ৰতি ৰাজনৈতিক কেন্দ্ৰস্থলতহে পৰিণত হৈছে। শৈক্ষিক পৰিবেশৰ পৰিবৰ্তে বিশ্ববিদ্যালয়ৰ চৌহদ অনিশ্চয়তাৰ কুঁৱলীয়ে আবৰি পেলাইছে। হিতেন মহন্তৰ তত্ত্বগধুৰ প্ৰবন্ধত তাৰেই ইংগিত।
গুৱাহাটী বিশ্ববিদ্যালয় প্ৰসংগত উপাচাৰ্য ডঃ নিৰ্মল কুমাৰ চৌধুৰীৰ লগত হোৱা বিশেষ সাক্ষাতকাৰৰ লগতে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলৰো সাক্ষাতকাৰ আগবঢ়াইছে স্বপ্না বেজবৰুৱা আৰু বুবুল কুমাৰ গগৈয়ে।

নক'লে নহয়

নীচতাৰ, হীনতাৰ নতুন 'ৰেকৰ্ড' □ অ. বৰুৱা ১০

সাহিত্য

কবি নৱকান্ত বৰুৱা □ কুমুদ বৰুৱা ৪৭

সাহিত্য

নোবেল বিজয়ী লেটিন আমেৰিকাৰ কবি অক্টাভিও পাজঃ কবিতা এক গোপন উৎসৰ □ গীতাৰ্থ থাঠক ৫৬

দৃষ্টিকোণ

প্ৰসংগঃ দেৱব্ৰত শৰ্মাইতলৈ নিক্ষে[illegible] গুলিবোৰ □ ৰিপুঞ্জয় গগৈ/তিলক বৰুৱা ৫৮

বিচিত্ৰা

কমলা শইকীয়াৰ স্মৃতিতঃ সাংবাদি[illegible] কমলা শইকীয়া হওক প্ৰেৰণাৰ উৎ[illegible] □ কৃষ্ণ খাটনিয়াৰ ৫৯

চিঠি ৪
সম্পাদকৰ টোকাবহী ১২
চুই যাওঁ ১৪
কবিতা ৫২
গল্প ৫৩
চিনেমা ৬০
প্ৰাত্যহিক ৬২


বেটুপাতৰ ফটো □ প্ৰসেনজিৎ দুৱৰা

### পাঠকৰ জ্ঞাতাৰ্থে

অনিবাৰ্য কাৰণবশতঃ ধাৰাবাহিক উপন্যাস 'ডিকট্‌ন' এই সংখ্যাত প্ৰকাশ কৰা নহ'ল 'ডিক্‌টন'ৰ পৰবৰ্তী খণ্ড ১ নবেম্বৰৰ পৰা সূত্ৰধাৰত প্ৰকাশ পাব।

*সম্পাদক সূত্ৰধাৰ*


সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্বনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিতঃ □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮



**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

## নৱনীতা গগৈৰ চিঠিৰ প্ৰত্যুত্তৰ

নৱনীতা গগৈয়ে সূত্ৰধাৰ (১৬-৩১ আগষ্ট)ত "অৱহেলিত মৰাণসকল' (১৬-৩১ জুলাই)-ত শীৰ্ষক প্ৰবন্ধটিৰ ওপৰত লেখা চিঠিখনি আমাৰ দৃষ্টিগোচৰ হৈছে।

শ্ৰীমতী গগৈয়ে লিখাৰ দৰে 'মৰাণ সংস্কৃতিত এভুমুকি' বুলি অসম সাহিত্য সভাৰ বিগত ডুমডুমা অধিবেশনত অভ্যৰ্থনা সমিতিৰ দ্বাৰা কোনো প্ৰবন্ধ সংকলন প্ৰকাশ কৰা হোৱা নাছিল। শ্ৰীলীলাম্বৰ দহোটীয়াৰ দ্বাৰা সম্পাদিত আৰু উক্ত অভ্যৰ্থনা সমিতিৰ দ্বাৰা প্ৰকাশিত সেই প্ৰবন্ধ সংকলনটিৰ নাম আছিল 'মৰাণ সংস্কৃতিৰ ৰূপৰেখা'। আমাৰ প্ৰবন্ধটো ভালদৰে চালেই দেখিব যে আমি পাৰ্যমানে প্ৰয়োজনীয় স্থানত প্ৰসংগ দি গৈছো। যিখিনি কথা হুবহু তুলি দিয়াৰ বিষয়ে শ্ৰীমতী গগৈয়ে লিখিছে সেয়ানো ক'ৰ পৰা তুলি দিয়া হৈছে তাকো বন্ধনীৰ ভিতৰত দিয়া হৈছে ১৬-৩১ জুলাই সূত্ৰধাৰৰ ৩৭নং পৃষ্ঠাত। অৱশ্যে অজানিত ভুলৰ বাবে গগৈ দেৱৰ নামটো থাকি যোৱাটো স্বীকাৰ কৰিছো। ঠিক সেইদৰে ৩৬ পৃষ্ঠাৰ প্ৰথম স্তম্ভৰ এঠাইত থাকি গৈছে– 'প্ৰান্তিক, ১৬-৩১ জুলাই, ১৯৮৩' কথাষাৰ। প্ৰবন্ধটো মানেই যিহেতু সম্পূৰ্ণ উপন্যাসখন হব নোৱাৰে, গতিকে তেনেদৰে উনুকিয়ালেও বোধকৰো ভৱিষ্যতে অনুসন্ধিৎসু ইতিহাসবিদে প্ৰকৃত মৌলিক তথ্য উলিয়াই লব পাৰিব। তাৰ উপৰি ভূমিপুত্ৰ মৰাণসকলৰ পুঞ্জীভূত বেদনাখিনি সমগ্ৰ অসমবাসীক অবগত কৰোৱাটোহে আমাৰ উদ্দেশ্য আছিল।

আনৰ পৰা ধাৰ কৰা বা চুৰ কৰা তথ্যৰে কোনোবাই পণ্ডিতালি কৰা বুলি কোৱা কথাষাৰ আমি পিছে মানি লব পৰা নাই। কাৰণ কোনোবাই যদি তেনে কৰি সাময়িক ভাবে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছেও সময়ত বিজ্ঞজনে তাক নাকচ কৰি গৈছে।

আমাৰ প্ৰবন্ধত উল্লেখ কৰা সদৌ অসম মৰাণ ছাত্ৰ সংস্থাৰ ৩নং প্ৰস্তাৱটোৱেই জানো তাৰ সুন্দৰ উদাহৰণ নহয় (য'ত ভুল বিলাক দেখুওৱা হৈছে)? আমাৰ অধ্যয়নৰ সীমিত পৰিসৰৰ পৰাহে কৈছো– তেনেকৈ

চুৰি কৰি পণ্ডিতালি কৰি প্ৰতিষ্ঠা লাভ কৰা লেখক, সাহিত্যিক হোৱাৰ উদাহৰণ অসমত বোধকৰো এজনো নোলাব নেকি! কিন্তু শ্ৰীমতী গগৈৰ চিঠিখনৰ পৰা আমাৰ বিশ্বাস জন্মিছে যে তেখেতৰ হাতত তেনে ধৰণৰ উপযুক্ত তথ্যপাতি নিশ্চয় আছে। নহ'লে কোনো কোনো তেনে 'প্ৰবৃত্তিৰ' লেখকৰ লগতে এই লেখককো একাকাৰ কৰাৰ সাহস তেখেতে কেতিয়াও গোটাব নোৱাৰে। যদিহে আছে 'সূত্ৰধাৰ'ৰ পাততে আমি অনতিপলমে তেনে আলোচনা আশা কৰিলো।

নকুল দত্ত
ডিব্ৰুগড়

## স্পষ্টীকৰণঃ প্ৰহলাদ বৰুৱাৰ প্ৰবন্ধ সম্পৰ্কে

"সূত্ৰধাৰ"ত জনৈক "প্ৰহলাদ বৰুৱা"ৰ এলানি প্ৰবন্ধ প্ৰকাশ হৈ আছে। উল্লেখযোগ্য যে, প্ৰবন্ধ লানি পঢ়ি অনেক পঢ়ুৱৈয়ে মোক অভিনন্দন জনাই বা-বাতৰি পঠাইছে।

কিন্তু সূত্ৰধাৰৰ মাননীয় পঢ়ুৱৈ সমাজক মই জনাওঁ যে, এই লানি প্ৰবন্ধৰ লেকখ মই নহয়।

প্ৰহলাদ কুমাৰ বৰুৱা
ডিব্ৰুগড় বিশ্ববিদ্যালয়
অসমীয়া বিভাগ


শাৰদীয় সূত্ৰধাৰ
১ অক্টোবৰত প্ৰকাশ পাব, দাম ১৫ টকা
প্ৰবন্ধ-সম্ভাৰ
অতীতক নাযাবা পাহৰি ● জ্যোতিষ : প্ৰমান প্ৰচাৰ আৰু অন্যান্য প্ৰসংগ ● এন্টন চেকভ ● চেমুৱেল বেকেট ● ডি. এইচ লৰেঞ্চ ● জ্যোতিপ্ৰসাদৰ সাহিত্যত নাৰী আৰু সত্যৰ বিচিত্ৰ স্বৰূপ ● অসমৰ দেওধনী নৃত্য ● বনচেকী ● সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয় স্বীকৃতি ● লু চুনৰ 'হে যুদ্ধ স্বাগতম' ● নীলকান্ত বৰুৱা আৰু তেওঁৰ কৃতিত্ব ● কবিতা আৰু বিজ্ঞান ● এগৰাকী প্ৰাচীন ভাৰতীয় দাৰ্শনিক: যাজ্ঞবল্ক্য
উপন্যাস
দেওজিৰ / তীৰ্থ ফুকন
উপন্যাসিকা
নৱ প্ৰজন্মৰ আঁধিয়াৰ
জোগেশ্বৰ চৌতিয়া
গল্প
খিচুৰি ● অপাংক্তেয় ● আপোচ ● আশা ● অপ্ৰকাশ্য ● নিৰনৰ আৰু অনিৰুদ্ধ দ্বিবেদী ● নিৰ্মল পানীৰ সন্ধানত ● মোৰ গাওঁ : এটি এলিজি ● মনুষ্যত্বৰ অপহৰণ
কবিতা
অসময় / কবিতাৰ ঘৰ / অপেক্ষা / দীঘলি
আগতে ঘোষণা কৰা মতে পদ্ম বৰকটকীৰ উপন্যাস 'কণকবৰণ' অনিবাৰ্য কাৰণবশতঃ শাৰদীয় সূত্ৰধাৰত প্ৰকাশ কৰিব পৰা নাযাব।
সম্পাদক, সূত্ৰধাৰ







# মান আৰু বাংলাদেশৰ সহায়ত মুক্তিৰ স্বপ্ন?

দুলাল বৰা

'অপাৰেচন বজৰঙ'ৰ কাল-ছোৱাত উজনি অসমৰ লক্ষীপথাৰত আৱিষ্কৃত হোৱা আল্‌ফাৰ সুসজ্জিত শিবিৰ আৰু গণ সমাধিয়ে সমগ্ৰ অসমবাসীকে স্তম্ভিত কৰিছিল। শিবিৰ এটা অসমৰ কোনোবা ঠাইত থাকিব পাৰে বুলি সৰ্বসাধাৰণ ৰাইজে অনুমান কৰি লব পাৰিলেও গণ সমাধিৰ কথা কল্পনাতীত আছিল। কিয়নো ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা অপহৰণ কৰি নিয়া লোকক আল্‌ফাই নিজেই অভিযোগ আনি নিজেই মৃত্যুদণ্ড দি, অত্যন্ত সংগোপনে গাতত পুতি থব পাৰে বুলি কোনেও তাৰ আগলৈকে অনুমান কৰিও চোৱা নাছিল। আনকি আল্‌ফাইও সেই ঘটনা স্বীকাৰ কৰি দায়িত্ব গাত পাতি লৈছিল সৈন্য বাহিনীয়ে গণ সমাধিটো আৱিষ্কাৰ কৰাৰ পিছতহে, আগতে নহয়।

সম্প্ৰতি হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰটোৰ প্ৰথম দুমাহৰ কাৰ্যকালৰ ভিতৰত আল্‌ফা সম্পৰ্কে আৱিষ্কৃত হোৱা যিটো তথ্যই আটাইকে স্তম্ভিত কৰি তুলিছে, সেইটো হৈছে বাংলাদেশকে মুখ্য কৰি পাকিস্তান, চীন আদি বৈদেশিক ৰাষ্ট্ৰৰ পৰা আল্‌ফাই পোৱা সহায়। কিয়নো কেৱলমাত্ৰ অসমবাসীৰ মাজৰে কিছু সংখ্যক লোকৰ সমৰ্থনকেই সাৰোগত কৰি আল্‌ফাই অসমক স্বাধীন কৰিবলৈ যুঁজ পাতিছে বুলি ইমানদিনে সৰ্বসাধাৰণ ৰাইজে ধাৰণা কৰি আছিল। বৈদেশিক ৰাষ্ট্ৰ, তাতে আকৌ অসম তথা উত্তৰ পূৰ্বাঞ্চলক বিভিন্ন ...ত বিভিন্ন প্ৰকাৰে ভাবুকি দি থকা বাংলাদেশ, চীন, পাকিস্তানে অসমত মুক্তিৰ ৰণ চলোৱা ডেকা দলটোৰ সৈতে মিতিৰালি কৰিব বুলি কোনেও অনুমানকে কৰিব পৰা নাছিল।

যি কি নহওক, এনে মিতিৰালিৰ অভিযোগ কিন্তু এইবাৰ অকাট্যভাবে উঠিছে। বাংলাদেশ, পাকিস্তান আৰু চীন দেশে আল্‌ফাৰ সৈতে কোনো ধৰণৰ যোগাযোগ থকাৰ কথা অস্বীকাৰ কৰিছে যদিও ভাৰতৰ অভিজ্ঞতাৰ দাপোণত তেনে অস্বীকৃতিৰ গুৰুত্ব প্ৰায় নায়েই। কাৰণ বাংলাদেশী লোকৰ অনুপ্ৰবেশে সৃষ্টি কৰা সমস্যাৰ বিৰুদ্ধে অসমত সুদীৰ্ঘ আন্দোলন চলি থকা সময়ছোৱাতে, বাংলাদেশৰ চৰকাৰে এজনো বাংলাদেশী অসমত সোমোৱা নাই বুলি দিয়া অসংখ্য বিবৃতি,




ঢাকাৰ সংসদ ভৱনৰ সমুখত চাৰি গৰাকী আল্‌ফা নেতা। কুৰ্তা পৰিহিত গৰাকীয়েই, কৰ্তৃত্বশীল মহলৰ মতে আল্‌ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱা। চানগ্লাছ পৰিহিতজন পাৰ্থপ্ৰতিম বৰা, অসম আন্দোলনৰ নেতা নিবাৰণ বৰাৰ পুত্ৰ।

পাকিস্তানত প্ৰশিক্ষিত হৈ অহা উগ্ৰপন্থী কাশ্মীৰ আৰু পাঞ্জাবত গ্ৰেপ্তাৰ হোৱাৰ পিছতো উগ্ৰপন্থী সকলৈ কোনো ধৰণৰ সহায়. আগবঢ়োৱা নাই বুলি অহৰহ পাকিস্তানে দি থকা বিবৃতি আৰু নগা উগ্ৰপন্থী সকলে চীনৰ পৰা আৰম্ভণিৰ কালছোৱাত পোৱা সহায় সমৰ্থনৰ কথা নিজেই অকপটভাবে স্বীকাৰ কৰাৰ পিছতো চীনদেশে কোনোদিনে সেই কথা স্বীকাৰ নকৰা ঘটনা আদিৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি কৰা অস্বীকাৰ সমূহ সেয়ে মূল্যহীন বুলি বিবেচিত হবলৈ বাধ্য।


অপাৰেচন বজৰঙৰ সময়ত সৈন্য বাহিনীয়ে মেঘালয়ৰ গাৰোপাহাৰত থকা আল্‌ফাৰ শিবিৰ এটা ধ্বংস কৰোতে উদ্ধাৰ হোৱা কিছু কাগজ-পত্ৰ অস্ত্ৰ-সম্ভাৰ কিনিবলৈ বুলি যোৱা দুগৰাকী আল্‌ফা কৰ্মীক উত্তৰ প্ৰদেশৰ পুলিচে বিগত বছৰত গ্ৰেপ্তাৰ কৰোতে উদ্ধাৰ কৰা পাকিস্তানী মুদ্ৰাৰ টোপোলা আৰু মিজোৰামত গ্ৰেপ্তাৰ হোৱা দুজন নগা বিদ্ৰোহীৰ (এন এছ চি এন-ৰ) স্বীকাৰোক্তিৰ কথাবোৰ কাকতে-পত্ৰে প্ৰকাশিত হওঁতে অৱশ্যে, বাংলাদেশ আৰু পাকিস্তানৰ সৈতে আল্‌ফাৰ কিঞ্চিত হলেও যোগাযোগ থকাৰ ইংগিত পোৱা গৈছিল। কিন্তু সম্প্ৰতি এনে যোগাযোগৰ কথা অসম চৰকাৰে নিজে সদৰি কৰিছে। কেৱল সেয়ে নহয়, ভাৰত চৰকাৰৰ ওচৰত এক বিস্তৃত প্ৰতিবেদন তথ্য সহকাৰে দাঙি ধৰি এই সন্দৰ্ভত উক্ত দেশ সমূহক ভাৰত তথা অসম বিৰোধী কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰাব লাগে বুলিও দাবী তুলিছে।

আল্‌ফাৰ সৈতে বাংলাদেশ, পাকিস্তান আৰু চীন দেশৰ যোগাযোগ সম্পৰ্কে চাঞ্চল্যকৰ তথ্য সৰ্বপ্ৰথম মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়ায়েই বিধান সভাৰ মজিয়াত উত্থাপন কৰে। যোৱা ৯ চেপ্টেম্বৰ তাৰিখে, আল্‌ফাই পণবন্দী হিচাপে ৰখা চৰকাৰী বিষয়া কেইগৰাকী উদ্ধাৰ নোহোৱা আৰু তাৰ পৰাই উদ্ভূত হোৱা সমস্যাৰ সন্দৰ্ভত মুখ্য মন্ত্ৰী গৰাকীয়ে এটি লিখিত বিবৃতি-পাঠ কৰি কয় যে কেৱলমাত্ৰ হিংসাত্মক ঘটনাৰ মাজতে আল্‌ফাৰ সমস্যাটো সীমিত কৰি ৰাখিব নোৱাৰি। "কিয়নো, এই সমস্যাটোৱে লাহে লাহে এক অতিশয় জটিল আৰু ভয়াবহ ৰূপ লবলৈ ধৰাৰ বিষয়ে আমি নিশ্চিত হ'ব পাৰিছোহি। সংগঠনৰ নেতৃত্বই একাধিক বিদেশী ৰাষ্ট্ৰৰ লগত স্থাপন কৰা ভয়াবহ




চেয়াৰমেন অৰবিন্দ ৰাজখোৱাৰ ডায়েৰিৰ পৃষ্ঠা।






সম্পৰ্কৰ কেতবোৰ ইংগিত পোহৰলৈ আহিছে। উদাহৰণ স্বৰূপে, মেঘালয়ৰ বাঘমাৰাত তিনিজন এন এছ চি এন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ হাতৰ পৰা উদ্ধাৰ কৰা নথি-পত্ৰই সন্দেহাতীত ভাবে প্ৰমাণ কৰি দিছে যে আল্‌ফা সংগঠনলৈ বাংলাদেশে অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছে আৰু প্ৰশিক্ষণৰ সা-সুবিধাও কৰি দিছে। প্ৰসংগক্ৰমে মই সদনক জনাব খোজো যে আল্‌ফা সংগঠনৰ স্বয়ম্ভূ সৰ্বোচ্চ নেতা গৰাকীৰ ব্যক্তিগত ডায়েৰি এখন চৰকাৰৰ হাতত পৰিছেহি আৰু বাংলাদেশ, চীন আৰু পাকিস্তানৰ লগত সংগঠনটোৰ সম্পৰ্কৰ বিষয়ে তাৰ পৰাই যথেষ্ট বিশদভাবে জানিব পৰা গৈছে। যোৱা এপ্ৰিল মাহতো বাংলাদেশত প্ৰশিক্ষণ কেন্দ্ৰ পতাৰ বাবে স্বয়ম্ভূ নেতা গৰাকী বাংলাদেশলৈ যোৱাৰ বিষয়ে আমি নিশ্চিত হ'ব পাৰিছো। বাংলাদেশৰ পৰা উলটি অহাৰ পথত মেঘালয় আৰক্ষীয়ে দুজন আল্‌ফা কৰ্মীক গ্ৰেপ্তাৰ কৰাৰ পৰাও বাংলাদেশৰ সৈতে সংগঠনটোৰ সম্পৰ্কৰ কথাই প্ৰতিপন্ন হৈছে। এই গ্ৰেপ্তাৰ হোৱা কৰ্মী দুজনৰ এজন গুৱাহাটীত মানৱেন্দ্ৰ শৰ্মাৰ হত্যাকে ধৰি ভালেমান জঘন্য অপৰাধৰ লগত জড়িত। তেওঁলোকক জেৰা কৰি আৰু নথি-পত্ৰৰ পৰাও জানিব পৰা গৈছে যে বাংলাদেশৰ আদমপুৰতো আল্‌ফাৰ প্ৰশিক্ষণ শিবিৰ এটা চলি আছে আৰু তাৰ দায়িত্বত আছে গুৱাহাটীত জি এল হৰলালকাৰ হত্যাকাৰী বুলি অভিযুক্ত আল্‌ফা নেতাজন। তেওঁলোকক জেৰা কৰি চৰকাৰে পোৱা তথ্য মতে আল্‌ফাৰ নেতা সকলে বাংলাদেশলৈ সঘনাই গৈ আছে আৰু ঢাকাত অনেক বিশিষ্ট লোকৰ সৈতে সংযোগ স্থাপন কৰাৰ উপৰিও সেই দেশৰ পৰা অস্ত্ৰ-শস্ত্ৰও সংগ্ৰহ কৰিছে।"

মুখ্য মন্ত্ৰী গৰাকীয়ে লগতে এই বুলিও কয় যে– "যোৱা এক জুলাইৰ পৰা এতিয়ালৈ বিভিন্ন অপৰাধ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা সকলৰ ভিতৰত ১৪৮ জন আল্‌ফাৰ উচ্চ পৰ্যায়ৰ কৰ্মী আৰু নেতা আছে। তেওঁলোকক জেৰা কৰি থকা হৈছে আৰু ভালেমান তথ্যও সংগৃহীত হৈছে। তেওঁলোকৰ পৰাই জানিব পৰা গৈছে যে আল্‌ফাৰ স্বয়ম্ভূ মুখ্য সেনাধিনায়ক জনে চীন দেশৰ লগতো ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিছে আৰু সেই দেশৰ ইউনান প্ৰদেশত প্ৰশিক্ষণৰ ব্যৱস্থাও কৰি লৈছে।

মাননীয় সদস্য সকল নিশ্চয় আমাৰ সৈতে একমত হ'ব যে বিদেশী ৰাষ্ট্ৰৰ সৈতে আল্‌ফা সংগঠনৰ এনে ধৰণৰ সম্পৰ্ক আৰু ভয়াবহ মিত্ৰতাই আল্‌ফা সমস্যাটোক আৰু অধিক জটিল কৰি পেলাইছে।"

মুখ্য মন্ত্ৰী গৰাকীয়ে এই সংবাদদাতাক কোৱা মতে আল্‌ফাই লাভ কৰা বৈদেশিক সহযোগিতাৰ তথ্য সমূহ অসম চৰকাৰে অলপতেহে পাইছে। যোৰহাটত গ্ৰেপ্তাৰ হোৱা দুগৰাকী আল্‌ফা কৰ্মীৰ হাতৰ পৰা পুলিচে উদ্ধাৰ কৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱাৰ ব্যক্তিগত ডায়েৰি, মেঘালয়ৰ পুলিচে, ভাৰত-বাংলাদেশ সীমান্তত গ্ৰেপ্তাৰ কৰা 'এন্দ্ৰিয়' নামৰ এজন গাৰো যুৱক আৰু মনোজ হাজৰিকা আৰু ভাস্কৰ বৰুৱা নামৰ দুজন আগশাৰীৰ আল্‌ফা নেতাই কৰা স্বীকাৰোক্তি তথা তেওঁলোকৰ হাতৰ পৰা উদ্ধাৰ কৰা তথ্যপাতি আৰু ২ চেপ্টেম্বৰৰ দিনা ডিমাপুৰত নগালেণ্ডৰ পুলিচে গ্ৰেপ্তাৰ কৰা নগেন দাস ওৰফে পূৰ্ণানন্দ দত্ত আৰু অনন্ত গগৈ ওৰফে শশাংক নামৰ আল্‌ফা কৰ্মী দুজনৰ স্বীকাৰোক্তিৰ পৰাই চৰকাৰে আল্‌ফা-বাংলাদেশৰ যোগাযোগৰ কথা সঠিককৈ গম পাইছে।

অসম চৰকাৰৰ উচ্চ পৰ্যায়ৰ এক সূত্ৰৰ মতে গ্ৰেপ্তাৰ হোৱা গাৰো যুৱক 'এন্দ্ৰিয়' আছিল আল্‌ফাৰ কৰ্মী সকল বাংলাদেশলৈ পাৰ হোৱাৰ ক্ষেত্ৰত প্ৰধান সহায়ক।



OKDISCD

নংগ্ৰিটন নামৰ সীমান্তবৰ্তী গাওঁখনৰ ছিয়েম গৰাকীৰ তেওঁ পুতেক। পুলিচে উদ্ধাৰ কৰা অৰবিন্দ ৰাজখোৱাৰ ডায়েৰিখনতো উক্ত গাওঁ আৰু গাৰো যুৱক জনৰ অনেক কথা লিপিবদ্ধ হৈ আছে। বাতৰিমতে, মেঘালয় পুলিচে গ্ৰেপ্তাৰ কৰা মনোজ হাজৰিকা আৰু ভাস্কৰ বৰুৱা হৈছে মানদেশত (মিয়ানমাৰ অৰ্থাৎ ব্ৰহ্মদেশ) থকা আল্‌ফাৰ একমাত্ৰ অৱশিষ্ট কেম্পটোৰ অধিনায়ক। কেম্পটো নগালেন্ডৰ মন জিলাৰ ঠিক বিপৰীত দিশত অৱস্থিত। তেওঁলোক দুজনো হেনো যোৱা মাহত বাংলাদেশলৈ পাৰ হৈ যাব খুজিছিল। সূত্ৰটোৰ মতে, অসমৰ মানবেন্দ্ৰ শৰ্মাক কৰা হত্যা কান্ডটোৰ আঁচনিৰ লগত হাজৰিকা জড়িত আছিল আৰু পুলিচৰ জেৰাত আচল হত্যাকাৰী দুজনৰ নামো তেওঁ প্ৰকাশ কৰি পেলাইছে। নগালেন্ডত গ্ৰেপ্তাৰ হোৱা দুয়োজনেই, চৰকাৰী সূত্ৰৰ মতে, হাতত ৫ লাখ টকাৰ বাকচ লৈ গৈছিল এন এছ চি এন-ৰ কাৰ্যালয়ত জমা দিবৰ বাবে। গ্ৰেপ্তাৰ হোৱা কেউগৰাকীয়েই যে আল্‌ফাৰ গুৰুত্বপূৰ্ণ সদস্য সেই কথা অৱশ্যে আল্‌ফাই তোলা দাবীৰ পৰাই অনুমান কৰিব পাৰি। কিয়নো, পণবন্দীৰ বিনিময়ত অত্যন্ত শেহতীয়া ভাবে যি ১৬ জন কৰ্মীৰ মুক্তি আল্‌ফাই বিচাৰিছল তাত কেউগৰাকীৰে নাম অন্তৰ্ভুক্ত হোৱা দেখা গৈছিল বহু পূৰ্বেই গ্ৰেপ্তাৰ হোৱা সহস্ৰাধিক টাডা বন্দী থকা সত্ত্বেও।


চৰকাৰী সূত্ৰৰ মতে আল্‌ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱা যোৱা ২১ এপ্ৰিলৰ দিনাই সীমান্ত পাৰ হৈ বাংলাদেশ সোমাইছিল। "পুৱা ৫-১৫ মিনিটত সাৰ পাই সাজ-পোছাক পিন্ধি বাংলাদেশলৈ বুলি ওলালো......" বুলি আৰম্ভ কৰা ডায়েৰিৰ পৃষ্ঠাত বাটত কাক কাক ক'ত কেনেদৰে লগ ধৰি মেঘালয়ৰ মৌচিমৰাম হৈ জাহাজেৰে এখন নদী পাৰ হোৱাৰ পিছত বাংলাদেশৰ মাটিত ভৰি দিয়াৰ বিতং বৰ্ণনা আছে ডায়েৰিখনত। ২৫ এপ্ৰিলৰ পৃষ্ঠাত লিখা আছে এই বুলি – "মই এইবাৰ বাংলাদেশলৈ আহিছো চাৰিটা কাম লৈ। (১) বাংলাদেশত আশ্ৰয়ৰ এটা সু-ব্যৱস্থা কৰি যাবৰ বাবে। (২) চীন দেশৰ লগত যোগাযোগ কৰি যাবৰ বাবে। (৩) পাকিস্তানে ভৱিষ্যতে কি আঁচনিৰ ভিত্তিত সহায় কৰি যাব তাক স্হিৰ কৰিবৰ বাবে।....... এইবাৰ লগত আহিছে নৱজ্যোতি দুৱৰা......(ৰাজেশ চক্ৰবৰ্তী)........।" ডায়েৰীখনৰ এটা পৃষ্ঠাত 'Strategy of foreign mission in UK' (বৃটেইনত বৈদেশিক ভ্ৰমণৰ কৌশলসূচী)-ও লিপিবদ্ধ হৈ আছে। তদুপৰি বাংলাদেশত থকা আমেৰিকান ৰাষ্ট্ৰদূত মিঃ উইলিয়াম বি মিলামৰ নামো লিপিবদ্ধ হৈ আছে। সূত্ৰটোৰ মতে, বাংলাদেশৰ এক হোটেলত থকা কালছোৱাত আল্‌ফাৰ চেয়াৰমেন গৰাকীয়ে পাকিস্তানী দূতাবাসৰ বিষয়াৰ সৈতে যোগাযোগ কৰিছিল আৰু বাংলাদেশৰ নিৰাপত্তা বিষয়া কেইগৰাকী-মানেই উক্ত কাৰ্যত সহায় কৰি দিছিল। বাংলাদেশৰ সংসদ ভৱন, ছহিদ স্তম্ভ, বজাৰ-সমাৰ আদিলৈ অহা যোৱা কৰি থকাৰ লগতে নেতা গৰাকীয়ে প্ৰায়ে টেলিফোন যোগে অসমত থকা জনদিয়েক কৰ্মীৰ সৈতে কথাবতৰা পাতি আছিল আনকি আত্মীয় সকলৰ সৈতে ফোন যোগে হোৱা কথা-বতৰাবোৰো ডায়েৰিত লিপিবদ্ধ হৈ আছে।



ঢাকাৰ ঐতিহাসিক ছহিদ মিনাৰৰ সন্মুখত মনোজ হাজৰীকা

সূত্ৰটোৰ মতে, অপাৰেচন বজৰঙৰ কালছোৱাত আল্‌ফাৰ মাজত এক বিভাজনৰো উপক্ৰম হৈছিল, এজন বিশিষ্ট নেতাৰ নেতৃত্বত এটা গোট ফালৰি কাটিব খোজাৰ ফলত হোৱা সমস্যা সম্পৰ্কে চেয়াৰমেন গৰাকীয়ে আলোচনা কৰাৰ কথা জুলাই মাহৰ এটা তাৰিখৰ পৃষ্ঠাত লিপিবদ্ধ আছে।

অসমৰ বিভিন্ন ঠাইত কিছুদিনৰ আগলৈকে সামাজিক উন্নয়নৰ কাম-কাজ চলোৱা 'জাতীয় উন্নয়ন পৰিষদ' নামৰ সংগঠনটোৱে কৰা কেনেবোৰ ভুলৰ ভাবে, ই যে আল্‌ফাৰেই এক সংগঠন সেই গোপনীয়তা প্ৰকাশ পালে তাৰো আত্ম সমালোচনামূলক বিৱৰণী ডায়েৰিখনত পোৱা গৈছে বুলি সূত্ৰটোৱে জনায়। আৰু আল্‌ফাৰ লগত ঘনিষ্ঠ ভাবে সম্পৰ্ক ৰাখি থকা আনকি চেয়াৰমেন গৰাকীৰ লগতো বাৰ্তালাপ কৰা এগৰাকী ব্যক্তিয়ে আল্‌ফাৰ অনুমতি নোহোৱাকৈয়ে ৰাজনৈতিক দল খোলাৰ কথাও চেয়াৰমেন গৰাকীয়ে লিপিবদ্ধ কৰি থৈছে বুলি সূত্ৰটোৱে কয়। লগতে ইয়াকো জনায় যে উক্ত দলটোৱে বিগত নিৰ্বাচনতো ভাগ লৈছিল। লগতে এই কথাও উল্লেখযোগ্য যে উক্ত ৰাজনৈতিক দলটোৰ নেতা এগৰাকীক পুলিচে অলপতে গ্ৰেপ্তাৰ কৰাৰ পিছত চৰকাৰী প্ৰশাসনৰ হস্তক্ষেপত কিদৰে আকৌ পিছদিনাই মুকলি কৰি দিব লগা হ'ল সেই কাহিনী যোৱা ২৫ আগষ্ট সংখ্যাৰ 'টেলিগ্ৰাফ' কাকতত প্ৰকাশিত হৈছে।



সূত্ৰটোৰ মতে, পাঞ্জাবৰ খালিস্তানী আৰু কাশ্মীৰৰ জে কে এল এফ বাহিনীৰ প্ৰতি সহৃদয় বৃটেইন আৰু আমেৰিকাৰ জনদিয়েক সংসদ সদস্যক লগ ধৰাৰ আঁচনিকে ধৰি বিস্তৰ তথ্য পুলিচ আৰু চোৰাংচোৱা বাহিনীয়ে ইতিমধ্যে উদ্ধাৰ কৰিছে। কিন্তু দেশৰ নিৰাপত্তা আৰু কৌশলৰ খাতিৰতে সিবিলাক প্ৰকাশ কৰাটো সম্ভৱপৰ নহয় বুলি জনায়।

বাংলাদেশৰ 'সোণালী বেংক'ত আল্‌ফাই প্ৰায় দুশ কোটি টকা জমা থোৱা বুলি একাংশ কাকতত ওলোৱা বাতৰি ইতিমধ্যে আল্‌ফাই সজোৰে অস্বীকাৰ কৰিছে। সেয়া 'ঔপনিবেশিক ৰাষ্ট্ৰযন্ত্ৰৰ গৃহ বিভাগৰ 'ৰ' (RAW)ৰ দৰে গোপন কূটাঘাতমূলক সংস্থা সমূহে' চলোৱা প্ৰচাৰ বুলি অভিহিত কৰিছে। কিন্তু বাংলাদেশ, চীন, পাকিস্তান আদিৰ সৈতে থকা যোগাযোগৰ কথা অসম চৰকাৰে সদৰি কৰাৰ পিছত একো মন্তব্য এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়লৈকে প্ৰকাশ কৰা নাই।

আল্‌ফাৰ এনেবোৰ বৈদেশিক যোগাযোগৰ কথাই স্বাভাৱিকতেই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি অসম বাসীৰ মনতো অনেক সন্দেহৰ উদ্ৰেক হৈছে। "আল্‌ফাৰ দিল্লীবাদ বিৰোধী অৱস্হানৰ প্ৰতি" মুকলি ভাবে সমৰ্থন আগবঢ়োৱা 'বুধবাৰ' নামৰ কাকতখনৰ সম্পাদকীয়তো (৪ চেপ্টেম্বৰ সংখ্যাত সোণালী বেংকৰ একাউন্ট সন্দৰ্ভত লিখা) কৈছে – "বাংলাদেশৰ সামৰিক শাসক বৰ্গইনো বৈজ্ঞানিক সমাজবাদত বিশ্বাসী সংগঠন এটালৈ এইদৰে সহায় সহযোগিতা আগবঢ়োৱাৰ বিনিময়ত আদৰ্শ বা অৰ্থগত দিশৰ আপোচৰ পৰা কেনে ধৰণে লাভান্বিত হৈছিল সেয়া আমাৰ অৱগত নহয়। নামত যদিও আল্‌ফা অসমৰ জনগণৰ সংগঠন, কিন্তু 'সাংগঠনিক গোপনীয়তা'ৰ খাতিৰতে তেনেবোৰ তথ্য আমাক জানিবলৈ দিয়াটো তেওঁলোকৰ বাবে হেনো বিপদজনক। অথচ একে সময়তে বিদেশী ৰাষ্ট্ৰ এখনৰ সামৰিক শাসকবৰ্গক আস্থাত লোৱাটো কিন্তু সাংগঠনিক দিশৰ পৰা বিপদজনক বুলি বিবেচিত নহয়। ৰাষ্ট্ৰ সংঘলৈ আল্‌ফাই কৰা আবেদনত বাংলাদেশৰ পৰা হোৱা অবাধ প্ৰব্ৰজনক অসমৰ এক অন্যতম সমস্যা বুলি চিহ্নিত কৰা হৈছে। সেই দেশৰ সংবিধানত থকা তাৰিখ এটাই আমাৰ ভৱিষ্যত নিৰূপণত আমনি কৰাৰ কথা উদ্বেগেৰে উল্লেখ কৰা হৈছে। কিন্তু একেটা সংগঠনেই নতুন দিল্লীৰ বিৰুদ্ধে যুঁজিবলৈ, সেইখন দেশৰ শাসকবৰ্গৰ সৈতে হাত মিলোৱাৰ প্ৰসংগত অকণো দ্বিধাবোধ কৰা নাই। 'সাংগঠনিক গোপনীয়তা'ৰ খাতিৰত এনেবোৰ স্ববিৰোধৰ ব্যাখ্যা হয়তো আমালৈ কাহানিও আগবঢ়োৱা নহ'ব – বিদেশী ৰাষ্ট্ৰ এখনৰ স্বৈৰতন্ত্ৰী শাসক গোষ্ঠীয়ে আমাৰ ভৱিষ্যত নিৰূপণত এক সক্ৰিয় ভূমিকা ললেও ৰাইজে মাত মতাৰ কোনো উপায় নাথাকিব।" সূ

## শুধৰণি

যোৱা সংখ্যাৰ সূত্ৰধাৰৰ (১-১৫ চেপ্টেম্বৰ) সম্পাদকৰ টোকাবহী শিতানত উনৈশ শতিকাৰ বিখ্যাত লেখক আৰু অভিযাত্ৰী ৰিচাৰ্ড বাৰ্টনৰ বিষয়ে লেখা কথাখিনিৰ মাজত ভুলক্ৰমে অভিনেতা ৰিচাৰ্ড বাৰ্টনৰ ছবি প্ৰকাশ কৰা হৈছে। এই ভুলৰ বাবে আমি দুঃখিত।

*সম্পাদক, সূত্ৰধাৰ*

● ● ●

যোৱা ১৬-৩১ জুলাই সংখ্যা 'সূত্ৰধাৰ'ত প্ৰকাশিত সুদক্ষ প্ৰধান শিক্ষক, প্ৰবীণ সাহিত্যিক ৰঘুনাথ দেৱচৌধুৰী নামৰ প্ৰবন্ধটিৰ ৪৮ পৃষ্ঠাৰ তৃতীয় কলমত দ্বিতীয় শাৰীৰো 'বিগতদাৰ অশীতিপৰ এই কৃতী শিক্ষক গৰাকী' নহৈ 'প্ৰতিভাধৰ অশীতি পৰ.......' হে হ'ব লাগিছিল। 'প্ৰতিভাধৰ'ৰ ঠাইত প্ৰমাদবশতঃ 'বিগতদাৰ' ছপা হোৱাত আমি দুঃখিত। এই চেগতে পাঠক সকলক জনাই থওঁ যে তেখেত বিগতদাৰ নহয় বৰং তেখেতৰ পত্নী এগৰাকী সু-গৃহিণী আৰু এই বয়সতো ঘৰৰ যাৱতীয় সকলো কামকে নিজ হাতে কৰি-ধৰি ঘৰখন সুচাৰু ৰূপে চলাই আহিছে।

*–লেখক*



সূত্ৰধাৰ □ ১৬-৩০ ছেপ্তেম্বৰ, ১৯৯১

# নীচতাৰ, হীনতাৰ নতুন 'ৰেকৰ্ড'!

অ বৰুৱা

সহৃদয় পাঠক, হিতেশ্বৰ শইকীয়াক কোনে কিমান কদৰ্য আৰু নীচ ভাষাৰে আক্ৰমণ কৰা আপুনি শুনিছে বা পঢ়িছে? এই দিশত 'ৰেকৰ্ড'ৰ অধিকাৰী জন বাৰু কোন হ'ব পাৰে?

প্ৰশ্ন শুনি বহুতেই হয়তো ভাবিছে, এই 'ৰেকৰ্ড'ৰ কৃতিত্ব মই উল্‌ফাক দিবলৈ ওলাইছো! কিয়নো, এতিয়া সময়টো এনে যে যিকোনো 'বেয়া কাম' উল্‌ফায়েই কৰিছে বুলি আৰু উল্‌ফাই কোৱা যি কোনো কথা আৰু কৰা যি কোনো কাম 'বেয়া' বুলি লিখাৰ প্ৰবণতা এটা আমাৰ গিয়াতি সাংবাদিক সকলৰ বহুতৰে হৈছে। ময়ো হয়তো সেইটোকে কৰিবলৈ ওলাইছো! নহয়, নহয়। অন্ততঃ ভাষাৰ ক্ষেত্ৰত উল্‌ফাই এই পৰ্যন্ত এটা নিৰ্দিষ্ট সাংস্কৃতিক মান ৰক্ষা কৰি থকাটো পৰিলক্ষিত হৈছে। বৰং তেওঁলোকক আক্ৰমণ কৰোঁতেহে বহুতেই, আনকি ল'ৰা-ছোৱালীবোৰ গঢ়িপিটি 'মানুহ' কৰাৰ দায়িত্বত থকা অধ্যাপকেও তেওঁলোকৰ শিক্ষা-দীক্ষা, পদ-মৰ্যাদা, দায়-দায়িত্বৰ লগত খাপ খোৱা ধৰণৰ উপযুক্ত সাংস্কৃতিক মান প্ৰদৰ্শন কৰিব পৰা নাই। এই 'ৰেকৰ্ড'ৰ কৃতিত্ব উল্‌ফাৰো নহয় আৰু সদৌ অসম ছাত্ৰ সংস্থা অথবা অসম গণ পৰিষদৰো (দুয়োটা ভাগৰ) নহয়।

এই 'ৰেকৰ্ড'ৰ অধিকাৰী জন অসমৰ ৰাজনীতিত নানা ধৰণৰ 'ৰেকৰ্ড'ৰ কৃতিত্ব থকা শৰৎ চন্দ্ৰ সিংহ – যাক প্ৰায়ে আমাৰ বহুতে 'Left and Democratic' শিবিৰৰ মধ্যমণি পাতি আহিছে, বয়োজ্যেষ্ঠ ৰাজনীতিকৰ সন্মান দি ভজন-কীৰ্তন কৰি আহিছে আৰু কেতিয়াবা ৰাজ্যখন ৰসাতললৈ-যোৱা-যেন-সংকটকাল উপস্থিত হ'লে ত্ৰাণকৰ্তাৰ ভূমিকাতো মনেচিতে আশা কৰি আহিছে।

শইকীয়াৰ বিষয়েনো সিংহই কি ক'লে?

সিংহই ক'বলৈ বাকী থাকিল কি?

সিদিনা ২১ আগষ্টত, গুৱাহাটী প্ৰেছ ক্লাবত হোৱা সাংবাদিক কমলা শইকীয়াৰ স্মৃতি সভাখনত সিংহই অন্যান্য প্ৰসংগৰ লগতে কলে যে ৰজাৰ পাপত ৰাজ্য নষ্ট হয়। আজি যি শাসন চলাইছে তেওঁৰ যদি পাপ আছে, তেন্তে তাৰ বাবে ৰাইজো দোষী। ৰাইজে যদি গুণ সম্পন্ন লোকক 'ৰজা' পাতিব নোৱাৰে, তেন্তে শান্তিও ঘূৰি নাহে। আহোমৰ দিনত অংগক্ষত কোঁৱৰক ৰজা নপতাৰ অন্তৰালত প্ৰকৃততে নিখুঁত আৰু সম্পূৰ্ণতা প্ৰাপ্ত লোককহে দেশ শাসনৰ গুৰুভাৰ দিয়াৰ নীতিৰ কথাও তেওঁ প্ৰসংগক্ৰমে উল্লেখ কৰে। শাৰীৰিক, মানসিক তথা বৌদ্ধিক সম্পূৰ্ণতা থকা 'ৰজা' যেতিয়ালৈকে পাতিব পৰা নাযায়, তেতিয়ালৈকে ৰাইজেও ৰজাৰ পাপত ভুগি সেই পাপৰ অংশীদাৰ হ'ব লাগিব। ইত্যাদি। (এখন দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাৰ পৰা উদ্ধৃত কৰা হৈছে।)

–হিতেশ্বৰ শইকীয়াৰ বৰ্তমান শাৰীৰিক অৱস্থাটোৰ প্ৰতি কটাক্ষ হানি এনে জঘন্য কথা ইয়াৰ আগেয়ে কোনোবাই ক'ৰবাত কৈছে নে? কাৰোবাৰ ক'বৰ মন গৈছে নে?

## হৃদয়হীন ৰাজনীতি

শৰৎ চন্দ্ৰ সিংহ মানসিক ভাবে তাহানি বিহাৰৰ ভূমিকম্প দেখি গান্ধীয়ে কৰা বিজ্ঞান বিৰোধী কু-সংস্কাৰাচ্ছন্ন উক্তিৰ যুগত থাকোতেই বিজ্ঞানৰ ইতিমধ্যে যথেষ্ট অগ্ৰগতি হৈছে। এতিয়া কিছুমান অংগ হানি হ'লে লগাই ল'ব পাৰি আৰু হিতেশ্বৰ শইকীয়াই লগাই লৈছেও। কিন্তু সিংহৰ যিবিধ অংগৰ হানি তাহানিৰে পৰা থাকি গ'ল সেই বিধ হৈছে হৃদয়বৃত্তি আৰু তাক লগাব পৰা চিকিৎসা-বিজ্ঞান এতিয়াও ওলোৱা নাই। মই লিখিবলৈ প্ৰৰোচিত হৈছো যে অসমৰ ৰাজনীতিত এগৰাকী অতি নিষ্ঠুৰ, নৃশংস আৰু হৃদয়হীন ৰাজনীতিক বুলি শৰৎচন্দ্ৰ সিংহৰ কুখ্যাতি আছে।

মৰা মানুহক উদ্ধৃত কৰিব নাপায়। তথাপি কৈছো, পৰমা গগৈৰ অন্তিম কালত সিংহৰ নিৰ্দয় মনোভাৱ আৰু আচৰণ দেখি তেওঁৰ সতীৰ্থ গিৰীণ চৌধুৰী স্তম্ভিত হৈ গৈছিল; শেষ কালত এবাৰ চাই আহো, খবৰ এটা লৈ আহো বুলি লগ লওঁতে হেনো সিংহই উচাৎ মাৰি কৈছিল; তেওঁ মৰিব, খবৰ কৰিবলৈ কি আছে! সেইদৰে অতুল শইকীয়াই কৈছিল, সিংহই কেনেকৈ দৰ্শন-প্ৰাৰ্থী সকলৰ আবেদনপত্ৰ আস্তে-ব্যস্তে গ্ৰহণ কৰি থৈ তেওঁলোক চকুৰ আঁৰ হোৱাৰ লগে লগে মুচৰি লাড়ু কৰি পাচিলৈ দলিয়াই দিছিল, তাৰ কাহিনী। ওচৰত বহি থকা সকলে সুধিলে, 'ৰাজনীতি' আচলতে কি সেই বিষয়ে মহাভাৰত-ৰামায়ণ, পুৰাণ-শাস্ত্ৰৰ উদ্ধৃতি দি বুজাইছিল। শেহতীয়া ভাবে, যোৱা আন্দোলনৰ সময়ত পিকেটিং কৰা বহু মহিলাৰ বুকুৱে বুকুৱে শৰৎ সিংহৰ হৃদয়হীন ৰাজনীতিৰ গচক থাকি গৈছে। মোৰ এটা ধাৰণা হয় যে এসময়ৰ বিধায়ক ডঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামীয়েও হয়তো সেই সময়ৰ ৰাজনীতিৰ হৃদয়হীন অধ্যায়টোৰ বহু কথা দেখিছিল আৰু জানিছিল; কিজানি তেওঁ সিংহৰ ৰাজনীতিৰ অন্ধকাৰ ফালটোও দেখিছিল।

সিংহৰ এতিয়াৰ বয়সটো বিবেচনা কৰি তেওঁৰ 'পৰকিতি লৰিছে' বুলি তেওঁৰ কিছুমান কথাবাৰ্তা উপেক্ষা কৰিব নোৱাৰিনে? নোৱাৰি। এতিয়া বয়সত লৰিছে বুলিবলৈ তেওঁৰ 'পৰকিতি'য়েই নাছিল কাহানিও। এই প্ৰসংগত এটা কথা মনত ৰখা উচিত হ'ব যে অসমত হৃদয়হীন ৰাজনীতি প্ৰবৰ্তন কৰা মানুহজন শৰৎচন্দ্ৰ সিংহ।

## 'সংস্কৃতি' সাধনা লব্ধ ধন

সিংহৰ মুখত দেখাই-শুনাই অকাট্য যেন লগা যুক্তি আৰু পটন্তৰৰ অভাৱ কাহানিও হোৱা নাই; তেওঁক বেৰিকুৰি থকা হীন স্তাৱকৰ দলটোক তেওঁ সদায়েই বিস্ময়াভিভূত কৰি ৰাখিছে সেইবোৰ কথাৰে। কোন সময়ৰ পৰা, কাৰ মুখৰ পৰা, কি প্ৰসংগৰ পৰা সেইবোৰ যুক্তি আৰু পটন্তৰ আনিছে সেই লৈ তেওঁ মূৰ নঘমায় আৰু পৰোৱাই নকৰে। তেওঁৰ প্ৰয়োজনত খাটিলেই হ'ল – গান্ধীৰ বিজ্ঞান বিৰোধী কুসংস্কাৰৰ পৰাও পটন্তৰ টানিব আৰু আহোম ৰজাৰ মধ্য যুগীয় ধ্যান-ধাৰণাৰ পৰাও যুক্তি আনিব।

তেওঁক সুধিব পাৰোনে, ৰোগগ্ৰস্ত বিমলা প্ৰসাদ চলিহাৰ জোতা নে খৰমযোৰ আগত থাপি লৈ মহেন্দ্ৰ মোহন চৌধুৰীয়ে যেতিয়া ৰাজ্য শাসন কৰিছিল তেতিয়া শৰৎ সিংহই কংগ্ৰেছ ত্যাগ কৰি ওলাই গৈছিল নেকি?



মনত পৰে। হিতেশ্বৰ শইকীয়া অসুখত আক্ৰান্ত হোৱা সময়ৰ কথা। এদিন সন্ধিয়া চাকৰিলৈ বুলি ট্ৰিবিউন ভৱনলৈ যোৱাৰ পথত জনদিয়েক সাংবাদিককে ধৰি কেইবাজনো জ্যেষ্ঠ লোকে এটা অশুভ গুজৱ লৈ উৎকলিকৃত হৈ আলোচনা কৰি থকা পালোগৈ। মোক গুজৱটোৰ ভাগ দিলে আৰু লগতে 'আনন্দ উৎসৱ'ৰো ভাগ দিব খুজিলে; মই যোগ নিদিলো। বৰং তেওঁলোকৰ জনদিয়েক মোতকৈ জ্যেষ্ঠ আছিল যদিও ভৰ্ৎসনা কৰিলো আৰু একে কোবতে খঙে-বিষে উতলা হৈ মোৰ সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ আগত উপস্থিত হ'লোগৈ (যেতিয়াই মানুহৰ নীচতা-হীনতা বা পতন-স্খলন দেখি ক্ৰুদ্ধ আৰু ব্যথিত হৈছো, বিশ্বাসৰ সংকট আৰু দ্বিধা-দ্বন্দ্বত দিশহাৰা হৈছো, স্বপ্ন ভংগত মুখ থেকেচা খাই পৰিছো তেতিয়াই এই মানুহজনকে মোৰ শেষ আশ্ৰয় কৰি আহিছো)। ঘটনাটো ক'লো আৰু তেওঁলোকৰ এনেকৈ 'আনন্দ উৎসৱ' কৰাৰ ৰুচিতো কিয় হৈছে সুধিলো, তেওঁ শুনিলে আৰু এইধৰণৰ (সঠিক বাক্য কেইটা পাহৰিছো) কেই আষাৰ মান কথা ক'লেঃ দ'ম দ'ম কিতাপ পঢ়িলে, সোপাই সোপাই ডিগ্ৰী ললে বা ডাঙৰ ডাঙৰ পদমৰ্যাদাত বহিলেই মানুহ সংস্কৃতিবান হৈ নাযায়। সংস্কৃতি বিপুল আৰু নিৰলস সাধনাৰেহে আয়ত্ত কৰিব পাৰি। 'আপুনি যি কোনো মানুহৰ এনেকুৱাবোৰ কথা শুনি মন বেয়া কৰে কিয়?' – তাৰ আগেয়েও এনেকুৱা সমস্যা লৈ মই তেওঁৰ ওচৰলৈ গৈছিলো, খঙেবিষে একোনাই হৈ – সেই কাৰণে সেই আষাৰ ক'লে।

## তেওঁলোকে কৈফিয়ৎ দিয়ক

কিন্তু শৰৎচন্দ্ৰ সিংহ 'যি কোনো মানুহ' নহয়। তেওঁ ৰাজনীতি কৰাৰ আগেয়ে শিক্ষকতাও কৰিছিল। তেওঁ নতুন দিনৰ আহ্বান কৰে, আদৰ্শৰ কথা কয়, স্বপ্ন দেখে। স্বীকাৰ কৰাত কোনো সংকোচ নাই যে এদিন শৰৎচন্দ্ৰ সিংহক দেখি আৰু শুনি মোৰ তৰুণ মন খন্তেক সময়লৈ হ'লেও, অলপ পৰিমাণে হলেও উদ্ভাসিত হৈ উঠিছিল।

যোৱা নিৰ্বাচনত পূব গুৱাহাটী সমষ্টিত নিৰ্বাচনী-প্ৰচাৰ অভিযানৰ ক্ষেত্ৰত এটা আদৰ্শ মান স্থাপন কৰিবলৈ সমৰ্থ হোৱা জন আছিল শৰৎচন্দ্ৰ সিংহৰ হাততে গঢ় লোৱা এজন ডেকা। তেওঁ মোৰ ভ্ৰাতৃ-প্ৰতিম আৰু তেওঁৰ ছাত্ৰাৱস্থাৰ পৰাই পাইছো, গতিকে সেই অধিকাৰতে তেওঁক সোধোঃ তেওঁ আদৰ্শৰ জাহাজৰ গিয়াক'ম' কাছাবিয়াংকা হৈ আৰৰি-সাৰৰি লৈ ফুৰা তেওঁৰ নেতা গৰাকীৰ এই অতি নীচ, কদৰ্য, apolitical কথাবাৰ্তাবোৰৰ সমৰ্থনত তেওঁৰ কি ব্যাখ্যা আছে? তেওঁ যি আদৰ্শ ৰাজনীতি কৰা বুলি কয় তাৰ লগত এই ভাষণে প্ৰকাশ কৰা 'সংস্কৃতি'টো খাপ খোৱা বুলি ভাবে নেকি?

□ □ □

সৰু কথা এটা লৈ ঢৌ সৃষ্টি কৰিব খুজিছো নেকি?

সৰু কথা? এই সৰু কথা বোৰেইতো সৰ্বনাশৰ সৃষ্টি কৰিছে! সৰু কথা বুলি গুৰুত্ব নিদিয়া, ক্ষমতাশালীজনৰ কথা বুলি চকু মুদি দিয়া, প্ৰিয় জনৰ কথা বুলি ক্ষমা কৰি দিয়া, দাদা সকলৰ কীৰ্তি বুলি প্ৰশ্ৰয় দিয়া –এই প্ৰবণতাটোৱেই তো আজিৰ সমস্ত সমস্যাৰ মূল! মই যিটো বুজিছো সেইটো হ'লঃ হিংসা আৰু সন্ত্ৰাসৰ উদ্গিৰণ অকল উল্‌ফাৰ বন্দুকৰ নলীৰ পৰাই হোৱা নাই, –অহিংসা, গণতন্ত্ৰ আৰু শান্তিৰ কথা কোৱা ৰাজনীতিকৰ মুখৰ পৰাও হৈছে, – সাহিত্যিক, অধ্যাপক, সাংবাদিকৰ কলমৰ পৰাও হৈছে। 'চুই যাওঁ'ত লিখি আহিছো, আকৌ কওঁঃ কমলা শইকীয়াৰ বুকুত সোমোৱা গুলি কেইটা আৰু তেওঁৰ স্মৃতি-সভাত শৰৎচন্দ্ৰ সিংহই কোৱা কথা কেইটাৰ মাজত মই কোনো পাৰ্থক্য উলিয়াব পৰা নাই। মই নিৰুপায়।

মই নিৰুপায় হৈছো এই কাৰণেও যে স্মৃতি-সভা খনৰ সভাপতি জনে বাৰু সিংহৰ সেই ধৰণৰ কথাবোৰত বাধা নিদিলে, বুজিছো – কাৰণ তেওঁক কেৱল উচিত কথা ক'বৰ কাৰণেই সংসদলৈ সজাই-পৰাই পঠিওৱা সত্ত্বেও তেওঁ তাত মুখেৰে এষাৰো মাত নামাতি সৰ্ব ভাৰতীয় 'ৰেকৰ্ড' কৰিছিলেগৈ, কিন্তু বাতৰি কাকতৰ প্ৰায়ে দপদপাই থকা দুজন মুখবলী সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু ধীৰেন্দ্ৰনাথ বেজবৰুৱায়ো সভাখনত বক্তৃতা দিছিল, তেওঁলোকে সিংহক বাৰণ নকৰিলে কিয়? ৰাজহুৱা ক্ষেত্ৰত এটা নিৰ্দিষ্ট মানৰ ৰুচি-সংস্কৃতি-শালীনতা ৰক্ষা কৰাত এজন ৰাজনীতিকৰ ভূমিকা অকিঞ্চিৎকৰ হ'ব পাৰে কেতিয়াবা, কিন্তু সাংবাদিকৰ, বিশেষকৈ সম্পাদকৰ আসনত বহি থকা সকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বুজিছেনে কথাটো – মই বুজাই ক'ব পাৰিছোনে? ■




নাইচ্ নাইট

বজাৰত এক নতুন আৰু পোকপৰুৱা তথা মহ নাশক সুগন্ধি স্প্ৰেৰ প্ৰবেশ ঘটিল।

চহৰত এক নতুন মহ নাশক স্প্ৰে

সম্পূৰ্ণভাবে নতুনঃ 'নাইছ নাইট' এক পূৰ্বাপৰ অমিল অত্যন্ত উত্তেজক উৎপাদন।

নাইছ নাইটৰ সুগন্ধে আপোনাৰ ক্লান্তি দূৰ কৰিব আৰু আপোনাৰ কোঠাটোৰ আৰু চৌদিশৰ পৰিবেশ কৰি তুলিব শান্ত সমাহিত।

নাইছ নাইটে আপোনাৰ কোঠাটোত ঘন্টাৰ পিছত ঘন্টা ধৰি জিৰণি আৰু উপভোগ্য পৰিবেশ সৃষ্টি কৰিব পৰাকৈ প্ৰস্তুত কৰা হৈছে। আপোনাৰ কোঠাটোৰ বেডচিট্, ছোফাৰ ক'ভাৰ, ছোফাছেট, পৰ্দা, টাইলছ, মজিয়াত আৰু চুকে কোণে স্প্ৰে কৰিব পাৰে। ই আপোনাৰ কোঠাটোক পোক পৰুৱাৰ পৰা মুক্ত কৰি ৰাখিব। এইয়া ইন্টাৰকেমৰ প্ৰতিশ্ৰুতি।

ইন্টাৰকেমে অতি সোনকালে 'নাইছ ডে' নামৰ এক প্ৰসাধনো বজাৰত মুকলি কৰি দিব। গৱেষণা তথা অত্যন্ত উৎকৃষ্ট উপাদানেৰে নাইছ ডে প্ৰস্তুত কৰা হৈছে। কাইলৈৰ প্ৰসাধনৰ চাহিদা নাইছ ডেই আজিয়েই পূৰ্ণ কৰিব।

ইন্টাৰকেম ক'ছমেটিক্‌ছ
টি-২১১, নাৱাৰ ৰোড, বস্তি হৰফুল সিং
দিল্লী-১১০০০৬



OKDISCD

# আল্‌ফাৰ ভৱিষ্যৎ



১৯৭৯ চনৰ শেষ ভাগত অসম আন্দোলন আৰম্ভ হবৰ দিন ধৰি মই স্পষ্ট ভাষাৰে ভৱিষ্যদ্বাণী কৰি আহিছিলো যে এই আন্দোলনৰ কোনো ভৱিষ্যৎ নাই। ই ব্যৰ্থ হবলৈ বাধ্য। আন্দোলনে যেতিয়া উগ্ৰতম ৰূপ ধাৰণ কৰিছিল আৰু আন্দোলনৰ সমৰ্থনত লক্ষ লক্ষ শিশু-বৃদ্ধ-মহিলা ৰাজপথলৈ ওলাই আহিছিল, তেতিয়াও মই আন্দোলনৰ শেষ পৰিণতি সম্পৰ্কে মোৰ মত সলনি কৰাৰ কোনো যুক্তি দেখা নাছিলো। অৱশেষত মোৰ ভৱিষ্যদ্বাণী সত্য বুলি প্ৰমাণিত হ'ল। কিন্তু তাৰ কাৰণে মই কোনো কৃতিত্ব দাবী কৰিব নোখোজো। মই ভাবো যে দুয়ে দুয়ে চাৰি বুলি ক'বলৈ যেনেকৈ কোনো অসাধাৰণ প্ৰতিভাৰ প্ৰয়োজন নহয়, ঠিক তেনেকৈ অবাস্তৱ দাবীৰ ওপৰত প্ৰতিষ্ঠিত আৰু কেৱল আবেগৰ দ্বাৰা পৰিচালিত অসম আন্দোলনো ব্যৰ্থ হব বুলি ভৱিষ্যদ্বাণী কৰিবলৈ কোনো বিশেষ প্ৰতিভাৰ প্ৰয়োজন নাছিল। তাৰ কাৰণে প্ৰয়োজন আছিল কেৱল অলপ বুৰঞ্জীৰ জ্ঞান, অলপ কাণ্ড-জ্ঞান (common sense) আৰু অলপ চিন্তা-শক্তি।

আল্‌ফাৰ বিষয়ে ভৱিষ্যদ্বাণী কৰিবলৈকো ঠিক এই খিনিৰে প্ৰয়োজন; তাতকৈ বেছি আন একো নালাগে। আল্‌ফা কিয় ব্যৰ্থ হব তাৰ এশ এটা কাৰণ বা যুক্তি দেখুৱাব পাৰি। কিন্তু মোৰ মতে ঠিক এই মুহূৰ্তত আটাইতকৈ ডাঙৰ কাৰণটো হ'ল এই যে যিবোৰ যুগান্তকাৰী সমসাময়িক ঘটনাই পৃথিৱীত তোলপাৰ লগাইছে সেইবোৰৰ তাৎপৰ্য বুজিবলৈ আল্‌ফাই অকণো চেষ্টা কৰা নাই বা বুজিবলৈ তেওঁলোকৰ শক্তি নাই। কমিউনিজমৰ পতনে মানৱ জাতিলৈ কি ইংগিত বহণ কৰি আনিছে বা তাৰ শেষ পৰিণাম কি হব সেই বিষয়ে শেষ কথা কোৱাৰ সময় এতিয়াও বোধহয় হোৱা নাই। কিন্তু যিটো কথা এতিয়াই ক'ব পাৰি সেইটো হ'ল এই যে কমিউনিষ্ট ৰাষ্ট্ৰ-ব্যৱস্থাই 'জনগণ' নামৰ এটা বিমূৰ্ত সংজ্ঞাৰ নামত 'ব্যক্তি'ৰ মৰ্যাদাক যি ভাবে লাঞ্ছিত আৰু অবমানিত কৰিছিল তাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া স্বৰূপেই আজি আৰম্ভ হৈছে প্ৰচণ্ড কমিউনিজম-বিৰোধী অভিযান। সত্তৰ বছৰ ধৰি ছোভিয়েত ৰাছিয়াত লক্ষ লক্ষ মানুহৰ অশেষ ত্যাগ আৰু ৰক্তাঞ্জলিৰে কমিউনিজমৰ যি সৌধ গঢ়ি তোলা হৈছিল তাৰ ভেটিটো ইমানেই দুৰ্বল আছিল যে তাক খহাই পেলাবলৈ এজন মাত্ৰ মানুহৰ–মিখাইল গৰ্বাচভৰ– এটা মাত্ৰ আঙুলিৰ হেঁচোকেই যথেষ্ট হ'ল। ভাবিলে কথাটো অবিশ্বাস্য যেন নালাগেনে? অথচ এনে এটা অবিশ্বাস্য ঘটনাই ঘটি গ'ল– টেলিভিশ্যনৰ কল্যাণত ঠিক আমাৰ চকুৰ আগতে। অৱশ্যে এইখিনি কথা পঢ়ি পাঠকসকলে এনে ধাৰণা লোৱা উচিত নহব যে কমিউনিজমৰ পতনত মই খুব উল্লসিত হৈ উঠিছো। একেবাৰেই হোৱা নাই। বৰং মোৰ মনত নানা মিশ্ৰ প্ৰতিক্ৰিয়াই দেখা দিছে। ছোভিয়েত ৰাছিয়াৰ অবৰ্তমানত আমেৰিকা যুক্তৰাষ্ট্ৰ বিশ্বৰ একমাত্ৰ মহাশক্তি ৰূপে পৰিগণিত হোৱাৰ ফলত মানৱ জাতি তথা সভ্যতাৰ ভৱিষ্যৎ কি হব সেই কথা ভাবি মই শংকিতও হৈছো। সেইবোৰ কথাৰ আলোচনা ভৱিষ্যতে যথা সময়ত কৰা হব। কিন্তু এই মুহূৰ্তত মাত্ৰ এটা কথাই আমি সকলোৱে জোৰ দি ক'ব পাৰো যে ৰাছিয়া আৰু পূব ইউৰোপত সম্প্ৰতি যিবোৰ যুগান্তকাৰী ঘটনা ঘটিব ধৰিছে তাৰ মূলতে থকা বিভিন্ন শক্তিৰ ভিতৰত এটা প্ৰধান শক্তি হ'ল 'ব্যক্তি'ৰ মৰ্যাদা পুনৰুদ্ধাৰৰ প্ৰয়াস। এই প্ৰয়াস একেদিনাই আৰম্ভ হোৱা নাই। যোৱা ত্ৰিশ-চল্লিশ বছৰ ধৰি কমিউনিজম সম্পৰ্কে ইউৰোপৰ বিভিন্ন দেশত অবিৰাম বিতৰ্ক চলি আহিছে। কমিউনিষ্ট ৰাষ্ট্ৰবোৰৰ শক্তিশালী প্ৰচাৰৰ ফলত আমি বহুতেই এদিন The God That Failed গ্ৰন্থৰ লেখকসকলক, মিলোভান জিলাছ আৰু আলেকজেণ্ডাৰ ডুব্‌চেকক, আলেকজেণ্ডাৰ ছলঝিনষ্ট্ৰিন আৰু বৰিষ্ট পাষ্টেৰনাকক, আঁদ্ৰে ছাখাৰভক আমেৰিকান সাম্ৰাজ্যবাদৰ দালাল বুলি সন্দেহ কৰিছিলো। আমাৰ নিচিনা বহুতৰে যৌৱনৰ শ্ৰেষ্ঠ সময়বোৰ দোলায়িত হৈ আছিল বিশ্বাস আৰু সংশয়ৰ দ্বন্দ্বত। কিন্তু আজি কিছু পৰিমাণে হ'লেও সেই দ্বন্দ্বৰ অৱসান ঘটিছে। সত্তৰ বছৰ ধৰি কমিউনিষ্ট শাসনৰ তলত জীৱন কটোৱাৰ পিছত ৰাছিয়াৰ মানুহে কমিউনিজমক প্ৰত্যাখ্যান কৰি এই কথাই প্ৰমাণ কৰি দেখুৱাইছে যে কমিউনিষ্ট শাসনত তেওঁলোকে বহুত কিবা কিবি পালেও নিশ্চয় এনে দুই-এটা বস্তু হেৰুৱাইছিল–যিটো বস্তুক তেওঁলোকে জীৱনতকৈয়ো বেছি মূল্যবান বুলি ভাবে। তেনে এটা বস্তু হ'ল ব্যক্তিৰ মৰ্যাদা– যাক কমিউনিষ্ট ৰাষ্ট্ৰবোৰে 'জনগণ' নামৰ এটা বিমূৰ্ত সংজ্ঞাৰ বেদীত বলি দিছিল। মানৱতাৰ বিৰুদ্ধে সকলো ধৰণৰ অপৰাধ সংঘটিত কৰা হৈছিল তথাকথিত 'জনগণ'ৰ নামত। কমিউনিজমৰ বিৰুদ্ধে সাম্প্ৰতিক বিদ্ৰোহ এক প্ৰকাৰে চাবলৈ গলে কিছুমান বিমূৰ্ত সংজ্ঞাৰ নামত ব্যক্তিৰ মৰ্যাদাক ভূ-লুণ্ঠিত কৰিব খোজা মানৱতাবাদ-বিৰোধী আদৰ্শৰ বিৰুদ্ধে বিদ্ৰোহ।

যেতিয়া এটা নতুন আদৰ্শ বা ভাব-আন্দোলন এটা নিৰ্দিষ্ট আয়ুস লৈ পৃথিৱীলৈ আহে, সেই আদৰ্শ বা ভাব-আন্দোলনৰ বিপুল অগ্ৰগতিক তাৰ আয়ুস উকলি নোযোৱা পৰ্যন্ত কোনেও বাধা দিব নোৱাৰে। কোনোবাই বাধা দিবলৈ গ'লে সি লুইতৰ বলিয়া বানত খেৰকুটা উটি যোৱাৰ দৰে উটি যাব– যেনেকৈ ৰাছিয়া আৰু পূব ইউৰোপত উটি গ'ল একছত্ৰী কমিউনিষ্ট ৰাষ্ট্ৰবোৰ। ঘটনা-মুখৰ বিংশ শতাব্দীৰ নানা ঐতিহাসিক পৰীক্ষা-নিৰীক্ষাৰ অন্তত আজি গণতন্ত্ৰ আৰু ব্যক্তি-স্বাধীনতাৰ আদৰ্শই উজ্জ্বলতৰ ৰূপ লৈ মানৱ-সমাজৰ সমুখত দেখা দিছে। এই আদৰ্শক অস্বীকাৰ কৰিব খোজা বা তাৰ বিৰুদ্ধে থিয় হব খোজা যি কোনো শক্তিকে ইতিহাসৰ ৰথৰ চকাই মহটিয়াই গুৰি কৰি থৈ যাব।

আল্‌ফাৰ অমাৰ্জনীয় ভুল হ'ল এয়ে যে তেওঁলোকে মানুহক পণবন্দী হিচাপে ব্যৱহাৰ কৰি ব্যক্তিৰ মানৱিক মৰ্যাদাৰ প্ৰতি চৰম অসন্মান প্ৰদৰ্শন কৰিছে। তেওঁলোকে অসংখ্য অমানৱীয় অপৰাধ সংঘটিত কৰিছে তথাকথিত 'জনগণ'ৰ নামত। যি সময়ত সমগ্ৰ পৃথিৱীতে গণতন্ত্ৰ আৰু ব্যক্তি-স্বাধীনতাৰ প্ৰতি পৰম ব্যাকুলতা দেখা গৈছে তেনে এটা সময়ত তেওঁলোকে গণতন্ত্ৰৰ বিকল্প হিচাপে মানুহৰ আগত দাঙি ধৰিছে ইতিহাসে কেতিয়াবাই বকৰাণিত দলিয়াই পেলোৱা ফেচিষ্ট্ বৰ্বৰতাক। আল্‌ফাই তেওঁলোকক সন্ত্ৰাসবাদী বুলি ক'লে বেয়া পায়। তেওঁলোকে নিজৰ চিনাকি দিব খোজে সু-সংগঠিত বিপ্লৱী সেনা বাহিনী বুলি। কিন্তু আল্‌ফাই এই কথা জানেনে যে 'ইৰা' তথা আইৰিছ ৰিপাব্লিকান আৰ্মিয়ে কেতিয়াও বিমান অপহৰণ বা মানুহ অপহৰণ নকৰে– কাৰণ তেওঁলোকে এই কথা কৈ গৰ্ব অনুভৱ কৰে যে 'সৈন্য বাহিনীয়ে মানুহ অপহৰণ কৰাৰ নিচিনা নীচ কাম কৰি কেতিয়াও নিজৰ মৰ্যাদা নষ্ট নকৰে; তেনে কাম কেৱল সন্ত্ৰাসবাদীৰ পক্ষেহে শোভা পায়।'

আল্‌ফাই এতিয়া ঠিক কৰিবৰ সময় হ'ল–তেওঁলোক পৃথিৱীৰ সৰ্বত্ৰ কাঠফুলাৰ নিচিনা গজি উঠা সাধাৰণ সন্ত্ৰাসবাদী, নে মুক্তিকামী বিপ্লৱী সৈন্য বাহিনী। যদি তেওঁলোক বিপ্লৱী সেনা বাহিনীয়েই হয় আৰু ভাৰতৰ লগত যুদ্ধ কৰি অসমক স্বাধীন কৰাই তেওঁলোকৰ উদ্দেশ্য হয়, তেন্তে তেওঁলোকে ভাৰতীয় সেনা বাহিনীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰক। কিন্তু তাকে নকৰি বা কৰিব নোৱাৰি নিৰস্ত্ৰ আৰু নিৰপৰাধ নিজৰ জ্ঞাতি-কুটুম্বকে হত্যা কৰি তেওঁলোকে কি ধৰণৰ বীৰত্বৰ পৰিচয় দিব খুজিছে? আল্‌ফা সংগঠিত হবৰ আজি বোধহয় দহ বছৰমানেই হ'ল। এই দহ বছৰত দুশমান নিৰস্ত্ৰ অসহায় মানুহক হত্যা কৰা আৰু ৰাজ্যখনত অৰাজক অৱস্থাৰ সৃষ্টি কৰাৰ বাহিৰে আল্‌ফাই আৰু আন কি কৃতিত্ব বা কৃতকাৰ্যতা দাবী কৰিব পাৰে? এই দহ বছৰত তেওঁলোকে ভাৰতৰ বিৰুদ্ধে সমুখ সমৰেই ঘোষণা কৰিছে নে বহুতো বিপ্লৱীয়ে কৰাৰ দৰে গেৰিলা যুদ্ধকে আৰম্ভ কৰিছে? অসমৰ তথাকথিত স্বাধীনতাৰ কাৰণে এই পৰ্যন্ত আল্‌ফাৰ ত্যাগৰ তালিকা কি? যদি দহ বছৰতো আল্‌ফাই ভাৰতৰ বিৰাট সামৰিক শক্তিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিব নোৱাৰিলে, তেন্তে সেই প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ তেনেকুৱা আৰু কিমান দশক লাগিব? সেই সময়ৰ ভিতৰত আৰু কিমান নিৰস্ত্ৰ নিৰপৰাধ মানুহ হব লাগিব আল্‌ফাৰ জিঘাংসাৰ বলি? সন্ত্ৰাসবাদী-কবলিত মণিপুৰ আৰু তামিলনাডুতেই আজি সমগ্ৰ দেশৰ ভিতৰতে মহামাৰী এইড্‌ছৰ প্ৰাদুৰ্ভাৱ আটাইতকৈ কিয় বেছি?

এনেবোৰ প্ৰশ্নৰ তালিকা প্ৰায় অন্তহীন। কিন্তু আল্‌ফাই সকলো প্ৰশ্নৰ উত্তৰ দিব খোজে কেৱল বন্দুকৰ গুলিৰে। এখন সমাজৰ বিবেক-স্বৰূপ চিন্তাশীল মানুহবোৰৰ কণ্ঠস্বৰ বন্দুকৰ ভয় দেখুৱাই স্তব্ধ কৰি দিয়াটোৱেই কি স্বাধীনতাৰ আদৰ্শ? আলেকজেণ্ডাৰ ছলঝিনিৎছিনে যেতিয়া উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছিল যে এজন বিবেকবান চিন্তাশীল লেখক এটা সমান্তৰাল চৰকাৰৰ নিচিনা, তেতিয়া ক্ৰেমলিনত হয়তো বহুতেই প্লুতো বা বিদ্ৰূপৰ হাঁহি মাৰিছিল। কিন্তু ছলঝিনিৎছিনৰ জীৱন কালতেই সেই কথা সত্য বুলি প্ৰমাণিত হ'ল। জনগণৰ দোহাই দি তেওঁক ৰাছিয়াৰ শত্ৰু বুলি প্ৰমাণ কৰাৰ সকলো চেষ্টা আজি বুমেৰাং হৈ তেওঁৰ অভিযোক্তাসকলৰ গালৈকে ঘূৰি আহিছে। সমসাময়িক পৃথিৱীৰ এই তাৎপৰ্যপূৰ্ণ ঘটনাৱলীৰ প্ৰতি লক্ষ্য ৰাখি আল্‌ফাৰ আত্ম-সমালোচনা কৰাৰ সময় হ'ল। অন্ধ অনুকৰণৰ দ্বাৰা সাজ-পোছাকৰ ফেশ্যন যেনেকৈ গোটেই পৃথিৱীতে বিয়পি পৰে, ঠিক তেনেকৈ সন্ত্ৰাসবাদো চাৰিওফালে বিয়পি পৰিছে। কিন্তু তাৰ অৰ্থ এই নহয় যে সন্ত্ৰাসবাদ এঠাইত কৃতকাৰ্য হ'লেই আন সকলো ঠাইতেই সি সমানে কৃতকাৰ্য হব। সন্ত্ৰাসবাদৰ বিষয়ে যিসকলে গভীৰভাৱে অধ্যয়ন কৰিছে তেওঁলোকে এটা কথা লক্ষ্য কৰিছে যে কিছুমান বিশেষ লক্ষণাক্ৰান্ত কালচাৰ আৰু সামাজিক পৰিবেশতহে সন্ত্ৰাসবাদৰ বৃদ্ধি আৰু স্থায়িত্ব সম্ভৱ। সকলো ধৰণৰ গছৰ কাৰণে যেনেকৈ সকলো ধৰণৰ মাটি আৰু জলবায়ু অনুকূল নহয়, ঠিক তেনেকৈ সন্ত্ৰাসবাদৰ কাৰণেও সকলো ধৰণৰ কালচাৰ বা সামাজিক পৰিবেশ অনুকূল নহয়। উদাহৰণ স্বৰূপে আয়াৰলেণ্ডৰ কথা ক'ব পাৰি। যোৱা দুশ বছৰ ধৰি আয়াৰলেণ্ডত হিংসা আৰু দৈহিক বল-প্ৰয়োগৰ এটা পৰম্পৰা গঢ়ি উঠিছে– যি পৰম্পৰাই আইৰিছ ৰিপাব্লিকান আৰ্মিৰ নিচিনা সংগঠনক এটা দুৰ্ধৰ্ষ শক্তিত পৰিণত কৰিছে। অসমত তেনে পৰম্পৰা নাই। বৰং ঠিক তাৰ বিপৰীতটোহে আছে। এনে অৱস্থাত আল্‌ফাই যদি সামাজিক ইতিহাস আৰু মানুহৰ মনস্তত্ত্ব অধ্যয়ন নকৰাকৈ অন্ধ ভাবে সন্ত্ৰাসবাদ প্ৰয়োগ কৰিবলৈ চেষ্টা কৰে, তেন্তে তেওঁলোকৰ শেষ পৰিণতিও এদিন হবগৈ পাৰে ষাঠিৰ দশকৰ ইন্দোনেছিয়াৰ কমিউনিষ্ট সকলৰ নিচিনা। কমিউনিষ্টসকলৰ আতিশয্য দেখি দেখি ইন্দোনেছিয়াৰ সাধাৰণ মানুহৰ এনেকৈ ধৈৰ্যচ্যুতি ঘটিছিল যে খণ্ডত জঁকি উঠি এদিন তেওঁলোকে নিজ হাতে লাখ লাখ কমিউনিষ্টক হত্যা কৰিছিল।

## 'ইমান ৰক্তপাত অশান্তি সহ্য নহয়'

'১৯৭১ চনৰ আৰম্ভণিৰ কথা। কলিকতাৰ ডেকা সকলৰ এটা বুজন অংশ সত্তৰৰ দশকক মুক্তিৰ দশকত পৰিণত কৰিবলৈ বদ্ধপৰিকৰ। চুবুৰিয়ে চুবুৰিয়ে পুলিচৰ লগত সিহঁতৰ খণ্ড যুদ্ধ। দিন-ৰাতিৰ ছেদ-ভেদ নোহোৱাকৈ য'তে-ত'তে সিহঁতৰ অতৰ্কিত অভিযান। সিহঁতৰ বিচাৰত যিয়েই শ্ৰেণী-শত্ৰু তাকেই খতম কৰাৰ ব্যৱস্থা। সময় অস্থিৰ। সমুখৰ ফালে চাই আমি কোনেও স্পষ্টকৈ একো দেখা নাই। মই তেতিয়া দিল্লীত। অৱশ্যে মাহত এবাৰকৈ কলিকতালৈ আহিব লগা হয়। বোধহয় তেতিয়া ফেব্ৰুৱাৰী মাহ। মই কলিকতাত থকাৰ খবৰ পাই এজন ভদ্ৰলোকে মোক দেখা কৰিবলৈ আহিল। তেওঁ বহু বছৰ ধৰি কমিউনিষ্ট পাৰ্টি কৰা মানুহ; ছাত্ৰ ফেডাৰেশ্যনৰ অন্যতম প্ৰতিষ্ঠাতা। কোনো ধৰণৰ ভেজাল নথকা সাধু পুৰুষ। অনেক ঘাত-প্ৰতিঘাতৰ মাজতো নিজৰ আদৰ্শত অবিচলিত হৈ আছে গোটেই জীৱন। মোৰ ওচৰলৈ অহাৰ সময়ত তেওঁ ঈষৎ উদভ্ৰান্ত, কাৰণ তেওঁৰ ল'ৰাই বিপ্লৱৰ অগ্নিত দীক্ষা লৈ কেতিয়াবাই ঘৰ ত্যাগ কৰিছে। এতিয়া সি পুলিচৰ হাতত ধৰা পৰি হাজোতত আছে। ভদ্ৰলোক আৰু তেওঁৰ আশংকা যে ল'ৰাটো পুলিচৰ হাজোতত থাকিলে কেইদিনমানৰ ভিতৰতে তাক পিটি মাৰি পেলোৱা হব। বিচাৰ বিভাগীয় হাজোতত সেই ধৰণৰ আশংকা অলপ কম। তেওঁলোকে শুনিবলৈ পাইছে যে ৰাষ্ট্ৰপতিৰ শাসনত বিষয়া সকলেই সৰ্বেসৰ্বা; গৃহ সচিবৰ লগত মোৰ হেনো ভাল পৰিচয় আছে; মই তেওঁক অনুৰোধ কৰিলে কামটো হব পাৰে। গৃহ-সচিবক মই অনুৰোধ কৰিলো। তেওঁ মোৰ অনুৰোধ ৰক্ষা কৰিলে। ল'ৰাটোক পুলিচৰ হাতৰ পৰা উদ্ধাৰ কৰি অনা হ'ল। ভদ্ৰলোকে মোক কৃতজ্ঞতা জনালে।

এমাহৰ পিছত আকৌ কলিকতালৈ আহিছো নিৰ্বাচনত ভোট দিবলৈ। নিৰ্বাচনৰ পিছৰ দিনা এজন বন্ধুৰ ঘৰত ভদ্ৰলোকৰ লগত দেখা হ'ল। হাঁহিৰে মুখখন ওপচাই তেওঁ মোক ক'লে– 'ইমান ৰক্তপাত আৰু অশান্তি সহ্য নহয় বুজিছে; ভোটটো এইবাৰ তেওঁলোককেই (কংগ্ৰেছক) দিলো।'

অশোক মিত্ৰ
বিশিষ্ট মাৰ্ক্সবাদী অৰ্থনীতিবিদ আৰু
পশ্চিম বংগৰ প্ৰাক্তন অৰ্থ মন্ত্ৰী

# তেনেহ'লে, উল্ফা বিপ্লৱী নহয়!

অনিল বৰুৱা

উল্ফা দুটা নেকি – এটাই বিবৃতি দিয়ে, আমি পঢ়ো আৰু কিবা এটা হ'লেও বুজি পাওঁ আৰু আনটোৱে বন্দুক চলায়, আমি দেখো বা শুনো আৰু স্তম্ভিত হওঁ? অসম আন্দোলনৰ সময়তো এনেকুৱা হৈছিল আৰু বড়ো আন্দোলনৰ বুকুতো এনেকুৱা হৈ আছে। নেতা সকলে বিবৃতি দিয়ে আৰু তাৰ সকলোখিনি নহ'লেও, কিছু কথা বুজা যায়। কিন্তু বিবৃতিবোৰ বিৰোধিতা কৰা হৈ থাকে, তাৰ বিপৰীত আচৰণ চলি থাকে আন্দোলনৰ ক্ষেত্ৰখনত। একেটা পথ উল্ফায়ো লৈছে নেকি? পণবন্দী টি এছ ৰাজুক আৰু মধ্যস্থতাকাৰী বিপুল মহন্তক হত্যা কৰাৰ খবৰ পায়েই মোৰ প্ৰথম প্ৰতিক্ৰিয়া এইটোৱেই হৈছে।

বিপুল মহন্তক কোনে হত্যা কৰিলে সেইটো অৱশ্যে খাটাং নহয়। উল্ফাই বিবৃতি দিলে হয়তো জনা যাব। বিপুলৰ ৰাজহুৱা পৰিচয় জনগণৰ শত্ৰু বুলি নহয়। অসম আন্দোলনৰ আন দহজন নেতাৰ দৰেই আছিল বিপুলো – তেওঁলোকৰ গুণবোৰ, তেওঁলোকৰ দোষবোৰ লৈ। বিপুলে 'এম্‌নেষ্টী ইন্টাৰনেচনেল'ৰ প্ৰতিনিধিৰ দৰে ভূমিকা এটা লৈছিল একেবাৰে শেহতীয়াভাবে। বিশ্ববিখ্যাত মহৎ সংগঠন 'এম্‌নেষ্টী'য়ে অসম আন্দোলনৰ দৰে আগগুৰি, মাথামুণ্ড, লাগ্‌বান্ধ নোহোৱা কৰা আন্দোলন এটাৰ নেতা এজনক কিয় বাছনি কৰিলে বুজিব পৰা নাছিলো। সকলো ধৰণৰ মানৱ অধিকাৰ আৰু নাগৰিক স্বাধীনতাৰ ওপৰত লুন্ঠন আৰু দলন চলাই অহা আন্দোলন এটাৰ নেতা 'এম্‌নেষ্টী'ৰ নেতা হ'ব পাৰেনে? ঘটনাটোৱে সন্দেহ জগাইছিল বহুতৰে মনত। কিন্তু আজিকালি মানুহৰ পৃথিৱীত ঠাই এডোখৰ উলিয়াই লোৱাৰ বহুত পদ্ধতি ওলাইছে আৰু বহুতে সেইদৰে লৈছেও। কিন্তু কিছুমানে এটা গুৰুত্বপূৰ্ণ দিশৰ কথা একেবাৰে পাহৰি সন্দেহটোক এটা প্ৰধান বিতৰ্কৰ পৰ্যায়লৈ লৈ গ'ল।

সকলোৱেই বিচাৰে যে উল্ফা আৰু শইকীয়া চৰকাৰৰ মাজত কিবা এটা বুজাবুজি হওক আৰু পণবন্দী কেইজনৰ জীৱন ৰক্ষা পৰক আৰু সেই সূত্ৰে কাৰাবন্দী সকলে মুক্তি পাওক। ৰাজ্যখনৰ সকলো শ্ৰেণীৰ বুদ্ধিজীৱী, সাহিত্যিক, শিল্পী, সাংবাদিক, ৰাজনীতিকে আৰু সকলো স্তৰৰ জনগণে সেইটোকে বিচাৰে আৰু সেই উদ্দেশ্যত চৰকাৰৰ লগত সহযোগিতা কৰিবলৈও ওলায়। ঠিক মধ্যস্থতা বুলিলে যিটো বুজা যায় সেইটো কিন্তু কোনেও কৰা নাছিল। এইখিনিতে বিপুলে এটা দুঃসাহসী পদক্ষেপ দিলে; আন্দোলনৰ কালৰ দীঘলীয়া অভ্যাসৰ বশবৰ্তী হৈয়ে হয়তো 'এমনেষ্টী'ৰ নাম লৈ জঁপিয়াই পৰিল। উদ্দেশ্য আপোনাৰ, তেওঁৰ, মোৰটোৱেই আছিল – সূক্ষ্ম বিচাৰত বহিলে, পন্থাটোত অৱশ্যেই আপত্তি কৰিব লগা থাকিল। কিন্তু সদায় আমি মহৎ লক্ষ্য সাধনৰ বাবে পথৰ শুদ্ধতাৰ গুৰুত্ব দি আহিছো জানো? 'প্ৰিটেনচন'বোৰেই এদিন আচল হৈ পৰাৰ উদাহৰণ নাই জানো?

সংবাদ-মাধ্যম বোৰৰ একাংশই 'বিচাৰ' কৰি বিপুলক 'দোষী' সাব্যস্ত কৰি দিলে আৰু দেওবাৰে পুৱা দুজনমানে গৈ তাক শেষ কৰি থৈ আহিল; অফুৰন্ত প্ৰাণশক্তি বহণ কৰি লৈ ফুৰা এটা শীৰ্ণ দেহা গুলিৰে থকা সৰকা কৰি শুৱাই দিলে। প্ৰায় ১৩ বছৰ ধৰি মোৰ সমুখত চকুত ৰ'দালি লৈ নাচি থকা এক তজবজীয়া, জীৱন্ত তৰুণ নিৰ্বাপিত হৈ গ'ল – অকস্মাতে, অকালতে, অবাবতে।

কালি পুৱাৰ পৰা বিপুলৰ কথা যিমানে ভাবিছো সিমানে এটা ধাৰণা বদ্ধমূল হৈ উঠিছেঃ আনৰ মৃত্যুৰ বিনিময়ত হ'লেও দুটামান খ্যাতিৰ পাখি মূৰত গুজিবলৈ বিচৰা কিছুমান সাংবাদিকৰ দায়িত্বজ্ঞানহীন অত্যুৎসাহৰ পৰিণতিতে কিজানি বিপুল এইদৰে মৰিব লগা হ'ল! উগ্ৰপন্থীয়ে, সন্ত্ৰাসবাদীয়ে মানুহ মাৰেই, তেওঁলোকৰ শুভবুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰা নাযায় আৰু তেওঁলোকৰ কিবা শুভবুদ্ধি আছে বুলি ভবাও নাযায়। কিন্তু তেওঁলোকৰ লক্ষ্যৰ আগত কাৰোবাক অৰক্ষণীয় কৰি থিয় কৰাই দিয়া উচিত নে? বাতৰি কাকতে সেইটো হবলৈ দিব লাগেনে?

বিপুলক কোনে মাৰিলে সেইটো খাটাংকৈ ওলাবলৈ এতিয়াও বাকী। কিয় মাৰিলে সেইটোও স্পষ্ট নহয়। কিন্তু এটা পক্ষত হেলাৰঙে বন্দুক চলাব পৰা এটা সংগঠন থাকোতে বিপুলৰ তথাকথিত 'জাল জুৱাচুৰি প্ৰতাৰণা'ৰ দিশটো ইমানকৈ সজাই-পৰাই প্ৰচাৰ কৰিব নালাগিছিল, বিশেষকৈ যিক্ষেত্ৰত তাৰ উদ্দেশ্যটো মহৎ আছিল আৰু আমি আটায়ে বিচৰাটোৱেই আছিল। আন্দোলনৰ সময়ত 'অইল'ৰ অমুক-তমুক বিষয়াই তেল-অৱৰোধৰ কাৰ্যসূচীত পশ্চাৎঘাত কৰা বুলি তেওঁলোকৰ নাম-ধাম ধৰি দিয়া দায়িত্বহীন বিবৃতিবোৰ আৰু সেইবোৰ সেই চিনে প্ৰকাশ কৰা দায়িত্বহীন সাংবাদিকতাৰ দৰে হ'ল কথাটো। অথবা তাৰ বিপৰীতে, তেতিয়া চৰকাৰত থাকি আন্দোলনক সহায় কৰা বিষয়া সকলক নাম-ধাম ধৰি ওলগ জনোৱাৰ দৰে হ'ল।

কিন্তু ৰাজুক উল্ফাই হত্যা কৰিছে। এখন ইংৰাজী দৈনিক কাকতে ক'বৰ দৰে এইটো উল্ফাই কৰা 'প্ৰথম আনুষ্ঠানিক হত্যাকাণ্ড'। ৰাজুক হত্যা কৰা হৈছে পণবন্দী কৰি থোৱা অৱস্থাত।

এই ঘটনাৰ যোগেদি উল্ফাই এটা দিশত চিন্তা-চৰ্চাৰ থল নোহোৱা কৰি দিছে। মোৰো আৰু বহুতৰে এটা ধাৰণা আছিল যে উল্ফা হয়তো এটা বিপ্লৱী সংগঠন। বিপ্লৱী সংগঠনে কি কি কৰিব পাৰে আৰু কি কি কৰিব নোৱাৰে সেই বিষয়ে মই সবিস্তাৰে লিখি আহিছো (অৱশ্যে মোৰ অতি সীমিত জ্ঞানেৰে)। সেই বিচাৰতে কৈ আহিছিলো যে উল্ফা প্ৰকৃতপক্ষে বিপ্লৱী সংগঠন হলে তেওঁলোকে কেতিয়াও নিৰপৰাধী পণবন্দীক হত্যা কৰিব নোৱাৰে।

উল্ফা সম্পৰ্কে মই পোষণ কৰা ধাৰণা ভুল আছিল বুলি উল্ফাই তেওঁলোকৰ কাৰ্যৰে মোক – আমাক বুজাই দিছে।

সন্ত্ৰাসবাদী বা সেই জাতীয় সংগঠনৰ কথা বেলেগ। তেওঁলোক মূলতে আইন-শৃংখলা জনিত পৰিস্থিতিৰ সমস্যা। বাতৰিকাকত বা আলোচনীত তেওঁলোকৰ বিষয়ে আলোচনা কৰাৰ ৰীতিও সেইদৰে বেলেগ।

মাত্ৰ এষাৰ কথাই কওঁঃ দুখন বাতৰি কাকতত পঢ়িলো যে ৰাজুৰ মৃতদেহত এখন ফুলাম গামোচাও বোলে আছিল। পণবন্দী ৰাজুক হত্যা কৰি উল্ফাই অসমীয়া সংস্কৃতিৰ সৰ্বোত্তমখিনিও হত্যা কৰিছে আৰু বোধকৰো ফুলাম গামোচাখন মৃতদেহত দি বা এৰি থৈ সেই বাৰ্তা আমাক সকলোকে জনাই দিছে। ■






## ৰাজনৈতিক চাকনৈয়াত

# গুৱাহাটী বিশ্ববিদ্যালয়

***দেশ আৰু জাতিৰ সেৱাত গুৱাহাটী বিশ্ববিদ্যালয় কিমান দূৰ সফল হ'ল***

হিতেন মহন্ত

ভাৰত স্বাধীন হোৱাৰ কেইবছৰমান আগৰ পৰাই অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে গঢ়ি উঠা আন্দোলনে আলোড়নৰ সৃষ্টি কৰিছিল। অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ নেতৃত্বত ১৯৪৫ চনত নতুনকৈ গঠিত ন্যাস পৰিষদে (ট্ৰাষ্ট ব'ৰ্ডে) বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পুঁজি সংগ্ৰহ কৰি ফুৰিছিল। ঠিক এই সময়তে এদিন গুৱাহাটীৰ জিলা কোৰ্টৰ সমুখত তামোল পাণ বেচা মহিলা পোহাৰী এগৰাকীয়ে বৰদলৈক হঠাতে কৈ উঠিল – 'কিহে বগা উকীল (মহিলা পোহাৰী গৰাকীয়ে বৰদলৈক বগা উকীল বুলিহে সম্বোধন কৰিছিল) বিশ্ববিদ্যালয় স্থাপনৰ বাবে হেনো দান বৰঙনি সংগ্ৰহ কৰিছা? আমাৰ পৰা একো নোলোৱা নেকি?' মহিলা পোহাৰী গৰাকীৰ প্ৰশ্নৰ উত্তৰত বৰদলৈয়ে ক'লে – 'তুমিও কিবা দিবা নেকি? দিয়া যদি কাইলৈ আনিবা।' পিছদিনাখন পোহাৰী গৰাকীয়ে তাইৰ সাঁচতীয়া এশ টকা আনি বৰদলৈৰ হাতত জমা দিছিল। বৰদলৈয়ে পোহাৰী গৰাকীয়ে আগবঢ়োৱা বৰঙণিৰ বিনিময়ত তাইক এখন ৰচিদ কাটি দিছিল।

বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলনে সেই সময়ত সৰ্বসাধাৰণ ৰাইজক কেনেদৰে প্ৰভাবান্বিত কৰিছিল, জাতিটোৰ ভৱিষ্যতৰ কথা চিন্তা কৰি শিক্ষা প্ৰসাৰৰ বাবে সাধাৰণ মানুহো কেনেদৰে ব্যাকুল হৈ পৰিছিল, লিখিব পঢ়িব নজনা উল্লিখিত পোহাৰী গৰাকীৰ ঘটনাটোৱে তাৰ উৎকৃষ্ট প্ৰমাণ।

অসমত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ দাবী ১৯১৭ চনতে আৰম্ভ হয়। ১৯১৭ চনত শিৱসাগৰত বহা অসম এছোচিয়েশ্বনৰ বছৰেকীয়া অধিবেশনৰ মূল সভাৰ সভাপতি চিন্তাবিদ সত্যনাথ বৰাই তেওঁৰ অভিভাষণত সুকীয়া বিশ্ববিদ্যালয় এখন স্থাপনৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছিল। তেতিয়াৰে পৰা ১৯২৮ চনলৈকে সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে অসমৰ ৰাইজে বিভিন্ন সময়ত দাবী উত্থাপন কৰিছিল। কিন্তু ১৯২৮ চনৰ পৰা বিশ্ববিদ্যালয় স্থাপনৰ দাবীয়ে আন্দোলনৰ ৰূপ লয় আৰু ১৯৩২ চনৰ পৰা এই আন্দোলন ব্যাপক হয়। অসমত এখন সুকীয়া বিশ্ববিদ্যালয় নথকাৰ হেতুকে বহুতো শিক্ষানুৰাগী ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। এই অভাৱ পূৰণৰ বাবেই অসমত সুকীয়া বিশ্ববিদ্যালয় এখন স্থাপনৰ প্ৰয়োজনীয়তা বৰকৈ অনুভৱ কৰা হৈছিল। ত্ৰিশৰ দশকত কলিকতাত 'এছামিজ ষ্টুডেন্টচ ওৱেলফেয়াৰ লীগ'ৰ জন্ম হয়। লীগৰ প্ৰধান উদ্যোক্তা সকল আছিল প্ৰয়াত মাধৱ চন্দ্ৰ বেজবৰুৱা, জীৱন ৰাম ফুকন, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, হৰেন্দ্ৰ নাথ কলিতা, ডঃ ৰোহিনীকান্ত বৰুৱা, ডঃ হিতেন্দ্ৰ কুমাৰ বৰুৱা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য) আদি বৰেণ্য ব্যক্তি সকল। লীগৰ সদস্য সকলেই অসমত সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিশেষভাবে কাম কৰিবলৈ আগবাঢ়ি আহিছিল। লীগৰ বিশেষ অধিবেশনত বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে আন্দোলনৰ প্ৰকৃত কাৰ্যকৰী পন্হা হাতত লোৱা হয় আৰু মাধৱ চন্দ্ৰ বেজবৰুৱাক বিশ্ববিদ্যালয় স্থাপনৰ বাবে জনমত গঠন কৰাৰ উদ্দেশ্যে কলিকতাৰ পৰা অসমলৈ প্ৰেৰণ কৰ হয়। (মাধৱ চন্দ্ৰ বেজবৰুৱা বিশ্ববিদ্যালয় স্থাপন আন্দোলনৰ অন্যতম গুৰি ধৰোতা আছিল)। ইয়াৰ পিছৰে পৰা স্কুল, কলেজ আৰু ৰাজহুৱা প্ৰতিষ্ঠানবোৰে সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাবলৈ আৰম্ভ কৰে। ১৯৩৫ চনৰ ৩০ এপ্ৰিলত গুৱাহাটীৰ কাৰ্জন হলৰ (বৰ্তমান নবীন চন্দ্ৰ বৰদলৈ হল) প্ৰাঙ্গনত 'আসাম এছোচিয়েশ্বন' আৰু 'সংৰক্ষিণী সভা'ৰ উদ্যোগত গুৱাহাটীত এখন সভা বহে। গোপীনাথ বৰদলৈয়ে এই সভাত সভাপতিত্ব কৰিছিল। এই সভাতে অসমত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে কাম-কাজ হাতত ল'ব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ 'আসাম এছোচিয়েশ্বন'ৰ পৰা এখন বিশ্ববিদ্যালয় কমিটী গঠন কৰি দিয়া হয় আৰু বৰদলৈক কমিটীৰ সম্পাদকৰ দায়িত্ব দিয়া হয়। আসাম এছোচিয়েশ্বন আৰু কলিকতাৰ ওৱেল ফেয়াৰ লীগৰ নেতৃত্বত গোটেই অসম জুৰি বিশ্ববিদ্যালয় স্থাপনৰ ব্যাপক আন্দোলন আৰম্ভ হয়। ১৯৩৫ চনৰ ২২ মে'ত সমদল, সভা-সমিতি আদিৰে অসমৰ বিভিন্ন ঠাইত 'বিশ্ববিদ্যালয় দিন' পালন কৰা হয়। ১৯৩৮ চনত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হয়। সেই সময়তে বৰদলৈয়ে বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে




GKDISC

ৰাইজৰ পৰা এক অনাকৈ পইছা তুলি পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। ১৯৪৪ চনৰ দুই ডিচেম্বৰত কলিকতাত থকা প্ৰবাসী অসমীয়া সকলৰ এখন সভা বহে। সেই সভাত অসমত অচিৰেই এখন বেচৰকাৰী বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

'গুৱাহাটী', 'অসম', 'কামৰূপ', প্ৰাগজ্যোতিষপুৰ' আদি নাম কেইটাৰ ভিতৰত কোনটো প্ৰস্তাবিত বিশ্ববিদ্যালয়খনৰ নাম হ'ব এই বিষয়টো লৈ বহুতো আলোচনা হৈছিল। আলোচনাৰ অন্তত সাময়িক ভাবে 'গুৱাহাটী বিশ্ববিদ্যালয়' নামটো ৰখাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ১৯৪৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৰত গুৱাহাটীৰ কামৰূপ অকাডেমী স্কুলৰ প্ৰাংগনত বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি সভা বহে। এই সভাতে অসমৰ স্বকীয়া বিশ্ববিদ্যালয়খনৰ নাম গুৱাহাটী বিশ্ববিদ্যালয় হ'ব লাগে বুলি উপস্থিত প্ৰতিনিধি সকলে বিভিন্ন যুক্তি দাঙি ধৰে। অৱশেষত যুক্তি-তৰ্কৰ অন্তত লাহোৰ, আলিগড়, ঢাকা, কাশী আদি বিভিন্ন ঠাইৰ নামেৰে বিশ্ববিদ্যালয়ৰ নাম দিয়াৰ লেখিয়াকৈ গুৱাহাটীত স্থাপন কৰিব খোজা স্বকীয়া বিশ্ববিদ্যালয়খনৰ নামো সৰ্বসন্মতিক্ৰমে 'গুৱাহাটী বিশ্ববিদ্যালয়' ৰখা হয়।

উক্ত সভাতে এখন নতুন বিশ্ববিদ্যালয়ৰ ন্যায় পৰিষদ (ট্ৰাষ্ট ব'ৰ্ড) গঠন কৰা হয়। এই ন্যায় পৰিষদৰ চেয়াৰমেনৰ দায়িত্ব দিয়া হয় গোপীনাথ বৰদলৈক। ১৯৪৫ চনৰ পৰা ন্যায় পৰিষদে পুঁজি সংগ্ৰহৰ কাম খৰতকীয়াকৈ আৰম্ভ কৰে। টিকট পদ্ধতিৰে পুঁজি সংগ্ৰহৰ অভিযান চলোৱা হৈছিল। টিকটৰ মূল্য আছিল এটকাৰ পৰা হেঁজাৰ টকালৈ। পুঁজি সংগ্ৰহৰ প্ৰতি অসমৰ ৰাইজে ব্যাপক সঁহাৰি দিছিল। এনেদৰে পুঁজি সংগ্ৰহৰ কাম চলি থাকোতে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। বৰদলৈৰ নেতৃত্বত অসমত নতুন মন্ত্ৰীসভা গঠিত হ'ল। বিশ্ববিদ্যালয়ৰ 'আইন-কানুন' আৰু বিল আদি বিধান সভাত গৃহীত হ'ল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হ'ল। ইয়াৰ লগে লগে শিক্ষা প্ৰসাৰৰ বাবে অসমৰ ৰাইজে দেখা সপোন বাস্তৱত পৰিণত হ'ল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বপ্ন বাস্তৱ ৰূপ দিয়াত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ লগতে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, মাধৱচন্দ্ৰ বেজবৰুৱা, ৰোহিনী চৌধুৰী, শৰৎচন্দ্ৰ গোস্বামী, খানবাহাদুৰ চৈয়দুৰ ৰহমান, হৰেন্দ্ৰনাথ কলিতা, কৃষ্ণকান্ত সন্দিকৈ, কেশৱ নাৰায়ণ দত্ত, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আদি বৰেণ্য ব্যক্তি সকলে অসীম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল। এই সকল ব্যক্তিৰ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে ১৯৪৮ চনৰ পৰা গুৱাহাটী চহৰৰ ভিতৰতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলক পঢ়োৱাৰ কাম আৰম্ভ হয়। ১৯৪৮ চনৰ ২৩ ফেব্ৰুৱাৰীত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। শিক্ষাবিদ ফণীধৰ দত্তক বিশ্ববিদ্যালয়ৰ প্ৰথম পঞ্জীয়ক, শৈলধৰ ৰাজখোৱাক কোষাধ্যক্ষ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ শৰৎ কুমাৰ দত্তক সচিবৰ দায়িত্ব দিয়া হয়।

> আমি এক নতুন দৃষ্টিভংগীৰে বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ ওলাইছো। এই নতুন দৃষ্টিভংগীটো হ'ল বিশ্ববিদ্যালয়ৰ জৰিয়তে দেশ আৰু জাতিৰ প্ৰতি সেৱা আগবঢ়োৱা। কেৱল ডিগ্ৰী প্ৰদান কৰাটোৱেই বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্য নহয়।

গুৱাহাটীৰ কটন কলেজৰ চৌহদৰ ভিতৰত দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত সামৰিক বাহিনীয়ে এৰি থৈ যোৱা এটা ঘৰত ১৯৪৮ চনৰ এক ডিচেম্বৰত স্নাতকোত্তৰ মহলাৰ অসমীয়া বিভাগৰ প্ৰথম পাঠদান আৰম্ভ কৰা হয়। ডঃ বাণীকান্ত কাকতিয়ে মুৰব্বী অধ্যাপক, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰীডাৰ, ডঃ মহেশ্বৰ নেওগ আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই প্ৰবক্তা হিচাপে অসমীয়া বিভাগত যোগদান কৰে। আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ সাত গৰাকী। ইয়াৰ পিছতে ১৯৪৮-৪৯ চনত আঠটা বিষয়ত স্নাতকোত্তৰ বিভাগ খোলা হয়। এই বিভাগকেইটা আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ক্ৰমে অৰ্থনীতি ৬৮, বুৰঞ্জী ৩০, গণিত ১৬, দৰ্শন ১৯, অসমীয়া ১২, উদ্ভিদ বিজ্ঞান ১৪, বাণিজ্য ২৯ আৰু সংখ্যা বিজ্ঞান ১৪। তেতিয়া মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ ২০২ জন। অৱশ্যে ১৯৪৯-৫০ চনত বহা কোঠাৰ অভাৱত পৰীক্ষা মূলক বিজ্ঞান শাখাত স্নাতকোত্তৰ মহলাৰ পাঠদান আৰম্ভ কৰিব পৰা হোৱা নাছিল। ১৯৫০-৫১ চনত চৰকাৰী আইন মহাবিদ্যালয়ৰ ওচৰত এটা ভাড়া ঘৰত ৰসায়নিক বিষয়ত স্নাতকোত্তৰ মহলাৰ পাঠদান আৰম্ভ কৰা হৈছিল। আৰম্ভণিতে ৬০ জন ছাত্ৰ থাকিব পৰাকৈ তিনিটা ছাত্ৰাবাস খোলা হৈছিল। গুৱাহাটীৰ ছাত্ৰী কোঠাত দহ জনী ছাত্ৰী থাকিব পৰাকৈ এটা বিশ্ববিদ্যালয় ছাত্ৰী নিবাস স্থাপন কৰা হৈছিল। সেইদৰে গুৱাহাটীৰ চান্দমাৰীত শিক্ষকৰ বাবে ২০টা কোৱাৰ্টাৰ সজা হৈছিল। সেই ঠাইখিনি পিছত ইউনিভাৰ্চিটি ক'লনী নামেৰে জনাজাত হয়। ১৯৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয় জালুকবাৰীলৈ স্থানান্তৰ কৰা হয়। তেতিয়াৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰসাৰতা লাভ কৰে। সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ত মুঠ ৩৬টা বিষয়ত পাঠদান কৰা হয়।

লোকপ্ৰিয় গোপীনাথ বৰদলৈকে ধৰি সেই সময়ৰ গণ্যমান্য ব্যক্তি আৰু শিক্ষাবিদ সকলে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে দেশ আৰু জাতিৰ সেৱা কৰা সপোন দেখিছিল। বৰদলৈয়ে বিশ্ববিদ্যালয় স্থাপনৰ সন্দৰ্ভত মন্তব্য কৰি লিখিছিল 'আমি এক নতুন দৃষ্টিভংগীৰে বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ ওলাইছো। এই নতুন দৃষ্টিভংগীটো হ'ল বিশ্ববিদ্যালয়ৰ জৰিয়তে দেশ আৰু জাতিৰ প্ৰতি সেৱা আগবঢ়োৱা। কেৱল ডিগ্ৰী প্ৰদান কৰাটোৱেই বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্য নহয়।'

ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ডঃ ময়িদুল ইছলাম বৰাই 'আৱাহন'ত বিশ্ববিদ্যালয় স্থাপনৰ সন্দৰ্ভত লিখিছিলঃ 'বিশ্ববিদ্যালয়ৰ প্ৰধান উদ্দেশ্য শিক্ষা আৰু কাল্‌চাৰ'ৰ এটা কেন্দ্ৰস্থল স্থাপন কৰা। যি দেশত এই শিক্ষা আৰু 'কালচাৰ'ৰ কেন্দ্ৰস্থল নাই, সেই দেশৰ মানুহৰ নিজৰ জাতীয় সভ্যতা উপলব্ধি কৰি স্বদেশ আৰু স্বজাতিৰ গৌৰৱ নিজেও উপলব্ধি কৰিব নোৱাৰে আৰু পৰৰ মাজতো বিলাব নোৱাৰে। জগতৰ বিশ্ববিদ্যালয় বিলাকৰ বুৰঞ্জীৰ পাত লুটিয়াই চালে দেখিবলৈ পোৱা যায় যে 'কালচাৰ'ৰ কেন্দ্ৰস্থল স্থাপন কৰিবৰ বাবেই বিশ্ববিদ্যালয়বোৰ খোলা হৈছে। কেৱল ছাত্ৰ বা কলেজৰ সংখ্যাৰ মাপকাঠিৰে বিশ্ববিদ্যালয় স্থাপন কৰিব লগা হ'লে, আজিলৈ কোনো দেশতে বিশ্ববিদ্যালয় স্থাপন নহ'লহেঁতেন।'

অসম ছাত্ৰ সন্মিলনৰ সভাপতি হৈ থকা অৱস্থাত ১৯৩৬ চনত দেশভক্ত তৰুণ ৰাম ফুকনে তেওঁৰ অভিভাষণত বিশ্ববিদ্যালয় স্থাপনৰ সন্দৰ্ভত মন্তব্য কৰিছিল এইদৰেঃ 'অসমত বিশ্ববিদ্যালয় এখন হ'লে আমি তাৰ মাজেদি নিজৰ সমস্যালৈ বিশেষ চকু দিব পাৰিম আৰু অসমীয়া সংস্কৃতি আৰু অসমীয়াৰ আকাংক্ষাৰ অনুকূল এখন চিন্তাৰ শাল পাতি গোটেই জাতীয় জীৱনতে এটা নতুন উদ্যম, অনুপ্ৰেৰণা যোগাব পাৰিম।'

মুঠতে এশ টকা বৰঙণি আগবঢ়োৱা সেই পোহাৰী জনীৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ, দেশভক্ত তৰুণ ৰাম ফুকন লৈকে সকলোৱে বিশ্ববিদ্যালয় স্থাপনৰ যোগেদি দেশ আৰু জাতি সেৱাৰ সপোন দেখিছিল। অসমৰ ৰাইজৰ সেই সপোন বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্যেই কৃষ্ণকান্ত সন্দিকৈ, ডঃ বাণীকান্ত কাকতি, ডঃ সূৰ্যকুমাৰ ভূঞা, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, ফণীধৰ দত্ত, জি টি প্ৰুডহোম, ভি ভেংকট ৰাও, ডঃ মহেশ্বৰ নেওগ আদি বিদগ্ধ পণ্ডিত সকলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শোভা বঢ়াইছিল। এইসকল পণ্ডিতৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত গুৱাহাটী বিশ্ববিদ্যালয় অতি কম দিনৰ ভিতৰত ভাৰতবৰ্ষতে এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি লাভ কৰে। অসমৰ শিক্ষা, সংস্কৃতি আৰু বৌদ্ধিক বিকাশৰ মূল কেন্দ্ৰ হৈ পৰে গুৱাহাটী বিশ্ববিদ্যালয়। পঞ্চাশৰ দশকৰ পৰা সত্তৰৰ দশকলৈ অসমৰ বৌদ্ধিক জগতৰ নেতৃত্ব দিছিল গুৱাহাটী বিশ্ববিদ্যালয়ে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই গৌৰৱোজ্জ্বল ইতিহাস এতিয়াও অক্ষুণ্ণ আছেনে? সময় অতিবাহিত হোৱাৰ লগে লগে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰসাৰতা লাভ কৰে। ১৯৪৯-৫০ চনত মাত্ৰ আঠটা বিভাগেৰে পাতনি মেলা গুৱাহাটী বিশ্ববিদ্যালয়ত সম্প্ৰতি ৩৬টা বিভিন্ন বিষয়ত পাঠ দান কৰা হয়। আৰম্ভণিতে মাত্ৰ ২০২ জন ছাত্ৰ-ছাত্ৰীকলৈ আৰম্ভ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৮-৮৯ চনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হয়গৈ ৩,০৪৪ জন। প্ৰতি বছৰে গুৱাহাটী বিশ্ববিদ্যালয়ে এতিয়া হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী প্ৰদান কৰে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে বৰদলৈয়ে দেশ আৰু জাতি সেৱাৰ যি সপোন দেখিছিল, আজিৰ পটভূমিত বৰদলৈৰ সেই সপোন বাস্তৱত পৰিণত হ'ল বুলি ক'ব পাৰিনে? দেশৰ সেৱাত লাগিব বুলিয়েই সেই পোহাৰী গৰাকীয়ে তামোল-পাণ বিক্ৰী কৰি এপইছা-দুই পইছাকৈ সাঁচি থোৱা টকাখিনি বৰদলৈৰ হাতত জমা দি যি ত্যাগ স্বীকাৰ কৰিছিল, আজিৰ পটভূমিত তাৰ কিবা মূল্য বিচাৰি পোৱা যাবনে? এইবোৰ ফঁহিয়াই চাবলৈ এতিয়া কাৰো সময় নাই। আজিৰ পটভূমিত গুৱাহাটী বিশ্ববিদ্যালয়ক ডিগ্ৰী তৈয়াৰ কৰা যন্ত্ৰ বুলিহে ক'ব পৰা যায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাত প্ৰবেশ কৰিলেই অনুমান হয় যে গতানুগতিকভাবে শিক্ষকে পাঠ দান কৰিছে আৰু ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লৈ বিশ্ববিদ্যালয় এৰি গুচি গৈছে কেৱল নিজৰ ভৱিষ্যত গঢ়াৰ মানসিকতাৰে। দেশ আৰু জাতি সেৱাৰ লগতে সংস্কৃতিৰ কেন্দ্ৰস্থল হোৱাৰ পৰিবৰ্তে গুৱাহাটী বিশ্ববিদ্যালয় সম্প্ৰতি ৰাজনীতিৰ কেন্দ্ৰ স্থলত পৰিণত হোৱা বুলি ক'লে হয়তো ভূল কোৱা নহ'ব। চৰকাৰ কোনে চলাব পাৰিব আৰু কোনে চলাব নোৱাৰিব তাৰ নীতি নিৰ্ধাৰণ কৰাৰ কেন্দ্ৰস্থল হৈ পৰিল গুৱাহাটী বিশ্ববিদ্যালয়। পৰীক্ষা কেতিয়া হ'ব লাগিব আৰু কেতিয়া হ'ব নালাগিব এমুঠি ছাত্ৰই সেইটো নিৰ্ধাৰণ কৰিব পৰা হ'ল। নিজৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে কিছু সংখ্যক শিক্ষকেও এমুঠি ছাত্ৰৰ উচ্ছৃংখলিৰ সৈতে সহযোগিতা কৰাৰ কথা গোপন হৈ নাথাকিল। হত্যাকাৰীক বিচাৰি বিশ্ববিদ্যালয় ছাত্ৰাবাসত তালাচি চলাব লগা হ'ল। শৈক্ষিক পৰিবেশৰ পৰিবৰ্তে বিশ্ববিদ্যালয়ৰ চৌহদত আতংকৰ পৰিবেশে গা কৰি উঠিল। বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীয়ে নিৰাপত্তা বিচাৰি চৰকাৰৰ ওচৰত দাবী জনাব লগা হ'ল। বিশ্ববিদ্যালয়ৰ চৌহদৰ বাহিৰত নিৰাপত্তা বাহিনীৰ শিবিৰ পাতিব লগা হ'ল।

সংস্কৃতিৰ কেন্দ্ৰস্থলৰ সপোন দেখা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস সম্পৰ্কে আজিলৈকে এখন ভাল গ্ৰন্থ প্ৰকাশ হৈ নোলাল। আজি কেইবছৰমান আগেয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত এখন গ্ৰন্থ প্ৰকাশ কৰাৰ উদ্দেশ্যে পাণ্ডুলিপি প্ৰস্তুত কৰা হৈছিল। কিন্তু গ্ৰন্থখন আজিলৈকে ছপা হৈ নোলাল। বিশ্ববিদ্যালয় প্ৰকাশনৰ ফাইলৰ টোপোলাত সেই পাণ্ডুলিপি পৰি আছে। কিয় সেই পাণ্ডুলিপিয়ে ছপাৰ মুখ নেদেখিলে এই বিষয়ে মূৰ ঘমাবলৈ যেন কাৰো সময় নাই। এই মুহূৰ্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিয়াগোম পুথি ভঁড়ালটোত বিচাৰি চলাথ কৰিলেও বিশ্ববিদ্যালয়ৰ জন্ম কাহিনী সন্দৰ্ভত এখন গ্ৰন্থ পাবলৈ নাই। অসমৰ বৌদ্ধিক জগতৰ নেতৃত্ব দিয়াৰ আশাৰে স্থাপন কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন অনুষ্ঠানটোৰো কাম-কাজ সম্প্ৰতি প্ৰায় স্তব্ধ হৈ পৰিছে। কিন্তু স্তব্ধ হৈ পৰাৰ প্ৰকৃত কাৰণ বিচাৰি উলিয়াই সমস্যাটো সমাধানৰ বাবে কোনেও আগবাঢ়ি অহাৰ প্ৰয়োজন বোধ কৰা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম যেন কেৱল ডিগ্ৰী প্ৰদান কৰাটোৱেই।

অসমৰ ৰাইজৰ অকুণ্ঠ সঁহাৰিত সেই সময়ৰ নেতৃস্থানীয় লোক সকলে যি উদ্দেশ্য আগত ৰাখি গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰিছিল, শিক্ষানুষ্ঠানটোৰ বৰ্তমানৰ ভূমিকাই তাৰ প্ৰতি পৰিহাস কৰা নাইনে?

প্ৰশ্ন হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ত সম্প্ৰতি গা কৰি উঠা শিক্ষা পৰিপন্থী পৰিবেশ চলি থাকিবলৈ দিয়া হ'ব নেকি? বৰ্তমানৰ সংকট অৱস্থাৰ কোনো প্ৰতিকাৰ নাই নেকি? গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা গৌৰৱোজ্জ্বল ইতিহাস পুনৰুদ্ধাৰৰ সময় আহি পৰিছে। ইয়াৰ বাবে শিক্ষক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ লগতে অসমৰ প্ৰতিজন নাগৰিক আগবাঢ়ি আহিব লাগিব।


বৰ্তমানৰ উপাচাৰ্য ডঃ নিৰ্মল কুমাৰ চৌধুৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰদূষিত পৰিবেশ আঁতৰ কৰাৰ বাবে কিছু গঠনমূলক কাম-কাজ হাতত লোৱা পৰিলক্ষিত হৈছে। উপাচাৰ্য গৰাকীৰ এই প্ৰচেষ্টাৰ সৈতে শিক্ষক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আদি সকলোৱে সহযোগিতা আগবঢ়োৱা উচিত।

---

*বিঃ দ্ৰঃ প্ৰবন্ধটি যুগুত কৰোতে হৰেন্দ্ৰনাথ কলিতাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদি কথা নামৰ কিতাপখনৰ সহায় লোৱা হৈছে।*

# প্ৰসংগঃ গুৱাহাটী বিশ্ববিদ্যালয়

সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয় এটা ডাঙৰ সংকটৰ সন্মুখীন হোৱা বুলি সকলোৱেই অনুভৱ কৰিছে। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হোৱাৰ প্ৰথম কেইবছৰ মানৰ ভিতৰত ই ভাৰতৰ অন্যতম শ্ৰেষ্ঠ বিশ্ববিদ্যালয় বুলি পৰিগণিত হৈছিল। অসমৰ মানুহে যি আশা বুকুত বান্ধি অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি এই বিশ্ববিদ্যালয় স্থাপন কৰিছিল সেই আশা পূৰণ হোৱাৰ লক্ষণো তেতিয়া দেখা গৈছিল। কিন্তু মাজতে হঠাৎ কি হৈ গ'ল, বিশ্ববিদ্যালয়খন যেন নিজৰ লক্ষ্যপথৰ পৰা পিছলি পৰিল। বিশ্ববিদ্যালয়খনে ক্ৰমাত নিজৰ গৌৰৱৰ স্থান হেৰুৱাবলৈ ধৰিলে। ছাত্ৰ আৰু শিক্ষক সকলৰ মনতো ভৱিষ্যত সম্পৰ্কে নানা আশংকা পুঞ্জীভূত হ'বলৈ ধৰিলে। এনে অৱস্থাতে আৰম্ভ হ'ল অসম আন্দোলন আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক ব্যৱহাৰ কৰা হ'ল সেই আন্দোলনৰ সদৰ কাৰ্যালয় হিচাপে। ইয়াৰ ফল কি হ'ল সেইটো সকলোৱে নিজৰ চকুৰ আগতে দেখিবলৈ পাইছে। যি নিয়ম-নিষ্ঠা আৰু কঠোৰ অনুশাসন এসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰধান বৈশিষ্ট্য আছিল সি আজি অতীতৰ স্মৃতিত পৰিণত হৈছে। পৰীক্ষা ঠিক সময়ত অনুষ্ঠিত নহয়; পৰীক্ষাৰ ফলাফল বছৰৰ পিছত বছৰ ধৰি অঘোষিত হৈ থাকে; বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক কামকাজত ছাত্ৰই অন্যায় ভাবে হস্তক্ষেপ কৰে; ইত্যাদি নানা কাৰণত বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সম্পূৰ্ণ বিনষ্ট নহলেও যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে বুলি সকলোৱে অনুভৱ কৰিছে। এনে অৱস্থাত বিশ্ববিদ্যালয়খনক অধিক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি অহাটো সকলোৰে নৈতিক কৰ্তব্য। কোৱা বাহুল্য মাথোন যে এই কামত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ সকলে। গুৱাহাটী বিশ্ববিদ্যালয় সম্পৰ্কে তেওঁলোকে কি ভাবিছে সেই বিষয়ে জানিবলৈ কেইটামান প্ৰশ্ন লৈ 'সূত্ৰধাৰ'ৰ প্ৰতিনিধি তেওঁলোকৰ ওচৰলৈ গৈছিল। তলত তেওঁলোকৰ উত্তৰবোৰ প্ৰকাশ কৰা হ'ল। ইয়াৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য ডঃ নিৰ্মল কুমাৰ চৌধুৰীৰ লগত হোৱা এটি বিশেষ সাক্ষাৎকাৰো প্ৰকাশ কৰা হৈছে। উপাচাৰ্যৰ সাক্ষাৎ লৈছে সূত্ৰধাৰৰ ষ্টাফ ৰিপৰ্টাৰ স্বপ্না বেজবৰুৱাই। অধ্যাপক আৰু ছাত্ৰ সকলৰ সাক্ষাৎ লৈছে ষ্টাফ ৰিপৰ্টাৰ স্বপ্না বেজবৰুৱা আৰু সূত্ৰধাৰৰ প্ৰতিনিধি বুবুল কুমাৰ গগৈয়ে।



### প্ৰশ্ন সমূহ

১। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা হোৱাৰ পিছত প্ৰথম কেইবছৰমানত এই বিশ্ববিদ্যালয়ে সমগ্ৰ দেশৰ ভিতৰত এখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি অৰ্জন কৰিছিল। কিন্তু আজি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা ঠিক কেতিয়াৰ পৰা হ'ল বুলি আপুনি ভাবে? বিশ্ববিদ্যালয়ৰ বৰ্তমান শোচনীয় পৰিস্থিতিৰ কাৰণ কি বুলি আপুনি কব খোজে?

২। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ আৰু তাক এটা প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কি কি জৰুৰী ব্যৱস্থা লোৱাটো দৰকাৰ বুলি আপুনি ভাবে?

## অধ্যাপক সকলৰ বক্তব্য

**ডঃ মহেশ্বৰ নেওগ**

*অৱসৰ প্ৰাপ্ত অধ্যাপক*

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমৰ বছৰবোৰ গৌৰৱোজ্জ্বল আছিল, সেই গৌৰৱ আছিল জোনৰ পোহৰৰ দৰে। আচল সূৰ্য আছিল কৃষ্ণকান্ত সন্দিকৈ আদিৰ জেউতিহে। সন্দিকৈ, ডক্টৰ কাকতি ডক্টৰ বিৰিঞ্চি কুমাৰ আদিৰ পাণ্ডিত্য তেতিয়া বিকশিত হৈ উঠিছিল। নতুন আশা-উদ্দীপনাৰে বিশ্ববিদ্যালয় ফুলি উঠিবলৈ ধৰিছিল। আন কি, মই গুৰি ধৰি লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ দলেও সৰ্বভাৰতীয় প্ৰতিযোগিতাত নাচ-গানত সমস্ত ভাৰতৰ বিশ্ববিদ্যালয় বিলাকৰ মাজত উচ্চতম স্থান অধিকাৰ কৰিছিল। অসমৰ বাহিৰৰ পৰাও অধ্যাপক থাৱানি আদি ওপৰ খাপৰ পণ্ডিতে ইয়াত অধ্যাপনা কৰিছিল। অধ্যাপনাৰ ক্ষেত্ৰত প্ৰথম শ্ৰেণীৰ লোকককে নিয়োগ দিয়া হৈছিল। এইটোৱে বিশ্ববিদ্যালয় খনৰ বিদ্যায়তনিক দিশৰ যশস্যা ভাৰতবৰ্ষৰ চাৰিওপিনে বিয়পি পৰিছিল আৰু বিশ্ববিদ্যালয়খন প্ৰথম শ্ৰেণীৰ হোৱা বুলি আপোনা-আপুনি এটা খ্যাতি বৈ গৈছিল। কোনো স্থানৰ পৰীক্ষাৰ যোগে সেই খ্যাতি বিকশিত হোৱা নাছিল। সেইকালত ভাৰতৰ বিশ্ববিদ্যালয়ৰ সংখ্যাও সীমিত আছিল। কিন্তু লাহে লাহে বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু ভাৰত চৰকাৰৰ বিশেষ সমাদৰ পোৱা কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু IIT বিলাক প্ৰতিষ্ঠাপিত হ'ল। এইবিলাক নতুন গৌৰৱৰ কেন্দ্ৰ প্ৰতিষ্ঠিত হোৱাত আনকি আগৰ ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয় বিলাকো নিষ্প্ৰভ হৈ পৰিল। বিশ্ববিদ্যালয় অনুদান আয়োগ আদিৰ বিশেষ কৰুণাও কেন্দ্ৰীয় অনুষ্ঠানৰ ওপৰতে বৰ্ষিত হ'ল। এনেবোৰ সৰ্বভাৰতীয় স্থিতিৰ প্ৰভাৱ স্বাভাৱিকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিচিনা তুলনামূলক ভাবে নতুন বিশ্ববিদ্যালয়ত বক্ৰভাবে পৰিল। ইয়াৰ উপৰি হয়তো স্থানীয় পৰিস্থিতিয়েও বিশ্ববিদ্যালয়ক কিছু ঘূনীয়া কৰিছিল। তাৰ ফলস্বৰূপে এখন গুৱাহাটী বিশ্ববিদ্যালয় অনুসন্ধান আয়োগো বহিবলগীয়া হৈছিল। এই আয়োগে অৱশ্যে সন্দিকৈ ডাঙৰীয়াৰ সময়ৰে পৰা জপতিয়াই ধৰি বিশ্ববিদ্যালয়ৰ মূল গঠনত কেৰোণ দেখা পাইছিল। কিন্তু এই আয়োগে আঙুলিয়াই দিয়া দোষবোৰ পিছৰ প্ৰশাসনে নিৰ্মূল কৰাত কৃতকাৰ্যতা লাভ কৰা দেখা নগ'ল।

এই সময়তে বিশ্ববিদ্যালয়ৰ শিক্ষক সকল প্ৰথম শ্ৰেণীৰ হ'বলগীয়া নিয়ম ৰদ কৰা হ'ল। বিশ্ববিদ্যালয়ৰ মান অৱনমিত হোৱাৰ যিটো এটা বিশেষ কাৰণ বুলি কোনো কোনো লোকে বিবেচনা কৰে।

**সত্যেন্দ্ৰনাথ শৰ্মা**

*অৱসৰ প্ৰাপ্ত অধ্যাপক*

গুৱাহাটী বিশ্ববিদ্যালয়ে আগৰ সুনাম কেনেকৈ ঘূৰাই আনিব পাৰি? এই প্ৰশ্নৰ পোনপটীয়া সহজ উত্তৰ দিয়া টান, কাৰণ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম দহ বছৰৰ পৰিবেশ আৰু এতিয়াৰ পৰিবেশ একে নহয়, সেই পৰিবেশ ঘূৰাই অনাও সম্ভৱ নহয়। তথাপি শৈক্ষিক পৰিবেশ কিছু পৰিমাণে হলেও ঘূৰাই অনাৰ ব্যৱস্থা কৰিব পাৰি।

১। উপাচাৰ্যজন সন্দিকৈৰ দৰে আন্তৰ্জাতিক খ্যাতি সম্পন্ন নহলেও সৰ্বভাৰতীয় খ্যাতি থাকিলে আৰু সন্দিকৈৰ দৰে কোনো সংস্থা বা ব্যক্তিৰ হেঁচাৰ বশৱৰ্তী নহৈ আত্ম মৰ্যাদা ৰক্ষা কৰি সুবিবেচনাৰে বিশ্ববিদ্যালয়ৰ কাৰ্য পৰিচালনা কৰিব পাৰিলে অনুষ্ঠানটোৰ হেৰোৱা খ্যাতি বা সুনাম কিছু ঘূৰি আহিব বুলি ভাবো।

২। আজিকালি শিক্ষক-সংস্থা, কৰ্মী-সংস্থা, ছাত্ৰ-সংস্থা আৰু বিষয়া সংস্থাৰ দাবীৰ টনা-আঁজোৰাত উপাচাৰ্য আৰু কাৰ্য-নিৰ্বাহিক সমিতিয়ে বহুক্ষেত্ৰত স্বাধীন ভাবে সিদ্ধান্ত লব নোৱাৰে। প্ৰত্যেকটো সংস্থাৰ কিছুমান ন্যায় সংগত দাবীও থাকে, সেইবোৰ উপেক্ষা কৰাও সম্ভৱ নহয়। এনে অৱস্থাত



OKDISCD

উপাচাৰ্য আৰু কাৰ্য নিৰ্বাহিকে কৌশলপূৰ্ণভাবে সমস্যাৰ জেৰীয়া গাঁঠি খুলিব লগাত পৰে। এনেবোৰ সমস্যাই কৰ্তৃপক্ষৰ অধিক দৃষ্টি আকৰ্ষণ কৰাত শৈক্ষিক পৰিবেশ উন্নত কৰিববলৈ কৰ্তৃপক্ষই যথেষ্ট সময় দিব নোৱৰা হৈছে।

৩। প্ৰতিষ্ঠাৰ প্ৰথম দহ বছৰত ছাত্ৰৰ ৰাজনীতি নাছিল। কিন্তু বৰ্তমান সময়ত বিশ্ববিদ্যালয়ৰ চৌহদ ছাত্ৰ ৰাজনীতিৰ ঘাটি হৈ পৰিছে। যোৱা ৮/৯ বছৰীয়া ছাত্ৰ সংস্থাই পৰিচালনা কৰা আন্দোলনটোৰ কেন্দ্ৰস্থল আছিল বিশ্ববিদ্যালয়ৰ চৌহদ। এতিয়াও অসম ছাত্ৰ-সংস্থাৰ কেন্দ্ৰীয় কাৰ্য়ালয় চৌহদৰ ভিতৰত। ছাত্ৰৰ ৰাজনীতি বৰ্তমান সময়ৰ ছাত্ৰ জীৱনৰ অপৰিহাৰ্য অংগ হৈ পৰিছে। কিন্তু অতিমাত্ৰা ৰাজনীতিয়ে বৰ্তমান সময়ত প্ৰাধান্য বিস্তাৰ কৰাত সৰহভাগ ছাত্ৰৰ অধ্যয়ন নিম্নগামী হৈ পৰিছে। পৰীক্ষাত উত্তীৰ্ণৰ শতকৰাও বৰ কম। এই ক্ষেত্ৰত ছাত্ৰ সকল নিজে সচেতন হ'ব লাগিব; অধ্যয়নৰ ওপৰত তুলনামূলক ভাবে অধিক গুৰুত্ব দিব লাগিব।

৪। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰ্যায়ত শিক্ষক-বাছনিৰ ওপৰতো বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক সুনাম আৰু উন্নতি বহু পৰিমাণে নিৰ্ভৰশীল। সন্দিকৈয়ে এই ক্ষেত্ৰত শিক্ষকৰ মানদন্ড হ্ৰাস হ'বলৈ নিদিছিল। প্ৰাৰ্থী সকলক সমস্ত শৈক্ষিক জীৱনৰ (academic career) উপৰিও প্ৰথম শ্ৰেণীৰ স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী নহলে নিযুক্তি নিদিছিল; সপ্তম দশক মানত academic career ৰতকৈ ডক্টৰেট উপাধিৰ ওপৰত অধিক মূল্য আৰোপ কৰিববলৈ লোৱাত অধ্যাপকৰ শিক্ষাদানৰ মানদন্ডও ব্যক্তি বিশেষে নিম্ন পৰ্যায়ৰ হোৱাত ছাত্ৰই উপযুক্ত অনুপ্ৰেৰণা নোপোৱা হৈছে। ডক্টৰেট ডিগ্ৰী লোৱা আজিকালি সহজ হৈ পৰিছে। সাধাৰণ ছাত্ৰয়ো দুবছৰ বা তিনি বছৰ অলপ পৰিশ্ৰম কৰিলে উক্ত উপাধি লব পাৰে।

৫। বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণা কি হৈছে আৰু কেনে হৈছে সেই বিষয়ে মন্তব্য দিয়া অৰ্হতা মোৰ নাই। কিন্তু প্ৰতি বছৰে কেন্দ্ৰীয় চৰকাৰে ১০ জনকৈ বিশ্ববিদ্যালয় আৰু deemed to be university পৰ্যায়ৰ অনুষ্ঠানৰ বিজ্ঞানীক দহ হেজাৰ টকা পুৰস্কাৰ সহ সন্মানিত কৰি আহিছে। তাত কিন্তু যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ এজন নে দুজনৰ বাহিৰে আন বিশ্ববিদ্যালয়ৰ (অসমৰ) কোনো বিজ্ঞানী সন্মানিত হোৱা মোৰ চকুত পৰা নাই। কলা বিভাগবোৰত দেখাত যথেষ্ট গৱেষক হৈছে কিন্তু তাৰে একাংশৰ বাহিৰে সৰহ ভাগেই বৰ গভীৰ গৱেষণাপ্ৰসূত নহয় যেন মোৰ ধাৰণা। সৰহ ভাগ অধ্যাপকেই কিমান ডক্টৰেট তেওঁলোকৰ তত্ত্বাৱধানত (guidence) উলিয়াব পাৰে তাৰ প্ৰতিহে নজৰ বেছি। নিজস্ব গৱেষণাৰ ওপৰত গুৰুত্ব হ্ৰাস পোৱা যেন ধাৰণা হয়। সেই বুলি এইটো নহয় যে সকলো অধ্যাপকেই নিজস্ব গৱেষণাৰ প্ৰতি উদাসীন। ভালেকেইজন অধ্যাপকে নিজস্ব গৱেষণাৰে আমাৰ সাহিত্যিক আৰু সাংস্কৃতিক ঐতিহ্য সমৃদ্ধ কৰিছে।

৬। প্ৰতি বছৰে ছাত্ৰৰ সংখ্যা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত যি অনুপাতত বৃদ্ধি পাব লাগিছে সেই অনুপাতে শিক্ষক নোহোৱাত শিক্ষাৰ মানদন্ড কিছু নামিছে।

ওপৰত উল্লেখ কৰা সকলোবোৰ বাধা অসুবিধা, দুঃস্থ পৰিবেশ অপসাৰণ কৰা সহজসাধ্য নহয়। তথাপি ছাত্ৰ-অধ্যাপক আৰু প্ৰশাসনীয় কৰ্তৃপক্ষৰ পাৰস্পৰিক সহযোগ থাকিলে বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিবেশ উন্নত কৰি হেৰোৱা সুনাম ঘূৰাই অনা অসম্ভৱ নহয়। এইখিনিতে এটা কথা কৈ থোৱা ভাল যে কেৱল গুৱাহাটী বিশ্ববিদ্যালয়ৰ মানদন্ড কিছু নামিছে এনে নহয়, দক্ষিণ ভাৰতৰ দুই-এটা বিশ্ববিদ্যালয়ৰ বাহিৰে ভাৰতৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু বিদ্যায়তনিক পৰিবেশ আগৰ দৰে নাই, নিম্নগামী নোহোৱাকৈ থকা নাই। আনহাতে এইটোও স্বীকাৰ কৰিব লাগিব যে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ সা-সুবিধাও যে আগতকৈ বাঢ়িছে এই বিষয়ে সন্দেহ কৰিবৰ থল নাই। তথাপি গ্ৰন্থাগাৰ সেৱাৰ উন্নতি সাধনকে প্ৰমুখ্য কৰি বহুখিনি কৰণীয় আছে সেই বিষয়ে দ্বিমত নাই। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয় সম্পৰ্কে মোৰ ব্যক্তিগত ধাৰণাহে ব্যক্ত কৰিলো, মোৰ ধাৰণা অভ্ৰান্ত বুলি মই নাভাবো।

◆

ড: জ্যোতিপ্ৰসাদ মেধি
*অৱসৰ প্ৰাপ্ত অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়*

প্ৰশ্নটোৰ দুটা ভাগ। প্ৰথমটো হ'ল গু: বি: পূৰ্বৰ সুনাম ঘূৰাই আনিববলৈ কি কি জৰুৰী ব্যৱস্থাৰ দৰকাৰ বুলি ভাবো। ইয়াৰ বাবে এক কথাত কবলৈ শৈক্ষিক আৰু বৌদ্ধিক পৰিসৰ বৃদ্ধি আৰু সুদৃঢ় কৰাৰ অতি প্ৰয়োজন। এই সংক্ৰান্তত কেইটামান কথা মনলৈ আহে। বিশেষকৈ ছাত্ৰৰ মাজত নিয়মিত পঢ়া-শুনা কৰাৰ উপযোগী বাতাবৰণ সৃষ্টি কৰা।


এটা কথা সকলোৱে লক্ষ্য কৰিছে: গু: বি:ৰ ২ বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম বহুতো দীঘলীয়া হ'ব আৰু সুবিধা কৰিব পৰা ভাল ছাত্ৰ কেৱল এইটো কাৰণতে গু: বি:ত স্নাতকোত্তৰ নপঢ়ি আন ঠাইলৈ গুচি যায় বা যাবলৈ মন কৰে। বিশ্ববিদ্যালয়ত যেনেকৈ ভাল শিক্ষকৰ দৰকাৰ তেনেকৈ ভাল ছাত্ৰৰো দৰকাৰ। বিদেশৰ বহুতো বিশ্ববিদ্যালয়ৰ মাজত এই দুয়োটাৰ বাবে এটা প্ৰবল প্ৰতিযোগিতা হয়।

নিয়মিত ক্লাছ শেষ হোৱাৰ পিছত বহুত দীঘলীয়া প্ৰস্তুতি সময় (যাক ছাত্ৰ সকলে study leave বুলি fashionable আখ্যা দিয়ে)। ভাৰতবৰ্ষৰ আন ভাল বিশ্ববিদ্যালয়ত এনে ব্যৱস্থা নাথাকে – ক্লাছ শেষ হোৱাৰ ২ সপ্তাহ মানৰ ভিতৰতে এপ্ৰিল/মে মাহৰ শেষ পৰীক্ষা পতা হয়। এইটো এটা সুস্থ ব্যৱস্থা। দীঘলীয়া প্ৰস্তুতি সময় দিয়া হোৱা বাবে নিয়মিত ক্লাছৰ সময়ত ছাত্ৰই পঢ়া-শুনাৰ প্ৰতি কিছু অমনযোগী হোৱা অস্বাভাৱিক নহয়। দৰাচলতে ক্লাছৰ সময়ত নিয়মীয়াকৈ পঢ়া-শুনাৰ প্ৰতি মনযোগ নিদিয়া (আৰু সেই সময়খিনি কিছু অবাবত বা আন কামত অতিবাহিত কৰা) আৰু দীঘলীয়া প্ৰস্তুতি সময় দিয়া এই দুটাই এটা vicious circleৰ সৃষ্টি কৰিছে। এইটো ৰোধ কৰা অতি প্ৰয়োজন – তেতিয়া এফালে নিয়মিত পঢ়া-শুনাৰ সুস্থ বাতাবৰণ সৃষ্টি হ'ব আৰু আনফালে ছাত্ৰৰ জীৱনৰ বহুমূলীয়া সময় (দীঘলীয়া প্ৰস্তুতিৰ সময়) অপচয় কৰাৰ অৱকাশো ভালেখিনি হ্ৰাস হ'ব। ছাত্ৰক নিয়মিত পঢ়-শুনাত ব্যস্ত ৰখাৰ আন এটা ভাল উপায় হ'ব internal assessment আৰু term examinationৰ ব্যৱস্থা কৰা। গু: বি: বহুতো বিভাগে নিশ্চয় এনে ব্যৱস্থা লবলৈ আগবাঢ়ি আহিব – সকলো বিভাগতে হয়তো সুবিধাখিনি নাই। আটাইবোৰ বিভাগতে একে ধৰণৰ নিয়মে (regulation) যে চলিব লাগিব তাৰ জানো ধৰাবন্ধা কথা আছে? যিবোৰ বিভাগত কৰিব পাৰে সেইবোৰ বিভাগত এনে ব্যৱস্থা প্ৰবৰ্তন কৰিব দিয়াৰ যথেষ্ট যুক্তি আছে।





# উপাচাৰ্যৰ সৈতে সাক্ষাৎকাৰ



**প্ৰশ্ন: আপুনি উপাচাৰ্য হোৱাৰ পৰা এতিয়ালৈকে এই কম সময়ৰ ভিতৰত কি কি উল্লেখযোগ্য নতুন কাম কৰিব পাৰিছে বুলি আপুনি ভাবে?**

**উত্তৰ:** মই উপাচাৰ্য হোৱাৰ ছমাহ হ'ল। এই কম সময়ত বিশ্ববিদ্যালয় এখনৰ বাবে উল্লেখযোগ্য নতুন কাম কৰিব পৰাতো সম্ভৱ বুলি মই নাভাবো। তথাপিতো মই কাৰ্যভাৰ লোৱাৰ পিছত আমাৰ বিশ্ববিদ্যালয়ত সকলোৰে মাজত এটা নতুন উদ্দীপনা অহা যেন মোৰ অনুভৱ হৈছে। এই উদ্দীপনাটো কিছু পৰিমাণে হলেও উল্লেখযোগ্য বুলি মই ভাবো। কিয়নো বিশ্ববিদ্যালয়ৰ বৃহৎ পৰিয়ালটোত আটায়ে লগ লাগি প্ৰচেষ্টা চলালেহে আমি সঁচাকৈয়ে উল্লেখযোগ্য কৃতকাৰ্যতা লাভ কৰিব পাৰিম।

**প্ৰশ্ন: আপুনি উপাচাৰ্য হোৱাৰ পিছত বিশ্ববিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত কিবা পৰিবৰ্তনৰ সূচনা হৈছে বুলি আপুনি ভাবেনে? যদি ভাবে তেন্তে সেই পৰিবৰ্তনবোৰৰ কেইটামান উদাহৰণ দিবনে?**

**উত্তৰ:** বিশ্ববিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত কিছু পৰিমাণে হলেও পৰিবৰ্তনৰ সূচনা হৈছে বুলি মই ভাবো। তাৰ উদাহৰণ স্বৰূপে ক'ব পাৰি যে এই বছৰ স্নাতকোত্তৰ শ্ৰেণীৰ নামভৰ্তিকৰণৰ ক্ষেত্ৰত কোনো বেমেজালি নোহোৱাকৈ বিধিগত ভাবে সকলো কাম সমাধা কৰা হৈছে। প্ৰশাসনীয় ক্ষেত্ৰতো কাম কাজবোৰ আগতকৈ খৰতকীয়া হৈছে বুলিয়েই মোৰ বিশ্বাস।

**প্ৰশ্ন: আপুনি উপাচাৰ্য হওঁতে সকলোৱে আশা কৰিছিল যে আপুনি পৰীক্ষাবোৰ ঠিক সময়ত অনুষ্ঠিত কৰা আৰু হোষ্টেলবোৰ বেদখলকাৰীৰ পৰা মুক্ত কৰাৰ কামক অগ্ৰাধিকাৰ দিব। এই দুয়োটা কাম সমাধান কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য হোৱা বুলি আপুনি দাবী কৰিব পাৰেনে?**

**উত্তৰ:** পৰীক্ষাবোৰ সময়মতে অনুষ্ঠিত কৰাত কৃতকাৰ্য হোৱা বুলি মই দাবী কৰিব পাৰো। স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ পৰীক্ষা সমূহ নিৰ্বাচনৰ বাবে চৰকাৰী অনুৰোধ মতে অলপ পিছুৱাব লগা হ'ল। কিন্তু তথাপিতো সেই পৰীক্ষাৰ্থী খিনিৰ চূড়ান্ত বৰ্ষৰ শ্ৰেণী সমূহ আৰম্ভ কৰাত বিশেষ বিলম্ব হোৱা নাই। আনহাতে চূড়ান্ত ------ পৰীক্ষা সমূহো সময় মতেই আৰম্ভ কৰাৰ ব্যৱস্থা আমি কৰিছো।

কৰ্তৃত্ববিহীন ভাবে থকা শিক্ষাৰ্থী সকলৰ কবলৰ পৰা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী – আবাস সমূহ মুক্ত কৰাত আশানুৰূপ ভাবে সফলতা লাভ কৰা হৈছে। এইক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য কথা হ'ল শিক্ষাৰ্থী সকলৰ সহায় আৰু সহযোগিতা।

**প্ৰশ্ন: বিশ্ববিদ্যালয়খনৰ স্বাস্থ্য পুনৰুদ্ধাৰৰ কামত আপুনি কেনেকুৱা ধৰণৰ বাধা আৰু সমস্যাৰ সন্মুখীন হৈছে?**

**উত্তৰ:** বিশ্ববিদ্যালয়খনৰ সকলো দিশ উন্নততৰ কৰা কামত মই কোনো ধৰণৰ বাধাৰ সন্মুখীন হোৱা নাই। সমস্যা অৱশ্যে আছে। আৰু যিকোনো গতিশীল অনুষ্ঠানত সমস্যা থাকিবই। মোৰ মতেৰে আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰধান সমস্যা হৈছে ইয়াৰ প্ৰসাৰতা অনুপাতে প্ৰশাসন আৰু শৈক্ষিক অনুশীলনৰ বিকেন্দ্ৰীকৰণ নোহোৱাটো।

**প্ৰশ্ন: সেইবোৰত প্ৰতিকাৰৰ কিবা পথ বিচাৰি পাইছেনে?**

**উত্তৰ:** সমস্যাৰ প্ৰতিকাৰৰ পথ হিচাপে বিকেন্দ্ৰীকৰণৰ প্ৰয়োজনীয়তা আৰু লগতে সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত শিক্ষক, শিক্ষাৰ্থী আৰু কৰ্মীবৃন্দৰ সহযোগিতা লাভ কৰাটো আৱশ্যকীয় বুলি মই ভাবো।

**প্ৰশ্ন: পৰীক্ষা পতা আৰু ডিগ্ৰী বিতৰণ কৰাটো এখন বিশ্ববিদ্যালয়ৰ প্ৰধান কাম নহয়। বিশ্ববিদ্যালয়ৰ প্ৰধান কাম হ'ল উন্নত চিন্তা চৰ্চাৰ পৰিবেশ সৃষ্টি কৰা আৰু মানৱজাতিৰ জ্ঞান ভাণ্ডাৰলৈ মৌলিক অৱদান আগবঢ়োৱা। গুৱাহাটী বিশ্ববিদ্যালয়ত উচ্চ মানৰ জ্ঞানৰ সাধনা চলিছে বুলি আপুনি ভাবেনে? তাৰ দুটামান উদাহৰণ দিবনে?**

**উত্তৰ:** গুৱাহাটী বিশ্ববিদ্যালয়ত বহুতো ক্ষেত্ৰত উচ্চমানৰ জ্ঞানৰ সাধনা যে চলিছে দুৰ্ভাগ্যবশতঃ বহুতেই সেই কথা জানিব পৰা নাই। উদাহৰণ স্বৰূপে –বিশেষকৈ অসমীয়া আৰু ইংৰাজী সাহিত্যৰ ক্ষেত্ৰত সংস্কৃত ভাষাৰ ক্ষেত্ৰত আৰু পদাৰ্থবিজ্ঞান, নৃতত্ত্ববিজ্ঞান, ভূবিজ্ঞানৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ত অতি উচ্চমানৰ জ্ঞানৰ সৃষ্টি আৰু বিকাশ ঘটিছে। এনেধৰণৰ কামৰ বাবে আমি গৌৰৱ কৰিব পাৰো।

ছাত্ৰক চেমিনাৰ আদিত সক্ৰিয় অংশ লবলৈ উৎসাহ দিয়াৰো সম্ভৱ হবগৈ পাৰে – এনে internal assesmentৰ ব্যৱস্থাৰ মাজেৰে। তাৰ দ্বাৰা ছাত্ৰৰ বৌদ্ধিক বিকাশৰ পৰিধি বঢ়োৱাৰ উপায়ো থাকে।

গুঃ বিঃত প্ৰচুৰ ভাবে inbreeding হোৱা বুলি বহুতে ভাবে। দৰাচলতে আন ঠাইৰ (বিশ্ববিদ্যালয় বা অন্যান্য ফালৰ) পৰা ব্যক্তি আমন্ত্ৰণ কৰি অনাটো এটা নিয়মীয়া feature হোৱাটো প্ৰয়োজন – ছাত্ৰৰ জ্ঞানৰ আৰু চিন্তাৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবে। গুঃ বিঃ আনকি foundation lecturesবোৰেই নিয়মিত ভাবে পতা নহয়। যাৰ কাৰণে নিৰ্ধাৰিত fund থাকে। এনেধৰণৰ বক্তৃতামালা, চেমিনাৰ আদিৰ ব্যৱস্থা কৰি ছাত্ৰৰ বিকাশৰ পৰিধি বঢ়োৱাৰ নিতান্ত প্ৰয়োজন।


আকৌ শিক্ষকৰ নিয়োগ আৰু প্ৰমোচনৰ ক্ষেত্ৰত ব্যক্তিগত গৱেষণাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন – কেৱল মাত্ৰ research guidanceৰ ওপৰতে সকলোখিনি গুৰুত্ব নিদি। তেনেদৰে বছৰটোত ভাল প্ৰবন্ধ প্ৰকাশ কৰা বা ভাল গৱেষণা কৰা শিক্ষকৰ কামৰ স্বীকৃতি দিয়াৰো প্ৰয়োজন।

প্ৰশ্নটোৰ দ্বিতীয় ভাগটো অতি গধুৰ। বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ অতি সুদীৰ্ঘ পৰম্পৰাৰ প্ৰয়োজন। শৈক্ষিক বাতাবৰণৰ ভেটি সুদৃঢ় কৰা হৈছে সেই ক্ষেত্ৰত প্ৰথম পদক্ষেপ। আকৌ তাৰ বাবে এখন সচেতন আৰু সক্ৰিয় সমাজৰ দায়িত্বও কম নহয়।

A society gets the type of Government (and Institutions) it deserves – কথাটোত নিশ্চয় ভালেখিনি সত্যতা নিহিত আছে।

## বিনয় কুমাৰ তামুলী

*অৱসৰ প্ৰাপ্ত অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়*



প্ৰকৃততে দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ বহু পৰিমাণে নিৰ্ভৰ কৰে প্ৰথম প্ৰশ্নটোৰ উত্তৰৰ ওপৰত। "গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ আৰু তাক এটা প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কি কি জৰুৰী ব্যৱস্থা লোৱাটো দৰকাৰ" তাক ক'বলৈ হ'লে প্ৰথমতে এই বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ অবাঞ্চিত পৰিস্থিতিৰ মূল কাৰণ সম্পৰ্কে আমি নিশ্চিত হব পাৰিব লাগিব।


আমাৰ 'বোধেৰে, বিশ্ববিদ্যালয় এখন মূলতঃ হৈছে এক সত্য অন্বেষণৰ কেন্দ্ৰ। ইয়াত অসত্যৰ প্ৰকৃততে কোনো স্থান থাকিব নালাগে। সত্য আৰু অসত্যৰ সহাৱস্থান হব নোৱাৰে। প্ৰথম উপাচাৰ্য সৰ্ববৰেণ্য পণ্ডিত কৃষ্ণকান্ত 'সন্দিকৈ ডাঙৰীয়াৰ কাৰ্যকালৰ পিছৰ পৰাই এই বিশ্ববিদ্যালয়ত অসত্যৰ প্ৰবেশ ঘটিবলৈ ধৰে আৰু যোৱা দহ বছৰে বিভিন্ন অসত্যই ইয়াত এক উচ্চ শিখৰ পাইছেগৈ। যিহেতু ইয়াৰ বাবে মূল দোষী হৈছে অসমৰ চৰকাৰ আৰু অসমৰ ৰাইজ (বিশেষকৈ আমাৰ বুদ্ধিধীজীৱী সকল) এই অৱস্থাৰ নিৰাময়ৰ সহজ উপায় নাই।

তথাপি আমি দেখা মতে "গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ আৰু ইয়াক এটা প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে" তাৰ বাবে প্ৰয়োজনীয় এক জৰুৰী ব্যৱস্থা হৈছে বিশ্ববিদ্যালয়খনৰ পৰিচালনাৰ দায়িত্ব স্বজনপ্ৰীতিৰ উৰ্দ্ধত থকা, দক্ষতাসম্পন্ন আৰু অভিজ্ঞতা আৰু সামাজিক দায়বদ্ধতা বোধ থকা কেইগৰাকীমান লোকৰ ওপৰত অৰ্পণ। বিচাৰিব জানিলে তেনেকুৱা দুই চাৰিজন লোক ওলাব লাগে।

## ডঃ কিশোৰীমোহন পাঠক

*অধ্যাপক, পদাৰ্থবিজ্ঞান বিভাগ*

আপোনাৰ প্ৰশ্নটো যথেষ্ট জটিল, কাৰণ আওপকীয়াভাবে গুৱাহাটী বিশ্ববিদ্যালয়খন বৰ্তমান সকলো দিশতে একেবাৰে অধঃপতিত হৈ এক অৱক্ষয়ৰ পথেদি অগ্ৰসৰ হোৱা বুলি আপুনি যি পূৰ্ব ধাৰণা লৈ প্ৰশ্নটো উত্থাপন কৰিছে, সেই ধাৰণা বা মন্তব্যৰ সৈতে মই একমত নহয়। সত্তৰ দশকৰ পৰাই মই এই বিশ্ববিদ্যালয়ত শিক্ষকতা কৰি আহিছো; ইতিমধ্যে মুৰব্বী অধ্যাপক, 'ডীন', কাৰ্যবাহী পৰিষদৰ সভ্য, ক'ৰ্টৰ সদস্য, গুৱাহাটী বিশ্ববিদ্যায়ৰ টাউন কমিটীৰ সভাপতি ইত্যাদি বিভিন্ন কাৰ্যৰ যোগেদি বিশ্ববিদ্যালয়খনৰ নানা দিশৰ সৈতে জড়িত হৈ আহিছো বা বৰ্তমানে আছো। সেই বাবে একাষাৰতে বিশ্ববিদ্যালয়খন বৰ্তমান একেবাৰে অধঃপতিত হোৱা বুলি কোৱা উক্তিটোক মই সমৰ্থন কৰিব নোৱাৰো। অৱশ্যে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু বিশেষকৈ প্ৰশাসনীয় দিশত যে অধিক উন্নত কৰাৰ অৱকাশ আছে সেইটো মই স্বীকাৰ কৰো। বিশ্ববিদ্যালয়খনৰ বৰ্তমান অৱস্থা সম্বন্ধে মতামত দিবলৈ হ'লে ইয়াৰ ইতিহাস আৰু স্থাপনৰ পটভূমিটো জনাৰ প্ৰয়োজন।



গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয় ১৯৪৮ চনৰ ২৬ জানুৱাৰীত। তাৰ আগেয়ে উত্তৰ-পূব অঞ্চলৰ উচ্চ শিক্ষাৰ নিয়ন্ত্ৰণৰ দায়িত্ব আছিল কলিকতা বিশ্ববিদ্যালয়ৰ হাতত।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপন, অসমীয়া জাতীয় জীৱনৰ প্ৰগতিৰ সৈতে ওতপ্ৰোতভাবে জড়িত হৈ আছে। ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, গাঁৱলীয়া-চহৰীয়া মুঠতে অসমৰ সকলো শ্ৰেণীৰ লোকেই বিশ্ববিদ্যালয়খন স্থাপন হোৱাৰ বাবে নিজৰববীয়াকৈ অনুদান, সহায়-সহযোগ আগবঢ়াইছিল। সেই বাবে এই শিক্ষানুষ্ঠানটোৰ প্ৰতি অসমীয়া ৰাইজৰ এটা মৰমসনা দাবী আছে। বিশ্ববিদ্যালয়খন স্থাপন হোৱাৰ লগে লগে সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ (ত্ৰিপুৰা ৰাজ্যক বাদ দি পূৰ্বাঞ্চলৰ বৰ্তমানৰ ৫খন ৰাজ্য) মেট্ৰিক পৰীক্ষাৰ পৰা আৰম্ভ কৰি সকলো উচ্চ শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ, শিক্ষাদান আৰু নিয়ন্ত্ৰণৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত সম্পূৰ্ণ ভাবে ন্যস্ত কৰা হৈছিল। সেয়ে হলেও আৰম্ভণিৰ সময়ত (মেট্ৰিক পৰীক্ষাৰ দায়িত্ব বাদ দি) বিশ্ববিদ্যালয়খনত আছিল মাত্ৰ ৮টা স্নাতকোত্তৰ শ্ৰেণী, ১৩টা স্নাতক বিভাগ, আৰু উত্তৰ পূব অঞ্চলৰ বিভিন্ন স্থানত স্থাপিত মুঠতে ১৭খন স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয়। সৰ্বমুঠ ছাত্ৰ সংখ্যাত আছিল মাত্ৰ কেইশ মানহে। কিন্তু বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পৰিসৰ ক্ৰমাগত ভাবে বৃদ্ধি পাবলৈ ধৰিলে। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৭৩ চনত ছিলঙত উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, আৰু ১৯৮০ চনত ক্ৰমে ইম্ফলত মণিপুৰ বিশ্ববিদ্যালয় আৰু ইটানগৰত অৰুণাচল বিশ্ববিদ্যালয় স্থাপন হয়, আৰু সেই অঞ্চল/ৰাজ্য সমূহৰ শৈক্ষিক দায়িত্বৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে অব্যাহতি পায়। তত্ৰাচ বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ তত্ত্বাবধানত আছে ১১৯খন স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয়, আৰু চৌহদত ৪০টা স্নাতকোত্তৰ শ্ৰেণী আৰু ছাত্ৰ সংখ্যাত ৪০০০তকৈও অধিক।

সাংখ্যিক তথ্য পৰ্যালোচনা কৰিলে দেখা যায় যে যোৱা কেইবছৰমানৰ পৰা বিজ্ঞান শাখাৰ প্ৰতিটো স্নাতকোত্তৰ বিভাগতে প্ৰথম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাগতভাবে বৃদ্ধি পাই আহিছে। উদাহৰণ স্বৰূপে, যোৱা বছৰত কেৱলমাত্ৰ উদ্ভিদ বিজ্ঞান বিভাগতে ৩২ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীলৈ M. Sc. ডিগ্ৰী লাভ কৰিছে। আনকি অসমীয়া বিভাগতো ১১ জনে প্ৰথম শ্ৰেণীৰ এম এ ডিগ্ৰী লাভ কৰিছে। কেৱল সংখ্যাহে নহয়, গুণগত ভাবে এনে নতুন চাম ছাত্ৰ-ছাত্ৰী পুৰণি ছাত্ৰ-ছাত্ৰীতকৈ কোনো প্ৰকাৰে নিম্নখাপৰ নহয়। এইটো অতি সুখৰ আৰু গৌৰৱৰ কথা। তদুপৰি যোৱা কেইবছৰমানৰ ভিতৰত কেইবাটাও স্নাতকোত্তৰ বিভাগত (কলা আৰু বিজ্ঞান উভয় শাখাতে), M-Phil কোৰ্ছও প্ৰবৰ্তন কৰা হৈছে। আগতে এনে পাঠ্যক্ৰমৰ ব্যৱস্থা নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ, (বিশেষকৈ বিজ্ঞান শাখাৰ) শৈক্ষিক উন্নতিৰ আন এটা উল্লেখযোগ্য দিশ হ'ল গৱেষণা ক্ষেত্ৰ। বিগত দুই-দশকমানৰ পৰা বিশ্ববিদ্যালয়খনৰ প্ৰতিটো বিভাগতে গৱেষণাৰ যি এক আশা-ব্যঞ্জক পৰিবেশৰ সৃষ্টি হৈছে, সেইটো সঁচাকৈয়ে উল্লেখনীয়। অধ্যাপক অধ্যাপিকা সকলৰ প্ৰচেষ্টাৰ ফলত Ph-D ডিগ্ৰী লাভ কৰা গৱেষক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰতি বছৰে ক্ৰমাৎ বৃদ্ধি পাব ধৰিছে। Ph-D লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ বাৰ্ষিক হাৰৰ উৰ্দ্ধগামী নীতিয়ে বিশ্ববিদ্যালয়খনৰ কলা, বিজ্ঞান, বাণিজ্য আৰু আইন সকলোবোৰ বিষয়তে যে ইয়াত গৱেষণাৰ এটা বিশেষ আশাপ্ৰদ বাতাবৰণৰ সৃষ্টিকে সূচাইছে। বিশ্ব-বিদ্যালখন স্থাপন হোৱাৰ প্ৰথম কেইবছৰমানত, গৱেষণাৰ প্ৰতি তেতিয়াৰ অধ্যাপক সকলে বা ছাত্ৰ-ছাত্ৰী সকলে সিমান আগ্ৰহ দেখুওৱা নাছিল যেন লাগে। আনকি পদাৰ্থবিজ্ঞান, ৰসায়ন আৰু গণিত বিভাগতো প্ৰথম অৱস্থাত গৱেষণাৰ বিশেষ পৰিবেশ নাছিল। অতি সুখৰ কথা যে বৰ্তমান এই বিশ্ববিদ্যালয়ৰ কেইবাজনো অধ্যাপক-অধ্যাপিকাই নিজৰ গৱেষণাৰ যোগেদি আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সমৰ্থবান হৈছে। এখেত সকলৰ সেই সুখ্যাতিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সুনাম কেৱল ভাৰতবৰ্ষতে নহয়, বিদেশতো বিয়পিছে। আমাৰ বাবে এইটো সঁচাকৈয়ে অতি গৌৰৱৰ কথা।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লেখীয়া উচ্চ শিক্ষানুষ্ঠান সমূহৰ কৃত্যৰ বিশেষ দিশ হ'ল দুটাঃ যেনে, (১) শৈক্ষিক আৰু (২) প্ৰশাসনীয় দিশ। পাঠদান আৰু গৱেষণা হ'ল শৈক্ষিক কৃত্যৰ অন্তৰ্ভুক্ত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত দেখা যায় যে আৰম্ভণিৰ পৰা প্ৰায় সত্তৰৰ দশকলৈ বিশ্ববিদ্যালয়খনে প্ৰশাসনৰ দিশত আৰু শৈক্ষিক দিশতো বিশেষকৈ শ্ৰেণী সমূহত নিয়মীয়া পাঠদান, পৰীক্ষা পৰিচালনাৰ মানদণ্ড, আৰু পৰীক্ষাৰ ফলাফল ঘোষণাৰ নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে এখন লেখতলবলগীয়া শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈ আহিছিল। আপোনাৰ প্ৰশ্নৰ প্ৰথম অংশত উল্লিখিত 'সমগ্ৰ দেশৰ ভিতৰত এখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি অৰ্জন কৰা কথাখিনি সেই সন্দৰ্ভতহে প্ৰযোজ্য গৱেষণাৰ দিশত নহয়। কিন্তু আশীৰ দশকত বিদেশী বহিষ্কৰণক উপলক্ষ্য কৰি আমাৰ ৰাজ্যখনত যি সামাজিক আৰু ৰাজনৈতিক আলোড়নৰ সৃষ্টি হ'ল, সেই ছাত্ৰ আন্দোলনৰ ঘাই কেন্দ্ৰ হৈ পৰিল এই বিশ্ববিদ্যালয় খনৰ চৌহদ। সেই আলোড়নে সমগ্ৰ ৰাজ্যখনতে অসমীয়া ৰাইজক কিদৰে জড়িত কৰিলে সেইটো সকলোৰে বিদিত। ইয়াৰ ফলশ্ৰুতি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশত বিশেষকৈ নিয়মীয়া পাঠদান আৰু পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত এক বিশেষ অনিয়মে দেখা দিলে। তদুপৰি, ছাত্ৰ আন্দোলনৰ ঘাই কেন্দ্ৰস্থল হোৱা হেতুকে,

## পেৰিছ, ১৯৬৮

দ্বিতীয় মহাযুদ্ধৰ ঠিক পিছতেই, অৰ্থাৎ ১৯৪৫ আৰু ১৯৫০ চনৰ মাজত যিখিনি মানুহৰ জন্ম হৈছিল, ঘাইকৈ তেওঁলোকেই সংঘটিত কৰিছিল ১৯৬৮ চনৰ পেৰিছ বিশ্ববিদ্যালয়ৰ বিপ্লৱ। ফ্ৰান্সৰ অন্যান্য অংশত হোৱা বিপ্লৱৰ কাৰণেও তেওঁলোকেই আংশিকভাবে দায়ী আছিল। যুদ্ধৰ পিছত আৰ্থিক বিকাশৰ গতিবেগ মন্থৰ হৈ পৰাটো আছিল এই বিপ্লৱৰ এটা প্ৰধান কাৰণ। তাৰ লগতে যোগ হৈছিল ছাত্ৰৰ সংখ্যা বৃদ্ধি। যি সময়ত যুদ্ধোত্তৰ প্ৰজন্মৰ অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে বানপানীৰ দৰে আহি বিশ্ববিদ্যালয়ৰ বক্তৃতা কক্ষ ওপচাই পেলাইছিল ঠিক সেই সময়তে আৰ্থিক সংকট আৰু নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিবলৈ আৰম্ভ কৰিছিল। এই দুয়োটা ঘটনাই একে সময়তে লগ লাগি সেই সময়ৰ বিশ্ববিদ্যালয় প্ৰভৃতি সংগঠনবোৰ ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰি পেলাইছিল। এই সংগঠনবোৰৰ কিছুমান আছিল ঐতিহাসিক উত্তৰাধিকাৰৰ দ্বাৰা ভাৰাক্ৰান্ত আৰু অনমনীয়; আনবোৰ আছিল দুৰ্বল, কাৰণ তেতিয়ালৈকে সেইবোৰ দৃঢ়ভিত্তিত প্ৰতিষ্ঠিত হোৱাই নাছিল।

*–ৰেমণ্ড আৰণ*

চৰকাৰী অনুদানো অনিয়মীয়া হবলৈ ধৰিলে। আনকি ছাত্ৰ-নেতা সকলৰ দ্বাৰা গঠিত অগপ চৰকাৰৰ দিনতো বিশ্ববিদ্যালয়খনে আৰ্থিক দিশত আশানুৰূপ সঁহাৰিৰ পৰা বঞ্চিত হ'ল। ইতিমধ্যে বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বিশেষকৈ স্নাতকোত্তৰ শ্ৰেণীত নাম ভৰ্তিকৰণ, পৰীক্ষাৰ ফলাফল ঘোষণা, বিত্তীয় বিভাগৰ পৰিচালনা আদিৰ বেমেজালিয়ে, আৰু ছাত্ৰাবাসত অবৈধভাবে আসন দখল ইত্যাদি নানাধৰণৰ আহুকালে বিশ্ববিদ্যালয়খনক সাঙুৰি পেলালে। এনে বেমেজালিবোৰৰ বাবেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাবমূৰ্তি অসমীয়া ৰাইজৰ মানত তেনেই ম্লান হৈ পৰিছে। এই দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত অৱশ্যে আপোনাৰ প্ৰশ্নত উল্লিখিত 'গুঃ বিঃৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা' আশীৰ দশকৰ পৰাই আৰম্ভ হোৱা বুলি কব পাৰি। অৱশ্যে আপুনি উল্লেখ কৰা মতে যদি এই বেমেজালি সমূহ 'অধঃপতন আৰু অৱক্ষয়' হয়, তেনেহলে তাৰ বাবে প্ৰধান জগৰীয়া হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুৰ্বল প্ৰশাসন। কাৰণ প্ৰশাসনীয় দুৰ্বলতাৰ সম্পূৰ্ণ সুযোগ লৈছে এচাম তথাকথিত নেতৃস্থানীয় ছাত্ৰ-ছাত্ৰীয়ে। এনে এচাম (অলপ সংখ্যক) ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তিকৰণ, পৰীক্ষাৰ পূৰ্বনিৰ্দিষ্ট কাৰ্যসূচী বাতিলকৰণ, ছাত্ৰাবাস সমূহত বহু বছৰ ধৰি অবৈধভাবে আসন অধিগ্ৰহণ আদি সমস্যাৰ সৃষ্টি কৰি বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ যথেষ্ট ম্লান কৰিছে। অৱশ্যে বিশ্ববিদ্যালয়ৰ প্ৰশাসনত ছাত্ৰ-ছাত্ৰীৰ প্ৰাদুৰ্ভাৱ কেৱল মাত্ৰ এই বিশ্ববিদ্যালয় খনতে নহয়, ই এটা সৰ্বভাৰতীয় সামাজিক সমস্যা হৈছে। দেশৰ প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাই এনে প্ৰভাৱৰ কাৰণ বুলি মোৰ ধাৰণা।

গৱেষণাৰ দিশত (বিশেষকৈ বিজ্ঞান বিভাগ সমূহত) যথেষ্ট অগ্ৰগতি আৰু সুনাম অৰ্জন কৰা সত্ত্বেও ৰাইজৰ মনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাবমূৰ্তি ম্লান হোৱাৰ প্ৰধান কাৰণ সমূহ হ'লঃ ১। শৈক্ষিক দিনপঞ্জীৰ অবমাননা; ২। নাম ভৰ্তিকৰণত হোৱা খেলিমেলি; ৩। পৰীক্ষাৰ দিন ধাৰ্য কৰাৰ পাছত সঘনাই পিছুওৱা; ৪। কিছুমান শিক্ষকে শ্ৰেণীত নিয়মিত হিচাপে পাঠদান নকৰা; ৫। ছাত্ৰাবাস সমূহত অবৈধভাবে থকা ছাত্ৰ-ছাত্ৰীৰ অতপালি; ৬। বিত্তীয় বিভাগৰ খেলিমেলি ইত্যাদি। কিন্তু এই সকলোবোৰৰ বাবে মূল জগৰীয়া বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় দুৰ্বলতা।

বিগত অসম আন্দোলনৰ জৰিয়তে সৃষ্টি হোৱা বেমেজালি সমূহ আঁতৰাবলৈ হ'লে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নিম্নোক্ত দিশ সমূহৰ প্ৰতি মনোনিবেশ কৰি উপযুক্ত কাৰ্যপন্থা হাতত লোৱা উচিত বুলি মই ভাবো।

১। শৈক্ষিক দিনপঞ্জীৰ বাধ্যতামূলক প্ৰবৰ্তন। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই প্ৰতিবছৰে একোখন শৈক্ষিক দিনপঞ্জী প্ৰকাশ কৰি আহিছে সঁচা কিন্তু বিভিন্ন অজুহাতত সেই দিনপঞ্জী উপেক্ষা কৰা হয় বা কৰিবলৈ বাধ্য হয়। এনে ভয়গ্ৰস্ত, পশ্চাৎগামী মনোবৃত্তি পৰিহাৰ কৰি ছাত্ৰৰ নাম ভৰ্তিকৰণ, পাঠদান, পৰীক্ষা পতা আৰু ফলাফল ঘোষণা কৰা আদি কাৰ্যবোৰ পূৰ্ব নিৰ্দিষ্ট দিনপঞ্জী অনুসৰি সমাপন কৰা উচিত।

২। স্নাতকোত্তৰ শ্ৰেণী সমূহত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিকৰণ সম্পূৰ্ণভাবে যোগ্যতাৰ ভিত্তিত হ'ব লাগে। (SC, STৰ বাবে সংৰক্ষিত আসন বাদ দি)। দিনপঞ্জী অনুসৰি নাম ভৰ্তিকৰণ নিৰ্দিষ্ট সময়ছোৱাৰ (এসপ্তাহৰ অধিক হ'ব না লাগিব) ভিতৰত সমাপন কৰিব লাগে। মাহৰ পাছত মাহ ধৰি নাম ভৰ্তিকৰণ প্ৰক্ৰিয়াটো চলি থাকিব নালাগে। তদুপৰি নাম ভৰ্তিকৰণ কাৰ্যটো বিকেন্দ্ৰীত কৰি প্ৰত্যেক বিভাগীয় মন্ত্ৰণা সমিতিৰ (Departmental Advisory Committee) ওপৰত এই দায়িত্ব সম্পূৰ্ণভাবে ন্যস্ত কৰিব লাগে। Extra-curricularৰ দক্ষতাৰ বাবে আছুতীয়াকৈ ৰখা আসনৰ সংখ্যা সীমিত হ'ব লাগে; খেলাধূলা, সুকুমাৰ কলা আদি কেতবোৰ বিশেষ দিশত সৰ্বভাৰতীয় ভিত্তিত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী সকলকহে এনে আছুতীয়াকৈ ৰখা আসনৰ বাবে উপযুক্ত বুলি গণ্য কৰিব লাগে। বৰ্তমানৰ প্ৰচলিত নিয়মমতে যি কোনো মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হলেই EC আসনৰ বাবে যোগ্য বুলি বিবেচনা কৰা প্ৰথাটো উঠাই দিব লাগে। তদুপৰি এই আসন সমূহৰ বাবে ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচনৰ দায়িত্ব অতি উচ্চ পৰ্যায়ৰ এটা সমিতিৰ ওপৰত আৰোপ কৰিব লাগে।

৩। স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদানৰ আৰম্ভণি আৰু সামৰণি সম্পূৰ্ণভাবে দিনপঞ্জী অনুসৰি হ'ব লাগে। তদুপৰি, পৰীক্ষা সমূহ সম্পূৰ্ণভাবে বিকেন্দ্ৰীত কৰি, স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰত্যেক বিভাগকে, পূৰ্ব নিৰ্দিষ্ট সময়-সূচী অনুসৰি, নিজৰববীয়াকৈ সমাপন কৰাৰ দায়িত্ব দিব লাগে।

৪। বিশ্ববিদ্যালয়ৰ বিধান (Statute) অনুসৰি শৈক্ষিক দিশ সমূহ তদাৰক কৰাৰ বাবে প্ৰত্যেক শিক্ষা-বিভাগতে (Faculty) একোজনকৈ 'ডীন' (Dean) থাকে। 'ডীন' হবলৈ হলে মুৰব্বী অধ্যাপক হোৱাৰ প্ৰয়োজন। যোৱা কেইবছৰমানৰ পৰা মুৰব্বী অধ্যাপকৰ পদটো তিনিবছৰীয়া চক্ৰগতি কৰা হেতুকে সাধাৰণতে বৰ্তমান কোনো এজন ডীনেই তেওঁৰ কাৰ্যকাল সম্পূৰ্ণ তিনি বছৰৰ বাবে নাপায়। কেইজনমান ডীনৰ কাৰ্যকাল মাত্ৰ ৫/৬ মাহ মানহে হৈছে। ফলত 'ডীন' পদটো অৰ্থহীন হৈছে। 'ডীন' পদটো অধিক কাৰ্যক্ষম কৰি কলা, বিজ্ঞান আৰু বাণিজ্য – প্ৰতি শিক্ষাবিভাগতে শৈক্ষিক প্ৰশাসনৰ দায়িত্ব ডীনৰ ওপৰত সম্পূৰ্ণভাবে ন্যস্ত কৰিব লাগে।

৫। বিভাগীয় সাপ্তাহিক ছেমিনাৰ/টিউটৰিয়ল/গ্ৰন্থাগাৰ কাৰ্যৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলক নম্বৰ দিয়াৰ ব্যৱস্থা প্ৰবৰ্তন কৰিব লাগে। প্ৰতিজন ছাত্ৰৰ বাবে শ্ৰেণীত নিম্নতম উপস্থিতি অন্ততঃ ৬0 শতাংশ হ'ব লাগে।

৬। এইটো সঁচা যে সকলোবোৰ শিক্ষকে পাঠদানত সমানে মনোযোগী বা উৎসাহী নহয়। দেখা যায় যে বহুতো শিক্ষকে শিক্ষাদানৰ প্ৰতি অৱহেলা কৰে; আনকি বহুতে নিয়মিত ভাবে পাঠদানৰ বাবে শ্ৰেণীত উপস্থিত নাথাকে। ইয়াৰ প্ৰতিকাৰ হিচাপে UGC আৰু AIVয়ে কৰা অনুমোদন অৰ্থাৎ ছাত্ৰ-ছাত্ৰী সকলে যাতে প্ৰতিজন শিক্ষক/শিক্ষয়িত্ৰীৰ পাঠদানৰ যোগ্যতা সম্বন্ধে নিজৰ মতামত অভয়ে প্ৰকাশ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এহাতে যেনেকৈ নিষ্ঠাবান শিক্ষক আৰু গৱেষক সকলক বিশ্ববিদ্যালয় কৰ্তৃপক্ষই উপযুক্ত ভাবে উৎসাহিত কৰা উচিত, সেইদৰে আনহাতে কৰ্তব্যৰ প্ৰতি আওহেলা কৰা শিক্ষক শিক্ষয়িত্ৰীক সকীয়াই দিয়াৰ সৎসাহসো কৰ্তৃপক্ষৰ থকা উচিত।

৭। বিশ্ববিদ্যালয়খনে যাতে আৰ্থিক অনাটনত ভুগীব লগীয়া নহয় তাৰ বাবে ৰাজ্য চৰকাৰে সততে দৃষ্টি ৰাখি পৰ্যাপ্ত পৰিমাণৰ অনুদান নিয়মিত ভাবে দি থকাৰ সু-ব্যৱস্থা কৰিব লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিত্তীয় বিভাগৰ খেলিমেলি





থকা কথাটো আগৰ প্ৰশ্নৰ উত্তৰতে উল্লেখ কৰি অহা হৈছে। অতি পৰিতাপৰ কথা যে প্ৰায় ১৯৭৬-৭৭ চনৰ পৰাই বিশ্ববিদ্যালয়ে আয়-ব্যয়ৰ প্ৰকৃত অডিট ৰিপোৰ্ট চৰকাৰৰ ওচৰত দাখিল কৰিব পৰা নাই। এই বিষয়ত ৰাজ্য চৰকাৰে নিজৰ ববীয়াকৈ অতি শীঘ্ৰে হিচাপ পৰীক্ষাৰ ব্যৱস্থা কৰা উচিত।

৮। যিহেতু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে ছাত্ৰাবাসৰ আসন তেনেই তাকৰ, সেই বাবে কোনো ছাত্ৰ-ছাত্ৰীকে এটাতকৈ অধিক কোৰ্ছৰ বাবে ছাত্ৰাবাসত থকাৰ সুবিধা দিব নালাগে।


৯। আগতে উল্লেখ কৰি অহা হৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমান শৈক্ষিক পৰিবেশৰ বেমেজালিৰ মূল উৎস হ'ল আশীৰ দশকত আৰম্ভ হোৱা অসমৰ ছাত্ৰ আন্দোলন। এই আন্দোলনৰ গুৰি ধৰি আহিছে সদৌ অসম ছাত্ৰ সংস্থাই। এই সংস্থাৰ মূল কাৰ্যালয় বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰতে অৱস্থিত। বৰ্তমানো 'সদৌ অসম ছাত্ৰ সংস্থা' অসমত এটা অতি প্ৰভাৱশালী অনুষ্ঠান। এই সংস্থাই অসমত শৈক্ষিক বাতাবৰণ উন্নত কৰাৰ বাবে চলাই থকা প্ৰচেষ্টা সকলোৰে বিদিত। কিন্তু দুৰ্ভাগ্যবশতঃ ছাত্ৰ সংস্থাৰ গইনা লৈ বহুতো তথাকথিত ছাত্ৰ নেতাই বিশ্ববিদ্যালয়ৰ দৈনন্দিন প্ৰশাসনত হেতা-ওপৰা কৰা, নানা ধৰণৰ বেমেজালিৰ সৃষ্টি কৰা, অযুক্তিকৰ দাবী/প্ৰভাৱ বিস্তাৰ কৰাও দেখা গৈছে। গতিকে মই ভাবো যে কৰ্তৃপক্ষই ছাত্ৰ সংস্থাৰ সৈতে এটা বুজাপৰালৈ আহি অসমৰ (বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ) শৈক্ষিক জগতৰ বৃহত্তৰ স্বাৰ্থৰ বাবে সংস্থাৰ মুখ্য কাৰ্যালয়টো বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰা তেওঁলোকৰ নিজৰ সুবিধা অনুযায়ী আন কোনো স্থানলৈ উঠাই নিয়াৰ বাবে সংস্থাক সৈমান কৰিব লাগে।

## অনুশাসন

ভাৰতীয় ছাত্ৰ সকলৰ অনুশাসনহীনতাৰ বিষয়ে যিসকল পণ্ডিতে অধ্যয়ন কৰিছে তেওঁলোকে কব খোজে যে এই অনুশাসনহীনতাৰ কাৰণে ভাৰতৰ ৰাজনৈতিক নেতা সকলেই ঘাইকৈ দায়ী। তেওঁলোক দুৰ্নীতি পৰায়ণ আৰু লক্ষ্যহীন। ছাত্ৰ সকলৰ আগত তেওঁলোকে একো মহৎ আদৰ্শ ভাঙি ধৰিব পৰা নাই। ছাত্ৰ সকলক অনুপ্ৰাণিত কৰিবলৈকো তেওঁলোকৰ সামৰ্থ্য নাই। কিন্তু মন কৰিব লগা কথা এইটোহে যে ভাৰতীয় ছাত্ৰ সকলে নিজে কিন্তু সমসাময়িক ভাৰতীয় সমাজৰ এইবোৰ দিশৰ কথা সমূলি উল্লেখ নকৰে।

*–এডৱাৰ্ড শিবল*

ডঃ পবিত্ৰকুমাৰ শৰ্মা
*অধ্যাপক, ৰসায়ন বিভাগ*




গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা বিশ্ববিদ্যালয়ৰ জন্ম লগ্নতেই আৰম্ভ হোৱা বুলিব পাৰি। ডঃ কৃষ্ণকান্ত সন্দিকৈ, ডঃ সূৰ্য ভূঞা, ডঃ হিৰণ্য ভূঞাৰ দৰে বিশ্ববৰেণ্য উপাচাৰ্যৰ দিনতো বিশ্ববিদ্যালয় প্ৰশাসন ব্যৱস্থাত অৱনতি ঘটিছিল। শেষলৈ পাভাটে আয়োগ আৰু শৰ্মা আয়োগ বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় আৰু শৈক্ষিক অৱনতিৰ অনুসন্ধানৰ কাৰণে গঠন কৰিব লগা হৈছিল। অসমৰ ছাত্ৰ সকলে প্ৰতি ক্ষেত্ৰতে ব্ৰহ্মপুত্ৰ দলং, শোধনাগাৰ স্থাপন, ৰাজ্যিক ভাষা, শিক্ষাৰ মাধ্যম আদি দিশত অসমত আন্দোলনৰ নেতৃত্ব লব লগা হোৱাত বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ গঢ়ি নুঠিল। গোপীনাথ বৰদলৈৰ পাছত বিশ্ববিদ্যালয়ে ৰাজ্য চৰকাৰৰ পৃষ্ঠ-পোষকতা প্ৰকৃততে নাপালে। ছাত্ৰ নেতৃত্বৰ দাবী সমূহৰ যুক্তিযুক্ততাত কেন্দ্ৰীয় চৰকাৰে কিছুমান দাবী মানি কাম কৰিলেও ৰাজ্য চৰকাৰৰ চকুত বিশ্ববিদ্যালয়ৰ আলমত, ছাত্ৰ শক্তিক ৰাজনৈতিক প্ৰতিদ্বন্দ্বী বুলিহে গণ্য কৰা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম পৰ্যায়ৰ সুনাম বিশ্ববৰেণ্য উপাচাৰ্য সকলৰ ব্যক্তিগত সুনাম বুলিহে ধৰিব পাৰি। কাৰণ মৌলিক চিন্তা-চৰ্চা আৰু গৱেষণাৰ প্ৰয়োজনীয় ভেটি গঢ়িবলৈ সজাগতা দেখুৱাতকৈ নামী অধ্যাপক নিয়োগত অধিক গুৰুত্ব দিয়াত আৰু তেনে শিক্ষকে পিছৰ পুৰুষক উপযুক্ত হিচাপে গঢ়িবলৈ সচেষ্ট নোহোৱাত বিশ্ববিদ্যালয় শিক্ষাত গতানুগতিকতা আহি পৰিল। প্ৰথম পৰ্যায়তে বিশ্ববিদ্যালয়ত প্ৰশাসনীয় আৰু বিত্তীয় বিষয়ত অভিজ্ঞ বিষয়া নিয়োগ কৰা নহ'ল। ফলত বিশ্ববিদ্যালয়ত প্ৰয়োজনতকৈ অধিক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মী নিয়োগ হ'ল। ক্ৰমে ক্ৰমে কৰ্মী সংস্থা, শিক্ষক সংস্থা আৰু ছাত্ৰ সংস্থাই ট্ৰেড ইউনিয়ন ভিত্তিক সা-সুবিধা আদায় কৰাত সীমাবদ্ধ হৈ বিশ্ববিদ্যালয়ক জ্ঞান আহৰণৰ আৰু চৰ্চাৰ মূল লক্ষ্যৰ পৰা আঁতৰাই আনিলে। ৰাজনৈতিক দল সমূহৰ দ্বাৰা সমাধান কৰিবলগীয়া বিদেশী বহিষ্কাৰৰ দৰে গণ আন্দোলনৰ নেতৃত্ব লৈ ছাত্ৰ সংস্থাই ৰাজনৈতিক দলৰ কৰ্তৃত্ব অসমত অপ্ৰসাংগিক কৰাৰ পাছত, বৰ্তমান বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেশ্য পৰীক্ষা কেন্দ্ৰিক হৈ পৰিছে। বিশ্ববিদ্যালয় চৌহদত অবৈধ আৰু শিক্ষাৰ লগত জড়িত নথকা বজাৰ সমাৰ গঢ়ি উঠাত অসামাজিক কাৰ্যকলাপ বৃদ্ধি হৈছে। বিশ্ববিদ্যালয় প্ৰশাসনীয় সেৱাত সুচতুৰ প্ৰশাসনীয় দক্ষতাৰ পঞ্জীয়ক আৰু অন্যান্য বিষয়া নিয়োগ বিদেশী নাগৰিক আন্দোলনৰ পাছত গুৰুত্বহীন হৈ পৰাত বিশ্ববিদ্যালয়ত শিক্ষা-গৱেষণাত আগবাঢ়ি যাব খোজা শিক্ষকৰ যথেষ্ট সময় দীঘবাণী কৰি থাকোতে পাৰ হৈ যায়। এতিয়া বিশ্ববিদ্যালয়ত ব্যক্তিগত প্ৰমোচনৰ কাৰণে গৱেষণাৰ নামত গৱেষণাৰ প্ৰাধান্য হৈছে। যুৱ শক্তিক প্ৰকৃত পথৰ সন্ধান দিব পৰা

প্ৰকৃত শ্ৰদ্ধাবান শিক্ষকৰ অভাৱেই বিশ্ববিদ্যালয়ৰ বৰ্তমান শোচনীয় পৰিস্থিতিৰ কাৰণ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সুনাম ঘূৰাবলৈ হ'লে প্ৰশাসনত শিক্ষা বিভাগৰ গুৰুত্ব উপলব্ধি কৰিব পৰা বিষয়া নিয়োগ, বিশ্ববিদ্যালয় আইন সংশোধন, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিয়োগত শৈক্ষিক পৰিষদৰ নিৰ্বাচনৰ কৰ্তৃত্ব, বিশ্ববিদ্যালয় চৌহদ আৰু ছাত্ৰাবাসত অবৈধ জনৰ বসবাস নহবৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ, স্নাতক স্তৰৰ পৰীক্ষা সমূহ নিয়ন্ত্ৰণৰ পৰা বিশ্ববিদ্যালয়ক সম্পূৰ্ণ ৰূপে মুক্ত কৰি কেৱল স্নাতকোত্তৰ শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণ সেৱাৰ মাজত বিশ্ববিদ্যালয়ৰ কাৰ্য সীমাবদ্ধ কৰা, নতুন নতুন যুগোপযোগী বিষয় খোলাত প্ৰাধান্য দিয়া, বিশ্ববিদ্যালয় কলা বিভাগ সমূহত আসন সংখ্যা ৫০-ত সীমিত কৰা আদি ব্যৱস্থা লবলৈ ৰাজনৈতিক নেতৃত্বৰ দায়বদ্ধতা লাগিব। বিশ্ববিদ্যালয় চৌহদৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় ঘাইপথ পূব দিশত শৰাইঘাট দলঙলৈ যোৱা পথেদি বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় পথৰ উত্তৰ পাৰৰ চৌহদৰ বাহিৰেদি নি বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰবেশ বিনানুমতিত বন্ধ কৰিবলৈ মাধোন দুখন গেট মুকলি কৰিব লাগিব। বিশ্ববিদ্যালয় চৌহদত থকা বজাৰ খনত কেৱল এখন চুপাৰ মাৰ্কেট সাজি বাকী দোকান সমূহ বন্ধ কৰি সকলো অবৈধ দখল উঠাব লাগিব। স্নাতকোত্তৰ স্তৰৰ পাঠ্যক্ৰম আন্তৰ্জাতিক মানদণ্ডৰ কৰি প্ৰতি বিভাগতে সাপ্তাহিক আলোচনা চক্ৰ, পুথি ভঁড়ালৰ পূৰ্ণ ব্যৱহাৰত ছাত্ৰ সকলক নেতৃত্ব দান, পুথি জ্ঞান সেৱা উন্নত কৰা, প্ৰতিজন ছাত্ৰই স্নাতকোত্তৰ উপাধিৰ বাবে ডিছাৰটেছন দাখিল কৰা বাধ্যতা মূলক কৰা আদি ব্যৱস্থাৰে ভৱিষ্যতৰ যুৱ সমাজক মৌলিক আৰু বৌদ্ধিক বিকাশৰ পথ প্ৰদৰ্শক কৰি গঢ়িব লাগিব। ইয়াৰ কাৰণে যথেষ্ট বিত্তীয় যোগান হ'ব লাগিব। স্নাতকোত্তৰ শিক্ষা বিনামূলীয়া কৰাৰ ধাৰণা ত্যাগ কৰি ছাত্ৰৰ মাছুল শিক্ষকৰ দৰমহাৰ লগত সংগতি ৰাখি বৃদ্ধি কৰা আৱশ্যক। অসমৰ সকলো সচেতন নাগৰিক, ৰাজিক চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক সকলৰ প্ৰকৃত দায়বদ্ধতাৰ মাজেদিহে – বিশ্ববিদ্যালয় এখন প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা সম্ভৱ।

◆

**ডঃ মুকুন্দ মাধৱ শৰ্মা**
*অধ্যাপক, সংস্কৃত বিভাগ*



প্ৰথম প্ৰশ্নৰ উত্তৰ দিবৰ বাবে প্ৰথমতে এটা কথা স্পষ্ট কৰি দিব লাগিব যে জালুকবাৰীৰ বা গোপীনাথ বৰদলৈ নগৰত থকা বিশ্ববিদ্যালয় শ্ৰেণী সমূহ; আইন কলেজ আৰু প্ৰশাসনীয় বিভাগেই গুৱাহাটী বিশ্ববিদ্যালয় নহয়। লগতে বিশ্ববিদ্যালয়ৰ স্বীকৃতি প্ৰাপ্ত মেডিকেল, ইঞ্জিনিয়াৰিং, আয়ুৰ্বেদিক, সংস্কৃত, ডেন্টেল, নাৰ্চিং, কটন – আদি সকলো কলেজকে সামৰি আৰু উক্ত সকলো অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, বিষয়া, কৰ্মচাৰী, ঘৰ-দুৱাৰ আদি সকলোকে সামৰিলেহে গুৱাহাটী বিশ্ববিদ্যালয় নামৰ বস্তুটো হৈছে। গতিকে কেৱল অকলশৰীয়াকৈ জালুকবাৰীত কি ঘটিছে তাকে চালে নহ'ব। (খ) বিশ্ববিদ্যালয়ৰ ভাল-বেয়া বা সুনাম-দুৰ্নাম বহুত কথাৰ ওপৰত নিৰ্ভৰ কৰে যেনে শিক্ষাৰ আৰু গৱেষণাৰ মানৰ উচ্চতা, পৰীক্ষাৰ ক্ষেত্ৰত কোনো আপত্তিজনক ঘটনা নঘটা, ছাত্ৰ-ছাত্ৰীৰ নিয়মানুবৰ্তিতা আৰু পৰীক্ষা, খেলাধূলা, সাংস্কৃতিক ক্ষেত্ৰ আদিত সুনাম, এই বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অসমৰ বাহিৰত আৰু ভাৰতৰ বাহিৰত বিভিন্ন প্ৰতিযোগিতা আদিৰ ক্ষেত্ৰত সুনাম, আৰু আই এছ এছ পৰীক্ষা আদিত কৃতকাৰ্যতা এই বিশ্ববিদ্যালয়ৰ শিক্ষক সকলৰ শিক্ষক, গৱেষক, লেখক আৰু পণ্ডিতৰূপে দেশে বিদেশে সুনাম, পৰীক্ষা, পৰীক্ষাৰ ফলাফল ঘোষণা আদিৰ ক্ষেত্ৰত সময়-সূচীৰ অনুসৰণ, পাঠ্যক্ৰমৰ সুপৰিকল্পনা, বিষয়া আৰু কৰ্মচাৰী সকলৰ সুদক্ষতা, সততা আৰু সমাজৰ প্ৰতি সৌজন্যসূচক ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে খেলাধূলা, গ্ৰন্থাগাৰ, ছাত্ৰাবাস আদিৰ ক্ষেত্ৰত উচিত পৰিমাণৰ সুবিধা, শিক্ষক, বিষয়া, কৰ্মচাৰী আদি সকলো বেতনভোগীৰ বাবে থকা ঘৰ আদিৰ সুবিধা, গ্ৰন্থাগাৰৰ সুব্যৱস্থা আৰু সুপৰিচালনা, মানবিশিষ্ট গ্ৰন্থ আৰু মান বিশিষ্ট গৱেষণা – পত্ৰিকা (জাৰ্ণেল)ৰ প্ৰকাশ, বিশ্ববিদ্যালয় চৌহদৰ সমূহ বসবাসকাৰীৰ নিৰাপত্তা আৰু বিশ্ববিদ্যালয় চৌহদৰ ঘৰ-দুৱাৰ, আলিবাট, ফুলনি আদি পৰিষ্কাৰ আৰু ধুনীয়াকৈ ৰখা, চিকিৎসালয়, আৰু যানবাহনৰ সুবিধা আদি বিভিন্ন বিভিন্ন কথালৈ চকু দিহে বিশ্ববিদ্যালয়খনে ভালৰ ফালে গতি কৰিছেনে বেয়াৰ ফালে গতি কৰিছে তাক নিৰ্ণয় কৰিব লাগিব। (গ) সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ 'গৌৰবোজ্জ্বল পৰিচয় নাই' আৰু 'অধঃপতন আৰু অৰাজকতা' হৈছে, 'শোচনীয় পৰিস্থিতি হৈছে' বুলি কলে মোৰ মনেৰে প্ৰয়োজনতকৈ অধিক কঠোৰ ভাষাৰ প্ৰয়োগ কৰা হয়। বাস্তৱিকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোনো গৌৰৱ নাইনে? অসমৰ ৰাইজে নিৰপেক্ষ ভাবে ভাবি চাওকচোন – গুৱাহাটী বিশ্ববিদ্যালয়ৰ যি কেইজন ইমেৰিটাচ প্ৰফেচাৰ আছে তেখেত সকলে এই বিশ্ববিদ্যালয়ৰ গৌৰৱ বঢ়োৱৰ বাবে একো অৰিহণা যোগোৱা নাই নে? আমি নিজেও বিশ্ববিদ্যালয়ৰ গৌৰৱ যাতে বাঢ়ে তাৰ বাবে সততে সচেতন ভাবে চেষ্টা কৰি আছো। (ঘ) এই কথা সঁচা যে নানা দিশত বিশ্ববিদ্যালয়ৰ বৰ্তমান পৰিস্থিতি আশানুৰূপ নহয়। বহুতো দিশত পৰিস্থিতিৰ উন্নতি হোৱাটো কাম্য। কিন্তু এনে পৰিস্থিতিৰ অৱনতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অকলশৰীয়া ঘটনা নহয়। ভাৰতৰ আন প্ৰায়বিলাক বিশ্ববিদ্যালয়ৰে অৱস্থা সমানে শোচনীয়। ঠায়ে ঠায়ে অধিক শোচনীয়। (ঙ) সন্দিকৈ মহোদয় উপাচাৰ্য হৈ থকালেকে বিশ্ববিদ্যালয়খন ভাল দৰে চলিছিল। কিন্তু দৰাচলতে স্বাধীনতা লাভৰ প্ৰথম দশকটোত সমাজৰ সকলো মানুহৰে দেশপ্ৰেম বেলেগ ধৰণৰ আছিল। তেতিয়াৰ মানুহে দেশখনক নিজৰ নিজৰ অনুষ্ঠানটোহতক বাস্তৱিকতে নিজৰ বুলি ভাবিছিল। কিন্তু ক্ৰমাৎ পঞ্চাশৰ দশকৰ মাজ ভাগৰ পৰা সমাজৰ মনোবৃত্তিৰ সলনি হবলৈ ধৰিলে। বিশ্ববিদ্যালয়ো সেই পৰিৱৰ্তনৰ প্ৰভাৱত পৰিল। প্ৰায় তেনে সময়তে এযাৰ কথা শুনা গ'ল – 'বিশ্ববিদ্যালয়-বিদ্যালয় নহৈ বিত্তালয় হ'ল।' (চ) তেতিয়াৰ পৰা পৰিস্থিতিৰ যি অৱনতি ঘটিছে তাৰ বাবে কোনো ব্যক্তিবিশেষক দোষী বুলিব নোৱাৰি। সমাজখনৰ গতি-প্ৰকৃতিয়েই ঘাইকৈ তাৰ কাৰণ। এটা উদাহৰণ দিওঁ। বিশ্ববিদ্যালয়ত পৰীক্ষাবিলাক সময়ত নহয়। পৰীক্ষাৰ দিন ধাৰ্য কৰিলে ছাত্ৰ-ছাত্ৰীয়ে আন্দোলন কৰি পিছুৱৈ নিবলৈ দাবী কৰে। আন্দোলন কৰাৰ মূল কাৰণ হ'ল এচাম ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাত বহিবলৈ ভয়। তাৰ কাৰণ পঢ়া-শুনা ভাল দৰে হোৱা নাই। তাৰ এটা কাৰণ যথা-সময়ত হোষ্টেলত ঠাই পোৱা নাই। তাৰ কাৰণ বহুতো পুৰণি ছাত্ৰ-ছাত্ৰীয়ে নামত ছাত্ৰ-ছাত্ৰী হৈ হোষ্টেলৰ ঠাই দখল কৰি বহি থাকে। ইতিমধ্যে এই সকল ছাত্ৰ-ছাত্ৰীৰ এনে প্ৰতিপত্তি গঢ়ি উঠে যে সহজে আঁতৰাবও নোৱাৰি। আৰু এটা কাৰণ হ'ল শ্ৰেণীত অধ্যাপকে বিষয়টোহত পঢ়ুৱাই শেষ কৰিব নোৱাৰে। অধ্যাপকৰ গাতো দোষ দিব নোৱাৰি। কলেজতে হওক বা বিশ্ববিদ্যালয়তে হওক ইমান বিলাক বন্ধ হয় যে বিষয়টো ভাল দৰে পঢ়ুৱাবৰ বাবে সুবিধাই নোলায়। ভাৰত এখন ডাঙৰ দেশ –সেই অনুসৰে নেতাৰ সংখ্যা সৰহ। ভাৰত এখন বহুধৰ্মীয় দেশ ধৰ্মগুৰু আৰু ধৰ্মীয় উৎসৱৰ সীমা সংখ্যা নাই। তদুপৰি বিভিন্ন জনগোষ্ঠীৰ নিজা-নিজা নেতা আৰু পৰ্বদিন আদি আছে। সকলো দল, সকলো ধৰ্মাবলম্বী লোক আৰু সকলো জনগোষ্ঠীক সন্মান জনাই চৰকাৰে নিজেই বহুতো বন্ধ দিছে। তদুপৰি ছাত্ৰ-নেতা, ৰাজনৈতিক নেতা আদিয়ে নিজা বৰীয়াকৈ দিয়া বন্ধ হৰতাল আদি আছেই। গতিকে পঢ়া যে শেষ নহয় সেই কথাও সঁচা। আটাইতকৈ ডাঙৰ কথা আজিকালিৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ বাহিৰেও কৰিব লগীয়া কাম আৰু বহুত থাকে। (সন্দিকৈৰ দিনত পৰিস্থিতি তেনে নাছিল)। পাৰ্টিং ছচিয়েল বা ফ্ৰেচাৰ্চ ছচিয়েল হয় তিনি বাৰকৈ সমগ্ৰ ইউনিভাৰ্চিটিত এবাৰ, ডিপাৰ্টমেন্টত এবাৰ আৰু হোষ্টেলত এবাৰ। তেনে দৰে পিকনিক হয় তিনি চাৰিবাৰ। তদুপৰি বিভিন্ন আন্দোলনত যোগ দিব লগীয়া হয়। আজিকালি প্ৰতিটো ৰাজনৈতিক সমস্যাৰ ক্ষেত্ৰতে, প্ৰতিটো সামাজিক সমস্যাৰ ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীয়ে আন্দোলন কৰে। বা কৰিব লগীয়া হয়। ৰাজনৈতিক সমস্যা, সামাজিক সমস্যা সমাধান কৰিবৰ বাবে আমি এম পি, এম এল এ বিলাকক নিৰ্বাচিত কৰি পঠিয়াই ছোৱেই। তদুপৰি জনমতক ফুটাই তুলিবলৈ সমাজক নেতৃত্ব দিবলৈ বাতৰি কাকত সমূহ আছেই। তেনে স্থলত ছাত্ৰ-ছাত্ৰী সকলে কিয় দেশৰ সমস্যাৰ সমাধানৰ বাবে প্ৰধান ভূমিকা লব লাগে? তেওঁলোকে পঢ়াৰ সময়খিনি ভাল দৰে একাগ্ৰতাৰে পঢ়া-শুনা কৰি নিজকে গঢ়ি লওক। তাকে নকৰি দেশৰ সমস্যা বিলাকৰ সমাধানৰ দায়িত্ব লৈ ফুৰিলে পঢ়াৰ সময় কেনেকৈ পাব? পৰীক্ষাত বহিবলৈ কেনেকৈ সাহ পাব? কিন্তু পৰিস্থিতি এনে হ'ল যে আমি এতিয়া ল'ৰা-ছোৱালীহঁতক ৰাজনীতি কৰিব নালাগে বুলি ক'ব নোৱৰা হ'লো। আমি বয়সত ডাঙৰ বিলাকেই পৃথিৱীৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ গৌৰৱ অৰ্জন কৰাৰ মোহত ভোটাধিকাৰৰ বয়স তিনি বছৰ কমাই ওঠৰ বছৰলৈ আনিলো। বাস্তৱিকতে আমাৰ দেশৰ মানৱ সম্পদৰ উন্নয়নৰ ক্ষেত্ৰত এইটো এটা বৰ ডাঙৰ অন্তৰায়, আমি নিজে নিজেই সৃষ্টি কৰি ললো। ইয়াৰ সুদূৰ প্ৰসাৰী কু-প্ৰভাৱৰ কথা ভাবি চোৱাৰ প্ৰয়োজন আছে। (ছ) ছাত্ৰৰ লগতে আমাৰ অধ্যাপক বিলাকৰো বহুত কাম বাঢ়িল। সমাজৰ পৰিস্থিতিয়ে আমাকো বৌদ্ধিক চৰ্চাৰ ক্ষেত্ৰত কিছু পৰিমাণে অমনোযোগী হবলৈ বাধ্য কৰিছে। উদাহৰণ স্বৰূপে মই নিজে সংস্কৃতৰ অধ্যাপক। আন কথালৈ মন নিদি ঘৰৰ ভিতৰতে সোমাই থাকি সন্দিকৈৰ দৰে সাধনা কৰি থাকিব লাগিছিল। কিন্তু তাকে নকৰি মই বিশ্ববিদ্যালয়ৰ 'শোচনীয় অৱস্থাৰ বিষয়ে প্ৰশ্নোত্তৰ লিখি আছো। কিন্তু তাকে নকৰি মোৰ উপায় নাই। কাৰণ, মই সন্দিকৈৰ দিনৰ পৰা প্ৰায় চাৰিটা দশক আগুৱাই আহিলো। (জ) যদিও শুনাত কথাষাৰ বেয়া, যদিও এই দৰে ক'লে স্নবাৰিৰ (উন্নাসিকতাৰ) স্পৰ্শ এটা আহি পৰে তথাপি এই কথা ক'ব লাগিব যে বিশ্ববিদ্যালয়খন যথাৰ্থতে এটা 'প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ' হ'বৰ বাবে বিশ্ববিদ্যালয়টোক সমাজৰ কোলাহলৰ পৰা আঁতৰি থাকিবলৈ দিব লাগিব। বিশ্ববিদ্যালয়ৰ 'চেম্লুচন্' থাকিব লাগিব। এই বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বহুত বাধা আছে। (১) বিমানকোঠ, আৰু তুৰা, মান কাচাৰ আদিলৈকে সমগ্ৰ দক্ষিণ পাৰ অঞ্চলৰ লগত সংযোগ ঘটোৱা এটা গুৰুত্বপূৰ্ণ কোলাহলপূৰ্ণ ৰাজ আলি বিশ্ববিদ্যালয় চৌহদৰ মাজ মজিয়াৰে পাৰ হৈ গৈছে। (২) বিশ্ববিদ্যালয়ৰ চৌহদৰ চাৰিওফালে কাৰ্যকৰী ভাবে কোনো প্ৰাচীৰ নাই। (৩) অন্ততঃ যোৱা এটা দশক ধৰি ৰাজনৈতিক কেন্দ্ৰ দিছপুৰ আৰু বৌদ্ধিক কেন্দ্ৰ জালুকবাৰীৰ মাজত থাকিবলগীয়া ব্যৱধান সমূলি নোহোৱা হৈ পৰিছিল।

বিশ্ববিদ্যালয় খনৰ সুনাম ঘূৰাই আনিবলৈ হ'লে, (ক) সামগ্ৰিক ভাবে সমাজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন নহ'লে অকলশৰীয়াকৈ বিশ্ববিদ্যালয়ৰ সংস্কাৰ সাধন কৰা সম্ভৱ নহয়। তথাপি সীমিত ভাবে যি ব্যৱস্থা লব পাৰি তাৰ আভাস দিম। (খ) বিশ্ববিদ্যালয়খন ভাল কৰাটো বয়সীয়া সকলৰ দৰে ছাত্ৰ-ছাত্ৰী সকলৰ নিজৰো দায়িত্ব – এই বিষয়ে এটা সচেতনতা গঢ়ি তুলিব লাগিব। (গ) ছাত্ৰ-ছাত্ৰী সকলৰ সংগঠন সমূহে অন্ততঃ নিয়মীয়া ছাত্ৰ-ছাত্ৰী হৈ থকা সময়খিনিত সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি থকাৰ সংকল্প লব লাগে। (ঘ) কৰ্তৃপক্ষই দিয়া বন্ধ আৰু নিজে দিয়া বন্ধ বিলাক কমাই আনিবৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে আন্তৰিকতাৰে আগ ভাগ ল'ব লাগে। (ঙ) শ্ৰেণী আৰম্ভ হোৱাৰ প্ৰথম দিনৰ পৰাই একাগ্ৰতাৰে অধ্যয়ন কৰাৰ সংকল্প ল'ব লাগে। (চ) কৰ্তৃপক্ষই প্ৰয়োজন হ'লে মাজতে এবছৰ বা দু-বছৰ পাঠ্যক্ৰমত কিছু ৰেহাই দি হলেও পলমকৈ হোৱা পৰীক্ষাবিলাক আগুৱাই আনিব লাগে। (ছ) হোষ্টেলত একোজন ছাত্ৰ একেৰাহে কিমান দিন থাকিব পাৰিব সেই বিষয়ে নিয়ম বান্ধি দি কৰ্তৃপক্ষই সেই নিয়ম বাহাল ৰখাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'ব লাগিব। দিল্লী বা পুনাত যদি এনে নিয়ম বলবৎ কৰিব পাৰি আমি নোৱাৰাৰ কাৰণ নাই। (জ) বিশ্ববিদ্যালয়ত পুলিচ সোমাব নোৱৰাৰ বিষয়ে যি নিয়ম চলি আহিছে সেই বিষয়ে নতুনকৈ ভবাৰ প্ৰয়োজন আছে। ছাত্ৰ আৰু কৰ্তৃপক্ষৰ কিবা কথাত সংঘৰ্ষ হলে তেতিয়া পুলিচ আহিব নালাগে। কিন্তু যদি বিশ্ববিদ্যালয়ত ডকাইতে অত্যাচাৰ কৰে তেতিয়াও নাহিবনে? (ঝ) বহুতো মানুহে 'ভীষণ ভাবুকি'ৰ সহায়েৰে অযুক্তিসংগত ভাবে কৰ্তৃপক্ষৰ পৰা কাম আদায় কৰিবলৈ চেষ্টা কৰি আহিছে। এই 'ভাবুকিৰ কৌশল'ৰ প্ৰতিবিধান কৰিবৰ বাবে – এটা জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। (ঞ) জালুকবাৰীৰ বিশ্ববিদ্যালয় চৌহদৰ মাজেদি যোৱা ৰাজ আলিটো চৌহদৰ বাহিৰেদি যোৱা কৰিব লাগে। (ট) চৌহদৰ চাৰিওফালে এখন প্ৰাচীৰ দি চৌহদলৈ নিৰ্দিষ্ট সংখ্যক দুৱাৰ ৰাখি তাত পহৰাৰ ব্যৱস্থা কৰি চৌহদৰ ভিতৰলৈ মানুহৰ সমাগম নিয়ন্ত্ৰিত কৰিব লাগে। (ঠ) বদান্য

OKDISCD

ব্যক্তি বা উদ্যোগৰ দান-বৰঙণি লৈ হলেও আৰু এহেজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট সংখ্যক হোষ্টেল সজাব লাগে। (ড) বৰ্তমান বিভিন্ন কাৰণত হোষ্টেল, ডাকঘৰ আদিৰ বাবে আবদ্ধ হৈ থকা শিক্ষক-বিষয়া আৰু কৰ্মচাৰীৰ বাস ভৱন সমূহ মুকলি কৰি দিব লাগে। (ঢ) শিক্ষক, বিষয়া আৰু কৰ্মচাৰীৰ বাস ভৱন আদিৰ বাবেও দান-বৰঙণিৰ অভাৱ হ'ব নালাগে। এই বিষয়ত 'ৰিচ'ৰ্চ ডেভেলপমেন্ট' সংগঠন এটা গঢ়ি তুলিব লাগে। (ণ) লাইব্ৰেৰীয়ানকে ধৰি লাইব্ৰেৰীৰ পৰিচালনাৰ লগত জড়িত লোক সকলক লাইব্ৰেৰীৰ ওচৰতে আৰু অন্ততঃ বিশ্ববিদ্যালয়ৰ আবাস গৃহত থকাৰ ব্যৱস্থা কৰি দিব লাগে আৰু লাইব্ৰেৰীৰ বন্ধৰ তালিকাখন আৰু খুলি ৰখাৰ সময়খিনি নেচনেল লাইব্ৰেৰীৰ লগত মিলাই নিৰ্ধাৰিত কৰিব লাগে। (ত) লাইব্ৰেৰীৰ কিতাপ আৰু জাৰ্ণেলৰ বাবে খৰচ আৰু বিজ্ঞান বিভাগ বিলাকৰ সা-সঁজুলি আৰু কেমিকেলচ্‌ৰ খৰচৰ বাবে উচিত পৰিমাণে ধন ধাৰ্য কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে। (থ) যথাৰ্থতে বৌদ্ধিক চৰ্চাত লিপ্ত হৈ থকা অধ্যাপক সকলে যাতে উচিত ভাবে উদগনি পায় তালৈ চকু দিব লাগে। অন্যান্য সা-সুবিধা আৰু অবসৰৰ সময় আদিৰ ক্ষেত্ৰত যাতে দিল্লী, কলিকতা, পাটনা আদিৰ বিশ্ববিদ্যালয়তকৈ আমাৰ অধ্যাপক সকল অবহেলিত হৈ থাকিব লগীয়া নহয় তালৈ চকু দিব লাগিব। (দ) মানুহৰ সকলো বৌদ্ধিক চিন্তাৰ আৰু গৱেষণাৰ প্ৰধান উদ্দেশ্য হ'ল জীৱন ধাৰণৰ মানৰ উন্নতি কৰাটো। গতিকে বিশ্ববিদ্যালয় চৌহদটো কিমান ধুনীয়াকৈ ৰাখিব পাৰিছো তাৰ পৰাও বৌদ্ধিক মানৰ এটা উমান পাব পাৰি। কিন্তু এতিয়া চৌহদটো যেনে দৰে 'মুকলি' হৈ আছে যেনে দৰে গৰু-ম'হৰ চৰণীয়া পথাৰ হৈ আছে তেনে অৱস্থাত বিশেষ একো কৰিব নোৱাৰি। গতিকে পূৰ্বতে কোৱাৰ দৰে চৌহদৰ বেৰখন লাগে। কিন্তু থকাখিনি মালি আৰু সংশ্লিষ্ট অন্য কৰ্মচাৰী সকলে যাতে নিজে পোৱা দৰমহাৰ সলনি কৰিবলগীয়া খিনি কৰাত হেমাহি নকৰে –হাবিখিনি কটা বা মকৰা জালখিনি সৰাৰ ক্ষেত্ৰত পলুঙা নামাৰে তাৰ বাবে অলপ কঠোৰ ব্যৱস্থা ল'ব লাগিব। চতুৰ্থ শ্ৰেণীৰ অন্য এজন কৰ্মচাৰীৰ বাবে যদি দহটাৰ পৰা চাৰিটালৈ ছয় ঘন্টা কামৰ সময় বান্ধি দিয়া আছে তেনে হলে সৰা-মোচা কৰা জনৰ বাবেও ছয় ঘটা কাম কৰাটো বাধ্যতামূলক হ'ব লাগে। (ধ) জালুকবাৰী চৌহদৰ বৌদ্ধিক পৰিবেশটো আশানুৰূপ হৈ উঠিলে তাৰ এটা প্ৰভাৱ কলেজবিলাকৰ ওপৰতো পৰিব। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নক অগ্ৰাধিকাৰ দিলে কলেজৰ ছাত্ৰ-ছাত্ৰীয়েও তাৰ অনুকৰণ কৰিব। কলেজবিলাকতো যাতে উপযুক্ত শিক্ষাৰ পৰিবেশ গঢ়ি উঠে তাৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা সঘনে পৰিদৰ্শক পঠিয়াই লগতে বিশেষজ্ঞ সকলক পঠিয়াই দিহা পৰামৰ্শ দিয়াৰ ব্যৱস্থা কৰিব লাগে। (ন) ক্ৰমে অধিক সংখ্যক কলেজত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ ব্যৱস্থা হ'ব লাগে। তাৰ বাবে কলেজৰ অধ্যাপক সকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰাই আনিব লাগে আৰু প্ৰয়োজন বোধে বিশ্ববিদ্যালয়ৰ অধ্যাপককো কলেজৰ স্নাতকোত্তৰ শ্ৰেণীত পঢ়ুৱাবৰ বাবে সময়ে সময়ে পঠিয়াব লাগে।

◆

**নিৰু হাজৰিকা ডি লিট**

*অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ*



গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন লব বুলি কোৱা কথাষাৰ মই মানি লব নোখোজো। কিয়নো ভাৰতবৰ্ষৰ উচ্চ-শিক্ষাৰ জগতৰ মানচিত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছবিখন এতিয়াও উজ্জ্বল হৈ আছে। যি মহান উদ্দেশ্য আগত ৰাখি এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল সেই উদ্দেশ্যৰ পৰিবৰ্তন এতিয়াও হোৱা নাই। যি দ্ৰুত গতিৰে আমাৰ সমাজৰ পৰিবৰ্তন ঘটিছে তাৰ সৈতে খোজ মিলাই সমাজখনক উন্নতিৰ পথত আগুৱাই নিয়াত আশানুৰূপ ভাবে ফলপ্ৰদ হ'ব পৰা নাই। বৰ্তমান শিক্ষা ব্যৱস্থা আৰু পাঠদানৰ মাধ্যমে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নমুখী কৰাত যথেষ্ট বাধা আৰোপ কৰিছে। এনে সমস্যা ৰাজিয়ে আমাৰ গতি ৰোধ কৰিব নোৱাৰিলেও যথেষ্ট মন্হৰ কৰি পেলাইছে।

ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নমুখী কৰাৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাৰ কিছু পৰিবৰ্তন কৰিব লগীয়া হৈছে। আমাৰ শিক্ষা আৰু গৱেষণা আৰু অধিক সমস্যামুখী কৰি তোলাৰ প্ৰয়োজন হৈছে। ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাবক সকলৰ সহযোগেও প্ৰশাসনিক কাৰ্যৰ জটিলতা কিছু লাঘৱ কৰিব বুলি মই বিশ্বাস কৰো।

◆

**ডঃ বুদ্ধপ্ৰসাদ চেতিয়া**

*অধ্যাপক, গণিত বিভাগ*


মোৰ' বোধেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয় প্ৰক্ৰিয়া আৰম্ভ হৈছিল এটা নিৰ্দিষ্ট দুৰ্ভাগ্যজনক দিনত। সেই দিনটো আছিল ১৯৭২ চনৰ ১২ জুন। সেই দিনাই বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদে (Academic Council)-সপ্তাহ আগতে লোৱা মাধ্যম সম্পৰ্কীয় পূৰ্বৰ সিদ্ধান্ত ছাত্ৰৰ হেঁচাত সংশোধন কৰিবলৈ বাধ্য হৈছিল আৰু পৰিষদৰ সদস্য সকলে নিজৰ অক্ষমতাৰ চৰম গ্লানি নিজৰ মূৰৰ ওপৰত তুলি লৈছিল। সেই দিন ধৰি আমি দেখি আহিছো, যি কোনো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত সময়মতে খৰটকীয়াকৈ ৰূপায়িত কৰিবৰ সময়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক সদায় যেন কিবা এটা সংকোচ ভাবে হেঁচা মাৰি ধৰিছে, বহু ক্ষেত্ৰত সম্ভাব্য আহুকালৰ কথা বেছিকৈ চিন্তা কৰি, লব খোজা সিদ্ধান্ত শেষ মুহূৰ্তত পৰিহাৰ কৰা দেখা গৈছে। কৰ্তৃপক্ষৰ এই দুৰ্বলতা দিনে দিনে বেছি প্ৰকট হৈ দেখা দিছে, আৰু তাৰেই ফলত বিশ্ববিদ্যালয়খনৰ সকলো স্তৰতে বিশৃংখলতা আৰু অনুশাসনহীনতাই গা কৰি উঠিছে। বিশৃংখলতা আৰু অনুশাসনহীনতা কেৱল ছাত্ৰ-ছাত্ৰীৰ মাজতে আৱদ্ধ হৈ থকা নাই, শিক্ষক-শিক্ষয়িত্ৰী, বিষয়া-কৰ্মচাৰী সকলোৰে মাজত ই বিয়পি পৰিছে। বিশৃংখলতা আৰু অনুশাসনহীনতা অনুষ্ঠানটোৰ অধঃপতন আৰু অৱক্ষয়ৰ এটা প্ৰধান কাৰণ।

এখন বিশ্ববিদ্যালয়ৰ সুনাম নিৰ্ভৰ কৰে ঘাইকৈ তিনিটা বিষয়ৰ ওপৰতঃ

(ক) নিয়মিত পাঠদানৰ উচ্চ মানদণ্ডৰ







ওপৰত,

(খ) উচ্চ পৰ্যায়ৰ গৱেষণা কাৰ্যৰ ওপৰত আৰু

(গ) গৱেষণা লব্ধ বহুমূলীয়া তথ্যৰাজি পুথি আকাৰত প্ৰকাশ কৰি জনসাধাৰণ আৰু সুধী সমাজৰ আগত দাঙি ধৰাৰ ওপৰত।

অতি পৰিতাপৰ কথা, গুৱাহাটী বিশ্ববিদ্যালয়ত এই তিনিওটা বিষয়তে আশানুৰূপ অগ্ৰগতি পৰিলক্ষিত হোৱা নাই। সময়ৰ পৰিবৰ্তনৰ লগত আৰু সময়ৰ দাবীৰ লগত খাপ খোৱাকৈ পাঠ্যক্ৰম সমূহৰ নবীকৰণ কৰা হোৱা নাই, সময়মতে পৰীক্ষা পাতি সময়মতে ফলাফল ঘোষণা কৰি অতি প্ৰয়োজনীয় শৈক্ষিক শৃংখলা ৰক্ষা কৰা হোৱা নাই। মৌলিক আৰু প্ৰায়োগিক উভয় দিশতে সমানে গুৰুত্ব দি বিভিন্ন বিষয়ত গৱেষণাৰ ধাৰা সুনিয়ন্ত্ৰিত কৰাৰ কোনো প্ৰচেষ্টা নাই, পদোন্নতিৰ চৰ্ত পূৰণৰ তাগিদাত গা কৰি উঠা অসুস্থ প্ৰতিযোগিতাৰ ফলত নিম্নগামী হোৱা গৱেষণাৰ মানদণ্ড কাৰো চিন্তাৰ কাৰণ হোৱা নাই। বিশ্ববিদ্যালয়ৰ নিজৰ এটা ছপাশাল থকা সত্ত্বেও আৰু এটা পূৰ্ণ পৰ্যায়ৰ প্ৰকাশন বিভাগ থকা সত্ত্বেও বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত গৱেষণা পুথিৰ তালিকা অতি দুখ লগাকৈ চুটি, প্ৰকাশন বিভাগটোৰ ব্যৱসায়িক দৃষ্টিভংগী থকা হ'লে এনে পুথি প্ৰকাশনৰ পৰা বিশ্ববিদ্যালয়ৰ আয়ো নিচেই কম নহ'লহেঁতেন।

দৰাচলতে বিশ্ববিদ্যালয় এখনৰ বৌদ্ধিক বিকাশৰ অগ্ৰগতি বহু পৰিমাণে নিৰ্ভৰ কৰে এটা সুস্থ পৰম্পৰা গঢ়ি তোলাৰ ওপৰত, আৰু এই পৰম্পৰা গঢ়ি তোলাৰ মুখ্য দায়িত্ব উপাচাৰ্য সকলৰ। উপাচাৰ্য এজন সাধাৰণ অৰ্থত নিপুণ প্ৰশাসক হলেই নহ'ব, তেওঁ বিশ্ববিদ্যালয়খনক বৌদ্ধিক দিশত আগবঢ়াই নিবলৈ নেতৃত্ব দিব পাৰিব লাগিব। উল্লেখযোগ্য যে বিশ্ববিদ্যালয় প্ৰশাসন পুলিচ কিম্বা ৰাজহ কিম্বা বন বিভাগৰ প্ৰশাসনৰ লগত সম্পূৰ্ণ বেলেগ, বিশ্ববিদ্যালয় প্ৰকাশন বৌদ্ধিক বিকাশৰ লগত জড়িত, কেৱল নিয়মিত ভাবে অফিচৰ ফাইল টেবুলে টেবুলে চলাচল কৰিলেই বৌদ্ধিক বিকাশ হ'ব নোৱাৰে। উপাচাৰ্যজনৰ কেইটামান বিশেষ গুণ থকাটো আমি নিতান্ত প্ৰয়োজনীয় বুলি অনুভৱ কৰোঃ

১। অগাধ পাণ্ডিত্য;

২। প্ৰবল বোধশক্তি – বিশ্ববিদ্যালয় এখনৰ প্ৰকৃত উদ্দেশ্য কি, বিশ্ববিদ্যালয় এখনৰ পৰা সমাজে, দেশে কি বিচাৰে সেই বিষয়ে সম্যক জ্ঞান;

৩। যি কোনো ধৰণৰ ৰাজনীতিৰ লগত সম্পৰ্কহীনতা;

৪। সিদ্ধান্ত ৰূপায়ণত দৃঢ়তা আৰু তৎপৰতা;

৫। কাম কৰাৰ প্ৰবল ইচ্ছা আৰু প্ৰচুৰ শক্তি।

আজি বহুদিন ধৰি উপযুক্ত নেতৃত্বৰ অভাৱতো বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ গতি দ্ৰুততৰ হৈছে।

বিশ্ববিদ্যালয়খনৰ উদ্ধাৰ প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ৰ আটাইতকৈ প্ৰয়োজনীয় কৰিব লগা কামটো হ'ল সকলো দিশতে বিশৃংখলতাৰ ওৰ পেলাই গাণিতিক শৃংখলা ঘূৰাই অনা, আৰু আগতে উল্লেখ কৰা (ক, খ, গ) তিনিওটা বিষয়তে সংস্কাৰ সাধিবলৈ জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰা। বিশ্ববিদ্যালয়খনৰ প্ৰশাসনীয় জটিলতাও বহু সময়ত কাম-কাজত হেঙাৰ স্বৰূপ হৈছে। ক্ষমতা কেন্দ্ৰীভূত হৈ থকাৰ ফলত উপাচাৰ্য প্ৰমুখ্যে উচ্চ পদস্থ বিষয়া সকলৰ (যি সকলৰ ওপৰত বহুতো গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ দায়িত্ব আছে) মেল-মিটিং, ইন্টাৰভিউ-ঘেৰাওৰ অত্যাচাৰত আৰু ফাইলৰ হেঁচাত মূৰ দাঙিবলৈকে সময় নাথাকে, বৌদ্ধিক দিশৰ লগত জড়িত সৃজনীমূলক, গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ মানসিক অৱস্থা নথকাটো স্বাভাৱিক। আনহাতে নাম-শুৱনি ডিন (Dean) সকলক, বিভাগীয় মুৰব্বী সকলক আৰু লগতে বিভাগীয় মন্ত্ৰণা-সমিতি (advisory committee) সমূহক প্ৰকৃতাৰ্থত কোনো ক্ষমতা প্ৰদান কৰা হোৱা নাই। আমি ভাবো যে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ সূত্ৰৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ৰ গোটেই প্ৰশাসন-পদ্ধতিটোকে নতুন ঠাঁচত গঢ় দিয়াৰ অনতিপলমে ব্যৱস্থা কৰিব লাগে। অৱশ্যে ইয়াৰ বাবে প্ৰয়োজন হ'ব বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ, বিশেষকৈ উপাচাৰ্য গৰাকীৰ, সাহস, দৃঢ়তা আৰু বোধ শক্তিৰ।

এইটো ঠিক যে প্ৰশাসন কটকটীয়া কৰিয়েই বৌদ্ধিক দিশত দ্ৰুত উন্নতি আনিব নোৱাৰি। লগতে লাগিব (১) ঘৰ-দুৱাৰকে আৰম্ভ কৰি আধুনিকতম বৈজ্ঞানিক ভিত্তিক সা-সুবিধা আৰু (২) বৌদ্ধিক চিন্তা-চৰ্চাৰ বাবে অনুকূল বাতাবৰণ বা পৰিবেশ। আজি কিছুদিনৰ পৰা মন কৰিছো যে যাবতীয় সা-সুবিধাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ নহলেও অসুবিধা নোহোৱাকৈ চলিবৰ বাবে টকা-পইছাৰ যেন অভাৱ হোৱা নাই। কিন্তু প্ৰশাসনীয় বেমেজালিৰ বাবেই সেই ধন ঠিক সময়ত ঠিক ঠাইত ব্যৱহাৰ হোৱাত বাধাৰ সৃষ্টি হৈছে। উপযুক্ত বাতাবৰণ সৃষ্টি কৰাত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাবো কম নহয়! তাহানি পাৰ্ল বাকৰ কোনোবা এখন কিতাপত পঢ়িছিলোঃ এজন বিষয়াৰ কৰ্মপটুতা তেওঁৰ অফিচ ৰুমৰ পৰিপাটিতা দেখিয়েই গম পোৱা যায়, এগৰাকী গৃহিণীৰ দক্ষতা তেওঁৰ ড্ৰইং ৰুমত বহিয়েই ধৰিব পাৰি। আমাৰ বিশ্ববিদ্যালয়ৰ অফিচ ঘৰবোৰ, ডিপাৰ্টমেন্টবোৰ, শিক্ষক-শিক্ষয়িত্ৰী-বিষয়া-কৰ্মচাৰী সকল বাস কৰা ঘৰবোৰ, সমগ্ৰ বিশ্ববিদ্যালয় চৌহদটো অনাদৰ অমনযোগিতাৰ ফলত আবৰ্জনা-হাবি-জংঘলেৰে ভৰি পৰিছে আৰু এই আবৰ্জনা-হাবি-জংঘলত সমগ্ৰ বিশ্ববিদ্যালয় পৰিয়ালৰ সদস্য সকলৰ দৃষ্টিভংগী আৰু বৌদ্ধিক দাৰিদ্ৰ্য প্ৰতিফলিত আৰু প্ৰতিধ্বনিত হৈছে। বিশ্ববিদ্যালয়খন ৰক্ষা কৰিবলৈ হ'লে এই সকলোবোৰ দিশত সমানেই মনোনিবেশ কৰিব লাগিব।

◆

**ডঃ দিলীপ কুমাৰ চৌধুৰী**


*পদাৰ্থ বিজ্ঞান বিভাগ*

মই গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৭৮ চনৰ শেষৰ ফালেহে শিক্ষকতা জীৱন আৰম্ভ কৰিছো। মই স্নাতকোত্তৰ শিক্ষা অসমৰ বাহিৰত লৈছিলো।

ছাত্ৰ অৱস্থাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ

সৈতে জড়িত ব্যক্তি সকল – যেনে কৃষ্ণকান্ত সন্দিকৈদেৱ, সূৰ্য কুমাৰ ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা আদি খ্যাতিৰ বিষয়ে শুনিছিলো। গতিকে বিশ্ববিদ্যালয়খনৰ প্ৰতি মোৰ এক বেলেগ ধৰণৰ ধাৰণা আছিল।

পিছে এই বিশ্ববিদ্যালয়ত সোমায়েই ভাব হ'ল শৈক্ষিক দিশত ই যেন স্থবিৰ। গতিবিহীন। অৱশ্যে ইয়াৰ কাৰণো নোহোৱা নহয়। মই এই বিশ্ববিদ্যালয়ত



সোমোৱাৰ কিছুকালৰ পিছতেই অসম আন্দোলনৰ বতাহ বলিল। ফলত বিশ্ববিদ্যালয়খনত শৈক্ষিক পৰিবেশ একেবাৰে মন্থৰ হৈ পৰিল। 'বন্ধ'বোৰে ইয়াক একেবাৰে গতিহীন্ কৰি তুলিলে। আনহাতেদি আন্দোলনৰ বিষয়ে মই জনাত কোনো মুক্ত বিতৰ্কও নহ'ল। এনেবোৰ বিতৰ্কই হয়তো এচাম বৈজ্ঞানিক দৃষ্টি সম্পন্ন বাগ্মী নেতাৰ সৃষ্টি কৰিলেহেঁতেন।

গতিকে অসম আন্দোলনে এই বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিশত মন্থৰতা আনি দিলে বুলি মোৰ বিশ্বাস। সেই সময়ত অনুদান আদিৰ অভাৱতো বিশ্ববিদ্যালয়ৰ পুথি ভঁড়ালৰ পৰা বহু কেইখন গৱেষণামূলক আলোচনীৰ বৰঙণিও বাতিল কৰা হয়। ইয়াৰ ফলত গৱেষণাৰ কাম বাধাগ্ৰস্ত হৈ পৰিল।

অৱশ্যে এই বিশ্ববিদ্যালয়খনক প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আমি সকলো প্ৰকাৰে প্ৰচেষ্টা চলাব লাগিব। এনে কেইটামান প্ৰচেষ্টা হ'বঃ

১। পৰীক্ষাবোৰ যাতে সময় মতে অনুষ্ঠিত হয়, তাৰ ওপৰত চকু দিব লাগিব।

২। হোষ্টেলবোৰত শৈক্ষিক পৰিবেশ উন্নত কৰিব লাগিব। ই ভুৱা ছাত্ৰৰ আবাস হ'ব নালাগিব।

৩। বিশ্ববিদ্যালয়ৰ পুথি ভঁড়ালৰ অৱস্থাৰ উন্নতি কৰিব লাগিব। N.E.C, D.S.T, C.S.I.R আদি অনুষ্ঠানৰ সহায় লৈ হলেও ইয়াক উত্তৰ-পূব ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰলৈ ৰূপান্তৰিত কৰিব লাগিব।

৪। ইয়াত এটা কম্পিউটাৰ কেন্দ্ৰ (Computer centre) স্থাপন কৰিব লাগিব। গৱেষক সকলক সহায় কৰাটোৱেই হ'ব ইয়াৰ প্ৰধান উদ্দেশ্য।

৫। আটাইতকৈ ডাঙৰ কথা হ'ল – বিশ্ববিদ্যালয়ৰ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মীয়ে এই অনুষ্ঠানৰ উন্নতি সাধিম বুলি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব।


◆


## গোৱিন্দ প্ৰসাদ শৰ্মা
*অধ্যাপক, ইংৰাজী বিভাগ*


গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা ষাঠিৰ দশকৰ মাজ ভাগতে হৈছিল। যেতিয়া বিদ্যালয়তনিক বীক্ষা, ভৱিষ্যত দৃষ্টি আৰু নিকা প্ৰশাসন তথা শৃংখলাৰ প্ৰতিভূ স্বৰূপ ডঃ এইচ জে টেইলৰৰ দৰে লোক এজনে এই বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পদৰ পৰা পদত্যাগ কৰিবলগীয়া হ'ল, তেতিয়াই দেখা দিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱক্ষয়ৰ প্ৰথম লক্ষণ। এই লক্ষণটোৱে বেয়াৰ পৰা ক্ৰমে আৰু বেয়ালৈ ঢাল লৈ আটাইতকৈ শোচনীয় ৰূপ ললে আশীৰ দশকৰ আৰম্ভণিৰ অসম আন্দোলনৰ বছৰ কেইটাত।

বিশ্ববিদ্যালয়ৰ এনে শোচনীয় পৰিস্থিতিৰ কাৰণ বিচাৰিলে পোনতে চকুত পৰে ছাত্ৰৰ উচ্ছৃংখলতালৈ। পঢ়াৰ নামত ইয়ালৈ অহা কিন্তু ভৱিষ্যৎ ৰাজনৈতিক জীৱন গঢ়াৰ বাবেহে নিজকে ব্ৰতী কৰি ৰখা ক্ষুদ্ৰ একাংশ ছাত্ৰৰ আপাততঃ শিক্ষাৰ নামতেই কৰি থকা কেতবোৰ উদ্দেশ্য প্ৰণোদিত কাৰ্যাৱলীৰ বাবেই এই বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে – সন্দেহ নাই। কিন্তু মাথোন একাংশ ছাত্ৰই বছৰৰ পিছত বছৰ ধৰি বিশ্ববিদ্যালয়ৰ দৰে মহৎ অনুষ্ঠান এখনৰ পবিত্ৰ পৰিবেশ নষ্ট কৰিব নোৱাৰিলেহেঁতেন, যদিহে নিকটতম বিশ্ববিদ্যালয়ৰে সমাজখনৰ পৰা আৰু ইয়াৰ চৌপাশৰ বৃহত্তৰ অসমৰ সমাজখনৰ পৰাও তেওঁলোকে পৰোক্ষ ভাৱে হ'লেও সমৰ্থন নাপালেহেঁতেন। দৰাচলতে এখন ভাল সমাজেহে এখন ভাল বিশ্ববিদ্যালয় পায়; আৰু বেয়া সমাজৰ ভাগত মিলে বেয়া বিশ্ববিদ্যালয়। যি চাম ছাত্ৰই পৰীক্ষা পিছুওৱাৰ পৰা হষ্টেলৰ আসন বেদখল কৰা, কৰ্তৃপক্ষক ঘেৰাও কৰি অন্যায্য দাবী পূৰণ কৰা আদি কামত নিযুক্ত, তেওঁলোকৰ পিছপিনে ছাত্ৰ সকলৰ পথ-প্ৰদৰ্শক বুলি পৰিচিত শ্ৰেণীটোৰ মাজতে বহু সময়ত এনে ছাত্ৰৰ উৎসাহ আৰু মন্ত্ৰণাদাতা থাকে। ছাত্ৰ সকলৰ এই পথ-প্ৰদৰ্শক শ্ৰেণীটোৱেও ছাত্ৰ সকলক নিজৰ স্বাৰ্থৰ বাবে এই দৰে বিভ্ৰান্ত কৰি নিজৰ নিজৰ সন্মানীয় আসনতে বহি থাকিব নোৱাৰিলেহেঁতেন, যদিহে ৰাজ্যখনৰ বৃহত্তৰ সমাজখনৰ পৰা আকৌ এওঁলোকে পৰোক্ষ ভাৱে হলেও উৎসাহ বা সমৰ্থন পাই নাথাকিলহেঁতেন।

ওপৰৰ কথাষাৰ এটি উদাহৰণেৰে বুজাবলৈ হ'লে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোৱা দহ বছৰৰ কথালৈ আমি আঙুলিয়াব পাৰো। অসম আন্দোলনৰ বছৰ কেইটাত কৰ্তৃপক্ষৰ পিনে কটাক্ষপাত কৰি তেতিয়াৰ 'নেতা' আখ্যা পোৱা ছাত্ৰ সকলে ক্লাছ কেনচেল কৰা, পৰীক্ষা পাতিবলৈ দিয়া – নিদিয়াৰ সিদ্ধান্ত কৰা আদি কাম নিজ



হাতত তুলি লৈছিল। সমাজৰ পৰা এনে কামত উৎসাহ আৰু সমৰ্থন নোহোৱা হ'লে সমাজে এনে ছাত্ৰকহে আৰু তেওঁলোকৰ মন্ত্ৰণা আৰু উৎসাহদাতা সমৰ্থক সকলকহে তেতিয়া ৰাজ্যখনৰ বিভিন্ন স্থানলৈ মাতি নি ফুলৰ মালা নিপিন্ধালেহেঁতেন। বিশ্ববিদ্যালয়ৰ যিসকল শিক্ষক ছাত্ৰই তেতিয়া অসমৰ তেনে এটা সমস্যা তেনে আন্দোলনেৰে সমাধান নহয় বুলি তেনে ৰাজনৈতিক আন্দোলনত ভাগ নোলোৱাকৈ আছিল, সমাজে তেতিয়া তেওঁলোকৰ ওপৰত পুষ্পবৃষ্টি কৰাৰ সলনি প্ৰায়ে কৰিছিল শিলাবৃষ্টি।

ডঃ টেইলৰৰ পিছৰে পৰা বিশ্ববিদ্যালয়ৰ অধঃপতনৰ প্ৰক্ৰিয়া চলিবলৈ ধৰাৰ অন্য এটা প্ৰধান কাৰণ হ'ল, বিশ্ববিদ্যালয়ৰ প্ৰতি চৰকাৰৰ মনোভাবৰ পৰিবৰ্তন। আমি জানো যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদি অৱস্থাত এবাৰ তেতিয়াৰ মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈয়ে বিশ্ববিদ্যালয়ৰ স্বাৰ্থতেই উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈক লগ ধৰো বুলি তেওঁৰ বাসভৱনলৈ গৈছিল; উপাচাৰ্যই কিন্তু মুখ্য মন্ত্ৰীক সাক্ষাৎ দান নকৰিলে। তেতিয়াৰ এই মুখ্য মন্ত্ৰীৰ তাৰ পিছতো বিশ্ববিদ্যালয়খনৰ প্ৰতি শ্ৰদ্ধা ভালপোৱা আৰু সহানুভূতি কমা নাছিল আৰু বিশ্ববিদ্যালয়খনৰ প্ৰতি চৰকাৰৰ যি কৰণীয় বৰদলৈৰ চৰকাৰে তাক নিষ্ঠাৰে কৰি গৈছিল। কিন্তু আজি কালি চৰকাৰৰ টকাৰেইহে বিশ্ব-বিদ্যালয়খন চলে বুলি সংশ্লিষ্ট মন্ত্ৰী সকল আৰু তেওঁলোকৰ উচ্চ বিষয়া সকলে এনে মনোভাৱ লয় যে তেওঁলোকৰ সন্তুষ্টিৰ ওপৰতেইহে যেন বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহ নিৰ্ভৰ কৰিব লাগিব। স্বাভাৱিকতে তেওঁলোকৰ অসন্তোষজনক কিবা কথা ইয়াত ওলালে তেওঁলোকে পৰোক্ষ ভাবে বা ছদ্মবেশেৰে হস্তক্ষেপ কৰিবলৈ পৰাঙ্মুখ নহয়। ইয়াৰ ফলতো বিশ্ববিদ্যালয়ৰ পঢ়াৰ পৰিবেশ বা পৰীক্ষা-পাতিত অস্থিৰতাৰ সৃষ্টি হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ খ্যাতি ঘূৰাই আনিবলৈ হলে আৰু ইয়াক এখন প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লেঃ

(ক) অসমীয়া সমাজে প্ৰথমতে প্ৰথম শ্ৰেণীত বৌদ্ধিক কাৰ্যাৱলীয়েহে যে ক্ষুদ্ৰ স্বাৰ্থৰ ৰাজনীতিতকৈ ওপৰত সেই কথাৰ প্ৰতি সজাগ হৈ ক্ষুদ্ৰ স্বাৰ্থত ৰাজনীতি কৰা 'নেতা' তথা 'ছাত্ৰনেতা' সকলক উচ্চ আসন দিয়াৰ সলনি বৌদ্ধিক চিন্তা-চৰ্চাকাৰী সকলকহে উচ্চ আসনত বহুৱাৰ মানসিকতা লাভ কৰিব লাগিব।

(খ) অসম চৰকাৰে বিশ্ববিদ্যালয়খনৰ প্ৰতি নিজৰ কৰণীয়খিনি নিষ্ঠাৰে আৰু অকপট ভাবে কৰি যাব লাগিব আৰু ইয়াৰ উত্তৰোত্তৰ উন্নতিৰ বাবে বিশ্ববিদ্যালয় আৰু অসমৰ বৌদ্ধিক মন্ডলে কৰা আঁচনি সমূহ কাৰ্যকৰী কৰাত পৰাঙ্মুখ হ'ব নালাগিব। কেৱল বিধিগত অৰ্থ সাহায্যখিনি দি গ'লেই বিশ্ববিদ্যালয়ৰ প্ৰতি চৰকাৰৰ কৰণীয় শেষ নহয়। বিশ্ববিদ্যালয়ৰ ভিতৰত বিশৃংখলা দেখা দিলে যদি ইয়াত পুলিচ সোমাব লগীয়া হয়, তেতিয়া বিশৃংখলাৰ অদৃশ্য কৰ্তা সকলে পুলিচে বিশ্ববিদ্যালয় অপবিত্ৰ কৰিলে বুলি ফোপোলা ধ্বনি তোলে। তেনে স্থলত তাৰ পৰা চৰকাৰৰ বিশেষ দলীয় লাভ নাথাকিলে, চৰকাৰেও সেই ফোপোলা ধ্বনিতেই মূল্য আৰোপ কৰা দেখুৱাই নিজৰ দায়িত্বৰ পৰা অব্যাহতি লয়। বিশ্ববিদ্যালয় চৌহদত আইন-শৃংখলা ৰক্ষাত বিশ্ব-বিদ্যালয় কৰ্তৃপক্ষ বিফল হ'লে, চৰকাৰে নিজৰ বিধিগত কৰ্তব্য কৰাত কেতিয়াও পৰাঙ্মুখ হ'ব নালাগিব।

(গ) বিশ্ববিদ্যালয়ত সম্প্ৰতি ৰাজনীতি চৰ্চা কৰিবলৈহে অহা ছাত্ৰ সকলৰ যি আধিপত্য তাক নাইকিয়া কৰি প্ৰকৃততে পঢ়া-শুনা কৰিবলৈ অহা ছাত্ৰ সকলৰ অধিকাৰহে সাব্যস্ত কৰিব লাগিব। এনে কৰাৰ বাবে বৰ্তমানে যি কাৰিকুলাম-বহিৰ্ভূত কাৰ্যাৱলীৰ বাবে অৰ্হতা কম থাকিলেও এশজন ছাত্ৰক ভৰ্তি কৰা নিয়ম আছে (কাৰ্য ক্ষেত্ৰত এশজনতকৈ বহুত বেছি ভৰ্তি কৰা দেখা যায় আৰু গোটেই বছৰে এই ভৰ্তি কাম চলি থাকে), তাক সলনি কৰি এশজনৰ ঠাইত পঞ্চাছ জনলৈ নমাব লাগে। এই 'কোটা'ত কাৰিকুলামৰ বহিৰ্ভূত কিন্তু শিক্ষাৰ লগৰীয়া বিষয়ত প্ৰকৃততে উৎকৃষ্ট পাৰদৰ্শিতা দেখুওৱা ছাত্ৰইহে যাতে ভৰ্তি হ'ব পাৰে, তাত তৎপৰ হ'ব লাগিব। বৰ্তমানে এই 'কোটা'ত খেলা-ধূলাত বা গান-বাজনাত আৰু কলেজৰ ছাত্ৰ সংস্থাত আগভাগ লোৱা ছাত্ৰকেইহে ভৰ্তি কৰা দেখা যায়। প্ৰবন্ধ-গল্প-কবিতা লিখা, তৰ্ক প্ৰতি-যোগিতাত ভাগ লোৱা ছাত্ৰ সকলক এই 'কোটা'ত ভৰ্তি হ'বলৈ দিয়া নহয়। এনে এটি প্ৰথাৰ আশু পৰিবৰ্তন আৰু সংস্কাৰ লাগে, বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ উন্নতিৰ বাবে।

(ঘ) বিশ্ববিদ্যালয়ৰ নিজৰো কৰিব লগীয়া প্ৰচুৰ আছে। সম্প্ৰতি ইয়াৰ প্ৰশাসন তেনেই সোলোক-ঢোলোক। কি শ্ৰেণীত পাঠদান, কি কাৰ্যালয়ৰ কাৰ্য, কি পৰীক্ষা আৰু তাৰ ফলাফল প্ৰকাশ –একোৱেই ইয়াত নিয়মীয়া নহয়। এইবোৰ নিয়মীয়া কৰাত কোনো কথাতে কাৰো বা একোৰে লগত আপোচ থাকিব নালাগিব। ইয়াৰ কেন্দ্ৰীয় পুথি ভঁড়ালৰ অৱস্থা সম্প্ৰতি অতি শোচনীয়। বহু বছৰ ধৰি নতুন কিতাপ আলোচনী ইয়াত নিয়মীয়াকৈ যোগ হোৱা নাই। থকা কিতাপ-পাতিও ইয়াত বিশৃংখলাৰ বাবে বা পোহৰৰ অভাৱত বিচাৰি উলিয়াব নোৱাৰি। কিতাপৰ পৰা টোকা লোৱাৰ বাবে ইয়াত থকা একমাত্ৰ পোহৰ ছবি (ফটোষ্টেট) যন্ত্ৰটি চালকৰ অভাৱত প্ৰায়ে বন্ধ থাকে। তদুপৰি সামান্য বা গতানুগতিক কাৰণবোৰতে পুথি ভঁড়ালটিও যোৱা কিছু বছৰৰ পৰা অন্য কাৰ্যালয় বা অনুষ্ঠানৰ দৰে বন্ধ থকা হৈছে। পুথি ভঁড়ালৰ উন্নতি বিশ্ববিদ্যালয়ৰ বৌদ্ধিক পৰিবেশৰ উন্নতিৰ লগত ওতপ্ৰোতভাৱে জড়িত। ইয়াক বিশ্ব-বিদ্যালয়ৰ অন্য অফিচৰ লগত সমান কৰিব নোৱাৰি।

◆


## ৰঞ্জিত কুমাৰ দেৱগোস্বামী
*অধ্যাপক, ইংৰাজী বিভাগ*


আপোনাৰ কেউটা প্ৰশ্নই গোলমলীয়াঃ প্ৰতিষ্ঠা হোৱাৰ প্ৰথম কেইবছৰমানৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ে 'সমগ্ৰ দেশৰ ভিতৰত এখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি অৰ্জন [কৰা]' আৰু 'এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি [দাঙি ধৰা]'ৰ উপকথা (myth)টোৰ কোনো বাস্তৱ, ঐতিহাসিক ভিত্তি নাই।

১৯৪৮-১৯৬১ – এই সময়ছোৱাত প্ৰকাশিত অসমীয়া কাকত-আলোচনী বা অন্যান্য নথিপত্ৰ সমূহৰ বহুতলে বৰং তাৰ ওলোটাবিধৰ কথা এটাহে পোৱা যায়। বিভিন্ন সময়ত বিশ্ববিদ্যালয়খনৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন অভিযোগৰ তথ্য এতিয়াও সহজে পোৱাতে আছে। বিশ্ববিদ্যালয় স্থাপনৰ মাথো দুমাহৰ ভিতৰতে 'দি আচাম ট্ৰিবিউন' কাকতে প্ৰশাসনীয় বেমেজালিৰ বিষয়ে ছপোৱা খবৰ এটা পঢ়ি গোপীনাথ বৰদলৈদেৱে স্বীকাৰ কৰিব লগা হোৱা মনোকষ্টৰ বাতৰি তেখেতৰ ২৫-৩-১৯৪৮ তাৰিখৰ দিনলেখাৰ পাততে আছেঃ দ্ৰষ্টব্য, ডঃ বীৰেন্দ্ৰনাথ দত্ত (সম্পাঃ), **Gopinath Bardoloi: A Centenary Tribute,** Guwahati, Gauhati University, 1990, p. XVII

পঞ্চাশ-ষাঠিৰ দশকৰ প্ৰভাৱশালী অসমীয়া আলোচনী **ৰামধেনুৰ** 'সাময়িক প্ৰসংগ' শিতানৰ অধিকাংশ ৰচনাই

বিশ্ববিদ্যালয়ৰ আৰম্ভণিৰ দুই দশকৰ ভিতৰতে অসমীয়া শিক্ষিত মধ্যবিত্তৰ এচামে প্ৰত্যক্ষ কৰা ইয়াৰ হতাশজনক ৰূপটোৰ পৰিচয় একোটাহে দিয়ে। ১৯৫৯ চনৰ অক্টোবৰ সংখ্যা **ৰামধেনু**ৰ 'সাময়িক প্ৰসংগ'ৰ বিষয় আছিল 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰা'। কিয়দংশৰ উদ্ধৃতি দিব পৰা যায়ঃ

'গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰা যেনেকৈ চলিছে তাত আমি মুঠেই সুখী হ'ব পৰা নাই। এই বিশ্ববিদ্যালয়ৰ সৈতে আমাৰ জাতিৰ জ্ঞান সাধনাৰ সকলো স্বপ্ন বিজড়িত হৈ আছিল। ইয়াৰ প্ৰতিষ্ঠাতা সকল বিশেষতঃ স্বৰ্গীয় গোপীনাথ বৰদলৈ, শৰৎচন্দ্ৰ গোস্বামী আৰু মাধৱচন্দ্ৰ বেজবৰুৱা আদিয়ে সততে আশা কৰিছিল ইয়াৰ মাজতে জাতীয় আদৰ্শ আৰু গৱেষণা দুয়োটাই পৰিষ্ফুট হৈ পৰিব। কিন্তু গভীৰ আদৰ্শৰ ঠাইত আমি পাইছো যশ-ক্ষমতা কাঞ্চনৰ মোহ; গভীৰ গৱেষণাৰ ঠাইত পাইছো জ্ঞানৰ কূপমণ্ডূকতা। বিষয় বিলাকৰ অংগাংগী সম্বন্ধ ৰক্ষা কৰিবলৈ যত্ন (কৰা) হোৱা নাই, আৰু সেই কাৰণেই বিজ্ঞান আৰু মানৱ-শাস্ত্ৰ সমূহৰ বিভাগ বিলাকৰ মাজত আজি কোনো সদ্ভাৱ নাইকিয়া হৈ পৰিছে। চিন্তাত কোনো সাহসিকতা নাই; আধুনিক বা পৌৰাণিক বিষয় সমূহ লৈ কোনো মৌলিক গৱেষণা হোৱা নাই। সামান্য আৰু বিশেষৰ ভিতৰত সূক্ষ্ম পাৰ্থক্য অনুধাৱন নকৰাৰ ফলত বহুতো বিষয়ে জাতীয় ৰূপ ধৰিব পৰা নাই। বেছি ভাগ বিষয়তে গৱেষণা আৰম্ভই হোৱা নাই। সংস্কৃত, জনজাতীয় ভাষা আৰু বিজ্ঞান সমূহৰ প্ৰতি বিশ্ববিদ্যালয়ে কোনো বিশেষ মনোযোগ নিদিয়াৰ ফলত আৰু এইবোৰৰ বাবে বিশেষ ছেক্ৰেটাৰীয়েটৰ ব্যৱস্থা নকৰাৰ ফলত এইবোৰে বিশেষ উন্নতি কৰিব পৰা নাই। তথাপিও বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ মনত এক অদ্ভূত আত্মসন্তোষৰ ভাব বিৰাজ কৰিছে। সাধাৰণতে সৰহ-সংখ্যক থেচিচ লিখিত হোৱা বিষয় অসমীয়া সাহিত্যৰ অৱস্থাৰ প্ৰতিয়ে চোৱা যাওক। এই থেচিচ বোৰে আমাৰ প্ৰাচীন সাহিত্য, নন্দনতত্ত্ব আৰু জীৱনবোধৰ বিষয়ে কি নতুন তথ্য আৱিষ্কাৰ কৰিছে? প্ৰায় সময়ে সময়ে ওলাই থকা প্ৰাচীন গ্ৰন্থবোৰৰ পাতনিবোৰ ঐতিহাসিক দৃষ্টিকোণৰ পৰা কিমান চহকী? কোনো মৃত গ্ৰন্থকাৰৰ জীৱন-মৃত্যুৰ তাৰিখ, বা তেওঁৰ ধৰ্ম-ধাৰণা আৱিষ্কাৰ কৰোতেই এই গৱেষক সকলৰ শতকৰা ৯৫ ভাগ শক্তি ক্ষয় যায়, বাকী যি পাঁচ ভাগ থাকে তাৰে প্ৰাচীন নন্দনতত্ত্ব, সাহিত্য আৰু জীৱনবোধ আৱিষ্কাৰ কৰিবলৈ নোজোৰেগৈ। গৱেষণাৰ যি মূল উদ্দেশ্য সেই উদ্দেশ্য তল পৰে। তুলনামূলক ভাষাতত্ত্বৰ বিষয়েও স্বৰ্গীয় বাণীকান্ত কাকতিৰ গৌৰৱময় গৱেষণাৰ ঠাই পূৰাবলৈ বিশ্ববিদ্যালয়ত এজন মানুহ নাই। বাণীকান্ত কাকতিৰ দিনতে গৱেষণা আৰম্ভ কৰা ভালেমান ছাত্ৰৰ গৱেষণা আজিও অসম্পূৰ্ণ। আধুনিক সাহিত্যৰ বিশেষতঃ আধুনিক কবিতা, গল্প, উপন্যাস, নাটক আদি যিবোৰ পশ্চিমীয়া ফৰ্মৰ প্ৰসাৰ আমাৰ মাজত হৈছে, এইবোৰৰ উপযোগিতা সম্পৰ্কে ভাৰতৰ সাহিত্য জগতত আজি তুমুল আলোচনা চলিছে। ভাৰতীয় বাস্তৱতা বৰ্ণনা কৰিবৰ বাবে এই ফৰ্মবিলাক কেনেকৈ ব্যৱহৃত হ'ব, অথবা এই ফৰ্মবোৰ সলাই আমাৰ নিজ ফৰ্ম লব লাগিব নেকি – এই সম্পৰ্কে কোনো চিন্তাই আমাৰ গৱেষণাৰ জগতত সোমোৱা নাই। সাময়িক তৰলতাৰ আন্দোলনত পণ্ডিত সকলে গা উটুৱাই দিছে। আমাৰ গৱেষণাৰ দৃষ্টিভংগী আন্তৰ্জাতিকতো নহয়েই, জাতীয়ও নহয়। এতিয়াও আমাৰ সাহিত্য আৰু সংস্কৃতি ভাৰতীয় অথবা বিশ্বজনীন ৰূপত ফুটাই তোলা হোৱা নাই।

'ইয়াৰ প্ৰথম কাৰণ আমাৰ গৱেষক সকলৰ নিজৰ বিষয়ৰ প্ৰতি গভীৰ অনুৰাগৰ অভাৱ আৰু দ্বিতীয় কাৰণ সাময়িক বাস্তৱতা গ্ৰহণৰ বাবে ভয়। অনুৰাগৰ অভাৱৰ ফলত বেছিভাগ গৱেষকে যোগসূত্ৰহীন ভাবে বিষয়ৰ পৰা বিষয়ান্তৰলৈ হাত সলাইছে, অথচ তাত কোনো বিশ্বজনীন নীতি আৱিষ্কাৰ কৰিব পৰা নাই। এনে নীতি-বিহীন লেখা বা অনুসন্ধান ৰচনাহে, গৱেষণা নহয়। দ্বিতীয়তে বেছিভাগ গৱেষকেই সাময়িক বাস্তৱতাৰ দাবী মানি যুগধৰ্ম গ্ৰহণ কৰিবলৈ ভয় খায়। ৰাজনীতিৰ বিসৰ্জনৰ নামত তেওঁলোকে দেশৰ চিন্তাশীল লোক সকলৰ পৰা নিজকে বিচ্ছিন্ন কৰি আমোলা আৰু প্ৰশাসক সকলৰ লগত মিলিত হৈ গৱেষণা আৰু চৰ্চা জীয়াই ৰাখিবলৈ প্ৰয়াস কৰিছে। এই আমোলা আৰু প্ৰশাসক সকল মৃত ভাবধাৰাৰ প্ৰতিনিধি, জীৱনৰ বোৱতী সুঁতিৰ পৰা এওঁলোক বিচ্ছিন্ন। আমোলা আৰু গৱেষক সকলৰ সুন্দৰ সংযোগ স্থাপিত হৈছে বিভিন্ন একাডেমীবোৰৰ মাধ্যমেদি। এই একাডেমীবোৰ বিভিন্ন সংস্কৃতিৰ যোগাযোগ ৰক্ষাৰ্থে প্ৰতিষ্ঠিত; এইবোৰত সোমাই পৰাৰ লগে লগে আমাৰ গৱেষক সকলৰ হাতলৈ ধন আৰু ক্ষমতা আহিছে কিন্তু লগে লগে বিষয়ৰ প্ৰতি গভীৰ অনুৰাগ, অনুসন্ধান প্ৰবৃত্তি আৰু গভীৰ জীৱনবোধ লোপ পাইছে। আমাৰ ৰাজ্যৰ বেছিভাগ গৱেষকৰ শেষ লক্ষ্য ভাইচ চেঞ্চেলৰ, অথবা সাংস্কৃতিক মন্ত্ৰী হোৱা; ভাৰত বুৰঞ্জীৰ বা সংস্কৃতিৰ নতুনতম সত্য আৰু নিউক্লিয়াৰ বিজ্ঞানৰ নৱতম তথ্য আৱিষ্কাৰ আমাৰ গৱেষক সকলৰ চৰম লক্ষ্য নহয়। ইয়াৰ পৰাই বুজিব পাৰি আমাৰ জ্ঞানৰ জগত যশ, ক্ষমতা আৰু কাঞ্চনৰ মোহে কিমান খুলি খুলি খাইছে। যেতিয়ালৈকে আমাৰ মনৰ তুলাচনীত সোণ চপৰাতকৈ সত্যৰ বেছি ওজন বুলি প্ৰতিপন্ন নহয়, তেতিয়ালৈকে গুৱাহাটী বিশ্ববিদ্যালয় এই মৃতপ্ৰায় ধনতান্ত্ৰিক সংস্কৃতিৰ এক সৰু পিতনি হৈ জীয়াই ৰ'ব।

'এক গভীৰ দুঃখৰ বেদনাত আমি এই কেই আষাৰ কথা লিখিছো। বহুতো বেদনা সৃষ্টিধৰ্মী, সিহঁতৰ তাড়নাত মানুহৰ নতুন অভাৱবোধ জন্মে আৰু অভাৱেই আৱিষ্কাৰৰ বা গৱেষণাৰ প্ৰেৰণা। অসমত মানুহ সৃষ্টিৰ পৰিবেশ সৃষ্টি কৰাৰ ভাৰ পৰিছিল এই বিশ্ববিদ্যালয়টিৰ ওপৰত। অসমবাসীয়ে এই অনুষ্ঠানটি গঢ়িবৰ বাবে যেনেকৈ বৰঙণি যোগাইছিল, তাক মনত পেলালে তাৰ বৰ্তমান অৱস্থাৰ কথা ভাবি দুখ লাগে। ক'ত সেই বৰদলৈৰ অতুলনীয় বিশ্ববিদ্যালয়ৰ স্বপ্ন আৰু ক'ত এই সংসাৰৰ সাধাৰণ বেচা-কিনাৰ গণিতেৰে আৰু লাভালাভৰ বিবেচনাৰে কলুষিত বিদ্যাৰ বজাৰ!........ কেইজনমান প্ৰভাৱশালী ব্যক্তিৰ হাতত ক্ষমতাৰ অভূতপূৰ্ব কেন্দ্ৰীকৰণ; কাৰ্যদক্ষতা হানি; কৃষ্ণকান্ত সন্দিকৈৰ গৱেষণাৰ মানদণ্ড (sic) বৰোৱাৰ আদৰ্শৰ অকাল সূৰ্যাস্ত; লক্ষ্মীৰ দ্বাৰা সৰস্বতীৰ পৰাভৱ; বিভিন্ন বিভাগ আৰু বিষয়ৰ স্বাধীনতা নাশ; কেন্দ্ৰীভূত আমোলাতন্ত্ৰৰ ক্ষমতা আৰু সুবিধাৰ অবাধ ধাৰাবাহিকতাৰ ফলত প্ৰশাসনৰ অৱনতি আৰু দুৰ্নীতিৰ জন্ম.......।'

১৯৬১ চনৰ জানুৱাৰী সংখ্যা **ৰামধেনু**ৰ 'সাময়িক প্ৰসংগ' শিতানত ১৯৫৫-১৯৫৬, ১৯৫৬-১৯৫৭ আৰু ১৯৫৮-১৯৫৯ চনবিলাকৰ অডিট ৰিপৰ্ট সমূহত সন্নিৱিষ্ট বিভিন্ন অভিযোগৰ উল্লেখ সহিত আৰু এটা লেখা প্ৰকাশিত হয়ঃ 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা।'

প্ৰতিষ্ঠাৰ ডেৰ দশকৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে এনেবোৰ অভিযোগ উত্থাপিত হৈছিল। অভিযোগবোৰৰ অধিকাংশই ভিত্তিহীন নাছিল। গতিকে 'গৌৰৱোজ্জ্বল পৰিচয়' ক'ত বিচাৰিব? (মন কৰিবলগীয়া, অক্টোবৰ ৫৯ৰ **ৰামধেনু**ত উল্লিখিত 'বাণীকান্ত কাকতিৰ গৌৰৱময় গৱেষণা' কলিকতা বিশ্ববিদ্যালয়ৰহে কীৰ্তি)। যত গৌৰৱ নাই, 'অধঃপতন আৰু অৱক্ষয়ৰ সূচনা'ৰ বিষয়ে উঠা সকলো প্ৰশ্নই তাত অবান্তৰ। অৰ্থাৎ, সোণালী যুগৰ ৰূপকথা(myth of the golden age) প্ৰসূত চিন্তাই আমাক সহায় নকৰিব। বিশ্ববিদ্যালয়খন কৃষ্ণকান্ত সন্দিকৈ নহয়, বাণীকান্ত কাকতিও নহয় – সেয়া এক প্ৰক্ৰিয়া (process)। সুবিধাজনক সাধাৰণীকৰণৰ সলনি সেয়েহে বিশ্লেষণ-মুখী চিন্তাৰ প্ৰয়োজন বেছি।

বিদ্যায়তনিক গৌৰৱৰ উপাদান মোটামুটিকৈ চাৰিটাঃ (ক) পুথিভঁড়াল, (খ) প্ৰকাশন, (গ) শিক্ষা আৰু (ঘ) গৱেষণা।

কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিগত সংগ্ৰহৰ গ্ৰন্থখিনিকে ধৰিও আমাৰ পুথি ভঁড়ালৰ প্ৰকৃত সম্পদ দেশৰ অন্যান্য কেইবাখনো বিশ্ববিদ্যালয়ৰ সম্পদৰাজিৰ তুলনাত ভালেখিনি কম। এই ক্ষেত্ৰতো সাধাৰণীকৰণৰ আশ্ৰয় লোৱাতকৈ নিজৰ অভিজ্ঞতাৰ কথা কোৱা ভাল। ইংগ-মাৰ্কিন সাহিত্যৰ বিষয়ে ওলোৱা সমসাময়িক গ্ৰন্থ আৰু আলোচনীৰ অভাৱে আমাৰ বিষয়ৰ কৌতূহলী ছাত্ৰ-ছাত্ৰীক জুৰুলা কৰিছে। '৭৯ চনমানলৈ যি কেইখন বিদেশী গৱেষণা পত্ৰিকা অনিয়মীয়াকৈ হলেও আহি আছিল, আন্দোলনৰ সময়ত সেইখিনিৰ সৰবৰাহ প্ৰধানকৈ অৰ্থৰ অভাৱতে বন্ধ কৰি দিয়া হ'ল। পিছলৈ বিদেশী আলোচনী সৰবৰাহ কৰা সংস্থা সমূহৰ বহুতেই পাব লগা ধন নোপোৱাৰ হেতুকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথি ভঁড়াললৈ এনে আলোচনী যোগান ধৰিবলৈ টান পোৱা হ'ল। বিশ্ববিদ্যালয়ে বছৰি ক্ৰয় কৰা কিতাপৰ সংখ্যাও বৰ তাকৰীয়া। কিতাপৰ বিষয়ত আমাৰ পুথি ভঁড়ালৰ সাম্প্ৰতিক দৈন্যৰ এটা উদাহৰণ এনে ধৰণৰঃ যোৱা দুটা দশকত পাশ্চাত্যৰ চিন্তা জগতত উখল-মাখল লগোৱা কেইবাগৰাকীও লেখক – যথা জাক ডেৰিডা, মিশ্বেল ফুকো, জাক লাকাঁ, ৰোলাঁ বাৰ্থৰ কোনো এখন গ্ৰন্থই আমাৰ পুথি ভঁড়ালত নাই।

ডঃ বাণীকান্ত কাকতি সম্পাদিত Aspects of Early Assamese Literature (১৯৫৩)ৰ পৰা ডঃ মহেশ্বৰ নেওগ সম্পাদিত **গুৰুচৰিত কথা** (১৯৮৬) লৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইখন মান উল্লেখযোগ্য প্ৰকাশন আছে। অধিকাংশৰে পুনৰ্মুদ্ৰণ হোৱা নাই আৰু চকুত পৰিৱ পৰা নতুন কিতাপো একো ওলোৱা নাই। নানানটা অসুবিধা (প্ৰধানকৈ আৰ্থিক)ৰ বাবে বিশ্ববিদ্যালয়ৰ বছৰেকীয়া গৱেষণা পত্ৰিকা সমূহো নিয়মীয়াকৈ ওলোৱা নাই।

উপাধিমুখী শিক্ষা আৰু গৱেষণাই এতিয়া উপাধিৰে গুৰুত্ব নাইকিয়া কৰাটো অৱশ্যে এক সাধাৰণ, এনেকি বিশ্বজনীন সমস্যাত পৰিণত হৈছে। আমাৰ ইয়াতো অন্ততঃ কলা বিভাগৰ কোনো কোনো বিষয়ত এম ফিল উপাধিৰ বাবেও গ্ৰহণযোগ্য হ'ব নোৱাৰা তথাকথিত গৱেষণা গ্ৰন্থৰ বলত বহুতে পি এইচ ডি উপাধি পাই আছে, আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ কল্যাণত এনে বহু ধৰণেৰে গৱেষণা প্ৰায় নিৰ্মম প্ৰহসনত পৰিণত হৈছে। সেয়া এক সৰ্বভাৰতীয় –কিম্বা বিশ্বজোৰা সংঘটন বুলি তাৰ প্ৰতি চকু মুদি থকা উচিত নহ'ব। মূল্যাংকন ব্যৱস্থাৰ পুনৰীক্ষণৰ জৰিয়তে সমস্যাটোৰ সমাধান এটা উলিয়াব পৰা যায়।

শিক্ষাদানৰ বিষয়তো আমি বহুতেই বিফল হৈছো। স্নাতকোত্তৰ শ্ৰেণী সমূহৰ দৈনন্দিনতাৰ বাহিৰেও বিশ্ববিদ্যালয়ৰ একাডেমিক ষ্টাফ কলেজে চলোৱা পাঠদান অনুষ্ঠান সমূহত ইয়াৰ কিছু প্ৰমাণ ৰৈছে। শিক্ষা দিব নোৱাৰিলে কিহৰ শিক্ষক? সেয়া এক 'মৌলিক' ধৰণৰে প্ৰশ্ন। কোনো কোনো বিষয়ত নিয়মিত ভাবে পাঠদান নোহোৱাৰ প্ৰসংগত স্নাতকোত্তৰ শ্ৰেণী সমূহৰ সচিবে অলপতে কৈছেঃ 'আমাৰ বিশ্ববিদ্যালয়ত অনেক আন্তৰ্জাতিক খ্যাতি সম্পন্ন অধ্যাপক-অধ্যাপিকা আছে। পঢ়াশুনা বা অন্যান্য কাম-কাজত ব্যস্ত থাকিবলগীয়া হোৱাত দুই-একে কেতিয়াবা দুই-এটা শ্ৰেণীত উপস্থিত থাকিব নোৱাৰিবও পাৰে।' (**স্নাতকোত্তৰ মহলাৰ আলোচনী**, গুৱাহাটী বিশ্ববিদ্যালয়, ৩৯তম সংখ্যা, পৃঃ ১০৩)।

অৰ্থৰ অভাৱে সমস্যাৰ সৃষ্টি কৰাৰ কথাটো ভিত্তিহীন নহয়। অথচ অৰ্থৰ বাবে চৰকাৰৰ ওপৰতে ভৰসা কৰিব লগা হোৱা অৱস্থাই, বা তেনেধৰণৰ নিয়ম-কানুনে, বিপদো আনিছে। চৰকাৰে মাজে মাজে বিশ্ববিদ্যালয়ৰ প্ৰতি অন্যায় আচৰিবৰ সুযোগ সুবিধা একোটাহত পাইছে – বিশ্ববিদ্যালয়ৰ আৰম্ভণিৰ পৰ্যায়ৰ পৰাই মোটামুটিকৈ এনেধৰণৰ কথা অনুভৱ কৰি অহা হৈছে। ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ উদ্যোগ, প্ৰতিষ্ঠান আদিকো জড়িত কৰি সিবোৰৰ সহযোগত উন্নয়নমূলক ভালেখিনি কাম কৰিব পৰা যায়। অসমৰ সেমেকা জলবায়ুৰ বাবে আটাইতকৈ ডাঙৰ ভয় কিতাপৰ। শীততাপ নিয়ন্ত্ৰণ ব্যৱস্থাৰ দ্বাৰা পুথি ভঁড়ালত থকা কিতাপৰ অৱক্ষয় অন্ততঃ ৰোধ কৰিব পৰা যায়; আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, হিন্দুস্থান কাগজ নিগম, গুৱাহাটী শোধনাগাৰ অথবা চাহ-উদ্যোগ খণ্ডৰ কোনো এটা প্ৰতিষ্ঠানৰ সহযোগত সহজেই এই কাম কৰি ল'ব পাৰি। পুথি ভঁড়ালৰ ঘৰটোৰো সম্প্ৰসাৰণ দৰকাৰ, অবিলম্বেই। ম্যাকনিল এণ্ড মেগৰৰ দৰে কোনো কোম্পানীয়ে নিয়মীয়া

## অনুশাসন

যি কোনো বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলৰ স্বেচ্ছা-প্ৰণোদিত অনুশাসন বা নিয়মানুবৰ্তিতাই হ'ল বিশ্ববিদ্যালয়খনৰ ঘাই ভেটি আৰু তাৰ অস্তিত্বৰ চৰ্ত। যদি মাত্ৰ এমুঠিমান ছাত্ৰই বিশৃংখলা আৰু অৰাজক অৱস্থাৰ সৃষ্টি কৰিব খোজে, তেন্তে তেওঁলোকক দমন কৰি শান্তি-শৃংখলা ঘূৰাই আনিবলৈ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু অধ্যাপক সকলৰ হাতত কোনো উপায় নাই। ঠিক সেইদৰে টেংকৰ সহায়েৰেও শ্ৰমিক সকলক কাম কৰিবলৈ বাধ্য কৰাটো সম্ভৱ নহয়। কিন্তু শ্ৰমিক সকলে কাম কৰে জীৱিকা উপাৰ্জন কৰিবলৈ; ছাত্ৰ সকলৰ তেনে কোনো দায়িত্ব বা বাধ্যবাধকতা নাই। মই এই কথাত সম্পূৰ্ণ একমত যে বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ পৰিচালনাত ছাত্ৰ সকলক আৰু বেছি সক্ৰিয় অংশ লবলৈ সুযোগ দিয়া উচিত। কিন্তু এই সংস্কাৰবোৰ ফলপ্ৰসূ হবলৈ হলে ছাত্ৰ সকলে তাৰ আগতে ছাত্ৰ-বিদ্ৰোহৰ নেতা সকলৰ নেতৃত্ব মানি চলিবলৈ অস্বীকাৰ কৰিব লাগিব।

*–ৰেমণ্ড আৰণ*

ভিত্তিত বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালৰ বাবে চোন কেতবোৰ বছা বছা বিদেশী গৱেষণা-পত্ৰিকা যোগান ধৰিব পাৰে! সাহিত্যৰ বাবে দিয়া অসম উপত্যকা পুৰস্কাৰতকৈ এনেধৰণৰ কৰ্মৰ উপযোগিতা যে বহুগুণে বেছি, সেই কথা দোহৰাৰ প্ৰয়োজন নাই। এনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠানৰ সহযোগতে আমাৰ প্ৰকাশন বিভাগে অন্ততঃ দহটামান DTP মেশ্বিন যোগাৰ কৰি প্ৰকাশনৰ অগ্ৰগতি সুনিশ্চিত কৰিব পাৰে।

থলুৱা সমস্যাৰ কথা চিন্তা কৰাটো এটা কথা আৰু থলুৱা গ্ৰাম্যতাক প্ৰশ্ৰয় দিয়াটো আন এটা কথা। আমাৰ উদ্দেশ্য হৈছে 'বিশ্ব-বিদ্যা'ৰ সতে জড়িত ধাৰণাৰ অনুধাৱন, প্ৰচাৰ আৰু প্ৰসাৰ। আজি কুৰি বছৰৰ আগলৈকে অন্ততঃ (মনত ৰাখিব মই সোণালী যুগৰ ৰূপকথাৰ আশ্ৰয় লোৱা নাই।) মেঘালয়, মণিপুৰ, নাগালেণ্ড, অৰুণাচল, মিজোৰাম, ত্ৰিপুৰা, চিকিম, এনেকি উৰিষ্যা আৰু পাঞ্জাবৰ ছাত্ৰ-ছাত্ৰী আহি গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িছিল। উৰিষ্যা আৰু পাঞ্জাবৰ ছাত্ৰ-ছাত্ৰীৰ কথাই নাই, উত্তৰ-পূৰ্বাঞ্চলৰে বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰী সকল এতিয়া গুৱাহাটীলৈ আহিবৰ বাবে অনিচ্ছুক। কিয় নাহে তেওঁলোক? তেওঁলোকৰ নিজৰ নিজৰ ঠাইত বিশ্ববিদ্যালয় বা অন্ততঃ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰ একোটিহঁত, স্থাপন হোৱাৰ বাবেই নে এই অনিচ্ছা? নহয়,বৰং যোৱা কুৰি বছৰ মানৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ে গঢ় দি উলিওৱা নিজৰ উগ্ৰ-জাতীয়তাবাদী ভাবমূৰ্তিয়েই ইয়াৰ এক অন্যতম প্ৰধান কাৰণ। আনৰ সৈতে সম্পৰ্কৰ জৰিয়তেহে নিজৰ পৰিচয় (identity)ৰ সন্ধান কৰিব পৰা যায়। 'জাতীয়' ধাৰণাও jingoism অৰ সমাৰ্থক নহয়। কৰ্তৃপক্ষই কিছু আগ্ৰহ দেখুৱালে গুৱাহাটী বিশ্ববিদ্যালয়েও অচিৰেই এক সৰ্বভাৰতীয় চৰিত্ৰ লাভ কৰিব পাৰে। অন্যান্য ৰাজ্যৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আসন সংৰক্ষণৰ জৰিয়তে সেই প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিব পৰা যায়। সংকীৰ্ণ প্ৰাদেশিকতা 'বিশ্ব-বিদ্যা'ৰ পৰিপন্থী।

পোনতেই কৈছিলো, প্ৰশ্নবোৰ গোলমলীয়া। বিচৰামতে সেয়ে মোৰ পৰা উত্তৰো নাপালে। কেৱল এটা কথাঃ আগৰ দিনৰ গুৱাহাটী বিশ্ববিদ্যালয় এতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয় জাতীয় দ্বি-বিভাজনমুখী চিন্তাৰ সলনি আমি সময়ৰ আহ্বানত সঁহাৰি দি নতুন কেতবোৰ প্ৰশ্নৰ মুখামুখি হোৱাটোহে জৰুৰী হৈ পৰিছে। প্ৰশ্নবোৰ প্ৰকৃতাৰ্থত সাজি উলিওৱাটোৱেই সেয়ে এতিয়াৰ মূল কথা।

◆

ভদ্ৰ বৰা
*অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়*

অসম বাসীৰ বহুদিনীয়া আন্দোলন, বহু শিক্ষানুৰাগী গুণী পুৰুষৰ অহো-পুৰুষাৰ্থ আৰু নিঃস্বাৰ্থ ত্যাগ আৰু অসম বাসীৰ অকাতৰে আগবঢ়োৱা দান-বৰঙণিৰে প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আছিল ৰাইজৰ আশীৰ্বাদ ধন্য এটি অনুষ্ঠান – যি অনুষ্ঠানে জন্ম লগ্নৰ পৰাই সুনাম আৰু শ্ৰেষ্ঠত্ব দাবী কৰাৰ যোগ্যতা আৰু গৌৰৱ অৰ্জন কৰিব পাৰিছিল। এই বিষয়ে দ্বিমত নাই।

ইয়াৰ প্ৰধান কাৰণ চাৰিটা বুলি মোৰ বিশ্বাস। প্ৰথম কাৰণ – প্ৰতিষ্ঠাৰ আগেয়ে বিশ্ববিদ্যালয়ৰ উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কে যথেষ্ট আলোচনা-বিলোচনা হৈছিল। আনকি প্ৰথম কনভেনচনত 'তৃতীয় শ্ৰেণীৰ ছাত্ৰৰে আমাৰ বিশ্ববিদ্যালয় ঠাহ খুৱাই শিক্ষণ কাৰ্যকে আহুকলীয়া কৰি পেলাব নেলাগে' বুলিও মতপোষণ কৰা হৈছিল। সেয়ে শেষত সংখ্যাতকৈ গুণ বা যোগ্যতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱেও ধী-শক্তিৰ বিকাশ বিশ্ববিদ্যালয়ৰ প্ৰথম উদ্দেশ্য হোৱা উচিত বুলি উক্ত কনভেনচনতেই মন্তব্য কৰিছিল। এই সন্দৰ্ভত তেতিয়াৰ শিক্ষাবিদ, গুণী-জ্ঞানী সকলে ব্যক্ত কৰা উচ্চ আদৰ্শ যৎকিঞ্চিত হলেও কাৰ্যত পৰিণত কৰাৰ সততা বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ আছিল আৰু তাৰ ফলশ্ৰুতি সুনাম আৰু যশস্যা। দ্বিতীয় কাৰণ – ভাৰতৰ বিদ্বান আৰু শিক্ষা-দীক্ষাত মূধাফুটা যোগ্য ব্যক্তিক নিযুক্তি দি চাৰ আশুতোষ মুখাৰ্জীদেৱে কলিকতা বিশ্ববিদ্যালয়ক দেশৰ ভিতৰতে এখন লেখৰ বিশ্ববিদ্যালয় কৰি গঢ়ি তোলাত যি কৌশল প্ৰয়োগ কৰিছিল আমাৰ বিশ্ববিদ্যালয়েও যথা সম্ভৱ সেই কৌশল অৱলম্বন কৰি গুণী শিক্ষক সকলক আকৰ্ষিত কৰিছিল। বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাকালত নিযুক্ত কৃতী শিক্ষক সকলৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। তৃতীয় কাৰণ – বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আন্দোলনৰ লগত জড়িত কেইবাগৰাকীও যোগ্য আৰু নিঃস্বাৰ্থ শিক্ষাবিদৰ আশাশুধীয়া সেৱা বিশ্ববিদ্যালয়ে লাভ কৰিছিল শিক্ষক তথা প্ৰশাসক ৰূপে। ক্ৰম হিচাপে চতুৰ্থ যদিও অন্যতম প্ৰধান কাৰণ কৃষ্ণকান্ত সন্দিকৈদেৱৰ দৰে বিদগ্ধ পণ্ডিত আৰু স্বনামধন্য নিষ্কলুষ ব্যক্তিৰ উপাচাৰ্য ৰূপে নিযুক্তি। তেখেতৰ দৰে প্ৰখ্যাত পণ্ডিতৰ নিযুক্তিয়ে উপাচাৰ্য পদটিৰেই মৰ্যাদা বঢ়াইছিল বোলা কথাষাৰত অলপো অতিৰঞ্জন নাই।

সন্দিকৈদেৱৰ তত্ত্বাবধানত শিক্ষক নিযুক্তি, পাঠ্যক্ৰম প্ৰস্তুতি, পাঠদান, গৱেষণা, পৰীক্ষা নিয়ন্ত্ৰণ আদি প্ৰতিটি দিশতেই অতিশয় গুৰুত্ব আৰোপ কৰা হৈছিল যাৰ ফলত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ সকলোৰে বিশ্ববিদ্যালয় প্ৰশাসনৰ ওপৰত আস্থা বাঢ়িছিল আৰু কোনো দুৰ্নীতিয়ে গা কৰি উঠিব পৰা নাছিল। ৰাজনীতিৰ কলুষতাৰ পৰা মুক্ত স্বতন্ত্ৰীয়া চৰিত্ৰ এটি তেখেতৰ দিনতেই ফুটি উঠিছিল।


এইখিনিতেই উল্লেখ কৰিব পাৰি যে তেতিয়া বিশ্ববিদ্যালয় বা তেনে পৰ্যায় ভুক্ত ২৮খন অনুষ্ঠানৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয় আছিল সৰ্ব কনিষ্ঠ। ১৮৫৭ চনত প্ৰতিষ্ঠিত বম্বে, কলিকতা আৰু মদ্ৰাজকে ধৰি আন কেইবাখনো সুখ্যাতি থকা বিশ্ববিদ্যালয়ৰ মাজত এখন সুকীয়া আসন দখল কৰি লব পৰাটোৱেই আছিল চালুকীয়া বিশ্ববিদ্যালয়খনৰ কৃতিত্ব।

বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয় এটি বিতৰ্কৰ বিষয় যদিও এই কথা একে আষাৰে ক'ব পাৰি যে জনমানসত বিশ্ববিদ্যালয় স্খলিত হৈছে আৰু শিক্ষাৰ মান, পাঠ্যক্ৰম, শিক্ষাদান, পৰীক্ষা পদ্ধতি আদি গুৰুত্বপূৰ্ণ দিশসমূহ ৰাইজে সন্দিগ্ধ দৃষ্টিৰে চাবলৈ লৈছে। ১৯৬৫ চনত য'ত বিজ্ঞানত ৬জন আৰু কলাত ২ জনে ডক্টৰেট ডিগ্ৰি পাইছিল, তাৰ ঠাইত ১৯৭৭ চনত বিজ্ঞানত ১২ জন আৰু কলাত ১৯ জনে ডক্টৰেট পায়। ১৯৮৫ চনৰ পৰা এই সংখ্যা বাঢ়ি গঢ়ে বৰ্তমান ৩০ জনমানে বিজ্ঞান আৰু কলাত বছৰি ডক্টৰেট পায়। পৰিসংখ্যাৰ ফালৰ পৰা এয়া এক 'প্লাছ পইন্ট' যদিও ১৯৭৮-৭৯ মানৰ পৰা বিদেশৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষক নিয়োগ বন্ধ, থিচিচ পৰীক্ষক 'ভাইভা'লৈ আহিব নোৱাৰিলে আন বিশেষজ্ঞ আমন্ত্ৰণ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ সেন কমিচনৰ সুপাৰিশ ক্ৰমে ১৯৭৩ চনৰ পৰা অনুদান আয়োগৰ দৰমহা পোৱাৰ যোগ্যতা অৰ্জন কৰিবলৈ ব্যাপক হাৰত যুদ্ধকালীন ক্ষিপ্ৰতাৰে গৱেষণা – আদিয়ে পূৰ্বৰ মান ৰক্ষাত কিছু অসুবিধাৰ সৃষ্টি কৰিছে। সেই অনুপাতে কিন্তু আধুনিক অগ্ৰগতিৰ লগত সংগতি ৰাখি পাঠ্যক্ৰম পৰিবৰ্তন, নিয়মিত আৰু সম্পূৰ্ণ পাঠদান সময়মতে যোগ্যতাৰ ভিত্তিত নাম ভৰ্তি, টিউটৰীয়েল ব্যৱস্থাৰ প্ৰবৰ্তন আদি আৱশ্যকীয় দিশৰ প্ৰতি গুৰুত্ব দিয়া হোৱা নাই।

বিশ্ববিদ্যালয়ৰ নাম ভৰ্তি এক প্ৰহসনত পৰিণত কৰা হৈছে। 'একষ্ট্ৰা-কেৰিকুলাৰ এক্টিভিটিৰ' নামত যোগ্যতাহীন বহুজন সংখ্যক ছাত্ৰই বিশ্ববিদ্যালয়ত টিঘিলঘিলাই আছে; অথচ যোগ্য ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে। মাত্ৰ কেইদিনমান ক্লাছত উপস্থিত থকা ছাত্ৰই ফাইন দি পৰীক্ষা দিয়াৰ ব্যৱস্থা অব্যাহত আছে আৰু এনে পদ্ধতিয়ে নিয়মীয়া শিক্ষা গ্ৰহণ কৰা ছাত্ৰৰ মাজতো বেমেজালিৰ সৃষ্টি কৰিছে। নাম ভৰ্তি সম্বন্ধীয় অনিয়মৰ তদন্ত কৰিব লগীয়া হোৱাতো অতি দুৰ্ভাগ্যজনক। এনেবোৰ কাৰ্য নিঃসন্দেহে বিশ্ববিদ্যালয়ৰ ঐতিহ্য আৰু যশস্যাৰ বাবে এক প্ৰত্যাহ্বান। ইয়াৰ ফলতেই অনুষ্ঠানৰ সততা সম্পৰ্কে ৰাইজৰ সন্দেহ উপজিছে আৰু এনে প্ৰশাসকৰ হাতত সৰ্ব-সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত নহয় বুলি এটি ধাৰণা বদ্ধমূল হৈছে। ভূতৰ ওপৰত দানহ পৰাদি এচাম সুবিধাবাদী ছাত্ৰই বছৰৰ পিছত বছৰ ধৰি চিট ৰেন্টৰ সামান্য টকা কেইটাও আদায় নিদিয়াকৈ ছাত্ৰা বাসত থকাৰ সুবিধা গ্ৰহণ কৰিছে আৰু কৰ্তৃপক্ষই দৃঢ়তাৰে পৰিস্থিতিৰ সমুখীন হোৱাৰ পৰিবৰ্তে চাপৰি মেঘ এৰাবলৈ চেষ্টা কৰিছে।

বিশ্ববিদ্যালয়ৰ এই অৱক্ষয় কেইবাটাও পৰ্যায়ত সংঘটিত হৈছে আৰু তাৰ এটি নিৰ্দিষ্ট সীমাৰেখা টনাত কিছু অসুবিধা আছে। বিশ্ববিদ্যালয় আন্দোলন আৰু আঁচনি প্ৰস্তুতিৰ লগত জড়িত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈ দহ বছৰ আৰু ডঃ সূৰ্য কুমাৰ ভূঞা দেৱৰ পৰৱৰ্তী তিনি বছৰ বিশ্ববিদ্যালয়ৰ অগ্ৰগতিৰ যুগ বুলিব পাৰি। প্ৰসিদ্ধ পদাৰ্থ বিজ্ঞানী আৰু দক্ষ প্ৰশাসক ড়ঃ হিৰণ্য ভূঞাদেৱে প্ৰশাসনীয় কিছু অসুবিধা লক্ষ্য কৰি পদত্যাগ কৰে, কিছুদিনৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰা ফণী দত্তদেৱে আৰু দক্ষ প্ৰশাসক ৰূপে খ্যাতি অৰ্জা ডঃ টেইলৰেও নীতিগত কাৰণত পদত্যাগ কৰে। ডঃ টেইলৰৰ পদত্যাগে তেওঁৰ ব্যক্তিত্ব আৰু কোনো অনীতিৰ লগত আপোচ নকৰা মনোবৃত্তিৰ পৰিচয় দিয়ে। পৰীক্ষা আদি পিছুৱাই দিয়াৰ ক্ষেত্ৰত তেওঁ বলিষ্ঠ মত পোষণ কৰিছিল। এটা কথা লক্ষ্য কৰিব পাৰি যে উল্লিখিত পদত্যাগ আদিৰ মাজেৰে প্ৰশাসনীয় কেৰোণ সুস্পষ্ট হৈ পৰে; কিন্তু উপাচাৰ্য সকলে তেনে পৰিস্থিতিৰ লগত আপোচ কৰা নাই। তত্ৰাচ বৰ্দ্ধিষ্ণু অসন্তুষ্টি, ছাত্ৰ শক্তিৰ হেঁচা আদিয়ে শৈক্ষিক পৰিবেশত প্ৰভাৱ পেলাইছিল। দক্ষ প্ৰশাসক আৰু শিক্ষাবিদ মথুৰানাথ গোস্বামীদেৱৰ কাৰ্যকালত বিশ্ববিদ্যালয়ে পুনৰ কিছু সুস্থিৰ অৱস্থালৈ আহে। শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱাদেৱ ন্যাসৰ বিষয়ববীয়া হিচাপে বিশ্ববিদ্যালয়ৰ লগত পূৰ্বৰে পৰা জড়িত আৰু শিক্ষা বিভাগৰ এজন সুদক্ষ বিষয়া। তেখেতৰ নিষ্ঠা আৰু যোগ্যতাৰ বিষয়ে সন্দেহ কৰিব লগীয়া নাই। তথাপি এক অপ্ৰীতিকৰ পৰিস্থিতিৰ লগত তেওঁ জড়িত হৈ পৰে আৰু পদত্যাগ কৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস এটিত পুলিচৰ অনুপ্ৰৱেশক কেন্দ্ৰ কৰি ঘটিছিল এই দুৰ্ভাগ্যজনক ঘটনা যাৰ লগত ৰাজখোৱাদেৱ প্ৰত্যক্ষ কোনো সম্পৰ্ক নাই। এই ঘটনাৰ বাবে কোন জগৰীয়া মোৰ বিচাৰ্য বিষয় নহয়; কিন্তু সেই ঘটনাই শিক্ষক-ছাত্ৰ আৰু প্ৰশাসনৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলায় আৰু এক অশুভ শক্তিয়ে গা কৰি উঠে। ছাত্ৰ সকলৰ প্ৰভাৱ বাঢ়ে আৰু এই সময়ৰ মাধ্যম আন্দোলন শিক্ষাৰ পৰিবেশ সৃষ্টিত বাধা স্বৰূপ হৈ পৰে। নিয়মিত পাঠদান আদিও বাধাপ্ৰাপ্ত হয়। এই অস্থিৰ পৰিবেশৰ মাজতেই ডঃ হিতেন্দ্ৰ কুমাৰ বৰুৱাদেৱে কাৰ্যভাৰ গ্ৰহণ কৰে ১৯৭৪ চনৰ জুলাই মাহত। আৰম্ভণিৰ পৰাই তেওঁ পিকেটিং আদিৰ সমুখীন হ'ব লগীয়াত পৰে আৰু পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটিবলৈ ধৰে। মোৰ বোধেৰে ১৯৭৪ চনৰ পৰাই প্ৰশাসনৰ নিয়ন্ত্ৰণ শিথিল হয়। আৰু ১৯৭৮ চনৰ পৰা অৰ্থাৎ অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ কালছোৱাত প্ৰশাসন বঠাহীন নাওৰ দৰে ওপঙি থাকে মাথোন। এই কালছোৱাত প্ৰকৃতাৰ্থত ছাত্ৰ সকলৰ শাসন চলে আৰু নিকা প্ৰশাসনৰ নামত অপ্ৰিয় হোৱাতকৈ 'যেন তেন প্ৰকাৰেণ' চাকৰি ৰক্ষা কৰাৰ মানসিকতাই বৰমুৰীয়া সকলকো প্ৰভাৱান্বিত কৰিছিল আৰু এচাম ছাত্ৰই এই পৰিস্থিতিৰ সুবিধা আদায় কৰিছিল।

অৱশ্যে ইয়াৰ আগতে ১৯৭০-৭১ চনত ছাত্ৰৰ আন্দোলন সাপেক্ষে ক্লাছত উপস্থিতিৰ বাধ্যবাধকতা তুলি দিয়াৰ সময়তেই প্ৰথমে শিক্ষাদান পদ্ধতি বাধাগ্ৰস্ত হৈছিল আৰু ছাত্ৰ-ছাত্ৰীয়ে শদিয়া বা ধুবুৰীত চাকৰি কৰিও নিয়মীয়া ছাত্ৰ হিচাপে পৰীক্ষা দিয়াৰ উপৰিও বৃত্তিৰ টকা আদায় কৰাৰ সুবিধা পাইছিল। সেই সময়তেই ছাত্ৰ সকলৰ বিশ্ববিদ্যালয় ক'টলৈ


ফটোঃ প্ৰসেনজিৎ দুৱৰা
*গ্ৰন্থাগাৰত স্থানৰ অভাৱত অবিজ্ঞানসন্মত ভাবে ৰখা*

নিৰ্বাচনৰ সুযোগ দিয়াত ক্ষমতা সম্বন্ধে তেওঁলোক অধিক সচেতন হৈ উঠিছিল। তাৰ ফলশ্ৰুতি, নাম ভৰ্তি, পৰীক্ষা পিছুৱাই দিয়া, ৰুটিনত অনাৱশ্যকীয় ভাবে বিৰতি দিয়া আদি কাৰ্যত ছাত্ৰ সকলৰ অবাধ হস্তক্ষেপ। ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ ফলস্বৰূপে মাধ্যমৰ পৰিবৰ্তন ঘটাত আৰু অন্তৰ্বৰ্তী কালছোৱাত উপযুক্ত পাঠ্য-পুথিৰ অভাৱে শিক্ষাৰ মান অৱনমিত কৰিছিল। পাঠ গ্ৰহণ কৰাত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰী অসুবিধাৰ সমুখীন হৈছিল।

দাবীৰ পৰিপ্ৰেক্ষিতত যধেমধে বিভাগ সমূহত আসন বঢ়াই দিয়াত শিক্ষক ছাত্ৰৰ অনুপাতৰ ভাৰসাম্য হেৰাই যোৱাটো এটি উল্লেখযোগ্য দিশ। অনুপাতৰ ভাৰসাম্য শিক্ষাৰ মান ৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ।

১৯৭৮ চনত নিযুক্ত বিশ্ববিদ্যালয় সম্পৰ্কীয় অনুসন্ধান আয়োগে (শৰ্মা আয়োগ) দুৰ্নীতি সম্পৰ্কীয় বিশেষ একো নেপালে যদিও তাৰ ফলশ্ৰুতি ৰূপে সুদীৰ্ঘ দিন কাৰ্য নিৰ্বাহ কৰা পঞ্জীয়ক আৰু পৰীক্ষা নিয়ন্ত্ৰকে পদত্যাগ কৰাৰ ফলত প্ৰশাসনীয় বেমেজালিৰ সৃষ্টি হোৱাৰ উপৰিও বিষয়া সকলৰ মাজৰ পৰা আগ ভাগ আৰু দায়িত্ব মূৰ পাতি লৈ কাম কৰাৰ উৎসাহ কমে। ছাত্ৰ সকলৰ লগতে এচাম শিক্ষকো জড়িত হৈ পৰাত দেখদেখকৈ শিক্ষক-ছাত্ৰ সকলৰ মাজতো বিভাজনৰ লক্ষণ দেখা দিয়ে আৰু জনমানসত বিশ্ববিদ্যালয় সম্পৰ্কে প্ৰতিকূল ভাবে ঠাই পায়। অসম আন্দোলনে বিশ্ববিদ্যালয়ৰ অৱশিষ্ট নিয়ন্ত্ৰণো মষিমূৰ কৰি পেলায়। তাৰ পিছৰ ইতিহাস – মাত্ৰ গতানুগতিক ভাবে বৰ্তি থকাৰ ইতিহাস।

মোৰ বোধেৰে বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ আৰু এটি প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কিছু হ্ৰস্বকালীন আৰু দীৰ্ঘম্যাদী ব্যৱস্থাৰ প্ৰয়োজন। তাৰ বাবে মোৰ পৰামৰ্শ হ'লঃ

১। যুগৰ অগ্ৰগতি আৰু বাস্তৱ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি আৰু লগতে উন্নত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি পাঠ্যক্ৰম সমূহ সময়ে সময়ে মূল্যায়ন কৰি প্ৰয়োজনবোধে তাৰ সংশোধন, পৰিবৰ্তন আৰু পৰিবৰ্ধন কৰা উচিত।

'কমিটী অব ক'ৰ্ছেজ এন্ড ষ্টাডিজ' এটি আলংকাৰিক সমিতি নহৈ পাঠ্যক্ৰম পৰিমাৰ্জিত কৰা সক্ৰিয় সমিতি হোৱা উচিত।

২। ভোটাৰ তালিকাৰ দৰে সুদীৰ্ঘ কাৰ্যসূচীৰ অন্ত পেলাবলৈ একাডেমিক কাউন্সিলৰ কাৰ্যসূচীৰ যি মাৰাথন দৌৰ চলে তাৰ সংশোধন কৰি শিক্ষা বিষয়ৰ আলোচনাৰ বাবে অধিক সময় ব্যয় কৰা উচিত।

৩। শিক্ষক সকলৰ নিযুক্তিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় সদায় সমালোচনাৰ ঊৰ্দ্ধত থকা উচিত। উপযুক্ত শিক্ষকৰ নিযুক্তিয়ে বিশ্ববিদ্যালয়ৰ সুনাম অনাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মনতো আস্থা আৰু বিশ্বাসৰ ভাব জগাই তোলে।

৪। যধেমধে আসন বঢ়াই দিয়াৰ ফলত শিক্ষক-ছাত্ৰৰ অনুপাত সুৰক্ষিত হোৱা নাই যাৰ ফলত পাঠদান আৰু পাঠ গ্ৰহণ বাধা প্ৰাপ্ত হৈছে।

৫। শিক্ষক-বিষয়া নিযুক্তিৰ ক্ষেত্ৰত ছাত্ৰৰ হস্তক্ষেপে প্ৰশাসনীয় দুৰ্বলতাৰ কথাই প্ৰমাণ কৰে। বহুতো নিযুক্তি বন্ধ ৰখাৰ সিদ্ধান্ত কৰাৰ পিছত ভিতৰুৱা হেঁচাৰ বাবে তৎকালেই নিযুক্তিৰ ব্যৱস্থা কৰা হয়। কেতিয়াবা ছাত্ৰৰ হস্তক্ষেপৰ বাবে শিক্ষকৰ নিয়োগো বন্ধ ৰাখিব লগীয়া হয়। মোৰ পৰামৰ্শ এয়ে যে কৰ্তৃপক্ষৰ সিদ্ধান্ত সুস্থিৰ আৰু সুচিন্তিত হ'ব লাগে – আৰু এবাৰ সিদ্ধান্ত লোৱাৰ পিছত যাতে বাৰম্বাৰ তাৰ পৰিবৰ্তন কৰিব লগীয়া নহয়।

৬। শ্ৰেণীত ছাত্ৰৰ উপস্থিতি ছাত্ৰৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ১৯৭১ চনৰ পৰাই সাময়িক ভাবে ৰহিত হোৱাৰ পিছত পৰৱৰ্তী নিয়ম সত্ত্বেও বহুবিভাগত উপস্থিতিৰ ওপৰত গুৰুত্ব দিয়া নহয়। তাতে ফাইন দি নাম মাত্ৰ উপস্থিতি থকা ছাত্ৰয়ো পৰীক্ষা দিয়াৰ যোগ্যতা অৰ্জন কৰিব পৰা হোৱাত পাঠদান গ্ৰহণ দুয়োটাই বাধাগ্ৰস্ত হৈছে। এই বিষয়টো পুনৰ বিবেচনা কৰিব লাগে।

৭। পৰীক্ষা সমূহ নিয়মীয়া কৰিব নোৱাৰিলে বিশ্ববিদ্যালয়ৰ এই অস্থিৰতা আঁতৰ নহয়। পৰীক্ষা, নতুন নাম ভৰ্তি আদিৰ ক্ষেত্ৰত পৰীক্ষা নিয়ন্ত্ৰণৰ দায়িত্বত থকা লোকতকৈ বিভিন্ন দাবী বা ওপৰ মহলৰ সিদ্ধান্তৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে – যাৰ ফলত জোৰকৈ পৰীক্ষা পাতিলেও সময়ত ফলাফল ঘোষণা কৰিব নোৱৰা অৱস্থা এটিৰ সৃষ্টি হৈছে। কাৰ্য নিৰ্বাহক সভাই বহু সময়ত প্ৰকৃত পৰিস্থিতিৰ উমান নেপায়। হেঁচাৰ ওপৰত সিদ্ধান্ত গ্ৰহণ যিমান দিনলৈ চলি থাকিব সিমান দিনলৈ পৰীক্ষা নিয়মীয়া কৰিব নোৱাৰি।

৮। বিশ্ববিদ্যালয়ৰ নাম ভৰ্তি এটি প্ৰহসনত পৰিণত হৈছে। অনভিজ্ঞ বিষয়াৰ হাতত পৰি নিম্নমানৰ বহুতো ছাত্ৰই নাম ভৰ্তিৰ সুবিধা পাইছে আৰু কৃতী ছাত্ৰ বঞ্চিত হৈছে।

নাম ভৰ্তি সম্পূৰ্ণৰূপে বিভাগীয় তত্ত্বাবধানত হোৱা উচিত আৰু সচিবৰ হস্তক্ষেপত যাতে কোনো বেমেজালিৰ সৃষ্টি নহয় তাৰ বাবে কৰ্তৃপক্ষই স্পষ্ট নিৰ্দেশ দিয়া উচিত। এই গুৰুত্বপূৰ্ণ বিষয়ত হস্তক্ষেপ কৰা যি কোনো ব্যক্তিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লবলৈ কৰ্তৃপক্ষই কুণ্ঠাবোধ কৰিব নেলাগে।

৯। একষ্ট্ৰা কেৰিকুলাৰ এক্টিভিটি' মানে কি – এই বিষয়ে একাডেমিক কাউন্সিলে পূৰ্ণ পৰ্যায়ৰ বিতৰ্ক সাপেক্ষে এটা সিদ্ধান্ত লোৱা উচিত। এতিয়াৰ বৰ্তমান সূত্ৰ ত্ৰুটিপূৰ্ণ আৰু হাস্যকৰ। এনে সূত্ৰৰ সুৰুঙাৰে পাৰ হৈ চুচৰি বাগৰি পাৰ হোৱা ছাত্ৰই নাম ভৰ্তি কৰাৰ সুযোগ গ্ৰহণ কৰিছে।

১০। শৈক্ষিক বছৰৰ ভিত্তিত ছাত্ৰাবাসত চিট দিয়াৰ ব্যৱস্থা গ্ৰহণ নকৰিলে শৈক্ষিক পৰিবেশ কেতিয়াও ঘূৰাই আনিব নোৱাৰি। বৰ্তমান যি কোনো অজুহাতত ছাত্ৰ সকলে হোষ্টেলত থকাৰ সুবিধা লয় আৰু সচিবৰ অফিছে কোনো কাৰ্যকৰী ব্যৱস্থা নোলোৱাৰ ফলত এই অবৈধ আবাসীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে।

১১। এখন কাৰ্যকৰী কৰিব পৰা একাডেমিক কেলেণ্ডাৰ প্ৰস্তুত কৰি তাক মানি চলাৰ ব্যৱস্থা নকৰিলে এনেবোৰ খেলিমেলিৰ অন্ত নপৰে। এব্যাৰ সিদ্ধান্ত লোৱাৰ পিছত পৰীক্ষা পিছুৱাই দিয়া, পৰীক্ষাৰ মাজত দহ-বাৰ দিনকৈ বিৰতি দিয়া ব্যৱস্থাৰ অন্ত পেলাব লাগিব। এটি শুভ লক্ষণ – স্নাতকোত্তৰ ছাত্ৰ সংস্থাই এইবাৰ পৰীক্ষা পিছুৱাই দিয়া ছাত্ৰৰ দাবী সমৰ্থন কৰা নাই।

১২। নাম ভৰ্তিৰ বাবে কৰ্তৃপক্ষই চম্ভালিব পৰাকৈ ব্যৱস্থা ল'ব লাগে – কোনো দাবীৰ ওপৰত ভিত্তি কৰি নহয়। সামগ্ৰিক ভাবে চিন্তা নকৰাকৈ দাবী পূৰণ কৰিবলৈ যোৱা মানসিকতাই বছৰে বছৰে জঞ্জালৰ জাঁজী বৃদ্ধি কৰিছে মাথোন।

১৩। গৱেষণাৰ কথা মই প্ৰথম প্ৰশ্নৰ উত্তৰত সামান্য ভাবে উল্লেখ কৰিছো। আমাৰ বিশ্ববিদ্যালয়ত কেইটামান বিভাগে এই বিষয়ত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। গৱেষণাত উৎসাহ যোগোৱাৰ বাবে উপযুক্ত আৰ্থিক সাহায্যৰ ব্যৱস্থা, সুকীয়া হোষ্টেলৰ ব্যৱস্থা আৰু কৃতী গৱেষক সকলক আন সকলো ধৰণে উৎসাহ যোগোৱা উচিত। গৱেষণা কাৰ্য তৎপৰতাৰে নিৰীক্ষণ কৰাৰ ব্যৱস্থা থাকিব লাগে যাতে অৰ্থ সাহায্য পোৱা গৱেষকে গৱেষণাত অধিক মনোনিবেশ কৰে। গৱেষণাৰ ক্ষেত্ৰত অৰ্হতাই একমাত্ৰ মাপকাঠি হোৱা উচিত।

১৪। পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত বৰ্তমান থকা নিয়মে বহু বেমেজালিৰ সৃষ্টি কৰিছে। যিবিলাক বিভাগে পাঠ্যক্ৰম শেষ কৰিছে তেনে বিভাগে যাতে পৰীক্ষা পাতিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। কেতিয়াবা এটা বিষয়ৰ পাঠদান সম্পূৰ্ণ নোহোৱা বাবে সমূহ পৰীক্ষাকেই পিছুৱাই দিব লগীয়া হয়। বিভাগক পৰীক্ষা পৰিচালনাৰ দায়িত্ব দি পৰীক্ষা নিয়ন্ত্ৰকে সহযোগ আগবঢ়ালে দিল্লী আদি বিশ্ববিদ্যালয়ৰ দৰে সময় মতে বিভাগীয় পৰীক্ষা সমূহ সম্পন্ন কৰিব পৰা যাব।

১৫। এই সমগ্ৰ ব্যৱস্থাত কাৰ্য নিৰ্বাহিক সভাই আগ ভাগ ল'ব লাগিব। তেওঁলোকেও সুদীৰ্ঘ কাৰ্যসূচী অন্ত কৰাৰ তাগিদাত কাম কৰি গলে কোনো পৰিবৰ্তনেই সম্ভৱপৰ হৈ নুঠিব। ছাত্ৰাবাস, নাম ভৰ্তি আদিৰ অনিয়মৰ বিষয়ে তেওঁলোকে যদি এটি নেতিবাচক মনোবৃত্তি গ্ৰহণ কৰে বা গতানুগতিক ভাবে কাৰ্য সম্পাদন কৰি যায় তেনেহলে বিশ্ববিদ্যালয়ৰ হৃত গৌৰৱ ঘূৰি নাহে।

১৬। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু কাৰ্যনিৰ্বাহিক সভাই স্নাতকোত্তৰ ছাত্ৰ সংস্থা আৰু কৰ্মচাৰী সকলৰ বিভিন্ন দাবী, অনিয়ম আদিৰ বিষয়ে চিন্তা-চৰ্চা কৰোতেই অধিক সময় ব্যয় কৰিব লগীয়া হয়। সিদ্ধান্ত গ্ৰহণৰ অনিশ্চয়তাই বা অপাৰগতাই অধিক সমস্যাৰ সৃষ্টি কৰিছে। তেওঁলোকে সামগ্ৰিক ভাবে বিশ্ববিদ্যালয়ৰ কথা চিন্তা কৰা উচিত। সিদ্ধান্ত লব নোৱৰাতো আৰু কেতিয়াবা সিদ্ধান্ত লৈ কাৰ্যকৰী কৰিব নোৱৰা অৱস্থাই প্ৰশাসন দুৰ্বল কৰি পেলাইছে। ছাত্ৰ-শিক্ষক-বিষয়া অসন্তুষ্ট হৈ থাকিলে বিশ্ববিদ্যালয়ৰ পৰিবেশ কেতিয়াও সুস্থ হ'ব নোৱাৰে।

১৭। ডঃ ৰাধাকৃষ্ণণে গ্ৰন্থাগাৰ বিশ্ববিদ্যালয়ৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বুলি কৈছে যদিও প্ৰকৃততে গ্ৰন্থাগাৰৰ ওপৰত গুৰুত্ব দিয়া নহয়। ছাত্ৰ-কৰ্মচাৰীয়ে বন্ধ ঘোষণা কৰিলে কেইবা সপ্তাহো ধৰি গ্ৰন্থাগাৰ বন্ধ থাকে। যি কোনো পৰিস্থিতিৰ মাজত বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ খুলি ৰখাৰ ব্যৱস্থা কৰা উচিত। আৰ্থিক অনাটনৰ বাবে আলোচনী আদি বন্ধ ৰখা, প্ৰয়োজন অনুপাতে কিতাপ কিনিবলৈ টকাৰ যোগান ধৰাত ব্যৰ্থ হোৱাটো শৈক্ষিক পৰিবেশ সৃষ্টিৰ বাবে শুভ লক্ষণ নহয়। এইবিষয়ে সুস্পষ্ট সিদ্ধান্ত দৰকাৰ।

১৮। আৰ্থিক অসুবিধাৰ বাবে বিশ্ববিদ্যালয়ৰ বহু কাৰ্যত বাধাৰ সৃষ্টি হৈছে। ৰাজনীতিয়ে বহু সময়ত চৰকাৰৰ সিদ্ধান্ত প্ৰভাৱান্বিত কৰিছে। বিশ্ব-বিদ্যালয় তেনে ৰাজনীতিৰ ঊৰ্দ্ধত থকা উচিত আৰু চৰকাৰেও বিশ্ববিদ্যালয়ক লৈ ৰাজনীতি খেলাৰ চিন্তা পৰিহাৰ কৰা উচিত। শৈক্ষিক পৰিবেশ গঢ়ি উঠিলেই এনে অৱস্থাৰ অন্ত পৰিব বুলি ভাবো।

প্ৰশাসনীয় অভিজ্ঞতাপুষ্ট কৃতী শিক্ষাবিদ বৰ্তমানৰ উপাচাৰ্য ডঃ নিৰ্মল কুমাৰ চৌধুৰী দেৱে এনেবোৰ সমস্যা কেনেদৰে চম্ভালিব পাৰে তাৰ ওপৰতেই বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰি অহাটো নিৰ্ভৰ কৰিছে।

## ছাত্ৰ-ছাত্ৰী সকলৰ বক্তব্য

সত্যব্ৰত কলিতা

*সম্পাদক, স্নাতকোত্তৰ ছাত্ৰ সংস্থা*

গুৱাহাটী বিশ্ববিদ্যালয় অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বহু আকাংক্ষিত উচ্চ শিক্ষাৰ অনুষ্ঠান। অসমৰ বহুতো অভাৱ অভিযোগৰ বিপৰীতে এক মূল্যবান সম্পদ। এই বিশ্ববিদ্যালয়ৰ এক সুকীয়া ঐতিহ্য আৰু পৰম্পৰা আছে। অসমৰ জাতীয় জীৱনৰ প্ৰতিটো শুভ কামৰ আৰম্ভণি বিশ্ববিদ্যালয়ত হোৱা উচিত আৰু বিশ্ববিদ্যালয়ে অসমৰ শিল্প-সংস্কৃতি, ভাষা কৃষ্টি, অৰ্থনৈতিক, সামাজিক আনকি ৰাজনৈতিক দিশৰো দিশ নিৰ্ণয়কাৰী ভূমিকা গ্ৰহণ কৰিব লাগে। বিশ্ববিদ্যালয়ৰ জন্মৰ বেদনাই "এই বিশ্ববিদ্যালয়ক" অসমৰ জনসাধাৰণৰ ওচৰত দায়বদ্ধ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৌৰৱ উজ্জ্বল পৰিচয় নাই বুলি কোৱা কথা আৰু অধঃপতন আৰু অৱক্ষয়ৰ বুলি কোৱাতকৈ গুৱাহাটী বিশ্ববিদ্যালয়ক এক নতুন দিশ বা নতুন গতিলৈ আগবঢ়াই নিয়াটোহে আমাৰ আটাইৰে নৈতিক দায়িত্ব বুলি বিবেচনা হওক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আত্মসন্তুষ্টিৰ কেন্দ্ৰস্থল হৈ পৰিছে। লক্ষ্যহীন শিক্ষা ব্যৱস্থাত স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলো আনকি দিশভ্ৰষ্ট হ'ল যিটো বিশ্ববিদ্যালয়ৰ বাবেই নহয় সমগ্ৰ দেশ আৰু জাতিৰ বাবেই হয়তো অৱক্ষয়ৰ মূল কাৰণ। এই ব্যৱস্থাই কেৱল হতাশা আৰু ক্ষোভৰ সৃষ্টি কৰিলে। যাৰ বাবে এক সুস্থ বাতাবৰণ বা পৰিবেশৰ অভাৱ আমি সকলোৱেই অনুভৱ কৰিছো। আমাৰ প্ৰগতিত পৰিবেশে বাধা দিলে নে শিক্ষা ব্যৱস্থাই বা সামাজিক ব্যৱস্থাই এনে অস্থিৰ পৰিবেশ সৃষ্টি কৰিলে সেই কথাটো বিতৰ্কৰ মাজলৈ অহাটো উচিত, তেতিয়াহে শৈক্ষিক দিশলৈ এক শুভ পৰিবেশ অহাটো সম্ভৱপৰ হৈ উঠিব।

[বিশ্ববিদ্যালয় পূৰ্বৰ নিচিনাকৈ ৰাইজৰ জনসাধাৰণৰ শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হব লাগিব। যাৰ বাবে হয়তো চৰকাৰী প্ৰতিটো অনুদানৰ প্ৰতি আশা নকৰি ৰাইজৰ দান-বৰঙণিৰে বিশ্ব-বিদ্যালয়ৰ বিভিন্ন অভাৱ পূৰণ কৰিব পৰা যাব। ছাত্ৰ, শিক্ষক, কৰ্মচাৰী আৰু কৰ্তৃপক্ষৰ মাজত সমন্বিত এক শক্তিৰ অভাৱ আমি লক্ষ্য কৰিছো। আন্দোলনৰ ফলত ক্ষতি হোৱা সময়খিনি পূৰণৰ কাৰণে আমি এক আন্দোলনত ব্ৰতী হব লগা হৈছে। এই সময়খিনিৰ কাৰণেই হয়তো আমি অন্য ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ তুলনাত পিছ পৰি আছো। আনহাতে আগতে কোৱাৰ নিচিনাকৈ বৌদ্ধিক আৰু শৈক্ষিক দিশত পৰোক্ষ বা প্ৰত্যক্ষ ভাবে পৰিবেশকেই জগৰীয়া বুলি ক'ব লাগিব। এই কাৰণেই গুৱাহাটী বিশ্ববিদ্যালয়ে ভৱিষ্যতৰ প্ৰতিশ্ৰুতি আৰু নতুন দিশ স্তিমিত হোৱা আমি লক্ষ্য কৰিছো। এই কামৰ দায়িত্ব আমি সকলোৱেই গ্ৰহণ কৰিলে বিশ্ববিদ্যালয়ে আমাৰ আকাঙ্ক্ষিত সকলো পূৰা কৰিবলৈ নিশ্চয় সক্ষম হব।]

OKDISCD

আগৰ প্ৰশ্নতেই এই কথা উল্লেখ কৰা হৈছে যে সামাজিক ব্যৱস্থাৰ মাজতেই এক অশুভ পৰিবেশৰ সৃষ্টি হৈছে, তথাপিও ছাত্ৰ, শিক্ষক আৰু কৰ্তৃপক্ষই কেইটামান দিশৰ প্ৰতি গুৰুত্ব দিলে বিশ্ববিদ্যালয়খনক এটা বৌদ্ধিক পৰিবেশৰ মাজলৈ অনাটো সম্ভৱপৰ হব। আমি স্নাতকোত্তৰ ছাত্ৰ সংস্থাই পৰীক্ষা সমূহ সময়মতে পতা আৰু ফলাফল সময়মতে দিয়াত গুৰুত্ব আৰোপ কৰিছো। ছাত্ৰ-ছাত্ৰীসকলৰ কিছু অংশই পৰীক্ষা পিছুৱাবলৈ হেঁচা প্ৰয়োগ কৰিছিল যদিও সেই হেঁচাত পতিয়ন নোযোৱাত পৰীক্ষাসমূহ সময়মতে হ'ল কিন্তু ফলাফল যদি সময়মতে নোলায় পৰীক্ষা সময়মতে পতাৰ গুৰুত্বটো নিশ্চয় নাথাকিব। ফলাফল সোনকালে ওলোৱাৰ পিছত সময়মতে নাম ভৰ্তিকৰণ আৰু সময়মতে শ্ৰেণীসমূহ হোৱাটো একান্ত প্ৰয়োজনীয় কথা। তদুপৰি ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সুব্যৱস্থা অতি জৰুৰী বুলি বিবেচিত হব লাগে। আনকি শিক্ষক কৰ্মচাৰীৰ আবাস গৃহ সমূহো অগ্ৰাধিকাৰ পোৱা উচিত। বিশ্ববিদ্যালয়ৰ চৌহদতেই খেলা-ধূলাৰ সম্পূৰ্ণ ব্যৱস্থা আৰু সকলো সময়তেই পুথি ভঁড়াললৈ যাব পৰা ব্যৱস্থা থাকিব লাগে। চৰকাৰী, বেচৰকাৰী সকলো বন্ধৰ পৰাই পুথি ভঁড়াল সমূহক ৰেহাই দিয়াটো প্ৰয়োজন। বিশ্ববিদ্যালয়ত অসমৰ সম্পদৰাজিৰ ওপৰত প্ৰকৃত অধ্যয়নৰ ব্যৱস্থা থাকিব লাগে। যেনে চাহ শিল্প, বন উদ্যোগ, পৰ্যটন বিভাগ, লোকসেৱা বা লোক প্ৰশাসন আদি বিভাগ সমূহৰ নতুন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা উচিত।

ছাত্ৰ-ছাত্ৰীসমূহৰ নিম্নতম অভাৱ সমূহ পূৰণ হ'লে "গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ শিক্ষা অনুষ্ঠান," এই বিশ্ববিদ্যালয় "আমাৰ সম্পদ আৰু প্ৰগতিৰ মূল ভেটি" বুলি গণ্য কৰি আটাইৰে সমন্বিত প্ৰচেষ্টা থাকিলে ই প্ৰকৃত অৰ্থত প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে প্ৰতিশ্ৰুতি বহণ কৰিবলৈ সক্ষম হব।

◆


কুমাৰী দীপিকা দাস

*ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়,*

*আইন মহাবিদ্যালয়*


আজি দুকুৰি তিনি বছৰেই আমাৰ এই গুৱাহাটী বিশ্ববিদ্যালয়খনে লুইতৰ পাৰ জিলিকাই ৰাখিছে। ১৯৪৮ চনৰ ২৬ জানুৱাৰীত প্ৰাণ পোৱা এই বিশ্ববিদ্যালয়খন ঐতিহ্যমণ্ডিত। গুৱাহাটী বিশ্ববিদ্যালয়খনৰ প্ৰথম উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ আৰু তেতিয়াৰ শ্ৰেণী সমূহৰ সচিব বিৰিঞ্চি কুমাৰ বৰুৱাদেৱ আদিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত যি অগ্ৰগতি লাভ কৰিব পাৰিছে, সেই বাবেই সৰ্বভাৰতীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। কাৰণ সেই সময়ৰ যি শৈক্ষিক পৰিবেশ, সেই পৰিবেশ আজি অধঃপতন বা বিনষ্ট শব্দৰে মাত্ৰ নামকৰণৰ মই পক্ষপাতি নহয়। কাৰণ বিশ্ববিদ্যালয়ৰ আগৰ গৌৰৱ উজ্জ্বল যি পৰিচয়, সেই পৰিচয় আজিও গুৱাহাটী বিশ্ববিদ্যালয়ে বহণ কৰি আহিছে। যিহেতু আগতকৈ আজিকালি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আহিছে আৰু বহুজন ছাত্ৰ সুখ্যাতিৰে আত্মপ্ৰতিষ্ঠাৰ বাবে এই বিশ্ববিদ্যালয়-খনৰ পৰাই ওলাই গৈছে। আনহাতে গৱেষণামূলক প্ৰশ্ন সমূহৰ লগত সংগতি থকা বিষয় সমূহৰ মানদণ্ড সম্পূৰ্ণ ভাবে ঠিকেই আছে বুলি মোৰ বোধ হয়। অৱক্ষয়ৰ সময় সীমাৰ কথাত আমি যদি বিহংগম দৃষ্টিৰে চাওঁ এই কথা ক'ব পাৰি যে বিগত আন্দোলনৰ পৰা বিশ্ববিদ্যালয়ৰ যি এটা বছৰ অপচয় হ'ল সেই অপচয়কো মোৰ বোধেৰে অপাৰ বুলি নাভাবো। যিহেতু আমাৰ জাতীয় স্বাৰ্থৰ বাবেই এই আন্দোলন। আনহাতে পৰীক্ষা পিছুওৱাৰ ফলত ছাত্ৰ সকলৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত বাধা বা অধঃপতন হোৱা বুলি ক'ব নোৱাৰো। সেই বুলি পৰীক্ষা পিছুওৱাৰ পক্ষপাতিত্ব মই নকৰো। অৱশ্যে কিছুমান অ-প্ৰীতিকৰ ঘটনা বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰত নঘটা নহয়। তথাপি যেন ছাত্ৰসকলে বিশ্ববিদ্যালয়ৰ শৃংখলাবদ্ধতা গঢ়ি তোলাত ছাত্ৰসকলে কৃপণালি কৰা নাই। সাম্প্ৰতিক অসমৰ অসুস্থ বাতাবৰণৰ তুলনাত আমাৰ বিশ্ববিদ্যালয়ত পৰিবেশ নষ্ট হৈছে বুলি ক'ব নোৱাৰি। আগৰ শিক্ষক, ছাত্ৰ, কৰ্তৃপক্ষ, কৰ্মচাৰীৰ যি মধুৰ সম্পৰ্ক সেই সম্পৰ্ক আজিও মধুৰ হৈয়ে আছে। এই সৰু সৰু ঘটনাবোৰে বিশ্ববিদ্যালয়ৰ শৈক্ষিক জীৱনত বৌদ্ধিক পৰিপূৰ্ণতাৰ বাটত হেঙাৰ পুতিছে বুলি মই নাভাবো।

সুস্থ শৈক্ষিক বাতাবৰণৰ ক্ষেত্ৰত মোৰ সীমাবদ্ধ জ্ঞানেৰে এনে পৰামৰ্শ দিয়াটো সহজ নহয়। তথাপি ভাবো "বিশ্ববিদ্যালয়" শব্দটোক ঠেক গণ্ডীৰ ভিতৰলৈ ননাকৈ, স্বৰূপাৰ্থত তাৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তা আমি সকলোৱে উপলব্ধি কৰাটোৱেই মূল কথা। কাৰণ সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তুলিব নোৱৰা প্ৰশ্নটো ছাত্ৰৰ মাজত উঠিব নোৱাৰে। বিশ্ববিদ্যালয় এখনৰ শৈক্ষিক পৰিবেশ আৰু সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত ছাত্ৰৰ ভূমিকা গুৰুতৰ। আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক আদি বিভিন্ন দিশৰ উন্নতিৰ বাবে ছাত্ৰসকল, শিক্ষক, কৰ্তৃপক্ষ আৰু বিভাগীয় কৰ্মচাৰী সকলৰ লগত সহৃদয়তাৰে সহযোগিতা কৰিলেহে বৌদ্ধিক চিন্তা চৰ্চাৰ পথ সুগম হব বুলি মই ভাবো।

◆


গিৰীন্দ্ৰ দাস

*ছাত্ৰ, ৰাজনীতি বিজ্ঞান বিভাগ*


ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা প্ৰথম ছয় মাহৰ ভিতৰত অসম তথা ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ, লুইতৰ পাৰ জিলিকাবলৈ স্থাপন কৰা "গুৱাহাটী বিশ্ববিদ্যালয়" লক্ষ্যত উপনীত হব পাৰিছেনে নাই সেয়া নিঃসন্দেহে প্ৰতিজন সচেতন ব্যক্তিৰেই প্ৰশ্ন হব। ১৯৪৮ চনতে স্থাপন কৰা বিশ্ববিদ্যালয়খনে সমগ্ৰ দেশৰ ভিতৰতে এক গৌৰৱ উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছিল। কিছু বছৰৰ আগৰ এক সমীক্ষা মতে ভাৰতৰ বিশ্ববিদ্যালয় সমূহৰ তুলনাত চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু আজি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই গৌৰৱোজ্জ্বল পৰিচয় নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা ঠিক কেতিয়াৰ পৰা হ'ল সেই প্ৰশ্নৰ উত্তৰ বিচাৰি আমি ইয়াৰ তিয়াল্লিশ বছৰৰ ইতিহাস চাব লাগিব। বোধকৰো ১৯৪৮ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৫৭ চনৰ ২২ ফেব্ৰুৱাৰীলৈ এই সময়ছোৱাই হব আটাইতকৈ গৌৰৱোজ্জ্বল সময়। নৱ প্ৰতিষ্ঠাপিত বিশ্ববিদ্যালয় হিচাপে যি গতিত আগুৱাইছিল সেই একেই গতি আজিকোপতি অব্যাহত থকা হ'লে এই প্ৰশ্নোত্তৰ সম্পূৰ্ণই বেলেগ হ'লহেঁতেন। ইয়াৰ মূলতে আছিল পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ। যিজনা মহান পুৰুষৰ মহানতাই কঢ়িয়াই আনিছিল এক গৌৰৱোজ্জ্বল অধ্যায়। যি গৰাকী মহান দাৰ্শনিকে ন বছৰৰো অধিক কাল গুৱাহাটী বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যৰ আসন শুৱনি কৰিছিল বিশ্ববিদ্যালয়খনৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা ষাঠি দশকৰ শেষৰ ফালে আৰু সত্তৰ দশকৰ প্ৰথম ভাগৰ পৰাই আৰম্ভ হ'ল বুলি ক'ব পাৰি।

বিশ্ববিদ্যালয় প্ৰশাসন বুলিলে মূলতঃ উপাচাৰ্যৰ প্ৰশাসন বুলি ক'লেও অত্যুক্তি কৰা নহব। উপাচাৰ্যৰ ব্যক্তিত্বই নিশ্চয় বিশ্ববিদ্যালয়ৰ প্ৰতিটো পদক্ষেপত প্ৰতিফলিত হব। ১৯৪৮ চনৰ পৰা (বৰ্তমানৰ উপাচাৰ্যৰ বাহিৰে) দহজন বিশিষ্ট শিক্ষাবিদ আৰু দাৰ্শনিকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ আসন শুৱনি কৰি গৈছে। প্ৰাক্তন দহজন উপাচাৰ্যৰ পাঁচজনে নিজ নিজ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতে স্বেচ্ছাই কিম্বা বাধ্যত পৰি পদত্যাগ কৰিছিল। কিয় আৰু কি পৰিস্থিতিত পৰি উপাচাৰ্যৰ পদ ইস্তফা দিছিল সেই কথাত সকলোৱে একমত হয়তো নহব। কিন্তু তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু ফলাফল যে বৰ্তমান বিশ্ববিদ্যালয়খনে ভুগিব লগা হৈছে তাত কাৰো দ্বিমত নিশ্চয় নাই। যিটো বিশ্ববিদ্যালয়খনৰ অধঃপতন আৰু অৱক্ষয়ৰ প্ৰথম কাৰণ বুলি ক'ব পাৰি। দ্বিতীয়তে প্ৰশাসনীয় দুৰ্বলতাই বিশ্ব-বিদ্যালয়খনক প্ৰকৃত লক্ষ্যত বাধাৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত যদিও মাজে সময়ে পণ্ডিত প্ৰবৰ সন্দিকৈৰ উত্তৰাধিকৰী সকলে গুৰুত্ব দিছিল, বহু কাৰণত সেইবোৰে কাৰ্যকৰী ৰূপ আশা কৰা মতে লোৱা নাছিল। প্ৰশাসনীয় সংস্কাৰৰ ক্ষেত্ৰত বৰ্তমান উপাচাৰ্য মহাশয় কিছু সচেতন যেন দেখিলেও এতিয়াও প্ৰশাসনীয় সংস্কাৰ হোৱা নাই যদিও কিছু পৰিবৰ্তনৰ ৰেঙণি দেখা গৈছে। তৃতীয়তে– আৰ্থিক সংকটৰ বাবে বিশ্ববিদ্যালয়খনিক আধুনিক ৰূপত গঢ়ি তুলিব পৰা নাই। এই ক্ষেত্ৰত কিছু কিছু দিশত প্ৰয়োজনীয় পুঁজিৰ অভাৱতকৈ বিশ্ববিদ্যালয় প্ৰশাসনৰ শুভ ইচ্ছাৰ অভাৱে দেখা দিছে। শুভ ইচ্ছাৰ অভাৱে ভালেমান আঁচনি গ্ৰহণ কৰিব পৰা নাই। চতুৰ্থতে– এখন সঠিক শৈক্ষিক দিনপঞ্জীৰ অভাৱে শৈক্ষিক বাতাবৰণত আঘাত কৰিছে। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে হোষ্টেলৰ অভাৱে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশত যথেষ্ট আঘাত কৰিছে আৰু বহুতো প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰাৰ পিছতো থকা মেলাৰ অভাৱত ঘৰলৈ ঘূৰি যাব লগা হৈছে। পঞ্চমতে– বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগত নাম ভৰ্তিকৰণত অনিয়ম আৰু এই ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশো অৱজ্ঞা কৰাৰ অভিযোগ আছে। ষষ্ঠতে– বিশ্ববিদ্যালয়খনৰ প্ৰতি বহু লোকৰ ভুল ধাৰণা আছে। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে এসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা অসমৰ প্ৰাক্তন ৰাজ্যপাল ডি ডি ঠাকুৰৰ লগত আমাৰ এক আলোচনাত বিশ্ববিদ্যালয়খনিৰ বিষয়ে বহুতো প্ৰশ্ন অৱতাৰণা কৰিছিল যি বিলাক প্ৰশ্নই বিশ্ববিদ্যালয়ৰ পৱিত্ৰতাত আঘাত নকৰাকৈ থকা নাছিল। স্বয়ং আচাৰ্যৰ মুখৰ পৰাই তেনে বিলাক সন্দেহজনক কথা শুনি এটা কথাই অনুমান হৈছিল যে গুৱাহাটী বিশ্ববিদ্যালয়খনিৰ প্ৰতি কিছু স্বাৰ্থপৰ ব্যক্তি তথা প্ৰশাসনৰ বহু ভুল ধাৰণা আছে। যাৰ ফলত হোষ্টেলত পুলিচ আৰু অৰ্ধ-সামৰিক বাহিনীৰ দ্বাৰা তালাচী চলোৱা হ'ল আৰু পুনৰ তালাচী হব পাৰে বুলি বিশ্ববিদ্যালয়ৰ সকলোৱেই আতংকিত। সপ্তমতে– বহুতো বাহিৰা ব্যক্তিয়ে বিশ্ববিদ্যালয়ৰ মাটি বে-দখল কৰিছে যিবিলাক বাহিৰা লোকৰ উপস্থিতিয়ে বিশ্ববিদ্যালয়ৰ জীৱন বিপদাপন্ন কৰি তুলিছে আৰু ভয়াবহ ভৱিষ্যতলৈ গতি কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ হ'লে আৰু ইয়াক প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কিছুমান অতি জৰুৰী কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় আৰু সেইবোৰ ক্ৰমে (১) বিশ্ববিদ্যালয় চৌহদৰ চাৰিসীমা তৎকালে নিৰ্ধাৰণ কৰি কাটা-তাঁৰৰ বেৰ দিয়া ব্যৱস্থা লব লাগে, (২) বিশ্ববিদ্যালয়ৰ সোঁ মাজেৰে যোৱা ৰাষ্ট্ৰীয় পথটো চৌহদৰ বাহিৰলৈ স্থানান্তৰ কৰি উক্ত পথত বাহিৰা যান-বাহন চলাচল বন্ধ কৰিব লাগে। (৩) বিশ্ববিদ্যালয় প্ৰশাসনত থকা আঁসোৱাহ দূৰ কৰি বিশেষ সংস্কাৰ সাধন কৰিব লাগে। (৪) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে হোষ্টেল নিৰ্মাণ অতি জৰুৰী ভাবে কৰিব লাগে। (৫) পৰীক্ষাসমূহ নিৰ্দিষ্ট সময়ত অনুষ্ঠিত কৰিব লাগে আৰু যিমান দূৰ সম্ভৱ সোনকালে ফলাফল ঘোষণা কৰিব লাগে। (৬) বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ আৰু বাহ্যিক উন্নতিৰ বাবে গৱেষণা হব লাগে। (৭) শিক্ষক আৰু কৰ্মচাৰী নিয়োগৰ বেলিকা বৈষম্য দূৰ কৰিব লাগে। (৮) বিশ্ববিদ্যালয় প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কঠোৰ নীতি বলবৎ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ দূৰ কৰিব লাগে। (৯) বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়খন এখন পূৰ্ণাংগ আইন মহাবিদ্যালয়ৰ কৰ্তৃত্ব প্ৰদানেৰে সকলো সুবিধা প্ৰদান কৰিব লাগে। (১০) বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী সকলৰ অসুবিধা সমূহ তৎকালে দূৰ কৰি সকলোকে সৰ্বান্তকৰণে সেৱা আগবঢ়াবলৈ অনুপ্ৰেৰণা যোগাব লাগে। (১১) মাটি বে-দখল মুক্ত কৰিব লাগে আৰু বিশ্ববিদ্যালয়ৰ লগত কোনো সম্পৰ্ক নথকা বাহিৰা লোকক চিনাক্ত কৰি চৌহদৰ পৰা বাহিৰ কৰিব লাগে। ইত্যাদি, ইত্যাদি।

◆


নিৰুপমা ভট্টাচাৰ্য

*ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়*


গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত প্ৰথম কেইবছৰমান এক অগ্ৰগামী যুগ সাপেক্ষ শিক্ষা প্ৰবৰ্তনৰ প্ৰতিশ্ৰুতিৰে আগবাঢ়ি গৈছিল। এক মহৎ আদৰ্শবোধৰ প্ৰেৰণা আৰু দায়িত্বৰে অসমৰ প্ৰথম /প্ৰধান উচ্চ শিক্ষাৰ কেন্দ্ৰস্থলখনত ৰাজ্যখনৰ স্বনামধন্য পণ্ডিত সকলে শিক্ষাদান কৰিছিল। বিশ্ববিদ্যালয়খন জালুকবাৰীত মুকলি কৰি ভূপেন হাজৰিকাই সেয়েহে "জিলিকাব লুইতৰে পাৰ, এন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয় জেউতি নিজৰাৰে ধাৰ" গীতটো গাইছিল। কিন্তু আজি সেই গৌৰৱোজ্জ্বল দিনৰ সমাধিত বহি আমি অনন্তকালৰ বাবে আশা কৰি আছো। নতুন চিন্তাধাৰাৰ বিকাশ ঘটাই বৌদ্ধিক চিন্তাচৰ্চা কৰাৰ যেন পৰিবেশ এটা নিঃশেষ হৈ আহিছে। আজিৰ বিশ্ববিদ্যালয় অসমীয়া জাতিৰ যেন সোৰোপালিৰ জ্বলন্ত নমুনা হৈ পৰিছে।

দেশৰ ৰাজনীতি, বিশ্ববিদ্যালয়ৰ প্ৰশাসন, ছাত্ৰ, শিক্ষক অভিভাৱক– ৰাইজ প্ৰতিটোৱেই ইয়াত শোচনীয় অৱস্থাৰ কাৰণ হৈ পৰিছে।

বিশ্ববিদ্যালয়ৰ ঐতিহ্য ধূলিসাৎ : এই ঐতিহ্য পুনৰ ঘূৰাই আনিবলৈ বিশ্ববিদ্যালয়খনত দুৰ্নীতি, স্বজনপ্ৰীতি, নিযুক্তিত দেখা দিয়া বেমেজালিৰ ওৰ



OKDISCD

পেলাব লাগিব। অনিয়মীয়া পৰীক্ষা আৰু ফল ঘোষণা কৰাৰ কাৰণে ছয়মাহৰ অপেক্ষা আদি বন্ধ কৰিব লাগিব। বিশ্ববিদ্যালয়ত সদায় মাত্ৰ প্ৰতিবাদ কৰা বা স্মাৰক পত্ৰ দিয়া আদিৰ সলনি ছাত্ৰই অধ্যয়ন কৰাৰো সুযোগ পাব লাগিব। অযত্নপালিত ঘৰ, আৰ্থিক বেমেজালি, প্ৰয়োজনতকৈ কম ছাত্ৰাবাস, পুথি ভঁড়ালৰ সমস্যা আদিৰ আশু সমাধান লাগে। নামভৰ্তিৰ ক্ষেত্ৰতো ই চি কোটাত কাক কি ভিত্তিত ভৰ্তি কৰে ইয়াৰ ৰাজহুৱা ঘোষণা লাগে। কাৰণ এইটো ক্ষেত্ৰত সদায় বেমেজালি ঘটিবলৈ সুবিধা পাইছে। নকলে বৰ্তমান শীৰ্ষস্থান দখল কৰি আছে। নকলৰ পৰম্পৰা ধ্বংস কৰাৰ বাবে সাহসেৰে থিয় হব লগা হৈছে। ইয়াৰ বাহিৰেও আওপুৰণি পাঠ্যক্ৰমেও নতুন চিন্তাৰ বাট বন্ধ কৰিছে। সেইদৰে বিজ্ঞানৰ বিভাগবোৰতো যন্ত্ৰপাতি আওপুৰণি হৈ আছে।

ইয়াৰ বাবে ছাত্ৰ আৰু প্ৰশাসনৰ মাজত এটা সংভাব বুজাপৰা নিশ্চয় লাগিব।

◆

## অশ্বিনী কুমাৰ ডেকা
*ছাত্ৰ*

অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা হৈছে বুলি একে আষাৰতে ক'ব পৰা নাযায় যদিও বৰ্তমানৰ পৰিস্থিতি আৰু পৰিবেশ অব্যাহত থাকিলে এনে হবলৈ যে বেছিদিন অপেক্ষা কৰিব নালাগিব ই ধ্ৰুৱ। অৱশ্যে বৰ্তমানৰ আলোচনা-বিলোচনাবোৰত বিশ্ব-বিদ্যালয়ৰ বৰ্তমান দিশটোৰ আলোচনা অতীতৰ গৌৰৱময় দিনবোৰতকৈ অধিক হোৱা বাবে তুলনাত্মক বিশ্লেষণৰ ক্ষেত্ৰত নতুন চামে কিছু অসুবিধাৰ সন্মুখীন হয়।

এটি অনুষ্ঠানৰ সৈতে জড়িত ছাত্ৰ হিচাপে সীমিত জ্ঞানৰ ভিত্তিত স্বীকাৰ কৰিবলৈ বাধ্য হৈছো যে বৰ্তমানৰ পৰিবেশ অসমৰ বিদেশী বিতাড়ণ আন্দোলনৰ কু-প্ৰভাৱ আদিয়ে হনা শৈক্ষিক দিশৰ আঘাতৰ পৰাই লাহে লাহে আৰম্ভ হৈছে। যদিও স্বায়ত্ত শাসিত অনুষ্ঠান হিচাপে লাভ কৰা সুবিধাবোৰে সৃষ্টি কৰা অহমিকাবোধে বিশেষ অৰিহণা যোগাই আহিছে। (যেনে স্বায়ত্ত শাসিত অনুষ্ঠানত আৰক্ষীৰ সাধাৰণতে প্ৰবেশ নিষেধ) উদাহৰণ স্বৰূপে কৃষ্ণকান্ত সন্দিকৈদেৱে সেই সময়ৰ মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈক সাক্ষাৎ নিদিয়া কথাটিক যদিও সন্দিকৈদেৱৰ ব্যক্তিত্বৰ উজ্জ্বল দিশ বোলা হয় অন্য দিশেৰে ইয়াক এটি স্বায়ত্ত শাসিত অনুষ্ঠানৰ অহমিকাৰ বাস্তৱ প্ৰতিফলন বুলিব পাৰি।

বিশ্ববিদ্যালয়ৰ বৰ্তমান শোচনীয় পৰিস্থিতিৰ ক্ষেত্ৰত মতামত দিয়াৰ পূৰ্বে কোৱা উচিত হব যে গুৱাহাটী বিশ্ববিদ্যালয় বুলিলে যদিও ইয়াৰ অন্তৰ্গত সকলো শিক্ষানুষ্ঠান আহি পৰে তথাপি কেৱল গোপীনাথ বৰদলৈ নগৰত অৱস্থিত বিশ্ববিদ্যালয়খনিৰ বিষয়েহে আলোচনা কৰিবলৈ লৈছো।

বৰ্তমানৰ পৰিস্থিতিৰ বাবে ঘাইকৈ শৈক্ষিক আৰু প্ৰশাসনিক দিশলৈকে আঙুলিয়াব পাৰি। শ্ৰেণী কক্ষত পাঠদানৰ অনিয়ম, ব্যৱহাৰিক বিষয় বাদে বাকীবোৰ বিভাগত শ্ৰেণী কক্ষত আসনৰ সীমাবন্ধতাৰ বিপৰীতে অধিক ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি হোৱাত ছাত্ৰ-শিক্ষকৰ মাজৰ ব্যৱধান বৃদ্ধি হোৱাৰ লগতে ফালাফলতো প্ৰভাৱ পেলাইছে। পৰীক্ষা আদি সময়মতে অনুষ্ঠিত নোহোৱা, ফলাফলত অযথা পলম হোৱা, আবাসৰ বিভিন্ন সমস্যা, অভিযান্ত্ৰিক আদি বিভাগৰ হেমাহি, ৰাজনৈতিক হস্তক্ষেপ, প্ৰশাসনিক অনিয়ম আদি এশ-এবুৰি সমস্যাৰে বিশ্বিবিদ্যালয়-খনি আক্ৰান্ত।

বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধনৰ পৰামৰ্শৰ আগেয়ে দুটি কথাৰ উল্লেখ কৰিব খুজিছো। প্ৰথমতে– বৰ্তমান সকলো ক্ষেত্ৰতেই সদৌ অসম ছাত্ৰ সংস্থাকেই দোষৰ ভাগ দিয়া দেখা যায় যদিও এই ক্ষেত্ৰত বৰ্তমানৰ শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা চাকৰিমুখিতাৰ বাবে সৃষ্টি হোৱা নিবনুৱা সমস্যায়ো ছাত্ৰ-ছাত্ৰীসকলক হতাশগ্ৰস্ত কৰি তুলিছে আৰু ছাত্ৰ-ছাত্ৰীসকল কিছু অধ্যয়ন বিমুখ হৈ পৰিছে। বিশ্ববিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰায়বোৰেই এতিয়া আন্দোলনৰ কাৰ্যসূচীৰ প্ৰতি অনীহা প্ৰকাশ কৰি ভৱিষ্যত সম্পৰ্কে চিন্তাত লাগিছে। দ্বিতীয়তে– সৰ্বভাৰতীয় প্ৰশাসনিক পৰীক্ষাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা ফলাফলক বৌদ্ধিক অৱক্ষয়ৰ প্ৰতিফলন বোলে যদিও বহু মেধা ছাত্ৰ-ছাত্ৰীয়ে প্ৰগতিশীল ভাবধাৰা, ৰাজনৈতিক কাৰণ তথা আদৰ্শজনিত কাৰণত এই পৰীক্ষাৰ পৰা বিৰত থকা দেখা যায়।

পৰামৰ্শবোৰ উল্লিখিত সমস্যাৰ সৈতে জড়িত। সেই সেই সমস্যাবোৰ নিৰাময়ৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ললেই মই ভাবো বিশ্ববিদ্যালয়ৰ পৰিবেশ উন্নত হব। যেনে শ্ৰেণী কক্ষৰ বিজ্ঞানসন্মত ব্যৱস্থা কৰি নিয়মীয়া পাঠদানেৰে পৰীক্ষা আদি সময়মতে অনুষ্ঠিত কৰি শীঘ্ৰে ফলাফল প্ৰকাশ কৰিব লাগে। মধ্যকালীন পৰীক্ষা (Mid Term) পাতিব লাগে। কাৰণ প্ৰতিটো পৰীক্ষা পুনৰ দিয়া সকলোৰে সৈতে (Repeater) দুটা শিক্ষা বৰ্ষৰ পৰীক্ষাৰ্থীয়ে একেলগে দিয়াত যথেষ্ট অসুবিধা হয়।

আবাসবোৰৰ পৰা অবৈধ আবাসী সকলক প্ৰয়োজন হ'লে আইনৰ সহায় লৈ হ'লেও বিতাড়িত কৰিব লাগে। বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক বিভাগকে আদি কৰি বিভিন্ন সেৱাবোৰ অধিক কাৰ্যক্ষম কৰাৰ লগতে কৰ্মচাৰীবোৰে নিয়মানুবৰ্তিতা মানি চলাৰ ব্যৱস্থা অতি জৰুৰী। ক্ষমতাৰ বিকেন্দ্ৰীকৰণ অতি জৰুৰী হৈ পৰিছে।

ভাৰতবৰ্ষৰ প্ৰায়বোৰ উচ্চ স্থানীয় বিশ্ববিদ্যালয়তে ৰাজনৈতিক প্ৰভাৱ পৰিলক্ষিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ক ইয়াৰ ব্যতিক্ৰম ৰূপে চিহ্নিত কৰিবলৈ হ'লে উপাচাৰ্যকে আৰম্ভ কৰি শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে জনসাধাৰণেও কিছু ত্যাগ কৰিবই লাগিব। তেহে ভাৰতবৰ্ষৰ ভিতৰত বৌদ্ধিক দিশত স্বকীয় মৰ্যাদাপূৰ্ণ আসন লাভ কৰিবলৈ সক্ষম হব।

◆

## মৌচুমী চেতিয়া
*ছাত্ৰী, অসমীয়া বিভাগ*

মহাবিদ্যালয়ত পঢ়ি থাকোতে শুনিছিলো উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঐতিহ্যৰ কথা। কিন্তু নিজে ইয়ালৈ পঢ়িবলৈ অহাতহে (প্ৰথম দিনটোৰ পৰাই) বিশ্ববিদ্যালয়ৰ ভিতৰৰ প্ৰকৃত ৰূপৰ লগত পৰিচয় ঘটিল।

বৰ্তমানে দেশৰ সকলোৱে জনা বিশ্ববিদ্যালয়ৰ অধঃপতিত আৰু অৱক্ষয়ৰ অৱস্থাটো কেতিয়াৰ পৰা সূচনা হ'ল সঠিককৈ ক'ব পৰা নাযায় যদিও ছাত্ৰ যেতিয়াৰ পৰা ৰাজনীতিৰ লগত সক্ৰিয় ভাবে জড়িত হ'ল তেতিয়াৰ পৰাই ক্ৰমাগত ভাবে এনে অৱস্থাৰ সূচনা হ'ল বুলিব পাৰি। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ৰ পৰাও কিছুমান ছাত্ৰ 'বেপৰোৱা' হ'ল।

বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ অৱস্থাৰ বাবে কেৱল ছাত্ৰ-ছাত্ৰীকে জগৰীয়া কৰিব নোৱাৰি। বৰ্তমান অসমৰ উত্তপ্ত অৱস্থা, তথাকথিত সমাজ ব্যৱস্থা, পৰীক্ষা প্ৰধান শিক্ষা ব্যৱস্থা, নিবনুৱা অৱস্থা আদিও ইয়াৰ বাবে দায়ী। ৰাজনৈতিক দল কিছুমানৰ পাকচক্ৰত পৰিও ছাত্ৰই ক্ষুদ্ৰ স্বাৰ্থৰ বাবে নৈতিকতা বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাই। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লোৱাৰ পিছত ভয়াবহ নিবনুৱা অৱস্থায়ো ছাত্ৰক মানসিক ভাবে হতাশাগ্ৰস্ত কৰি পেলাইছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ নিজস্ব দায়িত্ববোধহীনতা, মানসিক চিন্তা-চৰ্চাৰ বিকাশ সম্পৰ্কীয় আলোচনাৰ অভাৱ আদিও বিশ্ববিদ্যালয়ৰ বৰ্তমান অৱস্থাৰ বাবে দায়ী।

হঠাতে কিছুমান ব্যৱস্থা ললেই যে বিশ্ববিদ্যালয়ৰ পূৰ্বৰ ঐতিহ্য ঘূৰি আহিব সেইটো ক'ব নোৱাৰি। তথাপি তাৰ বাবে সঘনাই বৌদ্ধিক চিন্তা-চৰ্চাৰ বিকাশ সম্পৰ্কীয় আলোচনা, ছাত্ৰাবাস-ছাত্ৰীনিবাস সমূহত অনুশাসন (বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী মানেই সকলো বিষয়ত পৰিপক্ক এনে দৃষ্টিভংগী পৰিহাৰ কৰিব লাগে), অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ মধুৰ সম্পৰ্ক স্থাপন, অভিভাৱক সকলৰ সৈতে কৰ্তৃপক্ষৰ যোগাযোগ, যিকোনো হিংসাত্মক পৰিস্থিতিৰ সন্মুখীন হবলৈ আৰক্ষী বাহিনীৰ ব্যৱস্থা আদিৰ প্ৰয়োজন, বিশেষ ভাবে প্ৰয়োজন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শক্তিশালী ভূমিকা। বিষয়ববীয়া সকলে কেৱল আদৰ্শ, নৈতিকতা আদি সম্পৰ্কীয় বক্তৃতাৰ ফুলজাৰী মাৰিলে নহয় কাৰ্যক্ষেত্ৰতহে (উদাহৰণ স্বৰূপে নামভৰ্তি আদিৰ ক্ষেত্ৰত অবৈধ হস্তক্ষেপ বাদ দিয়ক, এই ক্ষেত্ৰত কিছুমান অধ্যাপক-অধ্যাপিকাও পিছপৰি থকা নাই) তাৰ প্ৰকৃত পৰিচয় দিয়ক।

◆

## অতনু ভূঞা
*ছাত্ৰ, অৰ্থনীতি বিভাগ*

১৯৪৮ চন। লুইতৰ পাৰত স্থাপন কৰা হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়। তেতিয়া ড০ ভূপেন হাজৰিকাই গাইছিল, 'জিলিকাব লুইতৰে পাৰ'! সঁচা কথা ক'বলৈ গ'লে গুৱাহাটী বিশ্ববিদ্যালয়ে লুইতৰ পাৰ জিলিকাবলৈ সক্ষম হৈছিল। বিশ্ববিদ্যালয়-খনে এতিয়াও লুইতৰ পাৰ জিলিকাই আছে। কিন্তু ভাৰতবৰ্ষৰ আগশাৰীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে নহয়, বৰঞ্চ অসমৰ চৰকাৰ কঁপাই থকা অৰাজনৈতিক(?) সংগঠন আছুৰ বাবেহে। অৱশ্যে সেই জিলিকনি সোণৰ অসমৰ জিলিকনি নে মৰা বৰালি মাছৰ ছালৰ জিলিকনি মই ঠিক ক'ব নোৱাৰিম। সেয়া ৰাইজে বিচাৰ কৰিব।

কিন্তু বাস্তৱ সত্যটো হ'ল, বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰা গৈ ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ যিটো দিনতেই মহন্ত-ফুকন-নৰহ আদিয়ে ক্ষমতাৰ বাঘজৰি ললে, সেই দিনৰ পৰাই শৈক্ষিক কেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজনীতিৰ লেতেৰা বতাহে প্ৰবেশ কৰিলে। ১৯৭৯ চনত বিশ্ববিদ্যালয়ৰ এমুঠি ছাত্ৰই যেতিয়া বিদেশী বহিষ্কৰণ আন্দোলনৰ আহ্বান জনাইছিল, সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ বুদ্ধিজীৱীসকলে গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰশংসা কৰিছিল। প্ৰকৃতাৰ্থত ভাষা আন্দোলন বা বিদেশী বহিষ্ককৰণ আন্দোলনত বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ কাৰ্যত কোনো ৰাজনীতিৰ গোন্ধ নাছিল। কিন্তু ছাত্ৰাবাসৰে কেইজনমানে দিছপুৰ দখল কৰাৰ পিছতেই বিশ্ববিদ্যালয়ৰ একাংশ নেতৃস্থানীয় ছাত্ৰই ৰাজনৈতিক লাভালাভৰ বাবেই চৰকাৰৰ সৈতে মধুৰ সম্পৰ্ক গঢ়ি তুলিলে। যাৰ পৰিণতিত যোৱা পাঁচ বছৰত গুৱাহাটী বিশ্ববিদ্যালয় 'দ্বিতীয় দিছপুৰ' হৈ পৰিছিল। আনকি বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বিষয়ববীয়া সাল-সলনিৰ ক্ষমতাও ছাত্ৰৰ হাতত আহি পৰিছিল। গতিকে পৰীক্ষা কেতিয়া অনুষ্ঠিত কৰিব লাগিব সেইটোও ছাত্ৰইহে নিৰ্ণয় কৰিছিল। ফলত গুৱাহাটী বিশ্ববিদ্যালয় অধঃপতনে নগ'লেও স্থবিৰ হৈ পৰে। মোৰ মতে, একাংশ সুবিধাবাদী ছাত্ৰই অগপ-ৰ সমৰ্থক হৈ থকাৰ পৰিণতিৰ বাবেই আজি এনে ধৰণৰ এক সাক্ষাৎকাৰৰ প্ৰয়োজন হৈ পৰিল।

ৰাষ্ট্ৰপতি শাসনৰ সময়ৰ কথা। বিশ্ব-বিদ্যালয়ৰ দুজন ছাত্ৰই এখন এম্বেচাদৰ গাড়ীত পান বজাৰৰ পৰা নিশা ছাত্ৰাবাসলৈ আহি আছিল। জালুকবাৰীত অৰ্ধ-সামৰিক বাহিনীয়ে গাড়ী ৰখোৱাত দুয়ো গাড়ীৰ পৰা নামিল। ছাত্ৰ দুজনে পৰিচয় পত্ৰ দেখুৱাই ক'লে, তেওঁলোক ছাত্ৰ। বি-এছ-এফ-ৰ চকু কপালত। এটাই এজন ছাত্ৰৰ প্ৰকাণ্ড পেটটোত আঙুলি টোৱাই হিন্দীত ক'লে– 'ছাত্ৰ হৈ ইমান ডাঙৰ পেট বনালি কেনেকৈ?'

এইটো সাধু নহয়, সঁচা কথা। উল্লেখযোগ্য যে, বিশ্ববিদ্যালয়ৰ অবৈধ আবাসী এই দুজন ছাত্ৰ আচলতে দুজন ছাত্ৰনেতা। মই ভাবো বিশ্ববিদ্যালয়ৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে অবৈধ আবাসীসকলৰ ক্ষেত্ৰত প্ৰশাসনে বিহিত ব্যৱস্থা লব লাগিব। বিশ্ববিদ্যালয়ৰ শিক্ষা গ্ৰহণৰ পৰিবৰ্তে 'নেতাগিৰী' কৰিবলৈ অহা অধিকাংশ ছাত্ৰই অতিৰিক্ত অৰ্হতা( EC) তালিকাৰ জৰিয়তে নামভৰ্তি কৰে। অবিশ্বাস্য হ'লেও সত্য অতিৰিক্ত অৰ্হতাৰ তালিকাত এইবাৰ এজন ছাত্ৰই স্থান পাইছে, তেওঁ হেনো তেজদান কৰিছিল! মোৰ মতে, প্ৰশাসনে যদিহে অতিৰিক্ত অৰ্হতাৰ নামত ক্ষমতালোভী ছাত্ৰক নামভৰ্তিকৰণত সুবিধা নিদিয়ে, তেন্তে বিশ্ববিদ্যালয় কেৱল 'পঢ়া-শুনা কৰা ছাত্ৰ'ৰ শিক্ষানুষ্ঠান বুলি পৰিণত হব।

◆

## উৎপল কলিতা
*ছাত্ৰ, ইংৰাজী বিভাগ*

বিশ্ববিদ্যালয় এখনৰ কাঠামোটা বৰ্তি থাকে দুটা লাই খুঁটাৰ ওপৰত– বিশ্ববিদ্যালয়খনৰ প্ৰশাসন ব্যৱস্থা আৰু ছাত্ৰ সমাজৰ ওপৰত। বিশ্ববিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থাটোৰ আঁসোৱাহ এটা পুৰণিকলীয়া বেমাৰ– স্বজনপ্ৰীতি, পক্ষপাতিত্ববাদ, ক্ষমতাৰ অপব্যৱহাৰ, অপৰিকল্পিত আঁচনি আদি ইয়াৰ কাৰণ। বিশ্ববিদ্যালয় এখনৰ আনটো লাইখুঁটা ছাত্ৰ সমাজৰ অৱক্ষয়ৰ প্ৰকাশ পায় বিগত অসম আন্দোলনৰ পৰাই। নেতা, পালিনেতা হবলৈ হাবিয়াস কৰা কিছুসংখ্যক ছাত্ৰই নিজৰ উদ্দেশ্য সিদ্ধিৰ বাবে বৃহত্তৰ ছাত্ৰ সমাজক বিপথে পৰিচালিত কৰিবলৈও কুণ্ঠাবোধ নকৰিলে। এটা আবেগিক মানসিকতাৰ বলি হোৱা ছাত্ৰ সমাজে ইয়াৰ ফল স্বৰূপে ভুগিব লগীয়া হৈছে এটা 'chronic Disorder'

বিশ্ববিদ্যালয়খনৰ সুনাম ঘূৰাই অনাৰ ক্ষেত্ৰত উপাচাৰ্যৰ ভূমিকা অপৰিসীম। নতুন উপাচাৰ্যই পৰীক্ষা

সময়মতে অনুষ্ঠিত কৰিব বিচাৰিছে, কিন্তু এই প্ৰচেষ্টাৰ কোনো মূল্য নাথাকিব যদিহে সময়মতে পৰীক্ষাৰ ফলাফল ঘোষিত নহয়। পৰীক্ষা সময়মতে হ'লেই প্ৰশাসনৰ ভিতৰুৱা খেলিমেলিৰ সমাধান হ'ল বুলিব নোৱাৰি। বছৰটোৰ শৈক্ষিক দিনপঞ্জীৰ ৰূপায়ণ পূৰ্ণাংগ হব লাগে, আধাদুখৰীয়াকৈ মানি চলিলে বৰঞ্চ ই ছাত্ৰ সমাজৰ ক্ষতিহে কৰিব। ইন্দ্ৰৰ ষ্টেডিয়ামটোৰ তাহানিতে স্থাপন কৰা আধাৰ শিলাটো জহি-খহি যোৱাৰ আগতে নতুনকৈ এটা আধাৰশিলা স্থাপন কৰিলে ভাল হয় (ষ্টেডিয়ামটো পাছে পৰে হ'লেও হব) পুথি ভঁড়ালটোক এটা প্ৰহসন কৰি নেৰাখি নতুন নতুন কিতাপ-পত্ৰ অনাৰ চেষ্টা চলালে বেয়া নহয়, পুথি ভঁড়ালৰ ফটোষ্টেট মেশ্বিনৰ সদ্ব্যৱহাৰ হব লাগে। ছাত্ৰাবাস-ছাত্ৰীনিবাসত আৰু বিশ্ববিদ্যালয়ৰ নাম ভৰ্তিৰ পিছ দুৱাৰখন বন্ধ কৰিব লাগে।

এই সকলোবোৰৰ ৰূপায়ণৰ বাবে আশাশুধীয়া প্ৰচেষ্টাৰ লগতে আটাইতকৈ প্ৰয়োজনীয় দিশ হ'ল আৰ্থিক স্বচ্ছলতা আৰু এটা দক্ষ প্ৰশাসন। বিশ্ববিদ্যালয়লৈ আৰ্থিক অনুদানৰ ক্ষেত্ৰত চৰকাৰী কৃপণ হাতখন উদাৰ কৰিবলৈ ছাত্ৰ সমাজ তথা প্ৰশাসনে হেঁচা দিব লাগে। তাৰ উপৰি বিশ্ববিদ্যালয়ৰ যিকোনো উন্নয়নমূলক কামৰ চোৱাচিতা কৰিবলৈ সুদক্ষ সৎ চৰিত্ৰৰ লোকেৰে গঠিত এখন বিশেষ সমিতি গঠন কৰি সমিতিক বিশেষ ক্ষমতা প্ৰদান কৰাটো প্ৰয়োজনীয়।

◆

## ৰূপৰেখা গোস্বামী

*ছাত্ৰী, ইংৰাজী বিভাগ*

যিকোনো শৈক্ষিক অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা আৰু প্ৰয়োজন তথা প্ৰত্যাশা সমূহ পূৰণৰ হকে মাত মতাৰ অধিকাৰ থকা উচিত। কিন্তু এই অধিকাৰ যেতিয়া কৰ্তৃপক্ষৰ প্ৰশাসনীয় সিদ্ধান্ত সমূহতো হস্তক্ষেপ কৰিব পৰা অথবা প্ৰশাসনক উপেক্ষা কৰিব পৰা পৰ্যায়ত উপনীত হয়গৈ তেতিয়া অৰাজকতা আৰু অধঃপতনৰ বাবে বাট মুকলি হয়। অসমৰ ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ(?) আন্দোলনৰ কালছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ত তাকেই ঘটিছিল। আন্দোলন অন্ত পৰাৰ পিছতো বহুত দিনলৈকে পৰিস্থিতিৰ বিশেষ পৰিবৰ্তন ঘটা নাছিল। প্ৰশাসনীয় ব্যৱস্থা সোলোক-ঢোলোক হৈ পৰাৰ সুযোগত বিভিন্ন ক্ষেত্ৰত সোমাই পৰা কেৰোণবোৰৰ পৰা বিশ্ববিদ্যালয়খন এতিয়াও সম্পূৰ্ণ মুক্ত হব পৰা নাই।

বৰ্তমান পৰিস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায় সকলে দিশতে সযত্নে পৰিবৰ্তন অনাৰ প্ৰয়োজন আছে। থিতাতে মনলৈ অহা কেইটামান কথাকে উল্লেখ কৰিছো। বিশ্ববিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থাক ছাত্ৰ-ছাত্ৰী তথা অনুষ্ঠানটোৰ বিভিন্ন পৰ্যায়ৰ সদস্য সকলৰ প্ৰয়োজন সমূহৰ প্ৰতি সচেতন, সজ পৰামৰ্শৰ প্ৰতি আগ্ৰহী আৰু বিবেচক, কিন্তু প্ৰয়োজন সাপেক্ষে সকলো ধৰণৰ প্ৰভাৱৰ উৰ্ধ্বত থাকি কাম কৰিব পৰাকৈ শক্তিশালী কৰি তুলিব লাগে।

যিবোৰ বিষয়ৰ পাঠ্যক্ৰমে সময়ৰ লগত সংগতি ৰখাত ব্যৰ্থ হৈছে সেইবোৰ পাঠ্যক্ৰমৰ সংশোধন ঘটাব লাগে। প্ৰতিটো বিষয়ৰে শেহতীয়া আৱিষ্কাৰ, পৰিবৰ্তন অথবা সংযোজনৰ উমান যাতে ছাত্ৰ-ছাত্ৰীয়ে পাব পাৰে তাৰ যথাসাধ্য ব্যৱস্থা কৰিব লাগে। উন্নয়নমূলক কামৰ বাবে অসমৰ, অথবা বাহিৰৰো, বিজ্ঞ ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ কৰিব পৰা যায়। পুঁজি সীমিত, সকলোৱে জানে। কিন্তু এইটোও সঁচা যে–পুঁজিৰ সঠিক ব্যৱহাৰে সকলো বিভাগতে আৰু অধিক উন্নয়ন সম্ভৱ কৰি তুলিব পাৰে।

শিক্ষাৰ মান ৰক্ষাৰ বাবে শ্ৰেণী সমূহত নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত মেধা আৰু প্ৰতিভাকে একমাত্ৰ মানদন্ড বুলি গণ্য কৰিব লাগে। সংৰক্ষিত আসন সমূহৰ ক্ষেত্ৰতো নিৰ্ধাৰিত নীতি-নিয়মবোৰ সঠিক ভাবে মানি চলা উচিত।

পৰীক্ষা পতা আৰু ফলাফল ঘোষণা সময়মতে হব লাগে।

ছাত্ৰ-ছাত্ৰীৰ নিবাস সমূহ অকৰ্তৃত্বশীল বাসিন্দাৰ দখলৰ পৰা সম্পূৰ্ণ মুক্ত কৰিব লাগে আৰু সম্ভৱ হ'লে নতুন নিবাস (বিশেষকৈ ছাত্ৰীৰ বাবে) নিৰ্মাণ কৰিব লাগে।

বিশ্ববিদ্যালয়ৰ সামগ্ৰিক উন্নয়ন কৰ্তৃপক্ষ, শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে আন্তৰিক সহযোগিতাতহে সম্ভৱ হব পাৰে বুলি মই বিশবাস কৰো। চলিত শৈক্ষিক বছৰৰ আৰম্ভণিৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰায় সকলো দিশতে পৰিবৰ্তনৰ প্ৰচেষ্টা চলাটো চকুত পৰিছে। লক্ষণ উন্নতিৰ। এয়া অব্যাহত থাকে যেন।

◆

## কুমাৰী অৱন্তী বৰগোহাঞি

*ছাত্ৰী, আইন প্ৰথম বাৰ্ষিক*

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা ক'বলৈ গ'লে মোৰ প্ৰথমতে মনত পৰে অসমৰ প্ৰথম মুখ্য মন্ত্ৰী স্বৰ্গীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ কথা। যাৰ নেকি আশাশুধীয়া আৰু নেৰানেপেৰা চেষ্টাৰ ফলত অসমত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল। এই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য আছিল পন্ডিত কৃষ্ণকান্ত সন্দিকৈ আৰু বিশ্ববিদ্যালয়ৰ প্ৰথম শ্ৰেণীসমূহৰ সচিব আছিল স্বনামধন্য ব্যক্তি সু-সাহিত্যিক ড০ বিৰিঞ্চি কুমাৰ বৰুৱা। তেখেতসকলৰ বিশ্ববিদ্যালয়ৰ প্ৰতি থকা আগ্ৰহ, অনুৰাগ সু-পৰিচালনা আৰু কৰ্ম চেষ্টাৰ ফলতেই আমাৰ বিশ্ববিদ্যালয়ৰ এক সুস্থ শৈক্ষিক বাতাবৰণৰ সুঁতি গুৱাহাটী বিশ্ববিদ্যালয় প্ৰথম আৰম্ভণিৰ সময়ৰ পৰাই সুভাৰম্ভ হৈছিল আৰু সেই শৈক্ষিক বাতাবৰণৰ পৰিবেশ একেৰাহে বহু বছৰ ধৰি গতানুগতিক ভাবে কোনো অব্যাহতি নোহোৱাকৈ চলি আহিছিল। অৱশ্যে এইখিনিতে ড০ বাণীকান্ত কাকতি, ড০ সূৰ্য কুমাৰ ভূঞা আদিৰ দৰে খ্যাতনামা আৰু কীৰ্তিমান ব্যক্তিয়ে আগবঢ়োৱা অনুৰাগ, একগ্ৰতা, কৰ্মচেষ্টা অৰিহণাও বিশেষ ভাবে উল্লেখযোগ্য যাৰ ফলশ্ৰুতি স্বৰূপেই গুৱাহাটী বিশ্ববিদ্যালয়ে সমগ্ৰ ভাৰততে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সেই সময়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰশাসনীয় দায়িত্বত থকা কৰ্মচাৰী আৰু ব্যক্তিসকলৰ সহায়-সহযোগৰ কথাও বিশেষ ভাবে উল্লেখযোগ্য বুলি ক'ব পাৰি। এই বিশ্ববিদ্যালয় উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে নহয় সমগ্ৰ দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি অৰ্জন কৰিছিল আৰু এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছিল। কিন্তু আজি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই গৌৰৱোজ্জ্বল পৰিচয় নাই বুলি ক'ব পাৰি যদিও প্ৰকৃত অৰ্থত একেবাৰে নাই বুলি ক'ব নোৱাৰি। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সুনাম, সুখ্যাতি আদিও অসমৰ বাহিৰৰ অন্যান্য বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু জনসাধাৰণে স্বীকাৰ কৰে। কিয়নো আমি এইটো ন দি ক'ব নোৱাৰো যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তীক্ষ্ণ মেধাবী ছাত্ৰ-ছাত্ৰীৰ অভাৱ আছে বুলি। আজিও আমাৰ বিশ্ববিদ্যালয়ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অবতীৰ্ণ হৈ উত্তীৰ্ণ হোৱাৰ কথা স্বীকাৰ কৰিবই লাগিব। তাৰ উপৰি সময়ে সময়ে আমাৰ বিশ্ববিদ্যালয়ত এনে কিছুমান খ্যাতনামা ভাষা বৈজ্ঞানিক, সমালোচক, সু-সাহিত্যিক ব্যক্তিৰ তথা শিক্ষক-শিক্ষয়িত্ৰীৰ আৱিৰ্ভাৱ হৈছে যাৰ নিজস্ব আৰু সন্মিলিত প্ৰচেষ্টাৰ ফলতেই বিশ্ববিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক দিশৰ উন্নতিৰ লগতে অসমৰ অসমীয়া ভাষা-সাহিত্যৰো উন্নতি সাধন হৈছে। এই সকল স্বনামধন্য খ্যাতনামা ভাষা বৈজ্ঞানিক, সমালোচক, সু-সাহিত্যিকৰ ভিতৰত আমি বিশেষভাবেই ড০ মহেশ্বৰ নেওগ, ড০ গোলক চন্দ্ৰ গোস্বামী, ড০ উপেন গোস্বামী আৰু বৰ্তমানেও আমাৰ বিশ্ববিদ্যালয়তে অধ্যাপনা কৰি থকা ড০ নিৰ্মল প্ৰভা বৰদলৈ বাইদেউ আৰু ড০ হীৰেণ গোহাঞি চাৰ আদিৰ নাম উল্লেখ কৰিব পাৰি।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা ঠিক কেতিয়াৰ পৰা হ'ল সেই কথা সঠিককৈ নিৰূপণ কৰিব নোৱাৰি। অৱশ্যে বিশ্ববিদ্যালয়ৰ দ্ৰুত গতিক একেবাৰেই অধঃপতন বুলি নকৈ ইয়াক ক্ৰমহ্ৰাস উন্নতি বা অধোগতি বুলিহে ক'ব পাৰি। এই অধোগতি আৰু অৱক্ষয়ৰ সূচনা বিগত বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰথম আৰম্ভণি সময়ৰ পৰাই বা তাৰ কেইবছৰমান আগৰ পৰাই হ'ল বুলি ক'ব পাৰি। কিন্তু এইখিনিতে উল্লেখযোগ্য যে বিদেশী বহিষ্কাৰ আন্দোলনৰ জৰিয়তে আন্দোলন আৰু এই আন্দোলনত অসমৰ প্ৰায় সকলো শ্ৰেণীৰ মানুহেই আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। সেই আন্দোলনৰ ফলত অসমৰ সকলো ছাত্ৰ-ছাত্ৰীৰে এটা বছৰ অপচয় হৈছিল। গতিকে সেই অপচয়ক আমি অৱক্ষয়ৰ প্ৰধান কাৰণ বুলি ক'ব নোৱাৰো। এই অৱক্ষয়ৰ সূচনা পৰীক্ষাৰ নিৰ্ধাৰিত সময়সূচী অনুষ্ঠিত নোহোৱাটো আৰু কিছুমান বিভাগৰ উদ্ভৱ হোৱা আৰ্থিক নাটনি বা অভাৱ অভিযোগৰ ফলতে শ্ৰেণীসমূহ সময়মতে আৰম্ভ নোহোৱাৰ ফলতো অৱ ক্ষয় হৈছে বুলি ক'ব পাৰি।


ফটোঃ প্ৰসেনজিৎ দুৱৰা

*ছাত্ৰাবাসৰ শেলুৱৈ ধৰা বেৰৰ কাষত স্থানৰ অভাৱত বান্ধি থোৱা বেডিং, ফল্ডিং বিছনা আৰু ভগা আচবাব*

বিশ্ববিদ্যালয়ৰ বৰ্তমান শোচনীয় পৰিস্থিতিৰ কাৰণ বহুতো বুলি মই ক'ব খোজো। তাৰ ভিতৰত প্ৰথমতে ক'ব লাগিব বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহ নিৰ্ধাৰিত সময়সূচী অনুযায়ী অনুষ্ঠিত নোহোৱাটো। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ পৰীক্ষা সমূহ বিভিন্ন সময়ত বিভিন্ন কাৰণত পিছুৱাই থকা দেখা যায়। দ্বিতীয়তে ক'ব লাগিব বিভিন্ন বিভাগৰ শ্ৰেণীসমূহ সময়মতে আৰম্ভ নোহোৱাটো। তৃতীয়তে বহু সময়ত দেখা যায় যে শ্ৰেণীসমূহ সঠিক সময়ত আৰম্ভ হ'লেও ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ সুবিধাৰ পৰা বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বঞ্চিত হৈ থাকে। কাৰণ দিনক দিনে বাঢ়ি অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত ছাত্ৰ-ছাত্ৰীনিবাসৰ সংখ্যা সীমিত হৈ পৰিছে বুলি ক'ব পাৰি। গতিকে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সময়মতে শ্ৰেণীত উপস্থিত থাকিব নোৱাৰে। চতুৰ্থতে বিশ্ববিদ্যালয়ৰ শোচনীয় পৰিস্থিতিৰ কাৰণ আমাৰ অৰ্থনৈতিক সমস্যাৰ এটা প্ৰধান কাৰণ বুলি ক'ব পাৰি। কাৰণ অসমৰ অন্যান্য বিশ্ববিদ্যালয়ৰ তুলনাত গুৱাহাটী বিশ্ববিদ্যালয়ে বছৰেকত যি আৰ্থিক মঞ্জুৰী বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পৰা লাভ কৰে সেই আৰ্থিক মঞ্জুৰী য়থেষ্ট নহয়। যাৰ ফলত বিশ্ববিদ্যালয়ে প্ৰশাসনিক কাম-কাজসমূহ সুচাৰুৰূপে নিৰ্ধাৰিত সময় সূচী অনুসৰি পূৰ্ণ কৰিব নোৱাৰে। পঞ্চমতে, কিছুমান বিশেষ সময়ত বিশ্ববিদ্যালয়ৰ চৌহদত উদ্ভৱ হোৱা কিছু অপ্ৰীতিকৰ ঘটনাৰ কথাও এইখিনিতে উল্লেখযোগ্য বুলি ক'ব পাৰি। যিয়ে নেকি বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণক কিছু পৰিমাণে হ'লেও বিনষ্ট কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আইন মহাবিদ্যালয়ত উদ্ভৱ হোৱা কিছু সমস্যাৰ কথাও উল্লেখ কৰিব পাৰি। তাৰ ভিতৰত শ্ৰেণী কোঠাৰ অভাৱ, প্ৰয়োজনীয় অৰ্থৰ অভাৱ আৰু ছাত্ৰীনিবাসৰ অভাৱৰ কথা উল্লেখ কৰিব পাৰি। বৰ্তমানে যি এটা ছাত্ৰীনিবাস আছে তাত মাত্ৰ ৩৬ গৰাকী ছাত্ৰীহে থাকিব পৰা ব্যৱস্থা আছে। গতিকে বহুসংখ্যক ছাত্ৰীয়ে ছাত্ৰীনিবাসত থকাৰ সুবিধাৰ পৰা বঞ্চিত হৈ পৰাৰ ফলতেই শ্ৰেণীত নিয়মিত ৰূপে উপস্থিত থাকিব পৰা নাই। ইয়ে আমাৰ শিক্ষাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ আৰু তাক এটা প্ৰথম শ্ৰেণীৰ বৌদ্ধিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কিছুমান জৰুৰী ব্যৱস্থা লোৱাটো নিতান্ত দৰকাৰ বুলি মই ভাবো। এই ক্ষেত্ৰত প্ৰথমতে ক'ব খোজো বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণৰ কথা।

আজি কিছুদিনৰ পৰা আমাৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ কিছু পৰিমাণে হ'লেও বিনষ্ট হৈছে বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে বিশ্ববিদ্যালয়ৰ চৌহদত কিছুমান পৰিস্থিতিত ঘটি থকা অপ্ৰীতিকৰ ঘটনাৰ কথা উল্লেখ কৰিব পাৰি। তাৰ উপৰি নিৰ্ধাৰিত সময়সূচী অনুসৰি পৰীক্ষাসমূহ অনুষ্ঠিত নোহোৱাৰ ফলতো শিক্ষাৰ ক্ষেত্ৰত কিছু বেমেজালিৰ সৃষ্টি হৈছে। লগতে বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ নিৰ্ধাৰিত সময় অনুসৰি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। অতীজৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা মধুৰ সম্পৰ্ক এতিয়াও বিৰাজমান। বিশ্ববিদ্যালয়ৰ পূৰ্বৰ সুনাম ঘূৰাই আনিবলৈ কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলোৰে সক্ৰিয় সহযোগৰ প্ৰয়োজন। ইয়াৰ অন্যথা পূৰ্বৰ সুনাম ঘূৰাই অনাটো সম্ভৱ নহয়। অৱশ্যে সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত আৰ্থিক দিশটোৰ কথাও নুই কৰিব নোৱাৰি। কিয়নো বৌদ্ধিক দিশটোৰ কথা চিন্তা কৰিলে আমি বিশ্ববিদ্যালয়ৰ অৰ্থনৈতিক দিশটোৰ কথাও লক্ষ্য কৰিব লাগিব। যিয়ে নেকি শৈক্ষিক বাতাবৰণৰ ওপৰত প্ৰভাৱ পেলায়। শেষত মই ইয়াকে ক'ব খোজো যে আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমগ্ৰ ভাৰতত যি সুনাম আছিল সেয়া হয়তো বৰ্তমানেও কম বেছি পৰিমাণে আছে, কিন্তু এই সুনাম বৃদ্ধি কৰিবলৈ হ'লে আমাৰ সকলোৰেই সম্মিলিত প্ৰচেষ্টা খুবেই প্ৰয়োজন।

◆

## ছাত্ৰাৱাস/ছাত্ৰীনিৱাস সমস্যা সম্পৰ্কে মতামত

**প্ৰশ্নসমূহ :**

১। গুৱাহাটী বিশ্ববিদ্যালয়ত ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ সমস্যাটো ছাত্ৰ সমাজৰ এটা প্ৰধান সমস্যা বুলি বহুতেই ক'ব খোজে। আপুনি একমত নে? এই সমস্যাই শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে নেকি?

২। ছাত্ৰাৱাস-ছাত্ৰীনিৱাসসমূহৰ আৰু চৌহদৰ প্ৰকৃত সমস্যাসমূহ কি কি? এইবোৰ কিয় উদ্ভৱ হ'বলৈ পালে বুলি আপুনি ভাবে? সমস্যাসমূহ নিৰাময়ৰ উপায় কি?

### বিভা ভৰালী
*ছাত্ৰী, অসমীয়া বিভাগ*

গুৱাহাটী বিশ্ববিদ্যালয় উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ। ইয়াৰ অধঃপতন আৰু অৱক্ষয়ৰ সূচনা কেতিয়াৰ পৰা হ'ল তাক একে আষাৰে কৈ দিয়াটো জটিল যদিও আমি লক্ষ্য কৰিছো যে ১৯৭৯ ইং চনত ছাত্ৰ সংস্থাৰ নেতৃত্বত বিশ্ববিদ্যালয়ৰ মাজ মজিয়াৰ পৰা অসমৰ অস্তিত্ব ৰক্ষাৰ যি সংগ্ৰাম পৰিচালিত হৈছিল সেই সংগ্ৰামৰ আবেগিক দিশটোৱেই এই অধঃপতনৰ অন্যতম কাৰণ। আন্দোলনৰ গইনা লৈ বন্ধ পালন, পৰীক্ষা পিছুওৱা আদি প্ৰৱণতাই গা কৰি উঠিল যাৰ ফলত বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীখন কাৰ্যকৰী কৰাত কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে বিফল হ'ল। সেই শৈক্ষিক দিনপঞ্জীখন আগৰ অৱস্থালৈ এতিয়াও ঘূৰাই আনিব পৰা নহ'ল। তেতিয়াৰ পৰাই ছাত্ৰ সমাজ ৰাজনীতিৰ লগত জড়িত হৈ পৰাৰ ফলত এচাম ছাত্ৰৰ মনত জ্ঞান লাভ আৰু শিক্ষাৰ প্ৰতি অনীহাৰ ভাবে গা কৰি উঠিল। প্ৰশাসনীয় ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে প্ৰত্যেকটো কাম-কাজতে হস্তক্ষেপ কৰাৰ ফলত আজিও বিশ্ববিদ্যালয় কৰ্তৃপক্ষ অসুবিধাৰ সমুখীন হৈ আছে। তাৰ উপৰি বৰ্তমান আমি দেখিবলৈ পাইছো যে এচাম ন্যস্ত চৰিত্ৰৰ ছাত্ৰই নিজ স্বাৰ্থক আগত লৈ বিভিন্ন কূটাঘাতমূলক কাৰ্যত লিপ্ত ।হৈ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বিনষ্ট কৰাত সম্পূৰ্ণ সহায় কৰিছে। এইবোৰ দিশকেই আমি বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ শোচনীয় হোৱাৰ অন্যতম কাৰণ বুলি ভাবো।

দ্বিতীয় প্ৰশ্নৰ উত্তৰত মই ভাবো (ক) বিশ্ববিদ্যালয়ৰ প্ৰশাসন দৃঢ় হব লাগিব। কিছুমান দীৰ্ঘম্যাদী প্ৰচেষ্টাৰে শৈক্ষিক দিনপঞ্জীখন আগৰ অৱস্থালৈ ঘূৰাই আনিব লাগিব। (খ) ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ পৰা অবৈধ ছাত্ৰ-ছাত্ৰী আবাসীসকলক বহিষ্কৃত কৰাৰ উপৰিও আবাসৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। আবাস সমূহলৈ প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াব লাগিব। (গ) শিক্ষাৰ অন্যতম প্ৰধান অংগ চাৰিটাঃ শিক্ষক, ছাত্ৰ, পাঠ্যক্ৰম আৰু পৰিবেশ– এই চাৰিটা অংগৰ সু-সমন্বয় হব লাগিব লগতে অভিভাৱক সকলো সচেতন হব লাগিব।

### কাৰ্তিক চন্দ্ৰ ৰয়
*উপ-সভাপতি, আইন মহাবিদ্যালয় ছাত্ৰ সংস্থা*

গুৱাহাটী বিশ্ববিদ্যালয়ত ছাত্ৰাবাস ছাত্ৰীনিবাসৰ সমস্যাটো এক প্ৰধান সমস্যা বুলি বহুতেই মত প্ৰকাশ কৰিছে – এই বিষয়ে ময়ো একমত। এই বিশ্ববিদ্যালয়ত ছাত্ৰাবাস/ছাত্ৰীনিবাসৰ সমস্যাটো আজিৰ নহয় ই বহু পুৰণি। এই সমস্যাই শৈক্ষিক পৰিবেশ ঠিক বিনষ্ট কৰা বুলি ক'ব নোৱাৰি কিন্তু কিছু বাধাৰ সৃষ্টি হোৱাটো স্বাভাৱিক।

ছাত্ৰীনিবাসৰ সমস্যাটো এটা ডাঙৰ সমস্যা। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বিশেষকৈ ছাত্ৰীৰ সংখ্যা ক্ৰমাগত ভাবে বিশ্ববিদ্যালয়ত বৃদ্ধি পোৱা দেখা গৈছে, আনহাতে সেই অনুপাতে নিবাসৰ সংখ্যা একে আছে। গতিকে নিবাসৰ সমস্যা বৃদ্ধি পোৱাটো স্বাভাৱিক। আনহাতে ছাত্ৰ সকলে যেনেদৰে হোষ্টেল নাপালে বাহিৰত ভাড়া ঘৰ বিচাৰি হ'লেও শ্ৰেণীত উপস্থিত থাকিব পাৰে; কিন্তু ছাত্ৰীসকলৰ বাবে হয়তো তেনেকৈ থকাটো সম্ভৱ নহয়। সেয়ে ছাত্ৰীনিবাসৰ বাবে হাবাথুৰি খাই ফুৰা ছাত্ৰীৰ সংখ্যা বেছি দেখা যায়। আনহাতে ছাত্ৰী সকলৰ মাজত কিছু বুজাবুজিও কম নোহোৱা নহয়। ছাত্ৰ সকলৰ মাজত কেতিয়াবা পৰিস্থিতি অনুযায়ী বুজাবুজিৰ মাজত বহু নতুন ছাত্ৰ থাকি যাব পাৰে কিন্তু ছাত্ৰী সকলৰ মাজত তেনে বুজাবুজিৰ কিছু অভাৱ থকা বাবে ছাত্ৰী সকলৰ সমস্যা কিছু কিছু নোহোৱাও নহয়।





ফটোঃ প্ৰসেনজিৎ দুৱৰা

ছাত্ৰাবাসৰ অভ্যন্তৰত কমনৰুমত ভগা আচবাবেৰে বিশৃংখল ভাবে বাস কৰিব লগা হোৱা কিছুসংখ্যক ছাত্ৰ
ফটোঃ প্ৰসেনজিৎ দুৱৰা

বিশ্ববিদ্যালয়খনৰ চৌহদৰ সমস্যাৰ বিষয়ে ক'বলৈ গ'লে বহু সমস্যাই আমাৰ আগত আহি পৰে। যেনে ধৰক আমাৰ বিশ্ববিদ্যালয় চৌহদ সুৰক্ষাৰ অভাৱ, ভাল বজাৰৰ অভাৱ, ভাল বস্তুৰ অভাৱ, বিশ্ববিদ্যাল চৌহদত যদিও মাৰ্কেট এখন আছে তাত প্ৰয়োজনীয় সকলো বস্তু এতিয়ালৈকে পোৱা নাযায়। বিশ্ববিদ্যালয় চিকিৎসালয়খনৰ অৱস্থা একেবাৰে বেয়াৰ ফালে গৈ আছে। ইয়াত প্ৰয়োজনীয় ঔষধ পাতি আদিতো নায়েই যি এখন এম্বুলেন্স আছিল সেয়াও এতিয়া অচলাৱস্থা। গতিকে আমাৰ বিশ্ববিদ্যালয় চৌহদৰ অভাৱ আৰু সমস্যা বহুত; মই মাত্ৰ কেইটিমান সমস্যাৰ বিষয়ে কৈছো। ইয়াতে আন এটা উল্লেখযোগ্য সমস্যা আমাৰ আছে সেয়া হয়তো ভৱিষ্যতে এক ভয়াবহ ৰূপ দিব। সেয়া হ'ল অবৈধ আবাসীৰ সমস্যা। বৰ্তমানলৈকে বিশ্ববিদ্যালয়ৰ মাটিত বহুত আবাসী ঘৰ সাজি নিজাকৈ সকলো কাম কৰি আছে। কিছুমান ঘৰ ভাড়াও দিছে। আৰু এনেকুৱা কিছুমান মানুহ আছে যি হয়তো বিশ্ববিদ্যালয়ৰ লগতে কোনো ধৰণেৰে জড়িত নহয়।

এই সমস্যাসমূহ উদ্ভৱ হোৱাৰ মূলতে কৰ্তৃপক্ষৰ হেমাহি বুলি মই ভাবো। সমস্যাসমূহ নিৰাময় কৰিব লাগিলে প্ৰথমে চৌহদটো অতি সোনকালে ঘেৰিব লাগিব। আৰু প্ৰয়োজনীয় সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষই সাজু থাকিব লাগিব।

অবৈধ প্ৰবেশকাৰীৰ ক্ষেত্ৰত যিসকলে বিশ্ববিদ্যালয়ৰ চাকৰিয়াল তেওঁলোকক বিশ্ববিদ্যালয়ৰ আবাস গৃহৰ ব্যৱস্থা কৰি দিব লাগিব আৰু যিবিলাক নিজে সজা ঘৰত আছে তেনে ঘৰ বিলাক ভাঙি দিয়াৰ বাবে কৰ্তৃপক্ষই নিৰপেক্ষ ভূমিকা লব লাগিব। যিবিলাকৰ বিশ্ববিদ্যালয়ৰ লগত কোনো ধৰণৰ সম্বন্ধ নাই তেনে আবাসীক পুলিচ লগাই হ'লেও ঘৰ বিলাক ভাঙি দি বিশ্ববিদ্যালয়ৰ চৌহদৰ বেৰাৰ কাম সোনকালে সম্পন্ন কৰি ভৱিষ্যতৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষ সাজু থাকিব লাগিব।

◆

### ময়ূৰজ্যোতি শইকীয়া
*ছাত্ৰী, ৰাজনীতি বিজ্ঞান*

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সমস্যাটো এটা প্ৰধান সমস্যা বুলি মই ভাবো। যিহেতু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুসাৰে হোষ্টেল চিটৰ পৰিমাণ নগণ্য। ইয়াৰ উপৰিও পৰীক্ষা সমূহ নিয়মীয়াকৈ নোহোৱাৰ ফলত হোষ্টেল সমূহত তিনিটাকৈ চামৰ ছাত্ৰ-ছাত্ৰী থাকিব লগা হোৱাৰ বাবে প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলে হোষ্টেল চিটৰ সমস্যাত ভুগিব লগাত পৰে। তাৰ উপৰি বহুতো ছাত্ৰই পৰীক্ষা দিয়াৰ পিছতো হোষ্টেল চিট দখল কৰি থকাৰ বাবে এই সমস্যাবোৰ উদ্ভৱ হৈছে।

ইয়াৰ উপৰি ছাত্ৰাবাস তথা ছাত্ৰীনিবাসত প্ৰথমে ছাত্ৰ-ছাত্ৰীসকল আহি কমনৰুম তথা ডাইনিং হল নতুবা বেচিন ৰুমত থাকিব লগীয়াও হয় য'ত নেকি অকল থকাৰ ব্যৱস্থাহে আছে, পঢ়াৰ কোনো পৰিবেশ নাই। এনেকুৱা অৱস্থাত প্ৰায় ৬ মাহমান থাকিব লগা হোৱাত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী পৰীক্ষাত বহিবলৈ অসমৰ্থ হয়। গতিকে এনে পৰিস্থিতিয়ে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ পৰিবেশ নষ্ট কৰিছে বুলি মই ভাবো।

ছাত্ৰীনিবাস সমূহত বিভিন্ন সমস্যাই দেখা যায়। এইবোৰৰ ভিতৰত প্ৰধানকৈ হোষ্টেল চিটৰ সমস্যাটো মুখ্য। ইয়াৰ উপৰি হোষ্টেল সমূহৰ ভিতৰৰ পথ কেইটা ৰাতি আন্ধাৰত ডুব গৈ থাকে। যদিও ইয়াৰ পোহৰৰ ব্যৱস্থা আছে কিন্তু উজ্জ্বলতাৰ অভাৱ। লগতে বিশ্ববিদ্যালয়ৰ বাছৰ পৰিমাণ বৃদ্ধি কৰিব লাগে আৰু বাছ সেৱাসমূহ ছাত্ৰীনিবাস কেইটাৰ কাষৰ পথকেইটাৰে যোৱাৰ ব্যৱস্থা কৰিব লাগে। নহ'লে ছাত্ৰীসকল বিশেষকৈ সন্ধিয়া বহুতো সমস্যাত পৰা দেখা যায়। লগতে কোৱাৰ্টাৰ হোষ্টেল সমূহত প্ৰয়োজনীয় বেৰাৰ অভাৱ পৰিলক্ষিত হয়। ইয়াৰ উপৰিও বিভিন্ন সমস্যা ছাত্ৰীসকলৰ মাজত দেখা যায়।

এই সমস্যাসমূহৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আমাৰ ছাত্ৰ-ছাত্ৰী সকলো কম বেছি পৰিমাণে জড়িত। হোষ্টেল চিটৰ কথা ক'বলৈ গ'লে গুৱাহাটীতে ঘৰ থকা ছাত্ৰ-ছাত্ৰীয়ে হোষ্টেল চিট অধিকাৰ কৰি নতুবা পুৰণি ছাত্ৰ-ছাত্ৰীয়ে চিট এৰি নিদিয়াৰ ফলত দূৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকল অসুবিধাত পৰা দেখা যায়। এটা বিষয়ৰ পিছতে আন এটা বিষয়ত নামভৰ্তি কৰি হোষ্টেল চিট দখল কৰি থকাও দেখা যায়।

গতিকে এই সমস্যাসমূহ দূৰ কৰিবলৈ কৰ্তৃপক্ষই কাঢ়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে লগতে এই সমস্যাসমূহ দূৰ কৰাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কৰ্তৃপক্ষক সহায় সহযোগ কৰাটো বাঞ্ছনীয়।

◆

ছবি দাস
*ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়*

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস তথা ছাত্ৰীনিবাসৰ সমস্যা নিঃসন্দেহে এক অন্যতম প্ৰধান সমস্যা।

আবাসিক সুবিধা লাভ কৰিবলৈ যাওঁতে– ছাত্ৰীসকল যি তিক্ত অভিজ্ঞতাৰ সমুখীন হব লগা হয় তাৰ তুলনাত ছাত্ৰসকলৰ দুৰ্ভোগ যথেষ্ট কমেই হয় বুলিব পাৰি। কিয়নো ছাত্ৰসকলৰ এটা ডাঙৰ সুবিধা তেওঁলোকে যি কোনো ঠাইতে ভাৰাঘৰ আদিৰ দৰে ব্যৱস্থা অতি সহজতে কৰি লব পাৰে। কিন্তু সেই সুবিধা ছাত্ৰীসকলক দিব পৰাকৈ উদাৰ অভিভাৱক, সহানুভূতিশীল ভাৰাঘৰৰ মালিকৰ সংখ্যা আঙুলি মূৰত লেখিব পৰা ধৰণৰ। তদুপৰি ছাত্ৰীনিবাসৰ বাহিৰত থকা (ভাৰাঘৰ) ছাত্ৰীসকলৰ নিৰাপত্তাৰ দায়িত্বও নিশ্চয় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নলয়! তেনেস্থলত দূৰণিবটীয়া ছাত্ৰীসকলৰ অৱস্থা কেনে ধৰণৰ হব, যিকোনো দায়িত্ববোধ সম্পন্ন ব্যক্তিৰ বাবে সহজে অনুমেয়।

ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ সমস্যাই বিশ্ববিদ্যালয়ৰ সামগ্ৰিক শৈক্ষিক পৰিবেশ নষ্ট কৰা বুলি ক'ব নোৱাৰি যদিও ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ মানসিকতাক ব্যাহত নকৰাকৈ নাথাকে। আবাসৰ প্ৰয়োজন থক অথচ নোপোৱা ছাত্ৰ-ছাত্ৰী যে অন্যান্য সকলৰ তুলনাত পাঠ গ্ৰহণত পিছপৰি যায় তাক অস্বীকাৰ কৰিব নোৱাৰি। বিশেষকৈ বিজ্ঞান শাখাৰ দৰে বাধ্যতামূলক শ্ৰেণী ব্যৱস্থাৰ ক্ষেত্ৰত যথেষ্ট জটিলতাৰ সৃষ্টি হয়। আনুষংগিক ফল স্বৰূপে অতি সন্মানীত শিক্ষানুষ্ঠানখন তথা তাৰ কৰ্তৃপক্ষৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত এক অবাঞ্চনীয় বিৰূপ মনোভাবে গা কৰি উঠে।

স্থান সংকুলনেই ছাত্ৰীনিবাস সমূহৰ মূল সমস্যা। শিক্ষাবৰ্ষ অপ্ৰয়োজনীয় ভাবে দীঘলীয়া হোৱা বা স্নাতক পাঠ্যক্ৰমৰ সাল-সলনিৰ ফলত যি জটিল সমস্যাৰ সৃষ্টি হৈছিল, সি আজিলৈকে এৰা দিয়া নাই। ইয়াৰ উপৰিও শ্ৰেণীসমূহত ক্ৰমাগত ছাত্ৰীৰ সংখ্যা বৃদ্ধি আবাস সমস্যাৰ আন এটা কাৰণ। কৰ্তৃপক্ষই নতুন ছাত্ৰীনিবাস নিৰ্মাণ কৰিব লগীয়া পৰ্যায় পাইছে যদিও তেনে ব্যৱস্থা হাতত লোৱা চকুত পৰা নাই। এয়া কৰ্তৃপক্ষৰ উদাসীনতা নে সামৰ্থহীনতা সিও ভাবিব লগীয়া বিষয়। ছাত্ৰীসকলে স্বভাৱজাত সহনশীলতাৰে আবাস সমূহৰ বিভিন্ন আভ্যন্তৰীণ অসুবিধালৈ আওকাণ কৰি খাপ খাই চলাৰ অহৰহ চেষ্টা চলাইছে যদিও ই নিশ্চয় সমস্যাৰ সমাধান নহয়।

শ্ৰেণীসমূহত নিয়মীয়াকৈ পাঠদান কাৰ্যসূচী অব্যাহত ৰখাৰ চেষ্টা চলি আছে যদিও চৌহদৰ পৰিবেশ সম্পূৰ্ণৰূপে শান্ত বা স্বস্তিদায়ক নহয় বুলিয়েই মোৰ ধাৰণা। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ গুৰুত্বপূৰ্ণ পদাধিকাৰীক তলাবদ্ধ অৱস্থাত আবদ্ধ কৰি ৰখা বা চৌহদৰ ভিতৰত ছাত্ৰ গুলিবিদ্ধ হোৱাৰ দৰে দুৰ্ভাগ্যজনক ঘটনাই চৌহদৰ অস্থিৰতা, অসহিষ্ণুতা তথা নিৰাপত্তা-হীনতাকে সূচায়।

এই সমস্যাবোৰ উদ্ভৱৰ বাবে প্ৰশাসনিক খেলিমেলি, কৰ্তৃপক্ষৰ উদাসীনতা বা ৰাজ্যখনৰ প্ৰবল উত্তেজনাময় পৰিস্থিতি আদিয়েই প্ৰধানতঃ দায়ী যদিও ছাত্ৰ-ছাত্ৰীৰ গঠনমূলক সহযোগিতা, বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সহানুভূতিশীল মনোভাব আৰু তাৰ লগত জড়িত বিভিন্নজনৰ শুভ-উদ্যোগৰ সমন্বয়তেই সমস্যাবোৰৰ সমাধান লুকাই আছে।

◆

স্বপ্নালিকা গোস্বামী
*ছাত্ৰী, দৰ্শন বিভাগ*

ছাত্ৰীনিবাস, ছাত্ৰাবাস সমস্যাটো এটা প্ৰধান সমস্যা নিশ্চয়। এই ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী নবাগতা ছাত্ৰী হিচাপে মই ক'ব বিচাৰো যে এই সমস্যাটোৱে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বহু পৰিমাণে বিনষ্ট কৰিছে। কিয়নো, স্নাতকোত্তৰ মহলাত নাম ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ তুলনাত ছাত্ৰ আৰু ছাত্ৰীনিবাস যথেষ্ট কম হোৱাৰ কাৰণে যদিও নবাগত-নবাগতা সকলক নিবাস ভৱনত সোমাবলৈ অনুমতি দিয়া হৈছে তথাপি তেওঁলোকে পঢ়াৰ উপযুক্ত সুবিধা পোৱা নাই। উদাহৰণ স্বৰূপে, কোনো কোনো ছাত্ৰীনিবাসত প্ৰায় ২০ ফুট × ১৫ ফুট ডাঙৰ একোটা কোঠাত ১০ গৰাকীকৈ ছাত্ৰীক থাকিবলৈ দিয়া হৈছে।

বিশ্ববিদ্যালয়ৰ ছাত্ৰীনিবাস সমূহতো কিছু সমস্যা পৰিলক্ষিত হয়। ছাত্ৰীনিবাস সমূহত স্নানাগাৰ-শৌচাগাৰ-প্ৰস্ৰাবগাৰৰ সংখ্যা ছাত্ৰীৰ পৰিমাণ অনুপাতে যথেষ্ট কম। তদুপৰি, প্ৰায়বিলাক ছাত্ৰীনিবাসত পানীৰ যোগান অনিয়মীয়া। তদুপৰি, ছাত্ৰীনিবাস সমূহৰ চৌহদ সম্পূৰ্ণ পোহৰ কৰি ৰাখিব পৰাকৈ বিজুলী বাতিৰ ব্যৱস্থা কৰাটো বাঞ্চনীয়।

এই সমস্যা বিলাক উদ্ভৱ হোৱাৰ কাৰণ হিচাপেই প্ৰথমতে মই এই কথাই উল্লেখ কৰিম যে বিগত বছৰ বিলাকত পৰীক্ষা অনিয়মীয়া হোৱাৰ ফলস্বৰূপে ছাত্ৰনিবাস আৰু ছাত্ৰীনিবাস সমূহত দুটা চাম (batch)-ৰ ছাত্ৰ-ছাত্ৰী থক সত্বেও প্ৰাক-শিক্ষাবৰ্ষ আৰম্ভ কৰিবলৈ নতুনকৈ ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি কৰোৱা হৈছে। ফলত নিবাস ভৱনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সমুখীন হৈছে। পৰীক্ষা বিলাক অনিয়মীয়া হোৱাটোৱেই ইয়াৰ কাৰণ আৰু পৰীক্ষা অনিয়মীয়া হোৱাৰ কাৰণ হ'ল নতুন ছাত্ৰ-ছাত্ৰীসকলে বছৰৰ আধাখিনি সময় 'ডাইনিং ৰূম', 'কমন ৰূম'ত কটাব লগীয়া হোৱাৰ কাৰণে তেওঁলোক পৰীক্ষাৰ কাৰণে সাজু হব নোৱাৰে। তদুপৰি, দিনে দিনে স্নাতকোত্তৰ মহলাত নাম ভৰ্তি কৰা ছাত্ৰীৰ সংখ্যা আগৰ তুলনাত বাঢ়িছে যদিও সেই অনুপাতে অৰ্থাৎ ছাত্ৰীৰ চাহিদা অনুপাতে ছাত্ৰীনিবাসৰ সুব্যৱস্থা কৰা হোৱা নাই। গতিকে, এই বিষয়টোৰ প্ৰতি কৰ্তৃপক্ষৰ অসজাগতা বা অমনোযোগিতা তথা অবহেলাই নিবাস ভৱনত উদ্ভৱ হোৱা সমস্যাবিলাকৰ কাৰণ বুলি মই ভাবো। সেয়েহে ছাত্ৰীনিবাসৰ এই সমস্যাবিলাকৰ প্ৰতি লক্ষ্য কৰি কৰ্তৃপক্ষই তৎকালীন ব্যৱস্থা হাতত ললে এই সমস্যাসমূহ দূৰ হব। ■





# কবি নৱকান্ত বৰুৱা

# মোৰ স্ববিৰোধৰ জড়তা আৰু গতিৰ কাহিনী

কুমুদ বৰুৱা

(যোৱা সংখ্যাৰ পিছৰ পৰা)

শ্ৰীযুত কবীন ফুকনদেৱে খেতৰ চিন্তাক আৰু এখোজ আগবঢ়াই নিব পৰা হ'লে তেখেতে নিশ্চয় দেখিবলৈ পালেহেঁতেন যে এলিয়টে কিন্তু তাতেই হাত সাবটি বহি থকা নাই। কবিতাৰ সমালোচনাক তেওঁ 'far from being a simple and orderly field of beneficent activity' বুলি কৈ আন বহুতো আহুকাল সৃষ্টি কৰিব পৰা সমস্যাৰো অৱতাৰণা কৰিছে। (ক্ষমা কৰিব, মই অজ্ঞতাৰ কথা বুজাব খোজা নাই, মই 'অভিপ্ৰায়'ৰ কথাহে ক'ব খুজিছো) এলিয়টে যি co-operative Labour-ৰ কথা কৈছে, সেই সম্পৰ্কে চিন্তা-চৰ্চা কৰিবলৈ শ্ৰীযুত ফুকনদেৱে পাহৰি গৈছে কিয়? মোৰ মতামতৰ যথাৰ্থতা প্ৰতিপন্ন কৰিবলৈ বহু পঠিত এলিয়টৰ এই কথাখিনিও উদ্ধৃত কৰিব খুজিছো–

'He would like to be somthing of a popular entertainer, and be able to think his own thoughts behind a tragic or a comic mask. He would like to convey the pleasures of poetry, not only to a large audiene, but to a larger groups of people collectively; and the theatre is the best place in which to do it. There might, one fancies, be some fulfilment in exciting this communal pleasure, to give an immediate compensation for the pains of turning blood into ink. As things are, and as fundamentally they must always be, poetry is not a career, but a mugs game. No honest poet can ever feel quite sure of the permanent value of what he has written: he may have wasted his time and messed up his life for nothing. All the better, then, if he could have at least the satisfaction of having a part to play in society as worthy as that of the music-hall comedian. Furthermore, the theatre, by the technical exactions which it makes and limitations which it imposes upon the author, by the obligation to keep for a definite length of time of sustained interest of a large and, unprepared and not wholly preceptive group of people, by its problems which have constantly to be solved, has enough to keep the poet's conscious mind fully occupied, as the painter's by the manipulation of his tools.' (THE USE OF POETRY AND THE USE OF CRITICISM) এইখিনিলৈকে শ্ৰীযুত ফুকনদেৱ উৎসাহিত হব পৰা একো কথা নাই। একেটা পৰিচ্ছেদৰে শেষৰ বাক্যটো এনে ধৰণৰ–'If, beyond keeping the interest of a crowd of people for that length of time, the author can make a play which is real poetry, so much the better,' এই শেষৰ বাক্যটোত উৎসাহিত হৈয়ে শ্ৰীযুত ফুকনদেৱে ক'বলৈ প্ৰয়াস কৰিব যে কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ 'ইয়াত নদী আছিল' নামৰ সাৰ্থক কবিতাৰ (real poetry) যোগেদি এলিয়টে কোৱাৰ দৰেই সেই কাৰ্য সম্পাদন কৰাত কৃতকাৰ্যতা লাভ কৰিছে। শ্ৰীযুত ফুকনদেৱেও বাৰু তেনে ধৰণৰ কথা এটাকে ভিত্তি কৰি 'অনুভূত প্ৰত্যয়'ৰ মৰীচিকা খেদি ফুৰিছে নেকি?

এলিয়টৰ এই উক্তিৰ পৰা শ্ৰীযুত ফুকনদেৱৰ বিপৰীতে আমিও কিন্তু নিৰুৎসাহ নহওঁ। কিয়নো উক্তিৰ মাজত আত্মগোপন কৰি থকা 'সন্দেহ' অথবা 'আত্মপ্ৰত্যয়হীনতা'ই আমাকো প্ৰশ্ন কৰি তুলিবলৈ প্ৰেৰণা যোগাই যে, – সেই কবিতাটো ইমানেই সাৰ্থক আৰু অপৰিৱৰ্তনীয় সত্যৰ প্ৰকাশ নে যে সি যুগ যুগ ধৰি, দশক দশক জুৰি অনিচ্ছুক (Unprepared) পাঠকক (a larger groups of people collectively) সদায়েই মোহবিষ্ট কৰি ৰাখিবলৈ সক্ষম হব? কিয়, তাৰ ভিতৰতময়েই ওলালো দেখোন, যি নিৰ্দিষ্ট সময়তকৈ এক মিনিট সময়ো বেছিকৈ ৰ'বলৈ প্ৰস্তুত নহয়?

এলিয়টে খোলাখুলিকৈ কোনো বিস্তৃত ব্যাখ্যা আগবঢ়াই নগ'লেও, মোৰ ধাৰণাত, ইয়াৰ পৰাই সকলো কবিৰেই আত্মবিশ্লেষণৰ মূল আত্মপ্ৰত্যয়টো মুকলি হোৱা উচিত। তাৰ এটা নিহিত ইংগিতৰ পৰাই প্ৰকৃত কবিৰ জ্ঞান হোৱা উচিত যে, আশা কৰা মতে কোনো এটা সময়ৰ সাৰ্থক সৃষ্টিয়েও বেলেগ এযুগত পাঠকৰ মনত একেই প্ৰভাৱ পেলাব নোৱাৰিবও পাৰে। কিয়নো সেই অনুভূতি প্ৰকৃত কবিৰ আত্মা-শূচিকাৰক ঐতিহাসিক জ্ঞানহে; সাহিত্যৰ ঐতিহ্য-শৃংখলাত মুক্ত কৰি দিব লগা নতুন কবিতাৰ সমল নহয়। এলিয়টে কিন্তু এই কথাষাৰ হৃদয়ংগম কৰিব পাৰিছিল আৰু সেয়ে বোধহয় 'Supervention of novelty' বোলা কথাষাৰ ক'ব পাৰিছিল। এল্লিয়টৰ বহুত কথাই আমি হজম কৰিবলৈ সক্ষম হৈছো; আন বহু কথাই হজম কৰা নাই বা তাৰ পৰা বঞ্চিত হৈ আছো। সেয়ে পূৰ্বে উল্লিখিত, কবিক উদ্দেশ্যি কোৱা কথাখিনিৰে এলিয়টে আচলতে কি ইংগিত কৰিব খুজিছে, সেইটো 'Self-explanatory'। 'ইয়াত নদী আছিল' কবিতাটোৰ 'বাস্তৱ ভিত্তি' যিয়েই নহওক, কোনো কবিয়েই তাৰ অপৰিৱৰ্তনীয়তাৰ সত্য দাবী কৰিব নোৱাৰে। এইটোৰ বাহিৰে বেলেগ কথা আছে যদি নেজানো: আশা ৰাখিছো সেই জ্ঞান আমাক শ্ৰীযুত কবীন ফুকনদেৱে নিশ্চয় দিব পাৰিব।

বুৰ্জোৱা কবিৰ আত্মপ্ৰত্যয়হীনতাৰ দ্বন্দ্ব

আছিল জন্ম লগ্নৰে পৰা চিৰবিদ্যমান। সেয়ে হয়তো ঐতিহ্যৰ 'Historical sense'-ৰ শিক্ষা দিয়াৰ প্ৰায় তিনি দশক পিছতেই কবি গুৰু এলিয়টো হতাশ হব লগাত পৰিছিল। কিন্তু তেওঁৰ স্বভাৱসুলভ নিষ্ঠাৰেই, কবিতাৰ আলোচনাত ব্যৱহাৰ কৰা নিজৰে দুটামান খণ্ডবাক্যক (নে আপ্ত বাক্যক?) তেওঁ 'কুখ্যাত' (notorious) ক'বলৈকো কুণ্ঠাবোধ কৰা নাছিল। কবিতাৰ অৰ্থ বিচাৰি 'নেমুচেপা' দিয়া (Lemon-squeezing) বিচাৰ-পদ্ধতি জানো এলিয়টৰ নিজৰ দলৰেই (New Criticism) অচেতন প্ৰতিক্ৰিয়া নাছিল? আত্মপ্ৰত্যয়-হীনতাত অন্তৰ্নিহিত আত্মদ্বন্দ্বৰেই ই জানো অন্যতম প্ৰতিক্ৰিয়া হব নোৱাৰে? কিন্তু দুখৰ বিষয়, কবি এলিয়টে 'Frontiers of criticism'-হে সৃষ্টি কৰি গ'ল, তাৰ বিপৰীতে কবিৰ ক্ৰমবৰ্ধমান আত্মপ্ৰত্যয়-হীনতাৰ আত্ম-সমালোচনাৰ প্ৰতি একেবাৰেই উদাসীন হৈ ৰ'ল। তাৰেই বিধ্বস্ত প্ৰভাৱ আমি আধুনিক অসমীয়া কবিতাতো দেখিবলৈ পাইছো।

শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবিতাত বুৰ্জোৱা সমাজ আৰু সভ্যতাৰ অন্তৰ্দ্বন্দ্বৰ নিষ্ঠাবান প্ৰকাশ বিশেষভাৱে মন কৰিব লগীয়া। ডঃ হীৰেণ গোহাঁইদেৱে সেয়ে লিখিছে যে ভাৰতৰ স্বাধীনতা সংগ্ৰামে জনসাধাৰণৰ মনত পুনৰুজ্জীৱনৰ যি আশাৰ সঞ্চাৰ কৰিছিল, ধনতন্ত্ৰৰ পতনৰ যুগত, সেই সংগ্ৰামৰ নেতা বুৰ্জোৱা শ্ৰেণীয়ে তেনে আশা পূৰণ কৰিব নোৱাৰিলে। এনে বঞ্চনাৰ প্ৰভাৱেই ১৯৬০ চনত লিখা শ্ৰীযুত বৰুৱাদেৱৰ 'ইয়াত নদী আছিল' কবিতাটোৰ কেন্দ্ৰীয় উপলব্ধি বুলি আমাৰো ধাৰণা। কিন্তু বুৰ্জোৱা বিশ্বাস ঘাতকতাৰ প্ৰকৃত স্বৰূপ কবিৰ অজ্ঞাত বাবেই 'স্বপ্নভংগৰ তুহিণ বতাহে সেই কবিতাৰ মাজত হাহাকাৰ কৰি ফুৰিছে'। আমাৰ বিচাৰত তাত কোনো ধৰণৰ 'প্ৰাথমিক বৌদ্ধিক প্ৰত্যয়, অনুভূত প্ৰত্যয়' ৰূপে প্ৰকাশ পোৱা নাই। অপ্ৰিয় হ'লেও ক'ব লগাত পৰিছো যে, অবৈজ্ঞানিক আনুভূতিক পক্ষপাতিত্বৰ উতনুৱা ব্যাধিয়েহে সেই কবিতাত 'প্ৰত্যয়ৰ অনুভূত ৰূপ'ত সৌষ্ঠৱ লক্ষ্য কৰিব পাৰে। তেনে আনুভূতিক পক্ষপাতিত্বৰ বিৰুদ্ধে মাত মতাৰ বাহিৰে, অন্য কোনো উপায়েৰেই তাক প্ৰতিৰোধ কৰাৰ যাদুমন্ত্ৰ আমাৰ হাতত নাই। সেই ছোৱা সময়ৰ পিছৰ কবিতাবোৰৰ যি ধৰণৰ বিকাশ লক্ষ্য কৰিব পাৰি, সেই কবিতাবোৰ পঢ়ি চালেই শ্ৰীযুত কবীন ফুকনদেৱে ধৰিব পাৰিব যে আহুকলীয়া, আত্মপ্ৰত্যয়হীন এক গতিশীলতাইহে কবিৰ অতৃপ্ত আত্মা আৰু আধ্যাত্মিক উপলব্ধিক হাতত ধৰি আগবঢ়াই লৈ গৈ আছে। 'এখন স্বচ্ছ মুখাৰে' সংকলনত সন্নিবিষ্ট তেখেতৰ শেহতীয়া কবিতা 'প্ৰত্যেক ৰাতি'য়েই এনে আত্মপ্ৰত্যয়হীনতাৰ অনন্য আৰু অতি Recent উদাহৰণ। তাৰ উপৰি ব্যক্তিগত আলাপতো, সত্তৰৰ দশকৰ প্ৰথম ভাগত, তেখেতে ডঃ হীৰেণ গোহাঁইদেৱক কোৱা কথাবোৰ এনে ধৰণৰঃ যুগ পৰিবৰ্তন তথা সময় প্ৰবাহৰ অভিজ্ঞতাই তেওঁক সকলোতকৈ বেছি পৰিমাণে আলোড়িত কৰে। সেয়ে কোনো এটা বিশেষ যুগ বা সময়ৰ ধ্যান-ধাৰণা আৰু বিশ্বাসৰ গোট মৰা খোলাত নিজকে বান্ধি পেলাবলৈ তেওঁ যত্ন কৰা নাই। স্ববিৰোধতকৈ তেওঁ বেছি ভয় কৰে জড়তা আৰু গতিহীনতাক। বিশ্বাস লাগিলে সুস্হিৰ নহওক, সেই বুলি মতান্ধতাত আশ্ৰয় কৰিব নোৱাৰি। যদি এই অকপট আত্মপ্ৰত্যয়হীনতাই প্ৰকাশ কৰা স্বীকাৰোক্তি, সাধু কবিৰ নিষ্ঠাৱান আত্মাৰ ট্ৰেজেডী হয়; তেন্তে কোনো অবৈজ্ঞানিক আনুভূতিক পক্ষপাতিত্বৰ সেই শক্তি নাই যে, কবিৰ অতৃপ্ত আত্মাৰ পৰিবৰ্তন আকাঙ্ক্ষাৰ সাধনাক, তেনে ব্যাধিৰ বন্দীশালত বন্দী কৰি ৰাখিব! বুৰ্জোৱা কবি হ'লেও শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবি হিচাপে সাৰ্থকতা আৰু মহানতা সেইখিনিতহে।

সাধু আত্মাৰ সীমাহীন ব্যাপ্তি আৰু ট্ৰেজেডী, committed আধুনিক অসমীয় কবি সকলে বাৰু আয়ত্তলৈ আনিব পাৰিছেনে? তেনে জ্ঞানৰ পোহৰত নতুন সৃষ্টিৰে আধুনিক অসমীয়া কবিতাক ধন্য কৰিব পাৰিছেনে? সেইটোও আমাৰ সাধনা আৰু পৰিবৰ্তন আকাঙ্ক্ষাৰ মহান মানৱীয় কল্পনা।

আমাৰ বাবে সুখৰ আৰু নবীন কবি সকলৰ বাবে সাধু অনুপ্ৰেৰণাৰ মন কৰিব লগীয়া কথা এইটোৱেই যে, অনবৰতে যন্ত্ৰণা দি থকা নিজৰ আত্মপ্ৰত্যয়হীনতাকো কবিয়ে নিঃসংকোচ আত্ম-সমালোচনাৰে থকাসৰকা কৰিছে; যি আত্ম-সমালোচনাৰ হাহাকাৰ আৰু নিষ্ঠা আমি আনকি কবিগুৰু এলিয়টৰ কবিতাতো দেখিবলৈ নেপাওঁ। সেয়ে হয়তো বিখ্যাত ইংৰাজ সমালোচক Dr. F.R. Leavis-এ আক্ষেপ কৰি ক'ব লগা হৈছিল যে অবৈজ্ঞানিক আনুভূতিক পক্ষপাতিত্ব আৰু নিজৰে আত্ম-প্ৰত্যয়হীনতাৰ আত্ম-সমালোচনাত প্ৰবৃত্ত হবলৈ কবিজনাৰ ভয় বা উদাসীনতাই সাহিত্যত বিশ্বাসৰ পৰিবৰ্তে বিশ্বাস-ঘাতকতাহে প্ৰতিপন্ন কৰে।

## তিনি

Death be not proud, thou some have called thee
Mighty and dreadful, for thou art not so,
One short sleep past, we wake eternally,
And death shall be no more, Death thou shalt die.
(JOHN DONNE)

অকপটে স্বীকাৰ কৰো যে, কবিতা মই একেবাৰে নপঢ়ো বুলিয়ে ক'ব পাৰি। কেতিয়াবা পঢ়িলেও প্ৰকৃত অনুশীলনৰ অভাৱত আধুনিক কবিতাবোৰ বুজি নেপাওঁ। প্ৰতীক জ্ঞান মোৰ একেবাৰেই নাই। নিজৰ ভাবেৰে কিবা এটা সজাই পৰাই উলিয়াওঁ কেতিয়াবা। ক্ষন্তেকৰ বাবে। তাৰ পিছত মই কবিতাৰ প্ৰতি সম্পূৰ্ণ উদাসীন হৈ পৰো। কবিতা মই সদায়ে নিজৰ বাবে পঢ়ো; বুজি নেপালে বাদ দিওঁ। কিয়নো সি হৃদয়তন্ত্ৰীত আঘাত কৰাৰ পৰিবৰ্তে মূৰ কামোৰণিৰহে সৃষ্টি কৰে। কেতিয়াবা ভাল লগা দুই এশাৰীয়েই যথেষ্ট। তাকে মনত ৰাখো। এজন সাধাৰণ পাঠকৰ বাবে তাতোকৈ বেলেগ কি ভূমিকা কবিতাৰ আছে? সাম্প্ৰতিক প্ৰয়োজনীয় সামাজিক বিপ্লৱ বা অন্যান্য ব্যক্তিগত বা ৰাজহুৱা প্ৰয়োজনৰ প্ৰেৰণা বিচাৰিও বোধহয় প্ৰথমে কোনেও কবিতা নপঢ়ে। অন্ততঃ মই পঢ়া নাই। কবি John Donne-ৰ কবিতা মই কেতিয়াও অনুপ্ৰেৰণা বিচাৰি পঢ়া নাছিলো। নিশ্চিত ভাবেই সেইটো আছিল মোৰ 'academic interest'। কিন্তু তেওঁৰ কবিতাই মোক ইমানেই বেছি আকৰ্ষণ কৰিলে যে মই 'Diary of a lover of Donne's poetry' নামৰ ক্ষুদ্ৰ ডায়েৰি এখনেই প্ৰস্তুত কৰি পেলালো। সেই কামটো বোধহয় মই এইবাবেই কৰিছিলো যে কবি Donne ৰ কবিতাই মনৰ যন্ত্ৰণা পাতলাবলৈ, এটা বিশেষ পৰিস্হিতিত, এটা বিশেষ সময়ত, মোক অভূতপূৰ্ব ভাবে অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছিল। মোৰ অশান্ত আত্মাটোক শান্ত কৰিবলৈ, মোৰ ভগ্ন হৃদয় জোৰা লগাবলৈ তেওঁৰ কবিতাই মোক প্ৰেৰণা যোগাবলৈ সক্ষম হৈছিল। এক কথাত, মোক জীয়াই থাকিবলৈ, সংগ্ৰাম কৰি যাবলৈ, এটা নতুন জীৱন যাপন কৰিবলৈ, তেওঁৰ কবিতাই শক্তি দিছিল। কবিয়ে তেওঁৰ কবিতাত কোনো সামাজিক দায়বদ্ধতাৰ শিক্ষা দিয়া নাই। কিন্তু তেনে শিক্ষাৰে, 'দায়বদ্ধ' লেখক হবলৈ তেওঁৰ কবিতাই অনুপ্ৰেৰণা দিয়াৰ কথা আজিও মই মোৰ অন্তৰ্প্ৰাণেৰে অনুভৱ কৰো। মোৰ এনেকুৱা আচহুৱা কথাবোৰ শুনিলে বহুত পাঠকেই আচৰিত হব। কথাটো কিন্তু সঁচা। কবিতাই বোধহয় এনে ধৰণেৰেই 'সামাজিক শিক্ষা' দিয়ে। অৰ্থাৎ, কবিতা কোনো committed আদৰ্শ প্ৰচাৰ নকৰিলেও সামাজিক প্ৰয়োজনৰ বাবে প্ৰস্তুত হবলৈ মানুহৰ অন্ধকাৰ আত্ম জগতত 'সূৰ্যকণা'ৰে পোহৰ সৃষ্টি কৰিব পাৰে। কবিতাৰ এই সঞ্জীৱনী গুণটোৰ কাৰণেই বা সমাজৰ বাস্তৱ দানৱীয় অৱস্হাৰ আমূল পৰিবৰ্তনৰ বাবে, তাৰ স্বাৰ্থতেই, আমি সকলো কবি আৰু শিল্পীকেই সেই আদৰ্শৰ আৰ্হিত কবিতা বা শিল্প সৃষ্টি কৰিবলৈ নিৰ্দেশ দিব লাগিব নেকি? এনেকুৱা ধাৰণা কাৰোবাৰ থাকিব পাৰে বা আছে। কিন্তু মোৰ বিশ্বাস, প্ৰকৃত কবিক তেনেকুৱা আদৰ্শৰ প্ৰয়োজনৰ নামত কেতিয়াও বন্দী কৰিব পৰা নেযাব। এনে ধাৰণা অসুস্হ ধাৰণা। তেনেহ'লে প্ৰকৃত কবি কোন? John Donne নে কোনোবা? কবি নৱকান্তৰ কবিতাই অন্ততঃ এটা ধাৰণা মোক দিছে যে 'অৰণ্য'ৰ আশ্ৰয়ত, তাৰ 'সেউজী ছাঁয়াত'হে প্ৰকৃত কবিৰ প্ৰকৃত বিকাশৰ সম্ভাৱনা আছে।

এজন 'অখ্যাত' কবিয়ে কৈছিল, পৃথিৱীৰ সকলো মানুহেই কবি আৰু শিল্পী। এই গোটেই পৃথিৱীখনেই কবি আৰু শিল্পীৰ ঘৰ। সেইখন ঘৰৰে কিছুমান মানুহে কবিতা লিখিব পাৰে বা শিল্প সৃষ্টি কৰিব পাৰে। বাকী নোৱাৰাবোৰে কবিতা পঢ়ে অথবা শিল্প-সৃষ্টিৰ স্বীকৃতি দিয়ে। কবি-প্ৰাণ আৰু শিল্পী-প্ৰাণ পৃথিৱীৰ প্ৰত্যেক মানুহৰেই আত্মাৰ লগৰী।

সময় আগবাঢ়িল, সময়ৰ অগ্ৰগতিত ঘৰখন ডাঙৰ হ'ল। কবি আৰু শিল্পীৰো সংখ্যা বাঢ়িল। বাকী সাধাৰণ অন্যান্য মানুহৰ সংখ্যা ভাবিব নোৱৰা ধৰণে বৃদ্ধি পালে। সৰু সৰু সমস্যাবোৰ বিয়াগোম হ'ল, সি কিম্ভূত কিমাকাৰ ৰূপ ধাৰণ কৰিলে। সময় আৰু আগবাঢ়িল। গোটেইবোৰ লগ লাগি কিবা এটা বিশৃংখলাৰহে সৃষ্টি হ'ল। মানুহৰ মাজৰ সম্পৰ্কবোৰৰ মাজত আউল লাগিল। জঁট বাঢ়ি জটিল হ'ল। মূলতঃ কবি আৰু শিল্পী মানুহৰ পৰিচয় হেৰাই গৈ কোনেও কাকো চিনি নোপোৱা হ'ল। ক্ষীণকৈ হ'লেও মানুহৰ কবি-প্ৰাণ আৰু শিল্পী-প্ৰাণ, কবি আৰু শিল্পী ৰূপে সমাজৰ মুষ্টিমেয় মানুহৰ মাজত স্বীকৃত হৈ থাকি গ'ল। সেইখন যেন এখন বেলেগ, বিচ্ছিন্ন সমাজ। মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ আধুনিক স্তৰত, সামাজিক সমস্যা আৰু জটিলতা বৃদ্ধি পাই এনে এক পৰ্যায় পাইছেহি যে, মানৱীয় কল্পনাৰ এই ক্ষুদ্ৰ সমাজখনৰ সমুখতো বাকী বিলাকৰ সমাজৰ লগতেই ধ্বংসৰ নহ'লেও ব্যাপক অৱক্ষয়ৰ প্ৰত্যাহ্বান সমাগত হৈছেহি। জীয়াই থকাৰ সংগ্ৰামত নিৰ্যাতিত বৃহত্তৰ জনগণেই কবিতা কি বস্তু পাহৰি গৈছে। তেওঁলোকৰ কবি-প্ৰাণ সঁচাকৈয়ে আছে নে, সন্দেহৰ বিষয়ৰ দৰে হৈছেহি। আনফালে, আন এচাম মানুহ ইমানেই নীচ আৰু স্বাৰ্থপৰ হৈ পৰিছে যে নানান অসৎ প্ৰবৃত্তিৰ চৰিতাৰ্থ, ধন-সম্পত্তিৰ লালসা, নকল ৰাজনৈতিক আকাঙ্ক্ষা পূৰণ কৰিবলৈ তেওঁলোকৰ কবি-প্ৰাণ, শিল্পী-প্ৰাণ সকলো বিসৰ্জন দিছে। মূলতে সকলোৱেই কিন্তু কবি আৰু শিল্পী। সামাজিক বিকাশৰ লগে লগে সামাজিক সম্পৰ্কৰ এনে বিপৰীত ধৰ্মী অৱস্হাই মানুহৰ মনৰ পৰা তাৰ সকলো মানৱীয় গুণ আত্মসাৎ কৰি মানুহক পশুৰ শাৰীলৈ অৱনমিত কৰিছে। মানুহৰ সামাজিক সম্পৰ্কৰ মাজৰ শ্ৰেণীদ্বন্দ্বই এনে জটিলতৰ ৰূপ ধাৰণ কৰিছে যে কবি-প্ৰাণ, শিল্পী-প্ৰাণ সমাজখনৰো অস্তিত্ব বিপন্ন হৈ পৰিছে। যুদ্ধ, হিংসা, লালসা, ধৰ্ম, শোষণ, নিৰ্যাতন, স্বাৰ্থপৰতা ইত্যাদি বাৰে বুৰি অসুস্হতাই অক্টোপাচৰ দৰে সমাজৰ সমস্ত জীৱনকে গ্ৰাস কৰি তাক গিলি পেলাবলৈ উদ্যত হৈছে। মানুহৰ আধুনিক সভ্যতাৰ পতন যেন আসন্ন! এনে এক অনিশ্চয়তাৰ কবলত সেয়ে তিষ্ঠি থকা কবি-প্ৰাণ, শিল্পী-প্ৰাণ সমাজখনৰ মাজৰ পৰাই, মানৱীয় কল্পনাৰ স্বাৰ্থতেই, সমাজ আৰু সভ্যতাক পতনৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ, সকলো কবি শিল্পীৰ সামাজিক দায়বদ্ধতাৰ দাবীটোও সোচ্চাৰ হৈ উঠিব লাগিছে। এনে দাবী নিঃসন্দেহেই মানৱীয়। এনে দাবীৰ ব্যাখ্যা দৰাচলতে নিষ্প্ৰয়োজন। কিয়নো, মই যদি কবি, – প্ৰকৃত কবি, মোৰ যদি আত্মা নিৰ্ভেজাল আৰু মই যদি প্ৰকৃত কবি-প্ৰাণ মানুহ হয়, তেতিয়াহ'লে প্ৰকৃততে মোক মোৰ সামাজিক দায়িত্বৰ কথা সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই।

সাধনা কেনেকৈ কৰিব লাগিব সেইটো কথা সহজে বুজাই দিব নোৱাৰি। আমি আমাৰ সাহিত্যৰ ঐতিহ্যৰ পৰা তেনে ঐতিহাসিক জ্ঞান লভিব পাৰো। এটা কথা ঠিক যে আজিৰ জটিল দিনত কবিয়ে নিৰলস সাধনাত বহিবই লাগিব। তেহে প্ৰকৃত কবি হব পাৰিব। লগে লগে কবিৰ কবিতাই মানৱীয় দাবীও পূৰণ কৰিব পাৰিব লাগিব। অতিশয় সতৰ্কতাৰে সেই মানৱীয় দাবী পূৰণাৰ্থে কবিয়ে আশাশুধীয়া সাধনাত বহিব লাগিব। সামাজিক দায়বদ্ধতাৰ কোনো বিশেষ আদৰ্শ অথবা ৰচনা-ৰীতি প্ৰকৃত কবিয়ে অনুসৰণ নকৰিলেও চলিব। কিন্তু কবি পক্ষপাতহীন আত্ম-সমালোচনাতো ব্ৰতী হব লাগিব। পৰিবৰ্তিত পৰিস্হিতিত অতন্দ্ৰ প্ৰহৰীৰ দৰে, বিশেষ সতৰ্কতাৰে কবিয়ে সেই মানৱীয় দাবী পূৰণ কৰিবলৈ বাধ্যও। মুক্তিকামী অগণন নিৰ্যাতিত মানুহৰ প্ৰতি অকৃত্ৰিম ভালপোৱা এনে মানৱীয় দাবীৰ অৱশ্যে এটা অঘোষিত চৰ্ত। অন্যথা তেওঁৰ কবিতা প্ৰতিক্ৰিয়াশীল চক্ৰ আৰু দানবৰ হাথিয়াৰ হব।

কোনো তথাকথিত সামাজিক ৰাজনৈতিক দায়বদ্ধতাৰ আদৰ্শ গ্ৰহণ নকৰিলেও শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবিতা এই অৰ্থতে প্ৰকৃত কবিতা। এনেকুৱা অৰ্থতেই সেইবোৰে মানৱীয় দাবী পূৰণ কৰিবলৈকো সক্ষম। সেইবোৰ দানবৰ নাইবা প্ৰতিক্ৰিয়াশীল চক্ৰৰ হাথিয়াৰ নহয় যদিও, আজিৰ দিনৰ অভাৱনীয় পৰিস্হিতিলৈ চাই তাৰ সম্ভাৱনাও নুই কৰা নেযায়। কিন্তু তাৰ দ্বাৰা কবি যে এগৰাকী মানৱ দৰদী শিল্পী নহয় সেই কথাও প্ৰমাণিত নহয়। তেখেতৰ সাৰ্থক, প্ৰকৃত কবিতাবোৰক মানৱীয় কল্পনাৰ প্ৰকৃত মানস কৰাৰ দায়িত্ব আমাৰ অনুজ সকলৰ। বোধহয় তেওঁ নিজকে ক্লীৱ বুলি কোৱা মানে, আমিহে আচলতে ক্লীৱ। তেখেতৰ আত্মাৰ লগত আমাৰ আত্মাৰ কোনো অকৃত্ৰিম যোগাযোগ ঘটা নাই। আমিহে সুবিধাবাদী, তোষামোদকাৰীৰ দল।

কবিয়ে কিন্তু নিজৰ মানৱীয় দাবী পূৰণ কৰি গৈ আছে সেই একেই বিৰামহীন মানৱীয় কল্পনাৰেই ............ যাত্ৰা পথত এদিন সেয়েই হয়তো তেওঁৰ জীৱন ধৰ্মী প্ৰজ্ঞাৰ ঔজ্জ্বল্যত, যুগ দৃষ্টিৰ সমুখত, যেতিয়া সকলো আঁৰ-কাপোৰ এখন এখনকৈ আঁতৰি যোৱাটো সম্ভৱ হৈ উঠিল; কবিৰ

OKDISCD


সূত্ৰধাৰ □ ১৬-৩০ ছেপ্তেম্বৰ, ১৯৯১

পলমকৈ হ'লেও, বুজিবলৈ একো বাকী নৰ'ল, –খামোচ মাৰি ধৰি থকা সকলো মায়া, কালান্তৰৰ কূটিলতা, পৰিস্থিতিৰ হেঁচা, ছল, কপট, ভণ্ডামি, নৃশংসতা, নিষ্ঠুৰতা, শোষণ, বঞ্চনা, নিৰ্যাতন এই সকলোবোৰ একাকাৰ হৈ যেন এটা গধূৰ শিল হৈ কবিৰ অসহায় আত্মসন্তুষ্টিক হেঁচা মাৰি ধৰিলেহি। তেওঁৰ সাধু জীৱনৰ সকলো সাধনাই যেন, এনে আৱিষ্কাৰৰ জ্যোতিত কুৎসিত হৈ ধৰা দিলে; তেওঁ যেন জন্মতে মৃত্যু হোৱা যেন অনুভৱ কৰিলে। প্ৰতিহত কবিৰ সাধনাৰ বিফলতাৰ তীব্ৰতা ইমানেই বেছি হৈছে যে, স্থিতপ্ৰজ্ঞ কবিৰ মুখৰ পৰাই, সাধাৰণ কোনো কথনভংগীৰ ৰূপ লৈ ওলাই আহিছে এই কবিতা কেইফাকি–

'দৰাচলতে মোৰ জন্মৰ আগতেই মৃত্যু হ'ল
সেই খবৰ মই কেতিয়াও নাজানিলো
কোনেও নাজানিলে
এতিয়া মই তোমালোকেই'।

(তনুজ)

আন কোনো ফালৰ পৰাই তেওঁ এই খবৰ নেপালে; সাধনাৰ অপূৰণতাত এক অপৰাধবোধৰ আহুকলীয়া অনুশোচনাৰ তীব্ৰতাই কবিৰ সমস্ত জীৱনটোকেই যেন অসাৰ আৰু ট্ৰেজিক কৰি তুলিছে।

পুনৰ কিছু ব্যক্তিগত কথাৰেই তেনে প্ৰশ্নৰ উত্তৰ বিচৰাৰ লোভ সামৰিব নোৱাৰিলো। যোৱা ১৯৭৪ চনৰে কথা। তেতিয়াও মই এবাৰ 'আত্মহত্যা' কৰিছিলো আৰু আশানুৰূপ ভাবেই মৃত্যুশয্যাৰ পৰাই মই পুনৰ জন্ম লাভ কৰিছিলো। তাৰ পিছৰ যোৱা পোন্ধৰটা মহা মূল্যবান বছৰ সজ্ঞানেই মই 'অলীক সৰগৰ সন্ধান'ত হাবাথুৰি খাই নষ্ট কৰি দিছিলো। বিবেক দংশনৰ নিশ্চিত কাৰণতেই এদিন মোৰ 'শুভবুদ্ধি' পুনৰ উদয় হৈছিল। সেয়া ১৯৮৯ চনৰ শেষৰ ফালৰ কথা। পোন প্ৰথমেই শ্ৰীযুত হোমেন বৰগোহাঞিদেৱৰ জনপ্ৰিয় 'আত্মানুসন্ধান' নামৰ গ্ৰন্থখন কিনি আনি পঢ়িবলৈ ললো। আশানুৰূপ ভাবেই মৃত্যুশয্যাৰ পৰা মই আকৌ এবাৰ সাৰ পাই উঠিলো। মোৰ দুখৰ ৰাতি পুৱাল; পুনৰ দুখৰ ৰাতি নামি আহিল। বিৰামহীন নতুন জীৱনত সময় ক'ত? জ্ঞানৰ সন্ধানত, উজাগৰী নিশা, নানা ঐক্য আৰু বিৰোধৰ মাজত মোৰ অসহায় অন্তৰ্প্ৰাণ। যন্ত্ৰণাটো সঁচা, কিন্তু চিন্তাটো শুদ্ধনে? মোৰ অভিজ্ঞতা আৰু জ্ঞান শুদ্ধনে? সম্পূৰ্ণনে? এই জীৱন আগবাঢ়ে।

আজিৰ পৰা কেইদিনমানৰ আগতে কিতাপৰ দোকানৰ পৰা কিনি আনো কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ তিনিখন কবিতা পুথিঃ ১। হে অৰণ্য হে মহানগৰ, ২। মোৰ আৰু পৃথিৱীৰ আৰু ৩। এখন স্বচ্ছ মুখাৰে। উল্লিখিত তৃতীয় কবিতা পুথিখন মেলি লৈয়ে মই প্ৰায় চক্ খাই উঠিলো। এটা অচিনাকি শিহৰণ মোৰ উৎকণ্ঠালৈ এছাটি যেন প্ৰবল বতাহ কঢ়িয়াই আনিলে। কবিয়ে লিখিছে, 'প্ৰত্যেক ৰাতিয়েই মই আত্মহত্যা কৰো ........... পুনৰুজ্জীৱিত হয় মোৰ অসংখ্যা মৃত্যু'। মোৰ মনত যেন অভূতপূৰ্ব বিজুলিৰ শিখা বিচ্ছুৰিত হ'ল! অৱশেষত যেন মই মনে বিচৰা কবিজন বিচাৰি পালো। অতদিনে তেওঁকেই যেন মোৰ কবি মনে বিচাৰি ফুৰিছিল! মোৰ কবিমন? অতিশয় চমৎকাৰ যোগাযোগেৰে মই আৱিষ্কাৰ কৰিলো যে আত্মহত্যা এই ধাৰণাটো খেলোৱা মানুহ পৃথিৱীত তেতিয়াহ'লে আৰু এজন আছে, যিজন অসমীয়া কবিতাপ্ৰেমী ৰাইজৰ হিয়াৰ আমঠু, যিজন হয়তো ভাৰতৰে এজন আগশাৰীৰ আধুনিক কবি; যিজন মানৱ বিদ্বেষীতো নহয়েই, যিজন জনগণৰ বাবে তেওঁলোকৰেই আত্মাৰ সন্ধানত নিৰলস সাধনাত ব্ৰতী এজন মানৱদৰদী শিল্পী। তৃপ্তি আৰু আত্মপ্ৰত্যয়েৰে মোৰ আত্মকেন্দ্ৰিক মন ভৰি পৰিল। লৰালৰিকৈ বিচাৰি আহিলো নব্বৈ চনৰে আগষ্ট মাহত শেষ কৰা মোৰ নতুন জীৱনৰ দ্বিতীয়টো গল্প– 'এজন শ্মশানযাত্ৰীৰ আত্মহত্যা আৰু পুনৰ্জন্মৰ কাহিনী'ৰ (অপ্ৰকাশিত, বৰ্তমান, আজি ভালেমানদিন 'দৈনিক অসমৰ'ৰ সম্পাদকৰ হাতত) বিকল্প পাণ্ডুলিপিটো। কেইবামাহৰ মূৰত গল্পটো পুনৰ এবাৰ পঢ়িলো। দুয়োটাৰ অনুভূতিয়ে মোৰ মনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। যদিও দুয়োটাই বেলেগ বস্তু। মই আজিও ধৰিব পৰা নাই যোগসূত্ৰটো কি? হয়তো কবিৰ লগত আন দহজনৰ দৰেই হোৱা এইটোও এটা আকস্মিক যোগাযোগ। কবি কিন্তু মোৰ একেবাৰেই আপোন হৈ গ'ল। দুৰ্ভাগ্য মোৰেই। জীৱনৰ অমূল্য সময়খিনিতেই মই কবিৰ কবিতাৰ অদ্বিতীয় অনুভূতিৰ পৰা বঞ্চিত হৈ ৰৈছিলো।

তেখেতক প্ৰকৃততে আপোন কৰিবলৈ হয়তো মোৰ এযুগ লাগিব পাৰে। কবিৰ দৰে ময়ো হয়তো কিছুদূৰ অকৃত্ৰিম স্ব-ব্যক্তিসত্তাৰ স্বাধীনতাত বিশ্বাস কৰো। তথাপিও কিছুমান ব্যতিক্ৰম ধ্যান-ধাৰণাৰ পৰা নিজকে মুক্ত কৰিব পৰা নাই। কবিয়ে লিখিছে,–

হে বৃক্ষ, হে তৰু-তৃণ
হে অৰণ্যানী, শ্যামল বনানি
মানুহক ৰক্ষা কৰা
আকৌ এবাৰ দিয়া তোমাৰ সেউজী-ছাঁত
মানুহক স্বস্তিৰ আশ্ৰয়।

(সভ্যতাৰ মুখাগ্নি)

কবিৰ স্বভাৱসুলভ নিষ্ঠাবান আহ্বানে কিন্তু মোক দৃঢ়তা দিব পৰা নাই; মোৰ মনলৈ প্ৰশান্তিও আনিব পৰা নাই। এই আকুল আহ্বান যেন প্ৰভাৱহীন। আধুনিক জড়গ্ৰস্ত সভ্যতাৰ দানৱীয় হাঁতোৰাৰ কবলৰ পৰা মানুহ আৰু মনুষ্যত্বক ৰক্ষা কৰিবলৈ কবিতাৰ তেনে শৌৰ্য যেন বন্ধ্যা। কিয় জানো এই নৱলব্ধ জ্ঞানেও মোৰ মনৰ পৰা অস্বস্তি আৰু যন্ত্ৰণা অন্তৰ্হিত কৰিব পৰা নাই। মানুহবোৰ যেন তাৰ বাবে প্ৰস্তুত নহয়; অনিশ্চিত। যন্ত্ৰণাৰ নিত্য-নতুন ব্যাধিয়ে মোৰ মনত সন্দেহহে ঘণীভূত কৰিব লাগিছে। মই যি স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত মানৱ প্ৰেমৰ অকৃত্ৰিম প্ৰাণ-প্ৰাচুৰ্যৰ ছাঁয়াত বিশ্ৰাম লব খোজো, কবিৰ 'অৰণ্যানীৰ সেউজী ছাঁত' যেন সেই সপোন মাথোন বৃথা দিবাস্বপ্ন! এই অৰ্থতেই মোৰ আপোন কবিজনৰ লগতো মোৰ বিৰোধ উপস্থিত হৈছেহি। কিয়নো মানুহৰ কৰ্ম সাধনাৰ অফুৰন্ত শক্তিৰ ওপৰত মোৰ বিশ্বাস এতিয়া অটুট। আমি যিটো দেখিছো আৰু সঁচা বুলি ভাবিছো, সেইটোৱেই একমাত্ৰ সত্য নে? লণ্ডন ব্ৰীজৰ ওপৰেদি অক্টোবৰ মাহৰ হালধীয়া কুঁৱলি ফালি, অহৰহ বৈ থকা, ডাণ্টেৰ নৰকত চিৰ নিৰ্বাসিত প্ৰেতাত্মা সদৃশ, যি জন সমদলৰ মাজত কবি এলিয়টে এটাও মানুহ দেখা পোৱা নাছিল, যি মানুহ অমৃতৰ সন্তান; সেই একেই জন সমুদ্ৰৰ মাজতে কিন্তু ফ্ৰেডাৰিক এংগেলছে সমাজ আৰু সভ্যতাৰ আমূল পৰিবৰ্তন সাধি, পৃথিৱী কঁপাই তুলিব পৰা দুৰ্জেয় শক্তিবো সন্ধান পাইছিল। সেয়ে হয়তো মোৰ 'Self-actualisation' হবলৈ সময় লাগিব।

আনৰ কথা নেজানো, কবিয়ে আশা কৰা ধৰণে, তেওঁৰ আধৰুৱা সপোন এই তনুজে যে কেতিয়াবা বাস্তৱত ৰূপায়িত কৰিব পাৰিব, সেই কথা এতিয়াই খাটাং ভাবে নোকোৱাই ভাল। কালৰ জটিল পাকচক্ৰত তেওঁৰ মনেই বা কোন দিনা কি গতি লয়, কোনে জানে? ইতিহাসে কিন্তু কাৰোৱেই বাবে অপেক্ষা নকৰে। মনীষী লৰেন্সে কৈছিল– 'One has to be so terribly religious, to be an artist; তেনে তপস্যাত সফল হব পাৰিছো নে নাই সেই বিচাৰ পাঠকে কৰিব আৰু মোৰ ভুল-ভ্ৰান্তিবোৰ শুধৰাই দিব। এই ৰচনাৰ সামৰণিত পাঠকক আৰু এষাৰ কথা কোৱাৰ লোভ সামৰিব নোৱাৰিলো। জীৱনৰ এটা বয়সত, ফ্ৰেডাৰিক এংগেল্‌ছেও এজন ভাল কবি হোৱাৰ সপোন দেখিছিল। কিন্তু দৰিদ্ৰ আৰু বঞ্চিত সকলৰ প্ৰতি অকৃত্ৰিম ভালপোৱা আৰু শোষণৰ নানান বাস্তৱ অভিজ্ঞতাই তেওঁক এজন প্ৰকৃত কবি হোৱাৰ পৰিবৰ্তে এজন প্ৰকৃত বিপ্লৱী হবলৈহে বাধ্য কৰালে। সেয়ে মোৰ মনত এটা যন্ত্ৰণা অহৰহ লাগিয়ে আছে। মোক যদি কোনোবাই আহি সোধে যে এজন 'প্ৰকৃত কবি' আৰু এজন 'প্ৰকৃত বিপ্লৱী', এই দুয়োটা ত্যাগ আৰু সাধনাৰ জীৱনৰ মাজত মই কোনটো মোৰ জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিম, তেতিয়া মই কি উত্তৰ দিয়া উচিত হব? পাঠকলৈ সেয়ে মোৰ শেষ অনুৰোধ, মোৰ ভুল-ভ্ৰান্তিবোৰ আঙুলিয়াই দেখুওৱাৰ লগতে অন্ততঃ এই সমস্যাটোৰো উত্তৰ এটা বিচাৰিব যে মানুহৰ ত্যাগ আৰু সাধনাৰ জীৱনৰ লক্ষ্য প্ৰকৃততে কি হোৱা উচিত? পৰিবৰ্তিত পৰিস্থিতিত, আমাৰ পৰা স্বীকৃতি আদায় কৰা কবিয়ে মানৱ প্ৰেমৰ যথাৰ্থ সাধনা কৰিব পাৰিছেনে? তেওঁৰ অনুভূতিক কোনো অসতৰ্ক হীনমন্যতাই নিয়ন্ত্ৰণ কৰা নাইতো? সু


# এক অমূল্য সম্ভাৰ

আজিয়েই পঢ়ক! কালিলৈনো কিয়?
কোনেনো জানে? কাইলৈ কি হ'ব?

বিপ্লৱাত্মক ভাবাদৰ্শৰ বুদ্ধিজীৱী আৰু বৈজ্ঞানিক; ১৯৭৭-৭৮ চনৰ অসমৰ সৰ্বপ্ৰথম সৎ-আঞ্চলিকতাবাদ আৰু অসমৰ সৎ-জাতীয়তাবাদী বিশ্ববিশ্ৰুত আলোড়নৰ প্ৰতিষ্ঠাতা তথা বাটকটীয়া সু-চিকিৎসক ৰূপে অসম বিখ্যাত ডাঃ নেছাৰ আহমেদ দেৱৰ নিৰ্ভেজাল খাটী জাতীয়তাবাদী কলমেৰে নিগৰি ওলোৱা সু-স্বাদু অমৃতসম অসম প্ৰেম আৰু অসমৰ নতুন পুৰুষলৈ জনোৱা আহ্বান সম্বলিত গীতি-কবিতাৰ এক অমূল্য আৰু অনন্য সম্ভাৰ –আটকধুনীয়া বেটুপাতেৰে প্ৰকাশ পালে।

১। মোৰ মন সমুদ্ৰৰ ঢৌ – বেচ ১৩.00 টকা
২। আল-কোৰআনৰ অসমীয়া ভাঙনি – খনে ১৫ টকা (১ম আৰু ২য় খণ্ড)
৩। পঞ্জছুৰাৰ অসমীয়া ভাঙনি – খনে ৫.00 টকা

পোৱা ঠাই সমূহ ঃ– ষ্টুডেন্টছ লাইব্ৰেৰী, কল্পনা বুক ষ্টল, শৰ্মা বুক হাউছ, শৰ্মা বাতৰি প্ৰতিষ্ঠান পানবজাৰ, মহন্ত বুকষ্টল পল্টনবজাৰ, অৰুণোদয়, আমবাৰী, এন্টাৰপ্ৰাইজ কিতাপঘৰ শিলপুখুৰী, দি বি এন্টাৰপ্ৰাইজ চান্দমাৰী, তদুপৰি দিছপুৰ, বশিষ্ঠ, বেলতলা, বামুনী ময়দান, ভৰলুমুখ, মাছখোৱা আদি।

জোলজালাল জেলিকাদ প্ৰকাশন
মাৰফৎ– জেউতি ক্লিনিকছ বিল্ডিং
কুমাৰপাৰা, এফ এ পথ, গুৱাহাটী
পিন-৭৮১০০৯



# সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।
ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।
সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।
সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেক্স ক্লিনিক
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# নিঃসংগতাৰ গজালি ঘৰত খন্তেক জিৰণি লৈ

(একালৰ সুগায়িকা শ্ৰীযুতা লাবণ্য প্ৰভা নাথ সমীপেষু)

ৰাবিয়া খাতুন

নিঃসংগতাৰ গজালি ঘৰত খন্তেক জিৰণি লৈ
মই চাব খুজিছিলো তেজে ধোৱা পৃথিৱীৰ মুখ
কিম্বা জুই জ্বলা আকাশৰ নীলা
হঠাৎ তেওঁ ক'ৰপৰা আহি জানো ওলাল
মনে মনে কোৱাদি ক'লে, নাচাবা সেইফালে
ইয়াত ৰ'দৰ দৰে অলেখ পোহৰৰ কণা
ওলমি আছে খন্ডিত হাঁহিৰ দৰে সুখাবহ যন্ত্ৰণা


ততাতৈয়াকৈ তেওঁক মই বহিবলৈ দিলো
গতানুগতিক সুখৰ-দুখৰ কিছু আলাপ কৰো বুলি.
তেওঁৰ স'তে আত্মীয়তাও গঢ়ি তুলিলো

স্মৃতিৰ বাতায়ন খুলি নিৰ্জনতাৰ ছাঁত
তেওঁ মোক খোজ কাঢ়িবলৈ শিকালে
দুখৰ পাপৰি ছিঙি নিঃসংগতাৰ স'তে
কেনেদৰে কথা পাতিব লাগে তাৰো দিহা দিলে
তাৰ পিছত হাঁহি হাঁহিয়েই নিজৰ দুখখিনি বিবৰি কৈ
তেওঁ গুচি গ'ল পুনৰ অহাৰ বাটেৰে

আঃ তেওঁৰ সংগৰো যে কি সুখস্পৰ্শ!
কিমান দিন যে নিজৰ স'তে নিজে ওমলা নাই
ভাবিলেই উৰি আহে স্মৃতিৰ ৰঙালী চৰাই

হঠাৎ এদিন
সুমধুৰ শব্দৰ ঘ্ৰাণ লৈ খুপি খুপি আহি
তেওঁ মোৰ অন্তৰখন চুই চালে
এনেকি ভালপোৱা বুলি মোৰ তাপিত হৃদয়খনো
চুৰ কৰি নিব বিচাৰিলে
মই জানিও নজনাৰ দৰে ভাও ধৰি থাকিলো
আঃ ইও যে কি জীৱন হেঁপাহ!
আছে নেকি বাৰু তেওঁৰ বুকুতো এটি প্ৰেমৰ কবিতা?
সৰল প্ৰেমৰ?

নিঃসংগতাৰ গজালি ঘৰত খন্তেক জিৰণি লৈ
মই এতিয়া চাব খোজো তেওঁৰ সেই সান্নিধ্যৰ ৰং
শেৱালি ফুলাৰ দিন কিমান যে সুখৰ! □



# ●প্ৰতিটো দোভাগ নিশা●

পুলিন শৰ্মা

প্ৰতিটো দোভাগ নিশা
চাৰিটা অজগৰ পৰ্বত মোৰ পথাৰখনৰ কাষ চাপি আহে
চাৰিওটা পৰ্বতে কেৰু-মণি দেখুৱাই হাঁহে

আৰু
দুভৰিত পিন্ধি আই মোৰ' ৰূপৰ নেপুৰ
গলত আঁৰি আই মোৰ' সোণৰ গলপটা

পথাৰখন
পথাৰখন
ফেঁচাৰ উৰুলিত জাহ যায় জয়মতী পথাৰ

আৰু তেতিয়া
আদিম খেতিয়কটোৰ ওঁঠত ঝিলিৰ স্বৰটো হিম হৈ মৰে

প্ৰতিটো দোভাগ নিশা
চাৰিটা বুঢ়া বাঘ পৰ্বত খেতিয়কটোৰ কাষ চাপি আহে
চাৰিওটা পৰ্বতে সোণৰ খাৰু দেখুৱাই মাতে
আৰু
বুৰুলী গাহৰি যেন খঙাল খেতিয়কটো
খেতিয়কটো
খেতিয়কটো
পৰ্বতে পৰ্বতে লতা হৈ গচকিব খোজে
আই মোৰ
পৰ্বতৰ সমুখত এটা ষাঁড়ৰ দৰে ফেৰ পাতি ধৰে

দোভাগ নিশা

পথাৰখন খেতিয়কটো ফিচিকা কাপোৰ হৈ ফাটে

প্ৰতিটো দোভাগ নিশা

চাৰিওটা অজগৰ পৰ্বতে দাঁত নিকটাই হাঁহে
চাৰিওটা বুঢ়া বাঘ পৰ্বতে কিৰিলি পাৰি নাচে

আৰু আই মোৰ
পথাৰে পথাৰে ফেঁচাৰ মাতটো জোৰাল হৈ ভাহে.... □







# প্ৰতিশোধ

আৰতি দাস



সেই অমংগলীয় দিনটোৰ ক্ষণিকৰ বাবেও পাহৰিব নোৱৰা ঘটনাপ্ৰবাহে মোক অনবৰত মৃত্যু যাতনা দি আছে। উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত এটা দুৰ্ভাগ্যজনক ঘটনাত মই মোৰ স্বামীক চিৰদিনৰ বাবে হেৰুৱাব লগা হ'ল।

সিদিনা পুৱাৰ প্ৰতিটো মুহূৰ্তই মোৰ মনত অনবৰতে অহাযোৱা কৰি আছে। সেই ভয়াবহ ঘটনাটো মোৰ জীৱনত নঘটাকৈও থাকিব পাৰিলেহেঁতেন। মই কেলেই ভুক্তভোগী হলো? মোৰ অপৰাধ কি? এই জনমত মই কাৰো প্ৰতি একো অন্যায় কৰা নাই। তথাপিও মই এই যাতনা কেলেই সহিব লগা হৈছে? নিতৌ মোৰ পৰিয়ালৰ প্ৰতিজনৰ মংগলৰ বাবে প্ৰাৰ্থনা কৰা ভগবানে মোৰ ওপৰত কিহৰ অগ্নিপৰীক্ষা কৰিছে?

সিদিনা পুৱা চিকিৎসালয়ত মোৰ 'ডিউটি' নাছিল। লৰালৰি নথকাত মই সিদিনা তেওঁ ভালপোৱা বিশেষ তৰকাৰীখন আৰু ফুলা ফুলা লুচি বনাইছিলো। সিদিনা তেওঁ মই জন্মদিনত দিয়া কাপোৰ-সাজ পিন্ধিছিল। মই জলপানখিনি খোৱা টেবুলত সজোৱা মানে তেওঁ আমাৰ তিনি বছৰীয়া সন্তান ৰূপমৰ লগত মজিয়াত বহি পুতলা গাড়ীবোৰৰ সৈতে খেলিছিল। তেনেতে কলিং বেল বজাত তেওঁ উঠি গৈ দুৱাৰখন খুলিলে। মই খোৱা টেবুলৰ কাষৰ পৰাই দুজন সশস্ত্ৰ যুৱকে তেওঁক পিষ্টলেৰে ভীতি প্ৰদৰ্শন কৰি পদূলিত ৰখা গাড়ীখনৰ ফালে লৈ যোৱা দেখিলো। ঘটনাৰ আকস্মিকতাত মই অলপ সময়ৰ বাবে হতভম্ব হৈ পৰিছিলো। তাৰ পিছতে মোৰ শৰীৰটো কঁপিবলৈ ধৰিলে। তেনে অৱস্থাৰেই মই ৰূপমক কোলাত লৈ বাহিৰলৈ দৌৰি গৈ দেখো যে গাড়ীখন দ্ৰুতগতিত পূবৰ ফালে গতি লৈছে। মই চিঞৰিবলৈ ধৰিলো।

নিমিষতে ওচৰ-চুবুৰীয়া মানুহেৰে পদূলি ভৰি পৰিল। কঁপি কঁপি কান্দি কান্দি কোৱা মোৰ কথাবোৰ শুনি দুজনমানে একেলগে এখন গাড়ীত উঠি তেওঁক লৈ যোৱা ফালে অনুসৰণ কৰিবলৈ গ'ল। তাৰপিছৰ পৰা আৰম্ভ হ'ল অসহ্য মানসিক উৎকন্ঠাৰে পাৰ হৈ যাব নোখোজা সময়। ......মোৰ স্বামীৰ কোনো সন্ধান পোৱা নগ'ল। এনেদৰে এজন মানুহ ক্ষণিকতে কোনো শূংসূত্ৰ নোহোৱাকৈ সন্ধানহীন হৈ যাব পাৰে বুলি মোৰ বিশ্বাসেই হ'ব খোজা নাছিল। কোনোবা প্ৰত্যক্ষদৰ্শীয়ে নিশ্চয় দেখিছে কিন্তু কোনেও একো সন্ধান দিবলৈ সাহসেৰে আগবাঢ়ি নাহিল। মোৰ স্বামীক জীৱিত অৱস্থাত কোনেও উদ্ধাৰ কৰি আনিব নোৱাৰিলে। দুদিনমান পিছত তেওঁৰ গলিত মৃতদেহ চহৰখনৰ কাষেদি বৈ যোৱা নদীখনত উপঙি থকা দেখা গ'ল। মৰণোত্তৰ পৰীক্ষাৰ পিছত গম পোৱা গ'ল যে তেওঁক অপহৰণ কৰি নিয়াৰ দিনাই গুলিয়াই হত্যা কৰা হৈছে।

মোৰ প্ৰতি হোৱা এই অবিচাৰৰ বাবে মই ভগবান বিশ্বাস কৰিবলৈ বাদ দিলো। তেওঁৰ অস্তিত্ব থকা হলে মোৰ নিচিনা ভকতক তেওঁ ইমান দুখ নিদিলেহেঁতেন, মোক বিপদৰ পৰা ৰক্ষা কৰিলেহেঁতেন। কৰ্মফল, পাপ-পুণ্যৰ বিচাৰ আদি কথাবোৰ মোৰ বাবে সাঁথৰ হৈ পৰিল। নেলাগে কোনেও মোক একো বুজাব নেলাগে। মোক ঈশ্বৰ নেলাগে, মানুহ নেলাগে, এনে সমাজ নেলাগে। জীৱনত জীয়াই থকাৰ অৰ্থই মোৰ বাবে হেৰাই গৈছে।

মোৰ স্বামীৰ গুলিবিদ্ধ দেহৰ কাষত বহি মই কান্দিব পৰা নাছিলো। মোৰ শুকান হৈ যোৱা অন্তৰখনলৈ যেতিয়া লাহে লাহে চেতনা ঘূৰি আহিল মই অনুভব কৰিছিলো মোৰ বুকুৰ মাজত প্ৰজ্জ্বলিত হোৱা প্ৰতিশোধৰ একুৰা ভমভমীয়া জুইৰ দপদপনি........

বুকুত সেই জীয়া জুইকুৰা লৈ প্ৰতি পল অনুপল মই কামনা কৰিছিলো – মোৰ হাতত কোনোবাই এটা বন্দুক দিয়ক, মই বিচাৰি যাওঁ সেই যুৱক দুজনক, মোৰ স্বামীক এইদৰে হত্যা কৰিবলৈ তোমালোক কোন? তেওঁৰ অপৰাধ কি? মোৰ অপৰাধ কি? মোৰ ল'ৰাটোৰ অপৰাধ কি? কোনোবাই মোৰ হাতত বিস্ফোৰক পদাৰ্থ দিয়ক, ধ্বংস কৰি দিওঁ সেই যুৱক দুজনৰ সংগঠনৰ ঘাটিবোৰ, তেওঁলোকক নিৰ্মূল কৰি পেলাওঁ যাতে তেওঁলোকে পুনৰ এইদৰে অনাহকতে কাৰো জীৱন অভিশপ্ত কৰিব নোৱাৰে। শোষিত জনৰ, লাঞ্ছিত জনৰ মুক্তি আৰু ন্যায়ৰ বাবে, সমাজৰ সংস্কাৰৰ বাবে বিপ্লৱ কৰা বুলি প্ৰচাৰ কৰা তোমালোকৰ বিবৃতিবোৰৰ অৰ্থ মোৰ বাবে মূল্যহীন। তোমালোকৰ মগজত সুস্থ বিচাৰ বুদ্ধিৰ নিশ্চয় অভাৱ, নহলে মোৰ স্বামীক বিনা অপৰাধে হত্যা কৰাৰ সময়ত তোমালোকৰ হাত কঁপি উঠিব লাগিছিল। তোমালোকে মোৰ প্ৰতি, মোৰ ল'ৰাটোৰ প্ৰতি কি সুবিচাৰ কৰিছা এবাৰ মোক বুজাই দিবানে? তোমালোকে বিবৃতি দিছা মোৰ স্বামীয়ে হেনো তোমালোকৰ পৰা মুক্তিৰ বাবে

পলায়ন কৰাত সংঘৰ্ষ হ'ল অনিচ্ছাকৃত ভাবে আৰু তাৰেই পৰিণতি মোৰ স্বামীৰ মৃত্যু। তোমালোকেই কোৱাছোন এজন মানুহক বিনা দোষে অপহৰণ কৰি নিলে তেওঁৰ ব্যক্তি স্বাধীনতা খৰ্ব হয়নে নহয়? তেওঁৰ প্ৰতি হোৱা এই অন্যায়ৰ প্ৰতিবাদ কৰাৰ অধিকাৰ তেওঁৰ নাই নেকি? মোৰ স্বামীয়ে পৰিয়ালৰ প্ৰতি থকা তেওঁৰ দায়িত্ব আৰু মৰম-চেনেহৰ বাবে মুক্তি বিচাৰিবই – তোমালোকে দেখোন নিজৰ প্ৰাপ্য অধিকাৰ বিচাৰিছা, কিন্তু আন এজনৰ প্ৰাপ্য অধিকাৰ আৰু মুক্তিৰ কথা বিবেচনা কৰিবলৈ বিবেক নথকাজনে কেনেকৈ দহজনৰ মুক্তিৰ কথা ভাবিব পাৰে – সেই প্ৰশ্নৰ মোক উত্তৰ দিব পাৰিবানে? মুক্তিৰ অৰ্থই প্ৰকৃততে তোমালোকে বুজিব নোৱৰা। আজি মোৰ কোনো ভয় নাই। মোৰ স্বামীক নিৰ্দয়ভাবে হত্যা কৰিছা, মোৰ ল'ৰাক বিনা অপৰাধেৰে পিতৃ স্নেহৰ পৰা বঞ্চিত কৰিছা, মোৰ জীৱনে আৰু কেতিয়াও কোনো কথাতে পূৰ্ণতা প্ৰাপ্তি লাভ কৰিব নোৱাৰে। মই আজি তোমালোকৰ অন্যায় কামৰ প্ৰতিবাদ কৰিবলৈ ভয় নকৰো। মোক আৰু মোৰ পুত্ৰক হত্যা কৰিলেও কৰিবা, জীয়াই থাকিবৰ বাবে আমাৰ আৰু কোনো স্পৃহা নাই, তোমালোকৰ ভণ্ডামিৰ মুখা মই আজি খুলিমেই। ৰাইজৰ প্ৰতি হোৱা অন্যায়, শোষণ, নিৰ্যাতন বন্ধ কৰিব ওলোৱা হে বিপ্লৱী যুৱক সকল – বিপ্লৱী আদৰ্শৰ আঁৰ লৈ সংঘটিত কৰা তোমালোকৰ অপৰাধমূলক কাৰ্যকলাপবোৰ মোৰ জীৱনত ঘটা বিপৰ্যয়ৰ আগলৈকে মই সমাজৰ আন নিৰুদ্বেগ নিৰ্বিকাৰ মানুহবোৰৰ দৰেই সহ্য কৰিছিলো, প্ৰতিবাদ কৰিবলৈ ভয় লাগিছিল, কাৰণ যেতিয়ালৈকে মোৰ ঘৰখনৰ সুখ শান্তি বিঘ্নিত নহয় মই আনৰ সমস্যা আনৰ দুখ বুজিব পাৰিছিলো কিন্তু প্ৰতিকাৰৰ বাবে কিবা কাম কৰিবলৈ ভয় কৰিছিলো। নিজৰ নিৰাপত্তা হেৰুওৱাৰ ভয়ত এয়া হয়তো আত্মকেন্দ্ৰিক মানুহৰ সহজাত প্ৰবৃত্তি। কিন্তু এতিয়া মোৰ মনৰ পৰা সেই ভয় আঁতৰিছে, তোমালোকে মোৰ মনৰ পৰা মৃত্যুভয় আঁতৰ কৰিলা, সুখ শান্তি নিৰাপত্তা যেতিয়া মোৰ হেৰাইয়ে গ'ল মই আৰু কিহৰ বাবে ভয় কৰি নিশ্চুপ হৈ বহি থাকিম? মোৰ নিৰপৰাধী স্বামীক নিৰ্দয় ভাবে হত্যা কৰা কাৰ্যত তোমালোকে ভাবিছা নেকি ৰাইজৰ মৌনতাক তোমালোকৰ কাৰ্যৰ প্ৰতি সমৰ্থন বুলি? তেওঁলোক সকলো আজি ভীত, কিন্তু কাইলৈ যদি তেওঁলোকৰ কাৰোবাৰ সুখ শান্তিক তোমালোকে মষিমূৰ কৰা তেওঁলোকে মোৰ দৰে সাহসেৰে তোমালোকৰ কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ ওলাই আহিব।

আজি মই এফালৰ পৰা তোমালোকৰ প্ৰতিটো অন্যায়ৰ উত্তৰ বিচাৰিছো – তোমালোকে বন্দুকেৰে সন্ত্ৰাসবাদ সৃষ্টি কৰি নিজৰ সংগঠন শক্তিশালী কৰিছা, দেশৰ আইন-সংবিধান উলংঘা কৰি ন্যায়ৰ নীতি বহিৰ্ভূত কৰি অস্ত্ৰ সংগ্ৰহ কৰিছা, প্ৰাণৰ ভাবুকি দি মানুহৰ পৰা ধন আদায় কৰি সংগঠনৰ পুঁজি টনকিয়াল কৰিছা, সন্ত্ৰাস সৃষ্টি কৰি পোৱা শক্তিৰ বলেৰে ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতি ওফৰাই পেলোৱাত গণতান্ত্ৰিক চৰকাৰ ভাঙিবলৈ কেন্দ্ৰক বাধ্য কৰিলা, ৰাষ্ট্ৰ যন্ত্ৰৰ শাসন মাতি আনিলা, তোমালোকক বিচাৰি গাঁৱৰ নিৰীহ মানুহৰ ওপৰত সৈন্যবাহিনীৰ অমানুষিক অত্যাচাৰ কৰা সময়ত তোমালোকে ৰাইজৰ ওচৰত সাহসেৰে থিয় নহলা – নিৰাপদ অৱস্থান ললা, কাৰণ তেতিয়া তোমালোকৰ ৰাইজৰ বাবে যুঁজিবলৈ সাহস আৰু শক্তিৰ অভাৱ হৈছিল, অথচ ৰাইজক উদ্ধাৰ কৰাৰ নামতেই তোমালোকে সংগঠন গঢ়িছিলা – তোমালোকৰ নিৰপৰাধী ভাইবোৰক অমানুষিক অত্যাচাৰ কৰি হয় জীৱনলৈ পংগু কৰিলে নহয় অকালতে নিৰ্মমভাবে হত্যা কৰিলে, তোমালোকৰ ভনীবোৰক ধৰ্ষণ কৰিলে, সেইবোৰ অমানুষিক অত্যাচাৰক পিছত তোমালোকে সংগঠনৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিলা, নিৰীহ ৰাইজৰ ওপৰত কৰা অত্যাচাৰ থিনিক এতিয়া তোমালোকে নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ বাবে ব্যৱহাৰ কৰিছা, তোমালোকক যে ৰাইজৰ একাংশই নিবিচাৰে সেই কথা বেলট কাগজেদি প্ৰমাণ হৈ যোৱাৰ পিছতো তোমালোকে ৰাইজক নিজৰ কাৰ্যাৱলীৰ পূৰ্ণ সমৰ্থনত আছে বুলি প্ৰচাৰ কৰিছা, কোনোবাই নিৰপেক্ষভাবে লিখিব ধৰিলেই তেওঁৰ কলমৰ চিয়াঁহী প্ৰাণৰ ভাবুকিৰে শুকুৱাই দিব খোজা। এচাম মানুহ এটা বিশেষ ৰাজনৈতিক দলৰ আদৰ্শৰে পৰিচালিত হৈ সেই দলৰ কৰ্মী হিচাপে কাম কৰাটো তেওঁলোকৰ ব্যক্তিগত অধিকাৰ, সেই অধিকাৰৰ পৰা তেওঁলোকক বন্দুকৰ গুলিৰে বঞ্চিত কৰিবলৈ তোমালোকৰ কি যুক্তি? বিশেষ ৰাজনৈতিক দলক ভাল নেপালে তেওঁলোকৰ দলক নিশ্চিহ্ন কৰি দিবলৈ আমাৰ দেশত গণতান্ত্ৰিক ব্যৱস্থা এতিয়াও অব্যাহত আছে নে ৰাইজক সেই গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা তোমালোকৰ লক্ষ্য? এটা বিশেষ ৰাজনৈতিক দল তোমালোকৰ পৃষ্ঠপোষক বাবে সেইদলৰ অতি দুৰ্নীতি পৰায়ণ ৰাইজৰ শত্ৰু কিছুমানকো তোমালোকে প্ৰশ্ৰয় দিলা, আন হাতে তোমালোকৰ শত্ৰু বুলি গণ্য ৰাজনৈতিক দলৰ অতি নিমাখিত সৎ মানুহ কিছুমানকো হত্যা কৰিলা, সমাজক শোষণ কৰা পুঁজিপতি আৰু দুৰ্নীতি পৰায়ণ যিসকল তোমালোকৰ সংগঠনৰ পৃষ্ঠপোষক, সেইসকলক তোমালোকৰ একপক্ষীয় বিচাৰৰ আদালতত নিৰ্দোষী আৰু দাবী কৰা মতে ধন নিদিয়া জনক ৰাইজৰ বিচাৰ বুলি প্ৰাণদণ্ড দিলা। তোমালোকৰ আইন বিৰুদ্ধ কামবোৰৰ হিচাপ চৰকাৰক দিয়া নিষ্ঠাবান আৰু কৰ্তব্যপৰায়ণ আৰক্ষী আৰু সমাজ সচেতন নাগৰিকজনক হত্যা কৰি সমাজত তেনে কাম কৰিব খোজা আন সাহসী মানুহৰ পৰা সাহ আৰু কৰ্তব্যজ্ঞান লোপ কৰি দিবলৈ সক্ষম হৈছা। সৈন্যবাহিনী আৰু ৰাষ্ট্ৰসন্ত্ৰাস দূৰ কৰিবলৈ তোমালোকে আকৌ এখন চৰকাৰ গঢ়াত সহায় কৰিলা কিন্তু এতিয়া সেই চৰকাৰৰ শক্তি নিজৰ হাতৰ মুঠিলৈ আনিবলৈ তোমালোকে পুনৰ নিৰপৰাধী মানুহ অপহৰণ কৰি দৰদাম কৰিছা, আৱশ্যক হলে মোৰ স্বামীৰ দৰে সেই নিৰপৰাধী অপহৃত সকলক হত্যাও কৰিবা....... কিন্তু তোমালোকে ভাবিছা নেকি এইদৰে তোমালোকে বিচৰা মতে তোমালোকৰ সপোন সাৰ্থক হ'ব? যি সংগঠনে ৰাইজক অনিশ্চয়তা দুখ দুৰ্গতিৰ মাজলৈ আইনগত ক্ষমতা নোহোৱাকৈ থেলি দিছে, কিহৰ আশাত কোনোবা দিনা সেই সংগঠনৰ হাতত ৰাইজে আইনগত স্বীকৃত ক্ষমতা দিব?

তোমালোকে হত্যা কৰা প্ৰতিজন মানুহৰ নিজৰ পৰিয়ালবৰ্গ আছে। সেই পৰিয়ালবৰ্গৰ মানুহবোৰে এদিন নহয় এদিন তোমালোকৰ পৰা প্ৰায়শ্চিত্ত বিচাৰিবই। মোক লগ পাবলৈ তেনে পৰিয়ালৰ বহু মানুহেই আহিছে, মোৰ দৰেই তেওঁলোকৰ বুকুত প্ৰতিশোধৰ জুই। মোক কি কৈছে জানা? আমি আমাৰ ল'ৰা-ছোৱালীৰ হাতত বন্দুকেই তুলি দিম, সিহঁতৰ জীৱনৰ সুখ-শান্তি নিৰাপত্তা কাঢ়ি নিয়া মানুহবোৰক নিৰ্মূল কৰিবৰ বাবে – কাইলৈ তোমালোকে কৰা অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ ঠিক তোমালোকৰ দৰেই আৰু উগ্ৰপন্থীৰ সংগঠন গঢ়ি উঠিব, এইখন ৰাজ্যত তেজৰ নদী বব, সম্প্ৰীতি, নিৰাপত্তা বিচৰা মানুহবোৰ নিৰাপদ দূৰত্বলৈ আঁতৰি গৈ অৱস্থান কৰিব। এই ৰাজ্যখন হ'ব আদিম যুগৰ ৰণভূমি য'ত কোনো আধুনিক চিন্তা-চৰ্চা জ্ঞান-বিজ্ঞানৰ বিকাশ নহ'ব, য'ত মৰম চেনেহ কি বস্তু কোনেও নুবুজিব, য'ত কেতিয়াও এপাহি সুন্দৰ ফুল প্ৰস্ফুটিত নহ'ব, এষাৰি সুন্দৰ কবিতা, এটি হৃদয় পৰশা গীত সৃষ্টি নহ'ব, ৰণোন্মাদ মানুহৰ কাহিনী লিখিবলৈ মানুহৰ সূক্ষ্ম আবেগিক মানৱীয় অনুভূতিৰ জাগৰণ নহ'ব। আজি মোৰ লগত থকা এমুঠি মানুহৰ সংখ্যা বাঢ়ি বাঢ়ি হাজাৰ হ'ব, লাখ হ'ব। এইখন ৰাজ্যত শুনা যাব কেৱল বন্দুক-বাৰুদৰ শব্দ, যুগ যুগ ধৰি গঢ় লোৱা সভ্যতা সংস্কৃতিৰ সাক্ষী স্বৰূপ নদীখনৰ পানী তেজেৰে ৰাঙলী হ'ব, আন ৰাজ্যৰ বাবে এইখন ৰাজ্যৰ ঘটনা হৈ পৰিব এটা সৰু গতানুগতিক বাতৰি অমুক ৰাজ্যত সন্ত্ৰাসবাদী কাৰ্যকলাপত ইমান জনৰ মৃত্যু।

মৃত্যু...... কিমান কৰুণ, কিমান ভয়াবহ, কিমান নিষ্ঠুৰ সত্য, কিমান অশৰীৰী হাহাকাৰ, তোমালোকে নুবুজিবা। তোমালোকে মৃত্যুক অতি সাধাৰণ ভাবে লবলৈ শিকিছা, নহলেনো এইদৰে মৃত্যুদণ্ড দিব পাৰিলাহেঁতেন নে? মোৰ জীৱনৰ গতি তোমালোকে স্তব্ধ কৰি দিছা। আজি মোৰ ৰূপমক লৈ সপোন ৰচিবলৈ ভয় লাগে, কিজানি কোন মুহূৰ্তত মোক তাৰ মৰমৰ পৰা বঞ্চিত কৰা। তোমালোকে নো পাৰিবাৰিক – সম্বন্ধৰ মৰম চেনেহৰ কথা কি বুজিবা? তোমালোকৰ নিজৰ পিতৃ-মাতৃ ভাই-ভনী আছে। কি অপৰাধৰ বাবে তেওঁলোকৰ চকুত তোমালোকে চকুপানী দিছা? তেওঁলোকে নিশ্চয় তোমালোকক এই হিংসাৰ কন্টকময় পথত আগুৱাই যাবলৈ সমৰ্থন দিয়া নাই। কিজানি কিমানদিন তোমালোকে পৰিয়াললৈ নিৰাপদে অক্ষত শৰীৰেৰে ঘূৰি আহিবা বুলি আশাৰে বাট চাইছে। তোমালোকৰে কিছুমান পৰিয়াললৈ নিশ্চয় উভতি গৈছে কিন্তু অক্ষত জীৱন্ত শৰীৰেৰে নহয়, উভতিছে প্ৰাণ হীন নিষ্পন্দ দেহাবিলাকেৰে।

মোৰ কি দুখ লাগিছে জানা? মই বা মোৰ ল'ৰাই মোৰ স্বামীক হত্যা কৰা সেই যুৱক দুজনক বিচাৰি নেপাই হয়তো তোমালোকে কৰা ভুলৰ প্ৰয়শ্চিত্তৰ বাবে তোমালোকৰ পৰিয়ালৰ সেই নিৰপৰাধী মানুহবোৰৰ কোনোবাজনক হত্যা কৰিব লগা হ'ব পাৰে।

সময় বাগৰিছে কিন্তু তথাপিও মোৰ হৃদয়ত জ্বলি থকা জুইকুৰা প্ৰশমিত নহয়। মোক সমবেদনা জনাবলৈ অহা মানুহবোৰৰ কথা মই নুবুজা হৈছো। মোৰ স্বামীৰ এমহীয়া ক্ৰিয়া কৰ্মও হৈ গ'ল। মই বিশ্বাস হেৰুৱাই পেলোৱা ঈশ্বৰ জনতে আকৌ স্মৰণ লব লগা হৈছে। মৃতকৰ আত্মাৰ সদগতিৰ বাবে নামপ্ৰসংগ হ'ল। নামপ্ৰসংগৰ পিছত অধিকাৰী বাপে ভাগৱত পাঠ কৰিলে।

মোৰ জীৱনত এই বিপৰ্যয় হোৱা আগলৈকে মই অধিকাৰী বাপে ব্যাখ্যা কৰা ভগৱত শুনি জীৱনৰ বহু কথা বুজি পোৱা যেন উপলব্ধি কৰিছিলো। এতিয়া সেইবোৰ কথা আকৌ নুবুজা হৈ গৈছো, সেয়ে সাংসাৰিক যাতনাত মোৰ চিত্ত বিহ্বল হৈ পৰিছে। অধিকাৰী বাপে – মোক সিদিনা উপদেশ দিছিল – 'মা তোমাক সান্ত্বনা দিবলৈ মোৰ ভাষা নাই। কিন্তু ল'ৰাটোৰ প্ৰতি তোমাৰ কৰ্তব্য আছে। তাৰ মুখলৈ চাই তুমি নিজকে ব্যস্ত ৰাখিবলৈ চেষ্টা কৰা। তাৰ বাবে তুমি জীয়াই থাকিব লাগিব।'

পৰিয়ালৰ আন মানুহেও অধিকাৰী বাপৰ এই কথাষাৰত সন্মতি জনাই মোক কামত যোগদান দিয়াৰ কথা কলে।

মই চিকিৎসালয়লৈ যোৱা ঠিক কৰিলো। প্ৰথম দিনাখন মই মোৰ ৱাৰ্ডৰ ৰোগী সকলক পৰীক্ষা কৰাত ব্যস্ত হলো। তেওঁলোকে বিভিন্ন শাৰীৰিক যাতনাত কষ্ট পাইছে। নিয়মিত চিকিৎসাৰ পিছত এদিন তেওঁলোক আৰোগ্য হৈ এই যাতনাৰ পৰা মুক্তি পাব, আৰোগ্য নোহোৱাজনে হয়তো দেহা ত্যাগ কৰিয়ে শান্তি পাব। কিন্তু মই? মই যেন জীৱনত কেতিয়াও যাতনাৰ পৰা মুক্তি পাব নোৱাৰো।

মই মোৰ কোঠালৈ ঘূৰাৰ পথত আন এটা ৱাৰ্ডৰ পেয়িং কেবিনৰ ফালে থকা কোঠা এটাৰ কাষৰ বাৰান্দাখনত দুগৰাকীমান মহিলা আৰক্ষী দেখিলো। এগৰাকী নাৰ্ছক সুধি জানিব পাৰিলো যে তাত আজি এসপ্তাহ আগতে এগৰাকী ধৰ্ষিতা যুৱতীক চিকিৎসাৰ বাবে ভৰ্তি কৰোৱা হৈছে। চহৰৰ আঁতৰৰ কোনোবা গাঁৱৰ পৰা ক্ষতবিক্ষত অচেতন শৰীৰটো আৰক্ষীয়ে ইয়ালৈ লৈ আহিছে। কিছুমান অচিনাক্ত দুষ্কৃতিকাৰীয়ে বতাহ বৰষুণ গাজনি বিজুলিৰ কালসন্ধিয়াৰ সুযোগ লৈ যুৱতী গৰাকীৰ ঘৰত সোমাই মাকক গুলীয়াই হত্যা কৰি তাইক বেয়া ধৰণে ধৰ্ষণ কৰে। সেই পৰিয়ালটোৰ ল'ৰাজন হেনো উগ্ৰপন্থী দলৰ সক্ৰিয় সদস্য। সংগঠনৰ আদেশত কৰা কেইবাটাও হত্যাকাণ্ডৰ লগত জড়িত। হত্যাৰ পোটক হত্যাৰে লোৱা হ'ল। কাৰণ ঘৰৰ বেৰত দুষ্কৃতিকাৰী সকলে মাকৰ তেজেৰে লিখি থৈ গৈছিল 'প্ৰতিশোধ'।

কথাটো শুনি মোৰ গাটো কঁপি উঠিল। নিজৰ বহা কোঠালৈ গৈ পানী এগিলাচ খাই চকীখনত বহি পৰিলো। যিবোৰ ভাবে যোৱা দিনবোৰত মোৰ মনত অবিৰত ভাবে প্ৰতিক্ৰিয়া কৰিছিল তাকেই বাস্তৱত এইদৰে প্ৰতিফলিত হোৱা দেখিম বুলি মই ভবা নাছিলো। কিন্তু মোৰ বিৰোধী পক্ষৰ পৰিয়ালত ঘটা এই হত্যাকাণ্ড আৰু ধৰ্ষণে মোৰ মন উল্লসিত নকৰিলে।

মই লাহে লাহে কিহৰ বাবে নেজানো যুৱতী গৰাকীৰ কোঠাৰ ফালে অগ্ৰসৰ হলো। তাইৰ ককায়েকৰ দৰেই কোনোবা এজনে মোৰ স্বামীক হত্যা কৰিছিল। আজি তাৰেই প্ৰায়শ্চিত্ত তাই ভুগিব লগা হৈছে। মোক দেখি পহৰা দি থকা আৰক্ষী মহিলা গৰাকী কোঠাটোৰ বাহিৰলৈ ওলাই আহিল। কোঠাটোত সোমাই মই বিছনাত শুই থকা যুৱকী গৰাকীয়ে শূন্য দৃষ্টিৰে খিড়িকিৰে বাহিৰলৈ চাই থকা দেখিলো। ওচৰত থিয় হৈ সুধিলো – 'কেনে আছা?' মোক আপোনালোকে কেলেই জীয়াই ৰাখিবলৈ যত্ন কৰিছে? মোক মাৰি পেলাওক। মই আৰু জীয়াই থাকিব নোখোজো। সেই ভয়াবহ কালৰাত্ৰিৰ বিভীষিকা মোৰ বুকুৰ পৰা আঁতৰি নেযায়। মোৰ ককাইদেৱে নিজৰ পৰিয়ালৰ সুখ-শান্তি স্বাভাৱিক জীৱন যাত্ৰা পৰিত্যাগ কৰি হাবিয়ে বননিয়ে ঘূৰি ঘূৰি শোষিত, নিষ্পেষিত লাখ লাখ জনৰ কল্যাণৰ বাবে কষ্ট স্বীকাৰ কৰাৰ বিনিময়ত এয়া কি মূল্য আমি দিব লগা হৈছে? মোৰ মাক মোৰ চকুৰ আগতে গুলীয়াই হত্যা কৰিলে। মই জীৱনটোৰ বাবে কলঙ্কিতা হলো। মোৰ ভৱিষ্যত অন্ধকাৰ। সমাজে মোক গ্ৰহণ নকৰে। লাঞ্ছিতা হৈ মই জীয়াই থাকিব নোৱাৰো। ককাইদেউহঁতৰ সশস্ত্ৰ সংগ্ৰামৰ কথা মানুহে বুজি নোপোৱা হৈছে। সেই সংগ্ৰামৰ আঁৰ লৈ সমাজত ইমান সন্ত্ৰাস ইমান আতংক বিয়পি পৰিছে। ককাইদেউহঁতে পৰিস্থিতি কেলেই নিয়ন্ত্ৰণলৈ আনিব পৰা নাই? ককাইদেউহঁতৰ সমাজ সংস্কাৰ মূলক কাৰ্যবোৰ ৰাইজৰ পূৰ্ণ সমৰ্থনতে

আগবাঢ়িছিল। মাদক দ্ৰব্য, গণিকা বৃত্তি আদি সামাজিক ব্যাধি লোপ পাইছিল, দুৰ্নীতি পৰায়ণ আৰু পুঁজিপতি সকলৰ অন্যায়ৰ সঞ্চিত ধন সংগঠনত কাম কৰা সদস্যৰ দুৰ্গত পৰিয়ালৰ ভৰণপোষণত ব্যয় কৰা হৈছিল, বহু ঠাইত ৰাস্তা, দলং নিৰ্মাণ হৈছিল। ৰাষ্ট্ৰযন্ত্ৰই কৰা অন্যায়, শোষণৰ প্ৰতি ৰাইজৰ চকু মুকলি কৰা হৈছিল। কিন্তু ইমানবোৰ জনকল্যাণমূলক কাম কৰিলেও ককাইদেউহঁতৰ সংগঠনৰ নামত নানা ভুৱা সদস্যই সমাজত অপকৰ্ম কৰিবলৈ সুবিধা পালে। প্ৰকৃত সদস্যজনে সংগঠনৰ কামত অশেষ ত্যাগ কৰি নিজৰ পৰিয়ালৰ সুখ-শান্তি গ্ৰাহ্য নকৰি প্ৰাণ বিসৰ্জন দি সংগঠনৰ হৈ যুদ্ধ কৰিলে, কিন্তু এতিয়া দেখোন সমাজত চাৰিওফালে হিংসা প্ৰতিহিংসাৰ জুই জ্বলিছে, সিদিনা অপহৰণ কৰি নিয়া নিৰ্দোষী মানুহ এজনকো হত্যা কৰিব লগা পৰিস্থিতি হ'ল – তেওঁৰ পৰিয়ালৰ মানুহৰ অভিশাপ লাগিল, আজি আমাৰ পৰিয়াল শেষ হৈ গ'ল, ককাইদেউৰ বাবে স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ পথ ৰুদ্ধ হৈ গৈছে, আমাৰ পৰিয়ালৰ এই বিপৰ্যয়ত ককাইদেউক কাষত নেপাওঁ..... যুৱতী গৰাকীয়ে মোৰ হাতখনত ধৰি কান্দিবলৈ ধৰিলে। কাতৰ কণ্ঠেৰে এফালৰ পৰা কথাবোৰ কৈ যেতিয়া তাই মোৰ জীৱনৰ ঘটনা প্ৰবাহলৈ অজানিতে আহি গ'ল মই উচপ খাই উঠিলো – মোৰ দুচকুত পানীৰে উপচি পৰিল। মোৰ অন্তৰখনত আকৌ শোকে খুন্দা মাৰি ধৰিলে। তাইৰ মৃৰত হাত ফুৰাই মই তাইক কি কম নকম ভাবি নেপালো। তাইৰ আৰু মোৰ যাতনাৰ মাজত কিহৰ পাৰ্থক্য? সমাজত সংঘটিত কিছুমান হিংসাত্মক কাৰ্যৰ পৰিপ্ৰেক্ষিতত আমি দুয়ো আজি নিৰ্যাতিতা, দুয়ো জীৱনত জীয়াই থকাৰ অৰ্থ বিচাৰি পাবলৈ অসমৰ্থ হৈ পৰিছো। তাইৰ ককায়েকৰ সংগঠন আৰু সমাজে আমাৰ হৃদয়ৰ এই জ্বলন্ত পীড়া কেতিয়া উপলব্ধি কৰিব? আজি এই লাঞ্ছিতা যুৱতী গৰাকীক দেখি মই উপলব্ধি কৰিছো হিংসা নাশ কৰিবলৈ হিংসাৰ আশ্ৰয়ৰে প্ৰতিশোধ লব নোৱাৰি। সংসাৰত আমাৰ দৰে মানুহৰ সংখ্যা বঢ়াবলৈ মই মোৰ ৰূপমৰ হাতত বন্দুক তুলি দিব নোৱাৰো। হিংসাৰ বলি হৈ নিষ্পেষিত হোৱা মানুহৰ চকুপানীৰ অৰ্থহে তাক বুজাবৰ বাবে, উপযুক্ত পৰিবেশ গঢ়িম। শান্তি-সম্প্ৰীতি মৰম-চেনেহৰ ভাষাহে তাক মই শিকাব লাগিব। সূ.

# নোবেল বিজয়ী লেটিন আমেৰিকাৰ কবি অক্টাভিও পাজ

# কবিতা এক গোপন উৎসৰ

গীতাৰ্থ পাঠক

কবিতা ইতিহাসৰ ভিতৰৰেই এক সুকীয়া কণ্ঠ যি কণ্ঠই সুকীয়া ভাবে কথা কয়। কবিতা সম্পৰ্কে লেটিন আমেৰিকাৰ নোবেল বিজয়ী কবি অক্টাভিও পাজৰ এয়েই ধাৰণা। পাজৰ মতে ইতিহাস নোহোৱাকৈ কবিতা হব নোৱাৰে– কিন্তু ইতিহাসৰ পূৰ্ণ পৰিবৰ্তন সাধন কৰাৰ বাহিৰে কবিতাৰ আন কোনো উদ্দেশ্য নাই। গতিকেই প্ৰকৃত বিপ্লৱী কবিতা মানেই ৰহস্য উদ্‌ঘাটনমূলক কবিতা।

১৯১৪ চনত লেটিন আমেৰিকাৰ মেক্সিকো দেশত জন্মা এই কবি গৰাকীৰ কবিতাত মধ্যযুগীয় স্পেইন দেশীয় কবি গোনগোৰা, কাভাদো, ফৰাচী কবি মালাৰ্মে, ৰিঁবো, ইংৰাজ কবি ক'লিৰিজ, এলিয়ট ইত্যাদি কবিৰ যথেষ্ট প্ৰভাৱ দেখা যায়। অক্টাভিও পাজক অধিবাস্তৱবাদী (surrealist) কবিৰ শাৰীত পেলাব খুজিলেও তেওঁৰ কবিতা অধিবাস্তৱবাদৰ দ্বাৰা প্ৰভাৱিত বুলি ক'ব নোৱাৰি। বহুতে পাজক পাৰ্থিৱ অধিবাস্তৱবাদী (telluric surrealist) আখ্যা দিব খোজে। পাজৰ এটি সৰু কবিতাত চকু ফুৰালে পাঠকসকলে তেওঁৰ কবিতাৰ ধাৰা উপলব্ধি কৰিব পাৰিব। তলত তেওঁৰ 'পৰশ' নামৰ কবিতাটো উদ্ধৃত কৰা হ'ল।

মোৰ দুখনি হাতে উন্মোচিত কৰে
তোমাৰ অস্তিত্বৰ আৱৰণ
তোমাক অধিক উলংগ কৰিবলৈ
কাপোৰ পিন্ধায়
তোমাৰ দেহৰ বাবে মোৰ হাত দুখনে
আৱিষ্কাৰ কৰে অন্য এক দেহ।

পাজৰ কবিতাত প্ৰতীকবাদৰ প্ৰভাৱ স্পষ্ট। ফৰাচী প্ৰতীকবাদী কবি ৰিঁবো, বদলেয়াৰ আৰু মালাৰ্মেই কবি গৰাকীক যথেষ্ট অনুপ্ৰাণিত কৰিছে যেন লাগে। পাজৰ পাছৰ কবিতাবোৰত মালাৰ্মেৰ প্ৰভাৱ অলপ বেছি। ফৰাচী কবি মালাৰ্মেই ব্যাকৰণসম্মত বাক্য গাঁথনিৰ ওপৰত বিশ্বাস নকৰিছিল, বৰং তেওঁ সংগীতৰ তালৰ সৈতে কবিতাৰ ওচৰ সম্পৰ্ক ৰখাত আগ্ৰহী। আনহাতে স্পেনিছ সাহিত্যৰ সোণালী যুগৰ কবি গোনগোৰা, কাভাদো ইত্যাদি কবিসকলৰ কবিতা অতিশয় আড়ম্বৰপূৰ্ণ আছিল। এই দুয়োটা ধাৰাৰ প্ৰভাৱে অক্টাভিও পাজক প্ৰতীকবাদ আৰু আড়ম্বৰবাদলৈ লৈ যাব খুজিলেও ইংৰাজ কবি এলিয়ট, ক'লিৰিজ কুৰি শতিকাৰ ফৰাচী সাহিত্যিক লুই চেৰ্নুদা, জৰ্জ গুইলেঁ ইত্যাদি কবিসকলৰ প্ৰভাৱে পাজক পুৰণি শৃংখলৰ পৰা আধুনিকতালৈ টানি আনিছে।

পাজৰ কবিতাৰ বৈশিষ্ট্য এইখিনিতেই যে তেওঁ কোনো বিশেষ প্ৰান্তৰ মানসিকতা আৰু ইতিহাসৰ পটভূমিত কবিতা লিখা নাছিল। ৰাষ্ট্ৰদূত আৰু অন্যান্য কূটনৈতিক পদত যোগদান কৰি পাজ দেশে দেশে ঘূৰি ফুৰিছিল। অক্টাভিও পাজ ১৯৬২ চনত ভাৰতবৰ্ষত মেক্সিকোৰ ৰাষ্ট্ৰদূত হিচাপে আহে। সুদীৰ্ঘ ছয় বছৰকাল ভাৰতৰ বুকুত থকাৰ পিছত তেওঁ ১৯৬৮ চনত মেক্সিকো মহানগৰত চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত গুলি বৰ্ষণ কৰাৰ প্ৰতিবাদত পদত্যাগ কৰে। অক্টাভিও পাজৰ সৰহভাগ ৰচনাত ভাৰতৰ প্ৰভাৱেই বেছি। ভাৰতৰ উপৰিও জাপান, ফ্ৰান্স, ব্ৰিটেইন ইত্যাদি দেশতো বিদেশী কূটনীতিবিদ হিচাপে থাকিব লগীয়া হৈছিল। বিভিন্ন দেশত বিভিন্ন পটভূমিত থাকিব লগীয়া হোৱা বাবে পাজৰ কবিতাত এক আন্তৰ্জাতিক ছবি ফুটি উঠিছিল।

পাজে কবিতা সম্পৰ্কে ক'বলৈ গৈ বাৰে বাৰে ইতিহাস টানি আনে। ইতিহাস আৰু সমাজ– এই দুয়ো বিধ সমলৰ মাজেৰে সৃষ্টি হয় ভাষা। ভাষাৰ পৰা হয় কবিতা। কবিতাই কেতবোৰ নীতি নিয়মৰ মাজেৰে ভাষাক নতুনকৈ গঢ় দিব খোজে। কথোপকথন আৰু বিতৰ্কত যি নিয়মেৰে ভাষা ব্যৱহৃত হয় কবিতাত সেই নিয়ম অচল। বস্তু এটাৰ বিষয়ে ক'বলৈ গদ্যত বহু পথ আছে, কিন্তু কবিতাত পথ একেটাই। কোনো এটা বিষয়ৰ ওপৰত কবিয়ে নকয় বৰং বিষয়টো দেখুৱাই দিয়ে। কাব্যিক ভাবমূৰ্তিক কেতিয়াও ব্যাখ্যা কৰিব নোৱাৰি।

যেতিয়া ইতিহাসে আমাক সন্দেহ কৰিবলৈ থল উলিয়াই দিয়ে যে এইবোৰ কাব্যচৰ্চা অৰ্থহীন, অন্তহীন অশৰীৰী শব্দৰ শোভাযাত্ৰা তেতিয়া ভাষা দুৰ্বোধতা প্ৰকট হৈ উঠে আৰু ই প্ৰকৃত বক্তব্যক বাধা দিয়ে। শব্দই তাৰ অৰ্থ হেৰাই পেলায় আৰু সংযোগৰ শক্তি শব্দৰ নোহোৱা হৈ পৰে।

ইতিহাসক কেৱল ঘটনা কিছুমানৰ তালিকা বা নিৰ্ঘন্টলৈ অবনমিত কৰা মানে ভাষাকো প্ৰাণহীন প্ৰতীকৰ সমষ্টিলৈ অবনমিত কৰা। সকলো মানুহে একে শব্দকেই ব্যৱহাৰ কৰে। কিন্তু তেওঁলোকৰ এজনে আনজনক বুজি নাপায়।

ভাষা এটা পৰম্পৰা নহয়, বৰং ই এটা মাত্ৰা– য'ৰ পৰা মানুহক বিচ্ছিন্ন কৰিব নোৱাৰি। কবিতাৰ সম্পৰ্কত ইমান উচ্যবাচ্য কৰাটো দেখাত অতিৰঞ্জিত যেন লাগিব পাৰে, কিন্তু আজিৰ সময়ত হোৱাৰ দৰে ইতিহাসৰ প্ৰভাৱ বা দমন ইমান বেছি কাহানিও হোৱা নাছিল। কেতিয়াও ঘটনা সমূহৰ হেঁচা ইমান শ্বাসৰুদ্ধ হোৱা নাছিল। সেই বাবেই আজি কাব্যিক তৎপৰতা অধিক গোপন, বিচ্ছিন্ন আৰু দুৰ্বল হৈ পৰিছে। যোৱা কেইদিনমান আগলৈকে এটি কবিতা লিখা আৰু প্ৰেম কৰা– এই দুয়োটা কাম ধ্বংসাত্মক কাম বুলি গণ্য হৈছিল। আজি সেই ধাৰণাৰ পৰিবৰ্তন হৈছে আৰু সেই ঠাই জনসাধাৰণৰ শক্তি আৰু প্ৰতিৰোধে দখল কৰিছে।

এইদৰেই অক্টাভিও পাজে কবিতাক দাৰ্শনিক দৃষ্টিভংগীৰে বিচাৰ কৰিছে। কবিতাৰ ভূমিকা আৰু প্ৰয়োজনীয়তা সম্পৰ্কে ক'বলৈ গৈ পাজে ইতিহাস



সমাজতত্ত্ব আৰু গভীৰ মনস্তত্ত্বৰ মাজেৰে এক সুকীয়া দৰ্শন পাঠক সকলৰ বাবে দাঙি ধৰিছে। কবিতা সম্পৰ্কে এটা বাক্যেৰে পাজে কৈছে যে কবিতা যদি এটা উৎসৱ তেনেহ'লে এই উৎসৱ আৱতৰীয়া উৎসৱ আৰু ই অতি নিভৃত ঠাইত অনুষ্ঠিত হয়। কবিতা এক গোপন উৎসৱ। কবিতা এক গোপন উৎসৱ কথাষাৰৰ মাজেৰে পাজে কবিতা আৰু কবি সম্পৰ্কে এক সুস্পষ্ট ধাৰণা দাঙি ধৰিব পাৰিছে। তেওঁ আৰু কৈছে যে আমাৰ জীৱন শেষ কৰিয়েই সন্তুষ্ট নাথাকি আমাৰ বিবেকক শাসন কৰিব খোজা সেই শক্তিবোৰক প্ৰত্যাহ্বান জনাবলৈ কবিতা হ'ল আধুনিক মানুহৰ এটা উপায়। এই কথা শাৰীৰ দ্বাৰা পাজে কবিতাক বিপ্লৱৰ শাৰীলৈ টানি নিনিলেও আজিৰ সমাজ জীৱনৰ অন্যায় অত্যাচাৰৰ বিৰুদ্ধে এক মূৰ্ত প্ৰতিবাদ হিচাপে দাঙি ধৰিছে।

অক্টাভিও পাজৰ প্ৰথমখন গুৰুত্বপূৰ্ণ কবিতা সংকলন প্ৰকাশ পায় ১৯৪৯ চনত। স্পেনিছত লিখা এই কবিতা সংকলনৰ নাম আছিল "লিবাৰটাড বাজো পালাব্ৰা।" পাছৰ বছৰ মেক্সিকোৰ ওপৰত পাজে এক গদ্য ৰচনা প্ৰকাশ কৰে। এই ৰচনাখন বিশ্বৰ বহু ভাষাত অনূদিত হৈছে। ৰচনাখনৰ নাম "লেবিৰিনথ্ অব চলিটিউড"। ১৯৫৫ চনৰ পৰা ধাৰাবাহিক ভাবে পাজৰ গ্ৰন্থ প্ৰকাশ পাবলৈ লয়। ১৯৬৩ চনত পাজে আন্তৰ্জাতিক কবিতাৰ গাঁ প্ৰি লাভ কৰে। ১৯৭৭ চনত তেওঁ জেৰুজালেম পুৰস্কাৰ আৰু ১৯৯০ চনত সাহিত্যৰ নবেল বঁটা লাভ কৰে।

'বৃন্দাবন' নামেৰে এক সুদীৰ্ঘ কবিতা পাজে লিখিছে, সম্পূৰ্ণ এক অন্য পটভূমিত। তেওঁ হিমাচল প্ৰদেশৰ ওপৰত এলানি কবিতা লিখিছে। লিখিছে উটকামন্দ আৰু হুমায়ুনৰ কবৰৰ ওপৰত। হুমায়ুনৰ কবৰৰ ওপৰত লিখা কবিতাটো এনে ধৰণৰঃ

"ভিমৰুলৰ বাকবিতণ্ডা
বান্দৰৰ বিতৰ্ক
আৰু পৰিসংখ্যাৰ কিচিৰ মিচিৰ শব্দ
সি বিৰোধিতা কৰে

(চৰাই, প্ৰস্তৰ আৰু বতাহেৰে সজা
গোলাপৰ লেলিহান শিখা,
পানীৰ ওপৰত ভাহি ৰয় সময়)
মৌনতাৰ ভাস্কৰ্য"

মূলতঃ স্পেনিছ আৰু ইংৰাজী ভাষাত লিখা এই দাৰ্শনিক কবিজনৰ মেজাজ অন্য ধৰণৰ। ১৯৭১ চনত মেক্সিকোৰ পৰা 'plural' নামৰ এখন সাহিত্য, কবিতা আৰু সংস্কৃতিমূলক আলোচনী তেওঁ প্ৰকাশ কৰিছিল। এই আলোচনীখনে লেটিন আমেৰিকাত এক বিৰাট প্ৰভাৱ পেলাইছিল। কিন্তু চৰকাৰৰ হস্তক্ষেপৰ বাবে অক্টাভিও পাজে ১৯৭৬ চনত পদত্যাগ কৰে আৰু 'Vuelta' (কবিতা) নামেৰে আন এখন আলোচনী প্ৰকাশ কৰে। এতিয়াও তেওঁ এই আলোচনীখন চলাই আছে। চৰকাৰী হেঁচাৰ ওপৰত সেও নমনা এই কবিজন এক অনন্য অনুভূতিৰ কবি। এই কবি গৰাকীৰ দোকমোকালিৰ অনুভূতি এনে ধৰণৰঃ

অন্ধকাৰ বেণ্ডেজবোৰ
শীতল আৰু দ্ৰুত হাতখনে
একে একে খুলি দিয়ে
মই চকু মেলো।
এতিয়াও
মই জীয়াই আছো
বুকুত এটি কেঁচা আঘাত।

মেক্সিকোৰ এই কবি গৰাকীৰ কবিতাত বিচাৰি পাওঁ আধুনিক কবিতাৰ এক আন্তৰ্জাতিক ধাৰা যিটো সমসাময়িক আন আন কবিসকলৰ মাজত পাবলৈ নাই। সম্ভৱত এইটোৱেই পাজৰ সাফল্যৰ অন্যতম কাৰণ। সূ

দৃষ্টিকোণ

# প্ৰসংগঃ দেৱব্ৰত শৰ্মাহঁতলৈ নিক্ষেপিত গুলিবোৰ

*('প্ৰতি বিপ্লৱী'ৰ অৰ্থ বিচাৰি)*

ৰিপুঞ্জয় গগৈ/তিলক বৰুৱা

'বন্দুকৰ গুলিত ৰাতি পুৱাইনে? ৰাতি পুৱাই চৰাইৰ কূজনত।' (ৰত্নেশ্বৰদাস / নিৰ্মলপ্ৰভা বৰদলৈ।) বন্দুকৰ নলীৰ মাজেদি বিপ্লৱ বা সমাজ পৰিবৰ্তন বিচৰা সকলৰ মুখত সোপা দিবৰ বাবে উদ্ধৃত কবিতা পংক্তিটো অহিংসা পন্থীসকলে ব্যৱহাৰ কৰিলেও সময় সাপেক্ষে বন্দুকৰ নলীত বিশ্বাস স্থাপন কৰা আমাৰ দৰে লোকেও একোটা বিশেষ মুহূৰ্তত ইয়াৰ আপেক্ষিক প্ৰাসংগিকতা অনুভৱ কৰোঁ। যেতিয়া মুক্তি স্বাধীনতাৰ উদগ্ৰ আকাংক্ষাত কোনো সংগঠনে জনসাধাৰণক গভীৰ ভাবে ভালপোৱা অথচ আদৰ্শৰ অমিল থকাৰ বাবেই কোনো ব্যক্তিক তেওঁলোকৰ নিজস্ব গণ্ডীৰ ধ্যান ধাৰণাই তথাকথিত 'প্ৰতি বিপ্লৱী' আখ্যাৰে খতম কৰাত উৎসাহী হয় তেতিয়া স্বাভাৱিকতে নিক্ষেপিত বন্দুকৰ গুলিৰ প্ৰাসংগিকতা আৰু কাৰোবাক আৰোপ কৰা 'প্ৰতি বিপ্লৱী' আখ্যাৰ যুক্তিযুক্ততা বিচাৰ কৰা আমাৰ জৰুৰী কৰ্তব্য হৈ পৰে। নহ'লে একোটা অপৰিপক্ক মগজুৰ সিদ্ধান্ত সম্ভূত বন্দুকৰ একোটা বেপৰোৱা গুলি আমাৰ বুকুলৈও নিক্ষেপিত হবলৈ কেতপৰ? যোৱা ৯ আগষ্টত নিৰ্ভীক তথা বিশিষ্ট সাংবাদিক কমলা শইকীয়াক আল্‌ফাই ফেচিষ্ট অপকৌশলৰে গুলিৰে শাৰীৰিক ভাবে শুৱাই দিয়াৰ পাছত ৰাজ্য জুৰি বিবেকবান গণতন্ত্ৰীসকলে প্ৰতিবাদৰ যি জোৱাৰ তুলিলে তাৰ ঢৌ মাৰ নাযাওঁতেই পুনঃ আল্‌ফাই তেওঁলোকৰ দূৰ্মতিৰে যোৱা ১৭ আগষ্টত বিশিষ্ট যুৱ-চিন্তাবিদ দেৱব্ৰত শৰ্মাক (তেখেতৰ আৰ্মকা পৰিচয় আমাৰ বাবে গৌণ) পুনঃ চিৰকালৰ বাবে শুৱাই দিয়াৰ অপচেষ্টাৰে ৫টা গুলিৰে আহত কৰে। আল্‌ফাই তেওঁলোকৰ কাংক্ষিত বিপ্লৱৰ পথ নিষ্কন্টক কৰাৰ অৰ্থে তেওঁলোকৰ প্ৰতিপক্ষৰ আৰ্মকা নেতা দেৱব্ৰত শৰ্মাক খতম কৰাৰ আঁচনি লয়। আৰ্মকাৰ দেৱব্ৰত শৰ্মাৰ লগত আমাৰ পৰিচয় সীমিত। কিন্তু সমকালীন আমাৰ যুৱ চামৰ মাজত সামাজিক-ৰাজনৈতিক আদি দিশত গভীৰ চিন্তা-চৰ্চা কৰিব পৰা বৌদ্ধিক ভাবে পৰিপক্ক লেখক চিন্তাবিদ দেৱব্ৰত শৰ্মাৰ লগত আমাৰ সম্পৰ্ক অতি ঘনিষ্ঠ। সেই সূত্ৰেই শৰ্মালৈ নিক্ষেপিত গুলিৰ তাৎপৰ্য বিচাৰ কৰাৰ প্ৰয়োজন অনুভৱৰে আমি এই পত্ৰৰ পাতনি মেলিছোঁ। দেৱব্ৰত শৰ্মাক আমি যিমান জানো তাৰ পৰা আমি এই কথাত নিশ্চিত যে তেওঁক প্ৰতি বিপ্লৱী আখ্যা দিয়া সকলে তেখেতক যুক্তি তৰ্কৰে বলে নোৱৰা ফলশ্ৰুতিৰেই তেওঁ তথাকথিত প্ৰতিপক্ষৰ পৰা উপহাৰ পালে ৫টা বন্দুকৰ গুলি। শৰ্মাই সম্পাদনা কৰা 'একলব্য' কাকতৰ সম্পাদকীয়ত এবাৰ তেওঁ নাৎসী আমোলৰ জাৰ্মান লেখক এজনৰ উদ্ধৃতি দি লিখিছিল– 'নাৎসী বাহিনীয়ে যেতিয়া ইহুদী ধৰি লৈ গ'ল মই তাৰ কোনো প্ৰতিবাদ নকৰিলোঁ কাৰণ মই ইহুদী নাছিলোঁ। এদিন সিহঁতে শ্ৰমিক নেতাক ধৰি নিলে মই তাৰ প্ৰতিবাদ নকৰিলোঁ কাৰণ মই শ্ৰমিক নাছিলোঁ। এদিন সিহঁতে কমিউনিষ্টক ধৰি নিলে মই তাৰ প্ৰতিবাদ নকৰিলোঁ কাৰণ মই নিজে কমিউনিষ্ট নাছিলোঁ। এদিন সিহঁতে ফেচিষ্ট বিৰোধী বিচাৰি আহিল মই তাৰো প্ৰতিবাদ নকৰিলোঁ কাৰণ মই সেই পন্থী নাছিলোঁ। অৱশেষত সিহঁতে মোক টানি নিলে– কিন্তু তেতিয়া তাক প্ৰতিবাদ কৰিবলৈ মোৰ কাষত মোৰ সমৰ্থক কোনো অৱশিষ্ট নাথাকিল– সিহঁতে মোক বৰ্বৰভাবে বধ্যভূমিলৈ টানি নিলে।' আজি দেৱব্ৰত শৰ্মাহঁতক আল্‌ফাই প্ৰতি বিপ্লৱী সাজি গুলি কৰাৰ পাছত মই দেৱব্ৰতহঁতৰ দলত নাই বুলি মৌন হৈ থকা সকলে এদিন ফেচিষ্টে সৰ্বশেষত টানি লৈ যোৱা দুৰ্ভগীয়া তথাকথিত শান্তিবাদীজনৰ অৱস্থা লভাটো অসম্ভৱ কথা নহয়। ব্যক্তি দেৱব্ৰত শৰ্মাহঁতক খতম কৰা পন্থাটো কেনে চিন্তাৰ ৰসায়নাগাৰত প্ৰস্তুত হৈছে সেইটো আজি নিৰ্মোহ ভাবে বিশ্লেষণ কৰাৰ প্ৰয়োজন। শৰ্মাহঁতৰ আৰ্মকাৰ স্থিতিয়ে আল্‌ফাৰ কাংক্ষিত বিপ্লৱৰ পথটো কেনে ধৰণে বিধি পথালি দিছে? দেৱব্ৰত শৰ্মাই নিজৰ সম্পাদনাত প্ৰকাশ কৰা 'দোকমোকালি', 'একলব্য' আৰু আন কাকত আলোচনীত প্ৰকাশ কৰা ৰচনা কোনবোৰ গণ বিৰোধী প্ৰতি বিপ্লৱী? 'সূত্ৰধাৰ'ৰ দৰে বিশিষ্ট আলোচনীত দেৱব্ৰত শৰ্মাই ভিন্ন সময়ত অসমৰ ৫০ লাখ চাহ জনজাতিৰ কথা আৰু 'চৰ অঞ্চলৰ সৈনিক' শীৰ্ষক আদি প্ৰবন্ধৰে চৰ অঞ্চলৰ বৃহৎ সংখ্যক নতুন অসমীয়া সকলৰ সমস্যা আৰু গণ-বিপ্লৱ কৰাৰ সম্ভাৱনাবোৰৰ কথা অসমৰ সকলো তথাকথিত বিপ্লৱী বুদ্ধিজীৱীতকৈ আগতে পোহৰলৈ আনিছিল। (চৰ অঞ্চলৰ মানুহৰ কেতবোৰ কথা পৰাগ দাসে 'প্ৰান্তিক'ত লেখিছিল।) তৰ্কৰ খাতিৰত মানি লৈছোঁ দেৱব্ৰত শৰ্মাহঁতৰ কথাবোৰ অসমৰ বাবে অনিষ্টকৰ। তেওঁলোক 'প্ৰতি বিপ্লৱী'। কিন্তু এই প্ৰতিক্ৰিয়াশীল প্ৰতি বিপ্লৱী কথাবোৰ অসমৰ প্ৰতিপন্ন কৰি দেৱব্ৰত শৰ্মাহঁতৰ নিধন ইচ্ছুক সকলে কিয় বৌদ্ধিক ভাবে সত্য প্ৰতিষ্ঠা কৰাৰ সলনি দেৱব্ৰত শৰ্মাহঁতক শাৰীৰিক ভাবে হত্যা কৰিবলৈ বিচাৰিছে? শৰ্মাহঁতৰ ৰাজনৈতিক আদৰ্শক আমি তৰ্কাতীত ভাবে সমৰ্থন জনাব নোৱাৰিলেও তেওঁলোকৰ আদৰ্শ গ্ৰহণ বৰ্জনৰ সম্পৰ্কে আমাৰ মাজত ঘন্টাৰ পাছত ঘন্টা চলা তৰ্ক-বিতৰ্কত আমি এই কথা জানিব পাৰো যে শৰ্মাৰ জনসাধাৰণৰ প্ৰতি আছে অসীম সদিচ্ছা আৰু নিজে পোষকতা কৰা আদৰ্শৰ প্ৰতি আছে উদগ্ৰ বিশ্বাস। কিন্তু সেই বুলি আমাৰ দৰে বিৰুদ্ধবাদীৰ প্ৰতি তেওঁ শ্ৰদ্ধাৰ বাহিৰে কাহানিও অসহিষ্ণুতা প্ৰদৰ্শন কৰা নাই। সেয়ে প্ৰচুৰ বিতৰ্কৰ মাজতো তেখেতৰ সান্নিধ্যত আমি অনুভৱ কৰো পৰিশীলিত চিন্তাৰ অমল উত্তাপ। দেৱব্ৰতহঁতৰ – খতম ইচ্ছুক সকলে শৰ্মাৰ পৰা এনে শিক্ষা লবনে যি বিৰোধী আদৰ্শক গাৰ বা বন্দুকৰ বলেৰে নিঃশেষ কৰাতকৈ যুক্তি বলত অধিক গুৰুত্ব দিয়ে। যোৱা ১৪ আগষ্টত 'অগ্ৰদূত' কাকতত প্ৰকাশ কৰা মৃত কমলা শইকীয়াৰ জীৱনৰ শেষ প্ৰবন্ধত শইকীয়াদেৱে এঠাইত লিখিছিল- "We should fight against the system, not with person.' কিন্তু আল্‌ফাৰ বাবে শইকীয়াদেৱ বা শৰ্মাহঁতৰ পৰা কোনো শিক্ষণীয় দিশ নাই। ফলত তেনে বুদ্ধিজীৱীক যুক্তি তথ্যৰে বৌদ্ধিকভাবে খতম কৰাৰ সলনি বাছি লৈছে অতি বিপ্লৱীৰ বেপৰোৱা ব্যক্তি খতম পথ। যিটো বিপ্লৱৰ ইতিহাসত প্ৰতি বিপ্লৱী তত্ত্ব ৰূপেহে প্ৰতিষ্ঠিত। মানুহ আৰু জীৱ-জন্তুৰ মাজত থকা এটা মৌলিক পাৰ্থক্য হৈছে– মানুহে ইতিহাস বা অভিজ্ঞতাৰ পৰা শিক্ষা লয় যিটো জন্তুৱে নলয়। দেৱব্ৰত শৰ্মাহঁতৰ নিধন ইচ্ছুক সকলে অভিজ্ঞতা তথা বিশ্ববিপ্লৱী ইতিহাসৰ পৰা শিক্ষা লোৱাহেঁতেন এনে ব্যক্তি নিধনৰ পথত ভৰি নিদিয়ে। বিশ্ববিপ্লৱৰ ইতিহাসৰ পৰা শিক্ষা গ্ৰহণ কৰা কথা বাদেই (যিবোৰ কৰিছে সেয়াও বলেভিয়াৰ গুৱেভাৰাক চিনি পোৱা অথচ কিউবাৰ গুৱেভাৰাক চিনি নোপোৱা শিক্ষা।) অসমৰ বিগত সময়ছোৱাত অসমত ব্যক্তি হিচাপত কংগ্ৰেছ(ই)-ৰ সদস্য খতমৰ পথ লোৱাৰ পাছতো কিয় অসমত কংগ্ৰেছৰ ভেটিত তিতা লাও গজাৰ বিপৰীতে কংগ্ৰেছৰ কপালহে ফুলিল। তাৰ পৰাই ব্যক্তি খতমত উৎসাহী আল্‌ফাই শিক্ষা নললে। এই কথাটো যোৱা ৭ আৰু ৯ আগষ্টত 'আজিৰ অসম' কাকতত দেৱব্ৰত শৰ্মাই 'অসমৰ চেতনাৰ পৰিৱৰ্তন, সংহতি ভাঙোন এক বিশ্লেষণ' শীৰ্ষক প্ৰবন্ধত সুন্দৰকৈ বিশ্লেষণ কৰিছে। দেৱব্ৰত শৰ্মাহঁত যদি প্ৰকৃততে দেশদ্ৰোহী প্ৰতি বিপ্লৱী সেই কথা দেৱব্ৰত নিধন ইচ্ছুকসকলে বৌদ্ধিক ভাবে প্ৰতিষ্ঠা কৰি দেৱব্ৰত শৰ্মাহঁতৰ আদৰ্শক খতম কৰক।

শেষত প্ৰখ্যাত বিশ্ব কবি ফয়েজ আহমদ ফয়জৰ কবিতা পংক্তি এটাৰে সামৰণি মাৰিব খুজিছোঁ যি সকলো বিপ্লৱী বুদ্ধিজীৱীৰ কণ্ঠৰ সৰৱ প্ৰতিধ্বনি। "যদি মোৰ কলম আৰু চিয়াঁহী কাঢ়ি নিয়ে/মই জানো দুখত ভাগি পৰিম?/বুকুৰ তেজত ডুবাই দিছোঁ হাত/যদি সিহঁতে মোৰ মুখ বন্ধ কৰি দিয়ে/শিকলিৰ প্ৰতিটো আঙঠিত-/অঙঠাৰ দৰে লগাই লওঁ এখনকৈ জিভা।" ∎

বিচিত্ৰা

## কমলা শইকীয়াৰ স্মৃতিত

# সাংবাদিক কমলা শইকীয়া হওক প্ৰেৰণাৰ উৎস

কৃষ্ণ খাটনিয়াৰ

সাংবাদিক কমলা শইকীয়া অৱশেষত উগ্ৰবাদৰ চিকাৰ হ'ল। আজি কিছুদিন ধৰি ৰাজ্যখনৰ সাংবাদিক সকলৰ (প্ৰকৃততে এচামৰ) প্ৰতি আহি থকা হুমকিৰ পৰিণতি হিচাপেই কমলা শইকীয়া অসমৰ প্ৰথম ছহিদ সাংবাদিক হ'ল। আমাৰ শংকা, এইখিনিতেই যে এইটো আৰম্ভণিহে ইয়াৰ শেষ ক'ত হ'ব তাক অনুমান কৰাই অসুবিধা।

সাংবাদিক কমলা শইকীয়াক মই শেষবাৰ লগ পাইছিলোঁ যোৱা ৩ আগষ্ট তাৰিখে নাজিৰাত। স্বৰ্গীয় শইকীয়াৰ লগত মোৰ প্ৰথম চিনাকি বাতৰি কাকতত হোৱা 'কাজিয়া'ৰ মাধ্যমত। সেইয়া আছিল ১৯৮৬ চনৰ শেষ ভাগৰ ঘটনা। গুৱাহাটীৰ পৰা হোমেন বৰগোহাঞি দেৱৰ সম্পাদনাত প্ৰকাশ হোৱা অধুনালুপ্ত কাকত 'জনক্ৰান্তি'ৰ মই এজন নিয়মীয়া লেখক আছিলোঁ। শইকীয়াদেৱো আছিল উক্ত কাকতৰ এজন নিয়মীয়া লেখক। শিৱসাগৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত সেই সময়ৰ লোক সভাৰ সদস্য পৰাগ চলিহাই সাংবাদিক সকলক উদ্দেশ্য কৰি কটুবাক্য ব্যৱহাৰ কৰাত শইকীয়াদেৱে পৰাগ চলিহাক সমালোচনাৰে থকা-সৰকা কৰিছিল। মই 'জনক্ৰান্তি'ৰ পাতত এখন মুকলি চিঠি লিখি চলিহাৰ দৰে মানুহে সাংবাদিক সকলক ৰাজহুৱা ভাবে গালি পাৰিবলৈ কমলা শইকীয়াৰ দৰে ৰাজ্যখনৰ জ্যেষ্ঠ সাংবাদিক সকলে অসম আন্দোলনৰ সময়ত লোৱা ভূমিকাৰ পৰাই লাই পালে বুলি লিখিছিলোঁ। উক্ত বিতৰ্ক 'জনক্ৰান্তি'ৰ পাতত ভালেকেইটা সংখ্যা চলিল। ইয়াৰ পাছতহে মই শইকীয়া দেৱৰ বাসগৃহলৈ গৈ ব্যক্তিগত ভাবে চা-চিনাকি হৈছিলোঁ। সেইদিনাই তেখেতৰ লগত প্ৰায় দুঘন্টা কথা পাতি সাংবাদিকতাৰ সন্দৰ্ভত বহু কথাই জানিব পাৰিছিলোঁ, লগতে তেখেতৰ ব্যক্তিত্বৰ উমান পাই কৃতজ্ঞ হৈছিলোঁ।

কমলা শইকীয়া দেৱ মোৰ পিতৃৰ সমবয়সীয়া লোক। এতেকে মই তেখেতৰ সাংবাদিক জীৱনৰ আৰম্ভণিৰ ভূমিকাৰ কথা বিশেষ একো নেজানো। কিন্তু ১৯৭৯ চনৰ পৰা, অৰ্থাৎ অসম আন্দোলনৰ আৰম্ভণিৰ পৰা গণ পৰিষদ দল ১৯৮৫ চনত ৰাজ্যখনৰ ক্ষমতালৈ অহা সময়ছোৱালৈকে সাংবাদিক শইকীয়াৰ সকলো লিখা-মেলা আবেগে নিয়ন্ত্ৰণ কৰা দেখা পাইছিলোঁ। কিন্তু তাৰ বিপৰীতে ১৯৮৬ চনৰ পৰা মৃত্যুদিন পৰ্যন্ত স্বৰ্গীয় শইকীয়াৰ প্ৰত্যেকটো লিখাত আছিল বাস্তৱৰ দুঃসাহসিক পৰ্যালোচনা। তেখেতৰ সকলো মত নিৰ্বিবাদে মানি লব নোৱাৰি যদিও প্ৰত্যেকটো লিখাই মোৰ বাবে কঢ়িয়াই আনিছিল কিছু চিন্তনীয় বিষয়। তেখেতৰ শেষোক্ত লেখা সমূহৰ পৰা মই অনুপ্ৰাণিত হৈছিলোঁ।

স্বৰ্গীয় শইকীয়াই সাংবাদিক হিচাপে অসমৰ এই জটিল সময়ত মৃত্যুভয় নেওচি অতি সাহসেৰে নিজৰ কৰ্তব্য পালন কৰি গ'ল। তেখেতে অসমৰ সন্মুখত দেখা দিয়া প্ৰতিটো জটিল সমস্যাই নিজস্ব দৃষ্টি ভংগীৰে পৰ্যালোচনা কৰি বহু কথা পাঠক সকলক জনাই গ'ল। শইকীয়া নিজে ছহিদ হ'ল যদিও অসমৰ ৰাইজক, অসমক বহু অবাঞ্ছিত পৰিস্থিতিৰ পৰা ৰক্ষা কৰি গ'ল। সাংবাদিক কমলা শইকীয়াক হত্যা কৰি অসমৰ, বিশেষকৈ মফচল অঞ্চলৰ এজন দুঃসাহসিক অসম প্ৰেমী সাংবাদিকক আমাৰ মাজৰ পৰা আঁতৰাই পঠালে। স্বৰ্গীয় শইকীয়া অসমক প্ৰকৃততে ভাল পোৱা প্ৰতিজন সাংবাদিকৰ প্ৰেৰণাৰ উৎস হওক। ∎

## ভাৰতত বাৰ্ট'লুচিৰ শেহতীয়া ছবি

বাৰ্ণাৰ্ডো বাৰ্ট'লুচিৰ অস্কাৰ প্ৰাপ্ত ছবি 'দ্য লাষ্ট এম্পেৰৰ'ৰ পৰৱৰ্তী ছবি 'দ্য শ্বেল্টাৰিং স্কাই' যিখন অস্কাৰৰ বাবেও মনোনীত হৈছিল–এতিয়া ভাৰতীয় দৰ্শকৰ বাবেও সুলভ হৈছে। ছবিখনৰ ভিডিঅ' কেছেট বজাৰত পোৱা গৈছে। পল বউলেৰ উপন্যাসৰ আধাৰত 'দ্য শ্বেল্টাৰিং স্কাই'ৰ কাহিনী ভাগ গঢ়ি উঠিছে। এজন লেখক আৰু তেওঁৰ পত্নীয়ে দাম্পত্য জীৱনৰ দৈনন্দিনকতাৰ মাজত নষ্ট হৈ যাব খোজা পাৰস্পৰিক সম্পৰ্ক পুনৰুদ্ধাৰৰ মানসেৰে আলজেৰীয়াৰ মৰুভূমি অঞ্চললৈ অহাৰ পিছত ঘটা বিভিন্ন ঘটনা আৰু তেওঁলোকৰ মানসিক সংঘাতৰ চিত্ৰণেই হৈছে 'দ্য শ্বেল্টাৰিং স্কাই'। আলজেৰীয়াত উপস্থিত হৈয়েই নায়ক জন মলকোভিচ আৰু পত্নী ডেব্ৰা উইংগাৰ মুখামুখি হয় ভয়ংকৰ মহামাৰীৰ। মলকোভিচ মহামাৰীৰ দ্বাৰা আক্ৰান্ত হয়। দিনে নিশাই কৰা ক্লান্তিবিহীন পৰিচৰ্যাৰ মাজেদি ডেব্ৰা আৰু মলকোভিচ পুনৰ পৰস্পৰৰ কাষ চাপি আহে আৰু উপলব্ধি কৰে যে তেওঁলোকৰ প্ৰেম তেতিয়াও অমলিন। ন-আৱিষ্কৃত এই প্ৰেম কিন্তু স্থায়ী হবলৈ নাপায়। মলকোভিচে সুচিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰে আৰু ডেব্ৰাই আলজেৰীয়া পৰিত্যাগ কৰে। ইতিমধ্যে ডেব্ৰাই অন্য এক সমস্যাত সাঙোৰ খাই পৰে। থূলমূলকৈ এই কাহিনী ভাগকে লৈ চিত্ৰায়িত হৈছে 'দ্য শ্বেল্টাৰিং স্কাই'। ডেব্ৰা উইংগাৰ আৰু জন মলকোভিচৰ অনবদ্য অভিনয় ছবিখনৰ মূল সম্পদ। মহামাৰী কবলিত অঞ্চলৰ দুখ-যন্ত্ৰণা বাস্তৱ সন্মত আৰু হৃদয়স্পৰ্শী ভাবে তুলি ধৰাত বাৰ্ট'লুচি সফল হৈছে। ছবিখনৰ চিত্ৰ গ্ৰহণো অতি উচ্চমানৰ – যিটো বাৰ্ট'লুচিৰ ছবিৰ এটা প্ৰধান বিশেষত্ব। সমগ্ৰ ছবিখন চাহাৰা মৰুভূমিৰ পটভূমিত নিৰ্মিত হৈছে।


'দা শ্বেল্টাৰিং স্কাই'

## জেবা বখ্‌তিয়াৰৰ স্থায়িত্ব


জেবা বখ্‌তিয়াৰ

পাকিস্তানী সুন্দৰী জেবা বখ্‌তিয়াৰে হিন্দী ছবিত স্থায়ী আসন লাভ কৰিবলৈ আগবাঢ়িছে। 'হেনা' আৰু 'নাৰ্গিচ'ৰ পিছত জেবা তৃতীয়খন ছবিৰ বাবেও চুক্তিবদ্ধ হৈছে। 'আফ্‌চানা প্যাৰ কা' খ্যাত চাহজাহানৰ নতুন ছবি 'বুলন্দ'ত জেবা নায়িকা হোৱাটো খাটাং। নায়ক হিচাপে থাকিব চালমান খান। শুনা গৈছে 'বুলন্দ'ৰ প্ৰায় সকলো দিশ আঁৰৰ পৰা নিয়ন্ত্ৰণ কৰিব চালমান খানে। 'বুলন্দ'ৰ সংগীত পৰিচালনা কৰিব সম্ভৱতঃ নৌশাদে।

## শিৰোনামাত ৰূপা গাঙগুলী

টিভি চিৰিয়েল 'গণ দেৱতা'ত 'দুৰ্গা' আৰু 'মহাভাৰত'ত 'দ্ৰৌপদী'ৰ নিচিনা জটিল চৰিত্ৰত সুন্দৰ অভিনয় কৰাৰ পিছতো বংগৰ অভিনেত্ৰী ৰূপা গাঙগুলীয়ে ভাল ছবিত কাম পোৱা নাছিল। দুখনমান তৃতীয় শ্ৰেণীৰ হিন্দী ছবিত ৰূপাৰ প্ৰতিভাৰ অপব্যৱহাৰ হোৱাৰ পিছত এতিয়া পুনৰ ভালী অভিনয়ৰ সুযোগ ৰূপাৰ হাতলৈ আহিছে। চিৰিয়াচ কথাছবি নিৰ্মাতা গৌতম ঘোষৰ নতুন ছবি মানিক বন্দোপাধ্যায়ৰ কাহিন আধাৰিত 'পদ্ম নদীৰ মাঝি'ত ৰূপাই অভিনয় কৰাটো খাটাং। বাংলাদেশত দৃশ্য গ্ৰহণ কৰিব লগা ছবিখনৰ অধিকাংশ শিল্পীয়েই অৱশ্যে বাংলাদেশৰ।

## অভিভাৱকৰ অৱস্থা

ৰাজীৱ ৰায়ৰ সৈতে হোৱা সোনমৰ বিয়াৰ পিছত সোনমৰ অভিভাৱিকা চাবিহাৰ অৱস্থা এতিয়া পানীত হাঁহ নচৰা বিধৰ। নায়িকা হোৱাৰ হাবিয়াস থকা দুগৰাকী নবাগতাৰ অভিভাৱকত্ব কৰিবলৈ যাওঁতে অলপতে চাবিহাৰ স্বৰূপ উন্মোচিত হৈছে। এই নবাগতা দুগৰাকীৰে এগৰাকী শভাক মদ্ৰাজৰ এজন প্ৰযোজকৰ ওচৰলৈ লৈ গৈ চাবিহাই জনায় যে তেওঁৰ ছবিত কাম কৰিবলৈ যিকোনো মূল্যৰ বিনিময়তে শভা প্ৰস্তুত। হোটেলৰ নিৰ্দিষ্ট কক্ষত প্ৰযোজকৰ সৈতে 'নিভৃত আলাপ'ৰ বাবে হাজিৰ হোৱা শভাই প্ৰযোজকৰ কোঠাত নায়িকাৰ বাবে অপেক্ষামান ভালেকেইজন লোকক দেখি ভয় খাই সিদিনাৰ প্ৰথম ফ্লাইটতে বোম্বাইলৈ উভতি আহে। একেবাৰে চুক্তিবদ্ধ হৈ আহিব পৰা আশা লৈ যোৱা শভাই বিমানৰ টিকটটোও ধাৰ কৰা পইছাৰেহে কিনিব পাৰে। এতিয়া শভাই চাবিহাৰ লগত সকলো সম্পৰ্ক ত্যাগ কৰি নতুন সচিব এগৰাকী বিচাৰি আছে। ইফালে আনগৰাকী নবাগতা নীলায়ো চাবিহাৰ অভিভাৱকত্বৰ সোৱাদ পোৱাৰ পিছত নতুন সচিব নিযুক্ত কৰিছে। চাবিহাই এতিয়া পুৰণি ব্যৱসায় লৈয়ে সন্তুষ্ট থাকিব লগীয়া হৈছে। চাবিহা এগৰাকী ড্ৰেছ ডিজাইনাৰ।

## জয়া বচ্চনৰ ব্যৱহাৰ

তাহানিৰ জয়া ভাদুৰী, এতিয়া মিছেছ জয়া বচ্চনৰ চেহেৰাত এটা স্বাভাৱিক সৰলতা আৰু কোমলতাৰ ছাপ আছে। সেই বুলি চল্লিশত ভৰি দিবলৈ ওলোৱা জয়া 'গুড্ডী'ৰ সেই চঞ্চল চপলা বালিকাজনীৰ দৰেই সৰল হৈ থাকিব বুলি কোনেও আশা নকৰে। তথাপি অত্যন্ত ৰূঢ় স্বভাৱৰ মহিলা এগৰাকীৰ ৰূপতো জয়াক কল্পনা কৰাটো টান। বাস্তৱত কিন্তু সেয়ে ঘটিছে। দিল্লীবাসী লোকৰ মতে জয়া এগৰাকী কঠুৱা স্বভাৱৰ তিৰোতা। দিল্লীত কিছু বছৰ থকা কালতে জয়াৰ এই কঠুৱা স্বভাৱৰ সৈতে বহুতৰে পৰিচয় ঘটিছিল। এবাৰ হেনো স্কুল এখনৰ কিবা এটা অনুষ্ঠানলৈ জয়াক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰা হৈছিল। উপস্থিত থকা গোটেই সময়খিনিতে জয়াই হেনো ছাত্ৰীসকলৰ সৈতে অসংযত আৰু তাচ্ছিল্য ভৰা ব্যৱহাৰ কৰিছিল। তথাপি তাৰ মাজতে দুজনীমান সাহসী ছোৱালীয়ে যেতিয়া জয়াৰ এটা সাক্ষাৎকাৰ বিচাৰিলে স্কুল আলোচনীৰ বাবে, জয়া হেনো ফাটি পৰিল–'সাংবাদিকক মই চকুপাৰি


জয়া বচ্চন

দেখিব নোৱাৰো। মোৰ ঘৰত মই সাংবাদিকক সোমাবলৈকে নিদিওঁ। জয়াই কিন্তু জানিছিল যে ছোৱালীকেইজনী কোনো ভাবেই চিনেমা আলোচনীৰ সৈতে জড়িত নহয় অথবা বৃত্তিগত ভাবে সাংবাদিকো নহয়। গতিকে জয়াৰ সাংবাদিকৰ প্ৰতি এই ৰোষ এওঁলোকৰ আগত উগৰাৰ কাৰণ কি কোনেও ধৰিব নোৱাৰিলে। মাজতে জয়া বচ্চন বদমেজাজী বুলি চিহ্নিত হ'ল।

## হিন্দী ছবিৰ দামী নায়ক

হিন্দী ছবিৰ দামী নায়ক বুলিলে এই মুহূৰ্তত প্ৰথমেই যাৰ নাম মনলৈ আহে, তেওঁ হ'ল অমিতাভ। অমিতাভে একোটা টেৰীটৰীৰ বাবেই ৬০ লাখকৈ টকা লয়। কিন্তু অমিতাভৰ পিছত? অনিল কাপুৰ, চালমান বা আমীৰ নহয়– তেলেগু ছবিৰ




চিৰঞ্জীৱি

চুপাৰষ্টাৰ চিৰঞ্জীৱি হ'ল বৰ্তমানৰ দ্বিতীয়জন দামী নায়ক। হিন্দীত প্ৰথম ছবি 'প্ৰতিবন্ধ'ৰ অভূতপূৰ্ব সফলতাৰ পিছত দ্বিতীয়খন ছবি এন এন চিপ্পীৰ 'গুন্দাৰাজ্য'ৰ বাবে চিৰঞ্জীৱিয়ে ৪৫ লাখ টকা পাৰিশ্ৰমিক বিচাৰিছে।

## ছাহ ৰুখ্‌ খানৰ জনপ্ৰিয়তা

টিভি-ৰ ধাৰাবাহিক 'ফৌজী'ত অভিনয় কৰি দৰ্শক শ্ৰোতাক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা ছাহ ৰুখ্‌ খান এতিয়া বোলছবিৰ ব্যস্ত অভিনেতা। ইতিমধ্যেই হেমামালিনী পৰিচালিত প্ৰথম ছবি 'দিল আচ্‌না হে'ৰ বাবে ছাহ ৰুখ্‌ খান চুক্তিবদ্ধ হৈছে। ছাহ ৰুখ্‌ খানৰ হাতত থকা অন্যান্য ছবিসমূহ হৈছে ৰাকেশ ৰোচনৰ 'কিং আংকল', জি পি চিপ্পীৰ 'ৰাজু বন গয়া জেন্টলম্যান', ললিত কাপুৰৰ 'দীৱানা' আদি।

কৈশোৰতে দেউতাকক হেৰুওৱা ছাহ ৰুখৰ মাকৰো অলপতে মৃত্যু ঘটিছে। এতিয়া তেওঁৰ আপোন বুলিবলৈ আছে মানসিক ৰোগ বিশেষজ্ঞা বায়েক এগৰাকী। বিবেক বাচৱানীৰ আমন্ত্ৰণক্ৰমে দিল্লীৰ পৰা আহি বোম্বাইৰ ফিল্ম নগৰত সোমাই পৰাৰ পিছত ছাহ ৰুখে আৰু উভতি চাব লগা হোৱা নাই। অত্যন্ত ভদ্ৰ আৰু অমায়িক স্বভাৱৰ ছাহ ৰুখে নিজস্ব অভিনয় প্ৰতিভাৰে দৰ্শক-শ্ৰোতা আৰু ছবি নিৰ্মাতা সকলোকে সমানেই আকৰ্ষণ কৰিছে। যুৱক-যুৱতীৰ মাজত ছাহ ৰুখৰ জনপ্ৰিয়তালৈ চাই ক'ব পাৰি যে সোনকালেই চালমান, আমীৰ, সঞ্জয়ৰ শাৰীতে ছাহ ৰুখেও নিজৰ ঠাই কৰি লব পাৰিব।

## অসমীয়া ছবিৰ বতৰা


### প্ৰভাতী পখীৰ গান

জ্যোতি চিত্ৰবনত দৃশ্য গ্ৰহণ সমাপ্ত হোৱাৰ পিছত গুৱাহাটীৰ বিভিন্ন লোকেশ্বনত মুনীন বৰুৱা পৰিচালিত ছবি 'প্ৰভাতী পখীৰ গান'ৰ দৃশ্য গ্ৰহণ চলি আছে। ছবিখনৰ কাহিনী অমূল্য কাকতীৰ। মূলতঃ যুৱ সমস্যাৰ বিভিন্ন দিশত আলোকপাত কৰিবলৈ যাওঁতে স্বাভাৱিক ভাবেই আৰ্থ-সামাজিক, ৰাজনৈতিক সমস্যা সমূহো ছবিখনত সাঙোৰ খাই পৰিছে। 'প্ৰভাতী পখীৰ গান'ৰ চিত্ৰনাট্য প্ৰস্তুত কৰিছে মুনীন বৰুৱা আৰু অমূল্য কাকতীয়ে। সংলাপো দুয়ো যুটীয়াভাবে ৰচনা কৰিছে। ছবিখনৰ সংগীত জে পি দাসৰ। চিত্ৰ গ্ৰহণ অজান বৰুৱাৰ। অসমীয়া ছবি জগতৰ নবীন-প্ৰবীণ প্ৰায় আটাইবোৰ শিল্পীৰে সমাবেশ ঘটা 'প্ৰভাতী পখীৰ গান'ত দুকুৰিৰো অধিক অভিনেতা অভিনেত্ৰীয়ে অভিনয় কৰিছে। ছবিখনৰ প্ৰচাৰ পৰামৰ্শ-দাতাৰ দায়িত গ্ৰহণ কৰিছে ৰূপকাৰ চিনে এন্টাৰপ্ৰাইজে।


'প্ৰভাতী পখীৰ গান'ত প্ৰাঞ্জল শইকীয়া আৰু পূৰ্বী শৰ্মা ভট্টাচাৰ্য

### মুক্তি আসন্ন 'হলধৰ'

অধ্যাপক অপূৰ্ব শৰ্মাৰ একে নামৰ গল্পৰ ভেটিত নিৰ্মিত সঞ্জীৱ হাজৰিকা পৰিচালিত 'হলধৰ' মুক্তিৰ বাবে সম্পূৰ্ণ সাজু। গ্ৰামাঞ্চলৰ মহাজনী শোষণৰ পটভূমিত্ৰ শোষিত কৃষকৰ দুৰ্দশাৰ ছবি 'হলধৰ'ত অতি সহজ, সৰল আৰু সৰস ৰূপত মূৰ্ত হৈ উঠিছে। সাধাৰণ দৰ্শক শ্ৰোতাৰ বোধগম্য হোৱাকৈ আৰু প্ৰতিজন শোষিত লোকে একাত্মতা অনুভৱ কৰিব পৰাকৈ ছবিখনৰ সংলাপ লিখিছে বিশ্বনাথ চাৰিআলিৰ বিশিষ্ট নাট্যকাৰ তৰুণ শইকীয়াই। 'হলধৰ'ৰ চিত্ৰনাট্য সঞ্জীৱ হাজৰিকা, বিদ্যুৎ চক্ৰবৰ্তী আৰু অজান বৰুৱাৰ। অজান বৰুৱাই চিত্ৰ গ্ৰহণৰ দায়িত্ব লোৱা 'হলধৰ'ৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ইন্দ্ৰ বনিয়া, নয়ন প্ৰসাদ, হিৰণ্য ডেকা, অতুল পাচনি, বিদ্যুৎ চক্ৰবৰ্তী, তপন দাস, জয়ন্ত দাস, নৰ্মদা দাস, গব্যাঞ্জলী প্ৰসাদ আৰু নবাগতা ৰাধাই।


'হলধৰ' ছবিত হিৰণ্য ডেকা আৰু ৰাধা — ফটোঃ জীৱন ডাউকা

### ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সাৰথি'

ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সাৰথি' ছবিখনৰ কাহিনী ভাগ গঢ়ি উঠিছে এজন মানসিক ভাবে নিসংগ মহানগৰবাসী প্ৰৌঢ় লোকৰ কিছু সমস্যাক লৈ। এটা বয়সত পৰিয়ালৰ মূল মানুহজনৰ কিছু কিছু ক্ষেত্ৰত ঘৰৰ বাকী সদস্যবোৰৰ সৈতে চিন্তাৰ পাৰ্থক্য ঘটে। উপৰুৱাকৈ সকলো স্বাভাৱিক ভাবে ৰাখিও মানুহজন অশান্ত হৈ পৰে আৰু তেতিয়াই মনলৈ আহে কৈশোৰ আৰু যৌৱনত গাঁৱত কটোৱা কিছু সোণালী মুহূৰ্তৰ স্মৃতি। এই কাহিনী ভাগকে লৈ তৈয়াৰ হোৱা 'সাৰথি'ত অভিনয় কৰিছে তৰুণ নাথ, বিদ্যাৰাও, মৌচুমী কাঠকটীয়া, তপন দাস, গীতা ভৰালী, প্ৰীতি শইকীয়া আদিয়ে। 'সাৰথি'ৰ সংগীত পৰিচালনা কৰিছে প্ৰভাত শৰ্মাই।


ড০ ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত 'সাৰথি' ছবিত গীতা ভৰালী, বিদ্যাৰাও, প্ৰীতি শইকীয়া আৰু অনু ভূঞা — ফটোঃ ভাস্কৰ বেজবৰুৱা

সবিতা লহকৰ



প্ৰাত্যহিক

# কেনেকৈনো বাচি আছো

গৰিমা হাজৰিকা

গুৱাহাটীলৈ অহা মোৰ মাত্ৰ এসপ্তাহহে হৈছে। চাৰিজন ল'ৰাৰে সৈতে মেচ কৰি আছো। অহাৰ পৰা যি বৰষুণ আৰম্ভ হৈছে এৰাৰ নামেই নাই। গোটেইখন পানী। কিছুমান ঠাইত হেনো মানুহ ঘৰৰ পৰা ওলাবই পৰা নাই। ঘৰৰ ভিতৰ, বাহিৰ, খাল, বিল, নৰ্দমা সকলো পানীৰে একাকাৰ হৈছে। কিহেনো পাইছিল গুৱাহাটীলৈ কাম বিচাৰি আহিবলৈ। কলিতাই কিবা এটা কৰিম বুলি কৈছে, জানো কি হয়? "কিহে বৰা! কি লেখিছে? – ডায়েৰি নেকি? ডায়েৰি পাছে পৰেও লেখিব, আপোনাৰ কামৰ খবৰ এটা পাইছো– বলক খবৰ কৰি আহো।" "বাপ্‌ৰে! গুৱাহাটীৰ বাছত উঠাই টান দেখোন ইমান ভিৰ।" "লাহে লাহে অভ্যাস হৈ যাব ৰ'ব।" অ' কলিতা দেখোন, বহুত দিনৰ মূৰত; বাচি আছে তেতিয়াহ'লে।" "বাচি নেথাকিলে এইদৰে বাছৰ কাৰণে খাপ পতা দেখিলে-হেঁতেননে?" "ঠিকেই কৈছে, অলপ আগতে দাসকো লগ পালো বহুত দিনৰ মূৰ–তেখেতো বাচি আছে- ভাল লাগিল। বজাৰলৈ ওলাই আহিছো– মাছ অকণমান কিনি লৈ যাওঁ বুলি– পাছে মাছ, পাচলি কিনি ঘৰ পাওঁনে নেপাওঁ? জানেই নহয়, আজিকালিৰ দিনকাল।" "ঠিকেই কৈছে– আহো দিয়ক।" "আগলৈ বাচি থাকিলে লগ পাম।" "কলিতা! এই মানুহজন কেনে ধৰণৰহে-পগলা নেকি? এনেকৈনো কথা কয় নে?" "আৰু দুসপ্তাহ ৰওক- তাৰ পাছত আপুনিও বন্ধু পালে এই মানুহজনৰ দৰেই কথা ক'বৰ মন যাব। ঘৰৰ পৰা ওলালেই বিপদত আৰম্ভ হ'লেই নহয়-ৰিক্সা, ঠেলা, মটৰ কেতিয়া কোন সময়ত খুন্দা মাৰি পেলাই যাব ঠিক নাই। একেবাৰে খুন্দিয়াই মাৰিলেতো ঠিকেই– আধা মৰা হৈ দহজনৰ কেতেৰা জেঙেৰা খাই, বোজা হৈ থকাতোও জানো কম অশান্তি। হ'ল বুলি ঠেলাৰ খুন্দাত মৰিব নোৱাৰি– সৰগত গৈ কি কম ঠেলাই মোক খুন্দিয়াই মাৰিলে?–লাজৰ কথা এটা আছে।" "আপুনি যে ৰিক্সা, ঠেলাই খুন্দিয়াই মাৰিলে লাজ পায়-বাঁহৰ গাড়ীয়ে যেতিয়া ফুটপাথত ৰৈ থকাৰ পৰা চোঁচোৰাই লৈ যাব তেতিয়া?" "সেয়া আপোনাৰ দেখোন এসপ্তাহতেই গুৱাহাটীৰ 'এক্সপিৰিয়েঞ্চ' হ'লেই। দুমাহ পাছততো আপুনি গুৱাহাটীত খোজ কঢ়াৰ ওস্তাদ হৈ পৰিব। ফুটপাথৰ ক'ত জঁপিয়াব, কোনখিনিত মানুহৰ ভিৰ ঠেলি-ঠেলি বেঁকা হৈ হৈ যাব লাগিব– একেবাৰে মিলিটেৰী ট্ৰেনিং পাই যাব নহয়। কিন্তু এটা কথা-ফুটপাথত ৰৈ থাকোতেও কিন্তু বিপদ আছে। চিটিবাছত ওলমি, ওলমি যোৱা মানুহকো বাঁহৰ গাড়ীৰ দৰে চোচোৰাই নিব পাৰে। গতিকে ফুটপাথো নিৰাপদ নহয়। গুৱাহাটীৰ ৰাস্তা পাৰ হোৱাটো আকৌ বৈতৰণী পাৰ হোৱাৰ সোৱাদ পোৱাৰ দৰেই। বৰষুণ যদি এঘন্টা জোৰেৰে দিলে– হ'লেই নহয়, চকু থাকিও অন্ধ। খোজ দিলে ক'ত ভৰি পৰি কোনখিনি পায়গৈ একো ঠিক নাই। অলপ ধতুৱা মানুহেতো বাছত উঠিলে উশাহ নিশাহ বন্ধ হৈ মৰিব। কেন্টাৰৰ উপভন্ডালিৰ লগত তাল মিলোৱাটোও এটা কষ্ট। তাৰ উপৰি ভাতৰ লগৰ পানী–বেমাৰবোৰতো আছেই। বজাৰত নতুন পাচলি ওলোৱাৰ দৰে নিত্য নতুন ধৰিব নোৱৰা 'ভাইৰেল ফিভাৰ'। টেঁটুলৈকে ধাৰত পোত খুৱাই দিব পৰা খোৱা-পিন্ধা বস্তুৰ দাম। তাৰো ওপৰত আকৌ মাৰপিট, গুলি-বাৰুদৰ চিন্তা। ঘৰৰ পৰা ওলাই আহিলে পুনৰ ঘৰ আহি পাব নে নেপাই সন্দেহ। ঘৰৰ ভিতৰতো জানো শান্তি-চোৰ, ডকাইতবোৰ? পুলিচ, C.R.P.-ৰপ্ৰশ্নবান, তালাচিৰ কোবত কলৈনো কি কৰিবলৈ ঘৰৰ পৰা ওলাই আহিছো পাহৰিয়েই যাওঁ। কোন দিনা কেতিয়া মাৰপিট লাঞ্চনা হয় ঠিক নাই। ভাল মাছ মাংস কিনা মানেই সোণ ৰূপ কিনাৰ দৰে। পুঠি, খলিহনাৰে এসাজ ভালদৰে খাওঁ বুলি বজাৰলৈ যাব- ফুটিব ব'ম–সংসাৰৰ ভাত খোৱাই শেষ। নিৰপৰাধী মানুহে অপৰাধীৰ শাস্তি ভোগ কৰে। দুই চকীয়া, চাৰি চকীয়া বাহনৰ দুৰ্বাৰ গতিৰ মাজত নিজকে চম্ভালোতে চকুৰে সৰিয়হ ফুল দেখিব লগা হয়। ৰাস্তাত মানুহৰ দিনে দিনে বাঢ়ি যোৱা ভিৰটো আছেই। কোনো এটা বাটতে ভিৰ নথকা নহয়। মানুহ আৰু যানবাহনে শান্তিৰে কাকো খোজ কাঢ়িবলৈ নিদিয়ে। কাৰো সময় নাই ৰ'বলৈ। লৰালৰি ঠেলি হেঁচি খুন্দিয়াই কেৱল সকলোৰে যোৱাৰহে ধান্ডা। কোন পৰিল, কোন মৰিল, কোনে দুখ পালে চোৱাৰ সময় নাই। কোনেও কাৰো কাৰণে নেভাবে– কেৱল 'মই' যাব পৰিলেই হ'ল। আগৰ গুৱাহাটীত ৰাতি বাৰ-এক বজালৈ মানুহে নিশ্চিন্ত মনে ঘূৰা-ফুৰা কৰিবলৈ ভয় শংকা নাছিল। আজিকালিৰ গুৱাহাটীত ৰাতি আঠ বজাতেই নিশ্চিত হব নোৱাৰি। স্কুল কলেজৰ ল'ৰা-ছোৱালী ঘৰলৈ অহাৰ নিৰ্দিষ্ট সময় পাৰ হৈ গ'লেই মাক-বাপেকৰ প্ৰেচাৰ বাঢ়ে। আৰু প্ৰাকৃতিক দুৰ্যোগবোৰ? – ধুমুহা, বজ্ৰপাত, ভূমিকম্প? আমিবোৰ তাৰে মাজতো যে বাচি আছো সেইটোৱেই বৰ ডাঙৰ কথা। গতিকে এনে পৰিস্থিতিত কোনোবাই যদি সোধে– "আপুনি বাচি আছে নে" বুলি তাত বেয়া পাব লগা একো নাই। বৰঞ্চ নিজে ভাবিবহে লাগে মইনো কেনেকৈ বাচি আছো?"





OKDISCD